# প্ৰতিবিম্বন

GOALPARA COLLEGE
CROSS IS THE CROWN
Estd. 1955

## গোৱালপাৰা মহাবিদ্যালয় আলোচনী

২০১৪-২০১৫ বৰ্ষ






প্ৰতিবিম্বন

**সম্পাদক ঃ ময়নুল হক**

# প্ৰতিবিম্বনঃ সম্পাদনা সমিতি



ড° কাছিম আলী আহমেদ
সভাপতি



ড° ৰতন চন্দ্ৰ ভট্টাচাৰ্য
সদস্য



শৈলেনজিৎ শৰ্মা
তত্ত্বাৱধায়ক



ড° আব্দুল বাতেন আহমেদ
সদস্য



ৰফিক জামান
সদস্য



শিৱ প্ৰসাদ ডেকা
সদস্য



লনি বৰুৱা
সদস্য



ময়নুল হক
সম্পাদক



অধ্যক্ষ সমন্বিতে মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ



# প্ৰতিবিম্বন

গোৱালপাৰা মহাবিদ্যালয় আলোচনী

২০১৪-২০১৫ বৰ্ষ

# PRATIBIMBAN

GOALPARA COLLEGE MAGAZINE

2014-2015 Session

তত্ত্বাৱধায়ক ঃ শৈলেনজিৎ শৰ্মা

সম্পাদক ঃ ময়নুল হক

**PRATIBIMBAN** : *Published by G.C.S.U. & Edited by Moinul Hoque.*

।। সম্পাদনা সমিতি।।

*সভাপতি*
ড° কাছিম আলী আহমেদ, অধ্যক্ষ

*তত্ত্বাৱধায়ক*
শৈলেনজিৎ শৰ্মা

*সম্পাদক*
ময়নুল হক

*সদস্যবৃন্দ*
ড° ৰতন চন্দ্ৰ ভট্টাচাৰ্য
শিৱ প্ৰসাদ ডেকা
ড° আব্দুল বাতেন আহমেদ
ৰফিক জামান
লনি বৰুৱা

*বেটুপাতৰ পৰিকল্পনা*
*তত্ত্বাৱধায়ক*

অলংকৰণ
*সম্পাদনা সমিতি*

অংগসজ্জা
ময়নুল হক

*আৰ্হিপাঠ*
*সম্পাদনা সমিতি*

মুদ্ৰণ
নেছনেল প্ৰিণ্টাৰ্ছ
কালাপাহাৰ, গুৱাহাটী-১৬

## উছৰ্গা

যিসকল বিজ্ঞৱান আৰু বিদ্যোৎসাহী ব্যক্তিৰ
দূৰদৰ্শী পৰিকল্পনা, অক্লান্ত শ্ৰম
আৰু ত্যাগৰ বিনিময়ত গৌৰৱোজ্জ্বল
গোৱালপাৰা মহাবিদ্যালয়খনে ৬০ বছৰৰ দেওনা পাৰ হ'বলৈ সক্ষম
হ'ল সেই মহাভাগসকলৰ লগতে
যিসকল শিক্ষাগুৰুৱে নিৰৱচ্ছিন্ন শিক্ষাদানেৰে
মানৱ সম্পদ সৃষ্টিত অগ্ৰণী ভূমিকা লৈ
গোৱালপাৰা মহাবিদ্যালয়ৰ দৃঢ় ভেঁটি স্থাপন কৰি
মান্যতা প্ৰদান কৰিলে সেই পুণ্যাত্মাসকলৰ
পৱিত্ৰ স্মৃতিত
এই সংখ্যাটি উছৰ্গা কৰা হ'ল।

# উছৰ্গা

যিসকল বিজ্ঞৱান আৰু বিদ্যোৎসাহী ব্যক্তিৰ
দূৰদৰ্শী পৰিকল্পনা, অক্লান্ত শ্ৰম
আৰু ত্যাগৰ বিনিময়ত গৌৰৱোজ্জ্বল
গোৱালপাৰা মহাবিদ্যালয়খনে ৬০ বছৰৰ দেওনা পাৰ হ'বলৈ সক্ষম
হ'ল সেই মহাভাগসকলৰ লগতে
যিসকল শিক্ষাগুৰুৱে নিৰৱচ্ছিন্ন শিক্ষাদানেৰে
মানৱ সম্পদ সৃষ্টিত অগ্ৰণী ভূমিকা লৈ
গোৱালপাৰা মহাবিদ্যালয়ৰ দৃঢ় ভেঁটি স্থাপন কৰি
মান্যতা প্ৰদান কৰিলে সেই পুণ্যাত্মাসকলৰ
পৱিত্ৰ স্মৃতিত
এই সংখ্যাটি উছৰ্গা কৰা হ'ল।

## কৃতজ্ঞতা জ্ঞাপন


- ড° কাছিম আলী আহমেদ, অধ্যক্ষ
- ডাঃ ধ্রুৱজ্যোতি বৰা, সভাপতি, অসম সাহিত্য সভা
- ড° মৃদুল হাজৰিকা, উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়
- ড° ৰতন চন্দ্ৰ ভট্টাচাৰ্য, উপাধ্যক্ষ
- শৈলেনজিৎ শৰ্মা, তত্ত্বাৱধায়ক
- জ্যোতিষ দাস
- শিৱ প্ৰসাদ ডেকা
- ড° আব্দুল বাতেন আহমেদ
- ৰফিক জামান
- লনি বৰুৱা
- দয়াল কৃষ্ণ দাস
- শিখা বসাক (গ্ৰন্থাগাৰিক)
- তাৰিক ইমাম ছিদ্দিক, সভাপতি, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থা
- ছাইদুৰ ৰহমান মোল্লা, সাধাৰণ সম্পাদক
- শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ
- মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ
- গ্ৰন্থাগাৰৰ কৰ্মীবৃন্দ
- মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল
- গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰতিগৰাকী সদস্য

গুৱাহাটী বিশ্ববিদ্যালয়

**GAUHATI UNIVERSITY**

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91 361 2570412 (O), 2570408 (R)
Fax : +91-361-2675515
Email ID : hazarika50@gmail.com
vc_gu@yahoo.in



## MESSAGE

I am happy to learn that Goalpara College, Goalpara is going to publish its annual college magazine very soon. College magazine is a strong medium for the constituent members of a college for intellectual excercise. It carries sentiments, emotions, creativity and obejectivity to integrate into a totality of views of a community at a given time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 03.12.2015

**(Mridul Hazarika)**






## শুভেচ্ছাবাণী

লোক-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰতিবিম্বন' প্ৰকাশৰ বাবে প্ৰস্তুতি চলিছে বুলি জানি সন্তোষ অনুভৱ কৰিছো। আশাকৰো, 'প্ৰতিবিম্বন' মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী তথা শিক্ষাগুৰুসকলৰ সেউজীয়া অনুভৱৰ বটবৃক্ষ হৈ ৰ'ব।

মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীবৃন্দৰ কলমৰ কাপেৰে নিগৰা কলা মুকুতাৰ ওৰণি লৈ 'প্ৰতিবিম্বন' ন-কইনা সাজত প্ৰকাশ পাব। ন ন সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলগীয়া আলোচনীখনত ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঁজালি মেলা নতুন চিন্তাই সাহিত্যৰ মালা গাঁথি আমাৰ স্বকীয় সাহিত্যৰ সেউজী পথাৰখন অনুপমৰূপত সজাই তুলিব।

'প্ৰতিবিম্বন' সৰ্বাংগসুন্দৰ হওক- তাৰেই কামনাৰে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী আৰু শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

চিৰ চেনেহী মোৰ ভাষা জননী।

১৭ আঘোণ, ১৪২২ ভাস্কৰাব্দ

(ড° ধ্ৰুৱজ্যোতি বৰা)
সভাপতি
অসম সাহিত্য সভা

গোৱালপাৰা মহাবিদ্যালয়

**Goalpara College**

**Dr. Kasim Ali Ahmed**
**Principal,** Goalpara College
Goalpara



## Message from the Principal

It gives me immense pleasure to write a few words in the College Magazine 2014-2015, Goalpara College, Goalpara. The College Magazine *'Pratibimban'* is considered as a mouth piece of the college fraternity and the society at large. It reflects the performances of the college, its successes and failures, and also focuses on the academic and other activities throughout the year. Through this Magazine students get the opportunity to express their thoughts and feelings through their writings, which will encourage them and enhance their creative talents.

I would like to express my sincere thanks to all the members of the Editorial Board of this Magazine specially Prof. Sailenjeet Sarma, teaching and non-teaching staff, as well as the students of this college for its publication. Hope, this *'Pratibimban'* can able to reflect the Goalpara College, Goalpara on all sides and acquire an appreciable position among the teaching and learning communities of the society.

14th March, 2016

**(Dr. K.A. Ahmed)**
Principal
Goalpara College, Goalpara

গোৱালপাৰা মহাবিদ্যালয়
**Goalpara College**

**Dr. Ratan Ch. Bhattacharya**
**Vice Principal, Goalpara College**
**Goalpara**



# শুভেচ্ছা

গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উদ্যোগত মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখন ময়নুল হকৰ সম্পাদনাত আৰু অধ্যাপক শৈলেনজিৎ শৰ্মাৰ তত্বাৱধানত প্ৰকাশৰ প্ৰাক্-মুহূৰ্তত সম্পাদনা সমিতি আৰু লেখক-লেখিকাসকলক শুভেচ্ছা জনাইছোঁ। সাম্প্ৰতিক কালছোৱাত ছপা আৰু ইলেক্ট্ৰনিক মাধ্যম উভয়তে জনমুখী চিন্তাৰ অভাৱ, শ্ৰমবিমুখতা, অন্ধবিশ্বাস, অনৈতিক আৰু সংকীৰ্ণ মনোভাব, বিকৃত ৰুচিসমৃদ্ধ লিখনিৰ পয়োভৰ হৈছে। এনে অৱস্থাত পৰিৱৰ্তিত পৰিস্থিতিত মূল্যবোধ-সম্পৃক্ত লিখনিৰ বাবে ছাত্ৰ সমাজক উদ্বুদ্ধ কৰাত মহাবিদ্যালয় এখনৰ আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। আশা কৰোঁ  আলোচনীখনৰ বৰ্তমান সংখ্যাটো বৰ্ণাঢ্য হ'ব আৰু নতুন চামক লিখা-মিলাত জড়িত হ'বলৈ উৎসাহ যোগাব।

দিনাংক ঃ ৩০ মাৰ্চ, ২০১৬

(ৰতন চন্দ্ৰ ভট্টাচাৰ্য)
উপাধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়

# সম্পাদকীয়



আলোচনী হৈছে নানা বিষয় সামৰি লোৱা সাময়িক পত্রিকা বা মুখপত্র। ইয়াৰ জৰিয়তে সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, শৈক্ষিক আদি বিভিন্ন দিশৰ প্রতিফলন ঘটে। মহাবিদ্যালয়ৰ আলোচনী এখনতো এই বিভিন্ন দিশৰ সমাহাৰ ঘটোৱাৰ সুযোগ-সুবিধা থাকে। সাহিত্যৰ বিভিন্ন দিশৰ চৰ্চাই ছাত্র-ছাত্রীৰ মানসিক উৎকর্ষৰ পৰিচয় দাঙি ধৰে। ক'বলৈ গ'লে মহাবিদ্যালয়ৰ আলোচনী এখনে সাহিত্য-সংস্কৃতিৰ ওপৰত চলোৱা স্থানীয় প্রচেষ্টাৰ জৰিয়তে বিশ্ব-চিন্তাত অৰিহণা যোগাব পাৰে। দেখাত মহাবিদ্যালয়ৰ আলোচনী এখন ব্যক্তিত্ব তথা সাহিত্যৰ বিকাশৰ ক্ষেত্রত ক্ষুদ্র মাধ্যম যেন লাগিলেও ইয়াৰ জৰিয়তেই সাহিত্য-সাধনাৰ জখলাত বগোৱা সম্ভাৱনাময় ৰূপটো প্রকাশ পোৱাৰ আশা থাকে। মুঠতে মহাবিদ্যালয়ৰ আলোচনী এখনে ছাত্র-ছাত্রীৰ সু-যুপ্ত প্রতিভাক জাগ্রত কৰিব পৰাৰ লগতে কিছুমান অভিজ্ঞতাৰ কুঁৱলী আঁতৰাই প্রতিভাক চক্চকীয়া কৰিব পাৰে। ছাত্র-ছাত্রীয়ে বৌদ্ধিক দিশটোৰ লগতে মননশীলতা, শিল্পীপ্রৱণ দিশটোৰ উত্তৰণ ঘটাবৰ কাৰণে আলোচনীখনকে মাধ্যম কৰি লৈ আগবাঢ়িলে কৃতকার্য হোৱাৰ সম্ভাৱনা থাকে। মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে নির্বাচিত পাঠ্যপুথি অধ্যয়ন কৰাৰ লগতে যদি সময়ৰ বহল বিচৰণ-ভূমিত সময়োপযোগী ভূমিকা গ্রহণেৰে ভাষা-সাহিত্যৰ প্রতি অৱদান গ্রহণৰ উদ্দেশ্যে হাতত কাপ তুলি লৈ আলোচনীৰ পাততে নিজকে আৱিষ্কাৰ কৰিব পাৰে, তেনেহ'লে নিশ্চিতভাৱে জীৱনটো ধন্য হ'ব। সাহিত্যৰ প্রতি ৰাপ থকা ছাত্র-ছাত্রীয়ে মহাবিদ্যালয়ৰ আলোচনীৰ মাধ্যমেদি নিজৰ চিন্তা-সাধনাক কিছু পৰিমাণে হ'লেও বাস্তৱ ৰূপ দিব পাৰে।

প্রতিগৰাকী ব্যক্তিয়ে নিজক প্রকাশ কৰিব বিচাৰে আৰু বিচৰাটোৱে ধর্ম। ছাত্র-ছাত্রীয়ে আলোচনীৰ মাধ্যমেদি নিজকে প্রকাশ কৰাৰ সুবিধা পায়। সেয়েহে মহাবিদ্যালয়ৰ আলোচনীখনৰ এই ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা আছে। কিন্তু চৰ্চা অবিহনে কেতিয়াও সাহিত্য-সৃষ্টি হ'ব নোৱাৰে। আমি আমাৰ প্রতিটো চিন্তা-শক্তিক যদি সাহিত্যৰ মাধ্যমেদি বান্ধি ৰাখিব পাৰোঁ, তেতিয়াহে আমাৰ জীৱন সফল হ'ব। সেয়েহে সম্পাদক হিচাপে আমাৰ ছাত্র-ছাত্রী তথা বন্ধু-বান্ধৱীলৈ অনুৰোধ তেওঁলোকে যাতে আমাৰ আলোচনীখনৰ জৰিয়তে সাহিত্য-

চৰ্চাৰ পথ মুকলি কৰি নিজকে সাহিত্যৰ ক্ষেত্ৰখনত প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰে। ভুকুতে কলটো নপকে। সাহিত্যৰ ক্ষেত্ৰতো একে কথা। লাহে লাহে চৰ্চা কৰি গ'লেহে ফলটো পোৱা যাব। কলম চলাবহে লাগে, সামৰিব নেলাগে। কলম চলাই গ'লে প্ৰতিষ্ঠিত লিখক হোৱাৰো সম্ভাৱনা থাকে। বৰ তাৎপৰ্যপূৰ্ণভাৱে দেখা যায় যে বৰ্তমানৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনিহা মনোভাব। গতিকে পূৰ্বৰ তুলনাত বৰ্তমান আমাৰ সাহিত্যৰ ভঁড়ালটো নিশকতীয়া হ'বলৈ গৈ আছে। সাহিত্যৰ প্ৰতি অনিহাৰ ভাব বজাই ৰাখিলে আমি কেতিয়াও আমাৰ ভাষা-সংস্কৃতি বজাই ৰাখিব নোৱাৰিম। সেয়েহে আমি এটা কথা মনত ৰখা উচিত যে "Literature has more power to unit the world than the destroying power of a hydrogen bomb."

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন সাহিত্য-সংস্কৃতি চৰ্চাৰ বাহন। এই আলোচনীখনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ পৰা সৃষ্টি হওক এচাম সাহিত্যিকৰ,— যিয়ে মানৱতাৰ প্ৰবক্তাৰূপে থিয় দিব পাৰে, সংস্কৃতিৰ গুৰি-ব'ঠা সঠিকভাৱে ধৰিব পাৰে। তেতিয়াহে আলোচনীখনৰ উদ্দেশ্য সফল হ'ব। আমাৰ আলোচনীখনৰ নাম এনেয়ে 'প্ৰতিবিম্বন' ৰখা হোৱা নাই। ইয়াত সঁচাকৈয়ে বৌদ্ধিক, শৈক্ষিক, সামাজিক-সাংস্কৃতিক, সাহিত্য আদিকৰি বিভিন্ন দিশৰ প্ৰতিফলন ঘটিব লাগিব। তেতিয়াহে 'প্ৰতিবিম্বন' নামটো সাৰ্থক হ'ব।

**এই সংখ্যা আলোচনী-প্ৰসংগত**

এই সংখ্যাৰ আলোচনীখন অগতানুগতিক কৰাৰ মানসেৰে সাহিত্যৰ প্ৰতিটো দিশেই যাতে স্থান পায় তাৰ বাবে সাধ্যানুযায়ী চেষ্টা চলাইছোঁ। অৱশ্যে কিমান সফল হৈছোঁ সেইটো বিচাৰ কৰিব পঢ়ুৱৈসমাজে। আলোচনীখনত চুটি গল্প, ব্যংগাত্মক গল্প, অনুবাদ গল্প, প্ৰবন্ধ, নাটক, জীৱনী, কৌতুক, কুইজ, মহৎলোকৰ বাণী, অসমীয়া শব্দাৰ্থ জ্ঞান আদি বিবিধ শিতান সন্নিৱিষ্ট হৈছে। কিন্তু ইংৰাজী শিতানটো যেনেদৰে সজাম বুলি ভাবিছিলোঁ তেনেদৰে সজাব পৰা নগ'ল। তথাপি এই সংখ্যাৰ আলোচনীখনৰ এটা সুকীয়া সৌন্দৰ্য থাকিব বুলি মোৰ ধাৰণা। আলোচনীখন সুন্দৰৰূপে সজাই মানসম্পন্ন কৰাৰ ক্ষেত্ৰ ত তত্ত্বাৱধায়ক শৈলেনজিৎ শৰ্মা ছাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সঁচাকৈয়ে শৈলেনজিৎ শৰ্মা ছাৰৰ দৰে এগৰাকী ব্যক্তিক তত্ত্বাৱধায়ক হিচাপে পাই ধন্য হৈছোঁ। এই ছেগতে ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে দুঃখিত।

শেষত এটা কথাকে ক'ব খোজোঁ যে আমাৰ বছৰেকীয়া আলোচনীখনৰ জৰিয়তে এনেকুৱা এটা মূল্যবোধৰ সৃষ্টি হওক, যি মূল্যবোধে আমাৰ সমাজ আৰু জাতিৰ ঐক্য-সাধনত আশাৰ সঞ্চাৰ কৰাৰ লগতে এই আলোচনীখনৰ জৰিয়তে সাহিত্যৰ পথাৰখনতো এক সবল খোজ পেলাব পাৰে।

এই কামনাৰে -

(ময়নুল হক)

# বিষয়-ক্ৰমণিকা

**প্ৰবন্ধ**

অমৰ লক্ষ্মীনাথ (গোৱালপাৰা মহাবিদ্যালয়ত উদ্‌যাপিত হোৱা বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে দিয়া মুখ্য অতিথিৰ ভাষণৰ কিয়দংশ - *মুনীন্দ্ৰ নাৰায়ণ গোস্বামী* / ১৩-১৬

ত্ৰিশ বছৰীয়া অসম চুক্তি - *শিৱ প্ৰসাদ ডেকা* / ১৭-২০

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু নক্ষত্ৰৰ ক্ৰমবিকাশ - *উপেন্দ্ৰ নাথ দেৱ শৰ্মা* / ২১-২২

ACTA ত গোৱালপাৰা কলেজৰ প্ৰাসঙ্গিকতা - *গুৰুপদ চন্দ্ৰ শৰ্মা* / ২৩-২৫

স্বাস্থ্য আৰু সুৰক্ষিত খাদ্য - *ড০ বাসন্তী ৰায় দত্ত* / ২৬-২৮

নিৰুপমা বৰগোহাঞিৰ উপন্যাসত মনস্তাত্বিক দিশৰ প্ৰতিফলন - *পূৰবী নাথ* / ২৯-৩৩

মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্য - *তৃষ্ণা দাস* / ৩৪-৩৮

গোৱালপৰীয়া মৈষালী গীতত নাৰীকেন্দ্ৰিক প্ৰেম-বিৰহৰ ছবি - *বৰষা দাস* / ৩৯-৪২

**জীৱনী**

ভাৰতশ্ৰেষ্ঠ পোহৰ বিজ্ঞানী চন্দ্ৰ শেখৰ ভেঙ্কটৰমণ - *তাচৰিণ ইছলাম* / ৪৩-৪৪

**গল্প**

কুহক্ - *ড০ যুগব্ৰত দাস* / ৪৫-৪৭

প্ৰতিশোধ - *ফুলশ্ৰী ডেকা* / ৪৮-৫০

যৱনিকা - *নুৰ আফৰুজ আহমেদ* / ৫১-৫৩

স্বপ্ন ভঙ্গ - *শান্তা শৰ্মা* / ৫৪-৫৮

দাগ - *পাঞ্চালী সিন্‌হা* / ৫৯-৬৫

**ব্যংগাত্মক গল্প**

জনপ্ৰিয়তা লাভৰ কেইটামান উপায় - *অপূৰ্ব্ব কলিতা* / ৬৬-৬৯

**অনুবাদ গল্প**

চিঠি বাজি - *মৰমী ভৰালী* / ৭০-৭৩

**নাটক**

বঙহৰ যুঁজ - *শৈলেনজিৎ শৰ্মা* / ৭৪-৮৮

## কবিতা

দৰিদ্ৰতা - *অজন্তা বৰ্মন* / ৮৯
মৰমৰ ঘৰ - *নুৰেজা খাতুন* / ৮৯
অৱসান - *গোবিন্দ ঘোষ* / ৯০
কবিতা নিলিখোঁ মই - *হীৰকজ্যোতি দাস* / ৯০
ঠিকনাহীন - *ছালমা চুলতানা আহমেদ* / ৯১
শেৱালি পুৰা - *জগবন্ধু কলিতা* / ৯১

## মহৎ বাণী

সংগ্ৰাহক - *ৰবীয়া খাতুন* / ৯২-৯৩

## কুইজ

সংগ্ৰাহক - *হাসিবুৰ ৰহমান* / ৯৪-৯৫

## কৌতুক

সংগ্ৰাহক - *দ্বীপ কুমাৰ ঘোষ* / ৯৬

## অসমীয়া শব্দাৰ্থ-জ্ঞান

সংগ্ৰাহক - *পূজা ভট্ট* / ৯৭-১০৬

বিভিন্ন বিভাগৰ সম্পাদকীয় প্ৰতিবেদন / ১০৭-১১১

***English Section :***

## Article

Archeology and Historical Antiquities of Goalpara District - *Dr. Kasim Ali Ahmed* / 113-123
Yemen in Crisis - *Parvin Sultana* / 124-127
Managing the Learning Ability - *Dr. Chintamayee Sarangi* / 128-130
Live And Let Live - *Mozibor Rahman* / 131-133

## Biography

Albert Einstein (Greatest man of science) - Collected by - *Mrinmoy Sarma* / 134-137

## Poetry

My Neighbour's Duck - *Imran Mozid* / 138
Life - *Runmoni Sutradhar* - 138
Purity - Azmat Ali Ahmed - 139
Desires - Sagarika Das - 139

## Report

Tarique Imam Siddique - President, GCSU / 140

প্ৰবন্ধ

# অমৰ লক্ষ্মীনাথ

গোৱালপাৰা মহাবিদ্যালয়ত উদ্‌যাপিত হোৱা বেজবৰুৱাৰ
ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে দিয়া মুখ্য অতিথিৰ ভাষণৰ কিয়দংশ



মুনীন্দ্ৰ নাৰায়ণ গোস্বামী
বিশিষ্ট কবি-সাহিত্যিক, গীতিকাৰ আৰু সাহিত্যিক পেঞ্চনাৰ

নিতৌ পশ্চিম আকাশত দিনান্তৰ দায়িত্ব সামৰি সূৰুযটো মাৰ যায়। আকৌ পিছদিনাখন প্ৰত্যুষতে হয় সূৰ্যোদয়। ই এক নৈসৰ্গিক পৰিক্ৰমা,- যিটোৰ অহা-যোৱা গতিৰ বিৰাম নাই। নিশাটোৰ বাবে অন্তৰ্ধান হোৱা সূৰুযটোৰ কথা খন্তেকৰ বাবেও আমি নেপাহৰোঁ। কাৰণ জীৱকুলৰ বাবে দিনৰ ভাগত সূৰুযটোৱে যেনে উপকাৰ সাধন কৰে সাময়িকভাৱে অদৃশ্য হ'লেও সেই উপকাৰদাতা আদিত্যৰ কথা পাহৰি যোৱাটো সম্ভৱ হৈ নুঠে। বৰঞ্চ ইয়াৰ স্থায়িত্বহে প্ৰতিষ্ঠিত হয়। একেই অবিৰাম গতিত মানুহৰো জন্ম হৈছে আৰু নিজ নিজ জীৱনৰ সীমাবদ্ধতাৰ আধাৰত মৃত্যুবৰণ কৰিছে। এয়াও একেই প্ৰাকৃতিক চিৰন্তনতা, নিৰৱচ্ছিন্ন গতি-প্ৰৱাহ। যিসকল ব্যক্তিয়ে নিজৰ জীৱন কালত নিজৰ চিন্তা-দৰ্শন আৰু কৰ্মাৱলীৰে দহৰ উপকাৰ সাধন কৰিছে, মহানুভৱতা, প্ৰেম আৰু ত্যাগৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে সংখ্যাত তেনেই তাকৰ হ'লেও তেওঁলোকেও প্ৰভাতী-আদিত্যৰ সম মানুহৰ মনত কালজয়ীৰূপেই স্থিতি লৈ আছে, অৰ্থাৎ মৃত্যুজয় কৰিব পাৰিছে। অসমৰ ইতিহাসৰ পাত লুটিয়াই চালে তেনে সময়জিনা, মৃত্যুজিনা সকলৰ মাজত লক্ষ্মীনাথকে নিশ্চিতভাৱে বিচাৰি পাম আৰু পাম তেওঁৰে ৰচিত 'অৱশেষ' নামৰ কবিতাটোৰ দৰ্শন-তত্ত্বৰ যোগেদি, য'ত লিখিছে-

"ফুলিল মালতী, ফুলি সৰি পৰি গ'ল,
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ'ল।
ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ,
ৰই গ'ল অৱশেষ অমিয়া জোকাৰ।।"

এনে উপলব্ধিজাত দৰ্শনৰ মাজতে প্ৰকৃত বিচাৰ-বিবেচনাৰে চালে কালে হৰণ কৰিব নোৱৰা লক্ষ্মীনাথজনক আমি শাশ্বতৰূপত আদিত্যৰ জেউতিৰ দৰে পামহক।

যি গৰাকী মহান ব্যক্তিৰ প্ৰতি শ্ৰদ্ধানুগত হৈ তেওঁৰ বিষয়ে দুই-চাৰিষাৰ কথা ক'বলৈ মানস কৰিছোঁ তেওঁৰ জন্মটো ক'বলৈ গ'লে এটি নৈসৰ্গিক ঘটনা। জন্মলগ্নতে যেন ঐশী

আশিস লাভ কৰি আহিছিল। কোনোবাই হয়তো তেওঁৰ জনম ক্ষণটো বিপৰ্যয়ৰ ক্ষণ বুলি ক'বলৈকো কুণ্ঠাবোধ নকৰিব। আমাৰ ধাৰণা এই ক্ষেত্ৰ ত সুকীয়া। এই জনমটোৱে আছিল যেনিবা এক ভৱিষ্যতৰ জেউতি বাহক। সেই কথাটোকে অলপ বিশ্লেষণাত্মক দৃষ্টিৰে চাবৰ মন মেলিছোঁ। এইটো সৰ্বজন বিদিত যে লক্ষ্মীনাথৰ জন্ম হৈছিল লক্ষ্মী পূৰ্ণিমা তিথিত ব্ৰহ্মপুত্ৰৰ বুকুত। ব্ৰহ্মপুত্ৰৰ বিশালতা তেওঁৰ ব্যক্তিত্বৰ গভীৰতাত, চিন্তা-দৰ্শনত আছিল আৰু তীব্ৰস্ৰোত আছিল সমাজৰ স'তে অসমীয়া ভাষা সজাব খোজা সাহিত্য সৃষ্টিত। নাৱত ভূমিষ্ঠ হোৱা লক্ষ্মীনাথ, নাৱৰ চালিকা শক্তি বোঁৱতী জলধাৰাৰ লেখীয়া আছিল গতিশীল, যি সম্পদ-সমলেৰে অসমকো স্থৱিৰতাৰ বিপৰীতে সকলো দিশতে গতি আদৰ্শ-ব্ৰতী কৰাৰ বাবে জীৱনব্যাপী চেষ্টা চলাইছিল, বিশেষকৈ সাহিত্য সৃষ্টিৰ দৰে বিশিষ্ট মাধ্যমৰ জৰিয়তে। আৰু আজি সেই ব্ৰত সাধন-যজ্ঞৰ বাবেই পূৰ্ণিমাৰ জোনাকসদৃশ অসম সাহিত্যাকাশ আলোকিত কৰি আছে। তেখেতৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উছাহ-উদ্দীপনাৰে পালনৰ সংকল্পই সেই আলয়-অক্ষয় জেউতিৰ সময়-আদৃত প্ৰমাণ পত্ৰৰূপে চিহ্নিত হৈছে।

ব্ৰহ্মপুত্ৰৰ বুকুত নাৱৰ ভিতৰত কোনখিনি নিৰ্দিষ্ট স্থানত লক্ষ্মীনাথ বেজবৰুৱা নামৰ ব্যক্তিগৰাকীৰ জন্ম হৈছিল সেয়া বুৰঞ্জীৰ বিষয়। তেওঁৰ জীৱনৰ গতিধাৰা একো দিশতে নিশ্চয়কৈ নিৰ্ণয় কৰা নাই, কিন্তু জন্মকালৰ যিটো প্ৰাকৃতিকতা তাৰ প্ৰভাৱ পৰা বুলি ভবাৰ থল থকাৰ সম্ভাৱনীয়তাক একেবাৰেই নস্যাৎ কৰিব পৰা নেযায়। ব্ৰহ্মপুত্ৰ যিদৰে অসম ভূমিখণ্ডত অসমীয়াৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতীক তথা আদৰৰ, তেনেদৰেই ব্ৰহ্মপুত্ৰই প্ৰসৱ কালত সহায়ক হোৱা লক্ষ্মীনাথো অসমবাসীৰ বাবে আদৰ আৰু সন্মানৰ বাহক। মহাবাহুই প্ৰদৰ্শন কৰা মহত্ত্বৰ বীজ লক্ষ্মীনাথেও নিজৰ জীৱনত বহন কৰা পৰিলক্ষিত হয়। অসমীয়া বৰ জাতিটোৰ হকে কাম কৰিবলৈ লক্ষ্মীনাথ স্থলভাগৰ বৰ লুইতৰ দৰে প্ৰৱাহমান, কিন্তু পশ্চাদগামিতা নাই।

ঘৰুৱা পৰিৱেশ আদিয়ে পৰিয়ালৰ সদস্যসকলৰ ওপৰত প্ৰায়ে প্ৰভূত প্ৰভাৱ পেলায়। এনে কথাৰ যথাৰ্থতা প্ৰমাণ কৰাৰ বাবে আমি লক্ষ্মীনাথকে উদাহৰণস্বৰূপে ল'ব পাৰোঁ। লক্ষ্মীনাথৰ মাক-দেউতাকহঁত আছিল বৈষ্ণৱ আদৰ্শৰ অমৃত সেৱনকাৰী। নিভাঁজ আৰু একনিষ্ঠতাৰ মনোভাবৰ আকৰ্ষণীয় অলংকাৰেৰে সজ্জিত। লক্ষ্মীনাথো ব্যতিক্ৰম নহ'ল। নিজৰ ঘৰৰ মজিয়াৰ পৰাই জীৱন-ধন বুটলিবৰ বাবে সক্ষম হৈছিল। বৈষ্ণৱ ধৰ্মৰ প্ৰতি হোৱা আকৰ্ষণে, যিটো আছিল আপোন গৃহস্থত, লক্ষ্মীনাথক আধ্যাত্মিকতাৰ মৰ্ম বুজাত প্ৰভূত সহায় কৰিছিল। অসমৰ বিভিন্ন দিশৰ সমকালীন বাতাৱৰণে লক্ষ্মীনাথৰ আগ্ৰহী মনত ঐতিহাসিক, সামাজিক, সাংস্কৃতিক আদি সকলো বিষয়ৰ এটি জাগৰণৰ সৃষ্টি কৰিছিল। এনে জাগৰণে তেওঁক সংকল্পসিদ্ধ মনোবলৰ এগৰাকী ব্যক্তি হিচাপে গঢ়ি তুলিছিল।

পৰিৱেশে মানুহক গঢ় দিয়াত সহায় কৰে,- এনে সত্যৰ কথা আগত উনুকিয়াই অহা হৈছে। কিন্তু পৰিৱেশৰ কথা কৈ সময়ক একাষৰীয়া কৰি ৰখাটো উচিত নহ'ব যেন লাগে। বহু ক্ষেত্ৰত সময়ে পৰিৱেশ আদি সৃষ্টি কৰাত অনেক প্ৰেৰণা যোগায়। লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ জীৱনো সময়ৰ অৰিহণাৰে পৰিপুষ্ট বুলি ক'ব পৰা যায়। প্ৰথমতে এটি কথা অলপ ফঁহিয়াই চোৱাৰ মন। লক্ষ্মীনাথৰ জন্ম নাৱতে হোৱা বুলি জানিছোঁ যেনিবা; কিন্তু তাতেই নাও-অধ্যায়ৰ সামৰণি পৰা নাই। সেইটো সময়ত ৰাস্তা, যান-বাহনৰ আজিৰ কালত প্ৰত্যক্ষ কৰি উন্নতিৰ গৰ্ববোধ কৰা যাৱতীয় সুবিধাবোৰ নাছিল। যাত্ৰাবোৰ আছিল প্ৰায় ক্ষেত্ৰত বিপদবেষ্টিত। একো অঘটন নহ'লেতো ৰক্ষা পৰাৰে কথা। অন্যথা জীৱনৰ নিশ্চয়তা তেনেই সন্দেহজনক। এনেকুৱা পৰিস্থিতি সাবটি বিশেষকৈ পিতাকৰ স'তে লক্ষ্মীনাথে নাও সম্বলেৰে বহুবাৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশালতাৰ খৰস্ৰোত নেওচি বাৰিষা কালতো নাৱেৰে উজান-ভাটি কৰি অহা-যোৱা কৰি ত্ৰাস-আনন্দৰ অভিজ্ঞতা লভিছিল আৰু এই অভিজ্ঞতাবোৰ কালক্ৰমত তেওঁৰ সহজাত অনুসন্ধিৎসু মনত অদম্য সাহসৰূপে প্ৰতিষ্ঠিত হৈছিল, সহিষ্ণুতা যমজ হিচাপে।

বিশেষকৈ পঢ়াকালৰ পৰাই লক্ষ্য কৰিছিল যে নিজৰ মাতৃভাষা অসমীয়া অসমতে তদানীন্তন শাসক আৰু তেওঁলোকৰ অনুগত তথা অসমীয়া ভাষাৰ বিপৰীত স্থিতিত অৱস্থান কৰা সকলৰদ্বাৰা অনাদৃত হৈছিল। স্বদেশ, স্বজাতি আৰু আপোন মাতৃভাষাৰ প্ৰতি থকা আন্তৰিক অনুৰাগে লক্ষ্মীনাথৰ স'তে কলকতাত পঢ়িবলৈ যোৱা অসমীয়া বান্ধৱসকলৰ মনত এক জাগৰণৰ সৃষ্টি কৰিছিল। কলকাতাত তেওঁলোকে বঙালী সাহিত্যৰ স্থিতিৰ লগতে এই ক্ষেত্ৰত ৰবীন্দ্ৰ-লহৰৰ গতি প্ৰত্যক্ষ কৰি নিজৰ মাতৃভাষাটোতো নতুন মাত্ৰাদানেৰে সজীৱ কৰি তোলাৰ বাবে দৃঢ় সংকল্পবদ্ধ হৈ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা গঠন কৰে আৰু 'জোনাকী' নামৰ মাহেকীয়া আলোচনী প্ৰকাশ কৰাৰ ব্যৱস্থা কৰে। লক্ষ্মীনাথে নিজে 'বাঁহী' কাকতৰো প্ৰচলন কৰি মাতৃভাষা আৰু সাহিত্যৰ প্ৰচাৰ আৰু প্ৰকাশৰ বলিষ্ঠ প্ৰচেষ্টা হাতত লয়। সংকল্প আৰু উদ্যমক মূলধনৰূপে আঁকোৱালি লৈ লক্ষ্মীনাথে সাহিত্যৰ সকলোকেইটা দিশতে চৰ্চা আৰম্ভ কৰিলে। ভাষাটোৰ উন্নতি সাধন আৰু সম্যকভাৱে প্ৰতিষ্ঠিত কৰাৰ বাবে তেওঁ সাহিত্য-যজ্ঞ সম্পাদনত ব্ৰতী হ'ল। লগত আছিল আন এটি মহান লক্ষ্য। সেই সময়ত সমাজত প্ৰচলিত কুসংস্কাৰ আদি দেখুৱাই মানুহৰ মন নিকা কৰি তোলাৰ এক তীব্ৰ হেঁপাহ। তদৰ্থে তেওঁ কেবাখনো কিতাপ লিখি উলিয়াইছিল হাস্য-ব্যঙ্গ ৰসৰ মাজেৰে। যিহৰ বাবে আমি আমাৰ সাহিত্যভঁৰাল চহকী কৰাজনক 'ৰসৰাজ' বুলিও জানোহক। আমাৰ যি লোকসংস্কৃতি আছে সেইটো বিষয়ে বেজবৰুৱাদেৱ বৰ সচেতন আছিল। বিশেষকৈ লোক-সাহিত্য সংৰক্ষণত তেওঁ বৰ গুৰুত্ব দিছিল। আগেয়ে আমাৰ চোতালত জহকালি আইতাসকলে নাতি-নাতিনীক গধূলি পৰত সাধুকথা শুনাইছিল, মনত আনন্দ দিয়াৰ লগতে টোপনি অনাৰো অঘোষিত মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। বেজবৰুৱাদেৱে হয়তো তাহানিতেই অনুমান কৰিছিল যে অসমীয়াৰ জহৰ চোতালৰপৰা এদিন সাধুকথা কোৱাৰ প্ৰসঙ্গ হেৰাই যাব। সেয়েহে নিজে সাহিত্য-সৃষ্টিৰ সম্ভাৰেৰে বুঢ়ী আইৰ বেশ ধাৰণ কৰি সাধুবোৰ কিতাপৰ ভঁৰালত দীৰ্ঘজীৱী কৰিলে 'বুঢ়ী আইৰ সাধু', 'সাধুকথাৰ কুঁকি' আদিৰে।

অসমীয়া ভাষাটোক গ্ৰাসমুক্ত কৰাৰ বাবে লক্ষ্মীনাথে সতীৰ্থসকলৰ সৈতে সংকল্পবদ্ধ প্ৰচেষ্টা হাতত লৈ নিজৰ দায়িত্ববোধেৰে সাহিত্যৰ আটাইকেইটা দিশতে মনোনিৱেশ কৰি বীজ সিঁচিছিল। তেতিয়া তেওঁৰ কিতাপ লিখি চহকী হোৱা নতুবা সাহিত্যিক পেঞ্চন লভা ইত্যাদি আত্মস্বাৰ্থৰ খেল খেলাৰ অভিপ্ৰায় নাছিল। স্বাৰ্থটো আছিল বৃহত্তৰ পৰিধিৰ আৰু দৃষ্টিভঙ্গীৰ। মাতৃভাষাৰ সৰ্বতোপ্ৰকাৰে উন্নতিসাধন। মাতৃভাষাৰ স'তে অসমপ্ৰেম আছিল লক্ষ্মীনাথৰ জীৱনৰ উৎকৃষ্ট মানসিকতাৰ নিদৰ্শন। কলকতাত থকা কালত ৰবীন্দ্ৰ প্ৰভাৱযুক্ত আৰু সৰ্বময় বঙালী পৰিৱেশৰ মাজত থাকিও, ৰবীন্দ্ৰনাথ ঠাকুৰ পৰিয়ালৰ ছোৱালীৰ স'তে বিবাহপাশত আবদ্ধ হৈয়ো প্ৰলোভন আৰু প্ৰভাৱ বিমুক্ত হৈ নিজস্বতা ৰক্ষা কৰিব পৰাটো লক্ষ্মীনাথৰ নিজ ব্যক্তিত্ব আৰু অসমীয়া চৰিত্ৰৰ নিশ্চয়কৈ এক প্ৰশংসনীয় তথা আদৰণীয় দিশ। নিজৰ স্থিতি সজাগতাৰ এয়া এক প্ৰকৃষ্ট উদাহৰণ।

জীৱিকাৰ সন্ধান আৰু স্বদেশ-সেৱা লক্ষ্মীনাথৰ জীৱন পৰিক্ৰমাৰ দুটি সুঁতি। বিশ্লেষণাত্মক দৃষ্টিৰে চালে এটি কথা স্পষ্টৰূপত ওলাই পৰে যে ব্যৱসায়ী লক্ষ্মীনাথৰ অৰ্থোপাৰ্জনৰ হাবিয়াসতকৈয়ো সাহিত্যসৃষ্টিৰ যোগেদি মাতৃভাষা প্ৰতিষ্ঠাৰ মনপ্ৰাবল্য আছিল অধিক। 'বাঁহী' আলোচনীৰ প্ৰকাশ এনে মনোভাবৰে সাক্ষী বুলি ক'লেও বঢ়াই কোৱা নহ'ব যেন লাগে। এই ক্ষেত্ৰততেওঁৰ এটি তেজী মন থকা বুলি ক'ব পৰা যায়। লক্ষ্মীনাথ আছিল এগৰাকী সমাজ-নিৰীক্ষক। সমকালীন সমাজত প্ৰচলিত প্ৰথা, যিবোৰ আছিল কু-সংস্কাৰেৰে আৱৰা আৰু অভিমান-সম্পদেৰে ভৰা, সেইবোৰ তেওঁৰ সাহিত্য সৃষ্টিৰ মাজেৰে সাহসিকতাৰ কাপেৰে উদঙাই দিছিল। লক্ষ্মীনাথ মনে-প্ৰাণে আছিল এজন অসমীয়া সমাজচিত্ৰৰ পাকৈত চিত্ৰকৰ। তেওঁ অসমীয়া জাতিটোক উছাহ-উদগণি দিয়াৰ লগতে দুৰ্বলতাৰো দিশ আঙুলিয়াই দিছিল লিখনিৰ মাজেৰেই—

"আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম
সকলো আছিল সকলো আছে
নুশুনো নলওঁ গম।"

আমাৰ যে অতীত আদৃত ঐতিহ্য আছিল আৰু এতিয়াও আছে সেইটো বিচাৰ কৰি যেন আমি আগবাঢ়িব নোখোজোঁ। সেয়ে তেওঁ আহ্বান জনাইছিল—

"বাজক ডবা বাজক শঙ্খ
বাজক মৃদঙ্গ খোল
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।"

অসম যে উন্নতি পথেৰে অগ্ৰসৰ হ'ব এনে আত্মপ্ৰত্যয় আছিল লক্ষ্মীনাথৰ মনৰ সাৰথি। তেওঁৰ অন্তৰ নিসৃত ধ্বনি 'জয় আই অসম' প্ৰেৰণাৰ নিস্তব্ধ হোৱাৰ শকতিৰে অসম আন্দোলনৰ ধ্বজাবাহী সদৌ অসম ছাত্ৰ সন্থাৰো দৰ্পণ-বাণী

আৰু সেয়া যেন লক্ষ্মীনাথৰ মাতৃসেৱাৰ মন্ত্ৰোচ্চাৰণৰ অক্ষয় প্ৰতিধ্বনি। লক্ষ্মীনাথক ক'বলৈ গ'লে সঁচাকৈয়ে এটি যুগমীয়া পথ নিৰ্দেশক।

অসম মাতৃৰ প্ৰতি ভালপোৱা বা স্বদেশানুৰাগ লক্ষ্মীনাথৰ এক মহান চাৰিত্ৰিক বৈশিষ্ট্য। এনে চৰিত্ৰ পবিত্ৰতাৰ জলবিধৌত। নহ'লে 'অ' মোৰ আপোনাৰ দেশ' নামৰ অমৃত সৃষ্টি সম্ভৱ নহ'লহেঁতেন। আপাতদৃষ্টিত কেইটামান সাধাৰণ শব্দৰ সমষ্টি আৰু প্ৰতিটো শব্দৰ ধ্বনিৰ মাজতে লুকাই আছে লক্ষ্মীনাথৰ প্ৰাণৰ অনুভূতি আৰু স্বদেশপ্ৰেমৰ সপ্তস্বৰ, যি স্বৰৰ কম্পন অসম-আকাশত ভাঁহি আছে অনাগত দিনৰ বাবেও সুষুপ্ত অৱস্থাৰপৰা অসমীয়া জাতিটোক চিৰজাগ্ৰত কৰি উন্নতিৰ শীৰ্ষ জখলাত আৰোহণ কৰাৰ উৎসাহ-সাহস প্ৰদানৰ বাবে— একতাৰ বান্ধোনৰ বাবেই। এটা কথা প্ৰসঙ্গক্ৰমে ক'বৰ মন গৈছে। কেতিয়াবা লক্ষ্মীনাথৰ সাহিত্যকৃতিৰ ওপৰত কিছু পৰিমাণে সময়সিদ্ধ নোহোৱা মন্তব্য পোৱা যায়। পিছে আমি খন্তেকৰ বাবেও পাহৰিলে নচলিব যে তেওঁ কোন সময়ত, কেনেকুৱা সমাজ-ব্যৱস্থাৰ বাতাৱৰণত ডাঙৰ-দীঘল হৈছিল আৰু কিয় সাহিত্য সৃষ্টিৰ সংকল্প দৃঢ় মনোবলেৰে ল'ব লগা হৈছিল সেই দিশৰ আটাইবোৰকে আলমৰূপে লৈ। অসমীয়া ভাষা, সমাজ-সংস্কাৰৰ নৈতিক অস্ত্ৰ সম্বলিত সেনাপতি হোৱা বাবেইতো কুৰুক্ষেত্ৰ যুদ্ধজয়ৰ ৰথৰ সাৰথি কৃষ্ণৰ দৰে ভাষা-ৰণৰ ৰথী লক্ষ্মীনাথক অতি তাৎপৰ্য গধুৰভাৱেই 'সাহিত্যৰথী' হিচাপে স্বীকৃতি দান কৰি চিৰপ্ৰৱাহিত সময়ৰ বুকুত পূজ্যমান কৰি ৰখা হৈছে,- যি আদিত্য জ্যোতিৰ বাবে, অক্ষয় খ্যাতিৰ বাবে এতিয়া অসমৰ চুকে-কোণে মাথো তেওঁৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী পালনৰ উলহ-মালহ, যি আয়োজনত সমস্বৰে নিনাদি উঠিছে 'অমৰ লক্ষ্মীনাথ'। এয়া সময়ৰ দান।

এক অতি সীমিত পৰিসৰৰ মাধ্যমত সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ পূৰ্ণাঙ্গ চিত্ৰ এটি দাঙি ধৰাটো সম্ভৱ নহয়। তথাপিও তেওঁৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদ্‌যাপনৰ প্ৰবল সামুদ্ৰিক ঢৌত 'অমৰ লক্ষ্মীনাথ' এটি ক্ষুদ্ৰ বিন্দু হিচাপে আগবঢ়াই শ্ৰদ্ধাঞ্জলি যাঁচিলো। ■

## ।। বেজবৰুৱাৰ গ্ৰন্থৰাজি ।।

১৯০১ - লিতিকাই (ধেমেলীয়া নাট), ১৯০৩ - কামত কৃতিত্ব লভিবৰ সংকেত, ১৯০৪ - কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, ১৯০৫ - পদুম কুঁৱৰী (একমাত্ৰ উপন্যাস), ১৯০৯ কৃপাবৰ বৰুৱাৰ ওভতনি, সুৰভি (গল্প সংকলন), ভাৰতবৰ্ষৰ বুৰঞ্জী (অনুবাদ), ১৯১০ - সাধুকথাৰ কুকি (গল্প সংকলন), ১৯১১ - শ্ৰীশ্ৰী শংকৰদেৱ, ১৯১২ - বুঢ়ী আইৰ সাধু, ১৯১৩ - জোনবিৰি (গল্প সংকলন), ককাইদেউতা আৰু নাতি ল'ৰা (সাধুকথা), জুনুকা (সাধুকথা), চিকৰপতি নিকৰপতি (ধেমেলীয়া নাট), নোমল (ধেমেলীয়া নাট), পাচনি (ধেমেলীয়া নাট), কদমকলি (কবিতা সংকলন), ১৯১৪ - মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ, ১৯১৫ - চক্ৰধ্বজ সিংহ (নাটক), জয়মতী কুঁৱৰী (নাটক), বেলিমাৰ (নাটক), শ্ৰী ভগৱৎ কথা (তত্ত্বমূলক গ্ৰন্থ), বাখৰ (নীতি-উপদেশমূলক গ্ৰন্থ), ১৯৩৪ - History of Vaishnavism in India and Rasalila of Srikrishna, ১৯৫১ - বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি, ১৯৬৩ - মোৰ জীৱন সোঁৱৰণ, তত্ত্বকথা, ১৯৬৪ - বৰবৰুৱাৰ বুলনি, ১৯৬৮ - শ্ৰীকৃষ্ণ কথা, পদুমকলি (কবিতা সংকলন), ১৯৬৮ - The Religions of Love and Devotion.



প্ৰবন্ধ

# ত্ৰিশ বছৰীয়া অসম চুক্তি







শিৱ প্ৰসাদ ডেকা
ভূগোল বিভাগ

সত্তৰ-আশী দশকত সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অসমত চলা ছয় বছৰীয়া বিদেশী বহিষ্কৰণ আন্দোলনৰ ফলস্বৰূপে ১৯৮৫ চনত তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীৰ উপস্থিতিত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু আন্দোলনকাৰী সকলৰ মাজত ঐতিহাসিক অসম চুক্তিখন স্বাক্ষৰিত হয়। চুক্তিখন মূলতঃ অসমত অবৈধভাৱে অনাধিকাৰ প্ৰৱেশ কৰি আইন বহিৰ্ভূতভাৱে বসবাস কৰা বিদেশী লোকসকলক চিনাক্ত কৰি স্বদেশলৈ ওভতাই পঠোৱাৰ লগতে অসমৰ শৈক্ষিক তথা আৰ্থ-সামাজিক উন্নয়ন আৰু অসমীয়াৰ স্বকীয়তা ৰক্ষা কৰা বিষয়সমূহ সন্নিৱিষ্ট কৰি কেইবাটাও দফাত সম্পূৰ্ণ কৰা হয়। পৰিতাপৰ বিষয় এয়ে যে বিগত ত্ৰিশ বছৰে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে চুক্তিখন পুংখানুপুংখভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত দেখুৱাই অহা অনিহাৰ বাবে বৰ্তমানেও সদৌ অসম ছাত্ৰ সন্থাই সময়ে সময়ে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি থাকিব লগা হৈছে। চুক্তিখন সম্পাদিত হোৱাৰ পিছতেই আন্দোলনকাৰী সন্থা দুটাই অসম গণ পৰিষদ নামেৰে এটা নতুন আঞ্চলিক ৰাজনৈতিক দল গঠন কৰি দুটা কাৰ্যকালৰ বাবে অসমৰ শাসনভাৰ গ্ৰহণ কৰিছিল যদিও অসম চুক্তি ৰূপায়ণৰ নামত এটা বিভাগ সৃষ্টি কৰি তেতিয়াৰে পৰা বিভাগীয় মন্ত্ৰী নিয়োগ কৰি আহিছে। তৎসত্ত্বেও চুক্তিখন ৰূপায়ণৰ ক্ষেত্ৰত কোনো উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল।

অসম চুক্তিৰ মূল বিষয় হ'ল — দেশত প্ৰচলিত হৈ থকা ১৯৪৬ চনৰ বিদেশী আইন আৰু অবৈধ অনুপ্ৰৱেশকাৰীক বহিষ্কৰণ আইন, ১৯৫০ চনৰ আধাৰত বিদেশী নাগৰিক চিনাক্তকৰণ, অনুসন্ধান আৰু বহিষ্কৰণ। এই আইনৰ গণ্ডীৰ ভিতৰত চৰকাৰক বিষয়টো প্ৰয়োগ কৰাত কোনো অনুমোদনৰ প্ৰয়োজন নাই। আইন প্ৰয়োগ কৰাটো চৰকাৰৰ দায়িত্ব। অসম চুক্তিৰ মতে চৰকাৰে নাগৰিকত্ব আৰু বিদেশী সম্বন্ধীয় আইন প্ৰয়োগ

কৰাটো বাঞ্ছনীয়, কাৰণ অসমৰ জনসাধাৰণে ১৯৪৮ চনৰ ১৯ জুলাইৰ পৰা ১৯৭১ চনৰ ২৪ মাৰ্চ পৰ্যন্ত অসমত প্ৰৱেশ কৰা অবৈধ বিদেশী নাগৰিকসকলক নাগৰিকত্ব প্ৰদানত সন্মতি প্ৰদান কৰিছে। এনে আইন সমগ্ৰ দেশৰ ভিতৰতে কেৱল অসমতহে প্ৰযোজ্য, আন ৰাজ্যৰ ক্ষেত্ৰত কিন্তু সুকীয়া আইন। মাজৰ ২৩ বছৰত পূৰ্বৰ পূব পাকিস্তান অথবা বাংলাদেশ নাইবা আন দেশৰ পৰা অনুপ্ৰৱেশ কৰা বিদেশী নাগৰিকসকলৰ বোজা বহন কৰাৰ বাবে অসম চুক্তিবদ্ধ। অসমবাসীৰ এই মহান ত্যাগৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ দুখনে চুক্তিখন প্ৰয়োগৰ ক্ষেত্ৰত হেতালি খেলাহে দেখা যায়। বিগত ২৩ বছৰত দিল্লী আৰু দিশপুৰত ভিন্ন দলৰ কেইবাখনো চৰকাৰ গঠন হৈছিল যদিও কাৰ্যক্ষেত্ৰত সুফল পোৱা নগ'ল।

ঐতিহাসিক অসম চুক্তিখন তিনিটা খণ্ডত সম্পাদিত হৈছিল - ১ম, বিদেশী নাগৰিক চিনাক্তকৰণ, বাচি উলিওৱা আৰু দেশান্তকৰণ (দফা ৫.৮), বেদখলীকৃত ভূমি পুনৰ উদ্ধাৰ (দফা - ১০), ২য়, সীমান্ত পথেৰে অনুপ্ৰৱেশ ৰোধ কৰা, ৩য়, খিলঞ্জীয়া লোকসকলক সাংবিধানিক ৰক্ষা কৱচ প্ৰদান।

১৪ জুলাই, ২০০৪ চনৰ কেন্দ্ৰীয় চৰকাৰৰ সংসদৰ বিবৃতি মতে ২০০১ চনত (তথ্যমতে) ভাৰতত ৫০ লাখ বিদেশী লোক আছে। যিটো ২০০১ চনৰ অসমীয়া মানুহৰ ২০%, ইয়াৰ ২০১২ চনলৈকে ২৪৪২ জন বিদেশী নাগৰিককহে বাচি উলিয়াই বহিস্কাৰ কৰা হয়। বৰ্তমানেও ভাৰত-বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমা উন্মুক্ত হৈয়ে আছে। সেয়ে ২০৪০ চনৰ ভিতৰত অসমৰ খিলঞ্জীয়া লোকসকল সংখ্যালঘুত পৰিণত হোৱাৰ আশংকাই দেখা দিছে।

অসম চুক্তিৰ মুখ্য দফাত বিদেশী নাগৰিকক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ লগতে ভাৰত-বাংলাদেশৰ মাজত আন্তঃৰাষ্ট্ৰীয় সীমা পাৰ হৈ নতুনকৈ অবৈধ বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ নঘটাবলৈ নিশ্চিত কৰাৰ বিষয়ে উল্লেখ থকাৰ পৰিপ্ৰেক্ষিতত দুয়ো দেশৰ সীমাত কাঁটা তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে যদিও আজিপৰ্যন্ত সম্পূৰ্ণ হৈ নুঠিল। ইয়াৰ কাৰণ হয়তো বাংলাদেশৰ লগত হ'ব লগা ভূমি হস্তান্তৰ বিষয়টো, যিটো বিষয় ১৭১৩ চনত কোচ ৰজা আৰু মোগল সম্ৰাটৰ মাজত সংঘটিত যুদ্ধৰ সন্ধিৰ সময়ৰে পৰা অমীমাংসিত হৈ আছিল। পূৰ্বৰ ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী ফিৰোজ খান নুনৰ মাজত ভূমি হস্তান্তৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল যদিও ভাৰতীয় উচ্চতম আদালতত সংবিধান শুধৰণি হ'ব লাগিব বুলি কোৱাত বিষয়টো তল পৰি ৰয়। ইয়াৰ পিছত ১৯৭৪ চনত বাংলাদেশৰ জন্মৰ সময়ত সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ মজিবুৰ ৰহমানৰ দিনত ভাৰত-বাংলাদেশৰ ভূমি হস্তান্তৰ বিষয়টো পুনৰ উত্থাপন হয়, কিন্তু মজিবুৰ ৰহমানৰ আততায়ীৰ হাতত হঠাতে মৃত্যু ঘটাত আধৰুৱা হৈ ৰৈ যায়। আকৌ ২০১১ চনত ভাৰত চৰকাৰে সংসদত বিৰোধীৰ মতামত গ্ৰহণ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী ড০ মনোমোহন সিঙে আগবঢ়ায় যদিও পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰীৰ লগত মতানৈক্য হোৱাত কিছু বাধাৰ সৃষ্টি হয়। শেষত ২০১৫ চনৰ জুন মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাসিনাৰ মাজত ৪০০০ কিঃমিঃ দৈৰ্ঘ্যৰ ভাৰত-বাংলাদেশৰ সীমাৰ দুয়ো দেশৰ ৫২০০০ জন লোকে বাস কৰা দেশবিহীন অঞ্চলত শৰণাৰ্থী হিচাপে বাস কৰা ভাৰতৰ ১১১ টা ৰাজ্যবিহীন অঞ্চলৰ ১৭১৬০ একৰ ভূমি বাংলাদেশক আৰু বাংলাদেশত থকা ৫১ টা ৰাজ্যবিহীন অঞ্চলৰ ৭১১০ একৰ ভূমি ভাৰত চৰকাৰক হস্তান্তৰ কৰা চুক্তিখন সমাপন কৰা হয়। ২০১৫ চনত ৩১ জুলাইত বাংলাদেশৰ ১৪২১৫ জন নাগৰিকে ভাৰতীয় নাগৰিকত্ব আৰু বাংলাদেশত বাস কৰা ৩৭৩৬৯ গৰাকী ভাৰতীয় নাগৰিকৰ ৯৭৯ গৰাকীয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰে।

আচলতে বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণ প্ৰক্ৰিয়াটোৱেই প্ৰহসনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। কিয়নো বিদেশী আইনৰ বিধানত গঠন কৰা আদালতে ৰায়দান কৰা শতকৰা ১০ ভাগৰ কম সংখ্যক বিদেশী নাগৰিকহে শাৰীৰিকভাৱে বিতাৰণ কৰা সম্ভৱ হৈ উঠা দেখা যায়। কাৰণ ২০০৫ চনত ভাৰতীয় উচ্চতম ন্যায়ালয়ে অবৈধ অনুপ্ৰৱেশকাৰী আইনৰ আধাৰত অবৈধ বিদেশীক চিনাক্তকৰণ আৰু বহিষ্কাৰৰ ক্ষেত্ৰত উজু পন্থা দিব পৰা নাই। এক তথ্যমতে ১৯৮৬ চনৰ পৰা এতিয়ালৈকে ছয় লাখৰ অধিক সন্দেহযুক্ত বিদেশী নাগৰিকৰ তদন্ত আৰম্ভ হয় যদিও বিদেশী নাগৰিক সম্বন্ধীয় আদালতে এক লাখৰ অধিক গোচৰৰ মীমাংসা কৰি প্ৰায় ৫০,০০০ লোকক বিদেশী নাগৰিক বুলি ঘোষণা কৰিছিল। ইয়াৰ মাত্ৰ ৯০০ লোককহে বহিষ্কাৰ কৰিব পাৰিছিল, অন্যহাতে আনসকল লোক অদৃশ্য হৈ পৰিছিল। যিহেতু আইনত বা আদালতত বিচাৰ প্ৰক্ৰিয়া চলি থকা সময়ত সন্দেহবশতঃ তেনে লোকক তত্বাৱধানত ৰখাৰ নিয়ম নাই। এই ক্ষেত্ৰত বহুতেই আন ঠাইলৈ গৈ আত্মগোপন কৰে বাবে আইন বলবৎকাৰী সংস্থাসমূহে অনুসন্ধান কৰাত কিছু অসুবিধাৰ সৃষ্টি হয়। আকৌ কিছু লোক বিদেশী বুলি চিনাক্ত হোৱাৰ পিছতো পলাই সাৰিবলৈ সক্ষম হয়।

চৰকাৰৰ তৰফৰ পৰা গোৱালপাৰা, কোকৰাঝাৰ আৰু শিলচৰত তিনিটা বিদেশী নাগৰিক বহিষ্কৰণৰ বাবে আবদ্ধকৰণ কেন্দ্ৰ স্থাপন কৰিছে যদিও বৰ্তমানে প্ৰায় ২০০ জন মানুহে এই কেন্দ্ৰকেইটাত আছে। বাংলাদেশী বিদেশী নাগৰিকক বহিষ্কৰণৰ গতি লেহেমীয়া হোৱাৰ কাৰণ হ'ল - বাংলাদেশৰ সীমা সুৰক্ষা বাহিনীয়ে এই লোকসকলক বাংলাদেশী নাগৰিক হিচাপে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আনহাতে ভাৰতীয় আদালত বা ন্যায়ালয়ে নিৰ্দিষ্ট কৰা বাংলাদেশী লোকসকলক বাংলাদেশ চৰকাৰে ঘূৰাই লোৱা সম্পৰ্কে এতিয়ালৈকে ভাৰত চৰকাৰে বাংলাদেশ চৰকাৰৰ লগত এখন চুক্তি-পত্ৰ সম্পাদন কৰি উলিয়াব পৰা নাই। এনেকুৱা ঘটনাও ঘটাৰ বাতৰি পোৱা যায় যে বাংলাদেশলৈ ওভটাই পঠোৱা লোকে সীমান্তৰ মুকলি পথেৰে আকৌ ঘূৰি আহিবলৈও সক্ষম হয়।

বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়াটো খৰতকীয়া কৰিবলৈ ৬৪ খন অতিৰিক্ত আদালত গঠন কৰাৰ সিদ্ধান্ত ভাৰত চৰকাৰে গ্ৰহণ কৰিছে, কিন্তু এতিয়ালৈকে কাম আৰম্ভ কৰিব পৰা অৱস্থা হোৱা নাই। ফলস্বৰূপে এক বৃহৎসংখ্যক গোচৰ মীমাংসা নোহোৱাকৈ পৰি আছে। দ্বিতীয়তে, অসম বা ভাৰত-বাংলাদেশৰ মাজৰ উন্মুক্ত আন্তঃৰাষ্ট্ৰীয় সীমাত কাঁটা তাঁৰৰ বেৰ দি পহৰাৰ ব্যৱস্থা কৰি অনুপ্ৰৱেশ বন্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে যদিও এতিয়াও কিছু অংশত কাঁটা তাঁৰৰ বেৰ সম্পূৰ্ণ হৈ উঠা নাই। আন্তঃৰাষ্ট্ৰীয় সীমাৰ কাষেৰে ৰাস্তা আৰু ফ্লাড লাইটৰ ব্যৱস্থা কৰা হৈছে, কিন্তু আশানুৰূপভাৱে উন্নত হোৱা নাই। আনহাতে ব্ৰহ্মপুত্ৰ নদীৰ মাজত পৰা আন্তঃৰাষ্ট্ৰীয় সীমা বৰ্তমানেও ভেদ্য। নাৱৰে পহৰাৰ ব্যৱস্থা কৰা হৈছে, কিন্তু বিভিন্ন অসুবিধাৰ কাৰণে ফলৱতী পদক্ষেপ গ্ৰহণত অসুবিধাৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। নদী পথচোৱাতো কাঁটা তাঁৰৰ ব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজনীয়। ইয়াৰোপৰি ১৯৯৯ চনতে ভাৰত চৰকাৰে চেকেণ্ড লাইন অব ডিফেঞ্চ সৃষ্টি কৰি অনুপ্ৰৱেশ ৰোধ নিশ্চিত কৰাৰ ব্যৱস্থা গ্ৰহণৰ দিহা কৰিছিল যদিও কেইটামান চকী সৃষ্টি কৰিয়েই ক্ষান্ত থাকে।

অসম চুক্তিৰ ৬ নং দফাত অসমীয়া লোকসকলক, অসমত নিৰৱে ক্ৰমবৰ্দ্ধিত জনসংখ্যাৰ কবলৰপৰা ৰক্ষা কৰাৰ উদ্দেশ্যে সাংবিধানিক ৰক্ষা কৱচ প্ৰদানৰ বিষয়ে উল্লেখ কৰা হৈছে। এই ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাই অসমৰ খিলঞ্জীয়া লোকৰ বাবে বিধানসভা, লোকসভা আৰু স্থানীয় নিকায়সমূহত আসন সংৰক্ষণ ব্যৱস্থাৰ বাবে সময়ে সময়ে দাবী উত্থাপন কৰি আহিছে। কিন্তু এতিয়ালৈকে ৰাজ্য চৰকাৰখনে অসমত অসমীয়াৰ সংজ্ঞা এটা নিৰ্দ্ধাৰণ কৰিব পৰা নাই। অসম বিধান সভাৰ অধ্যক্ষগৰাকীয়ে অসমৰ প্ৰায় ১৭ টা ভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধিৰ লগত আলোচনা মৰ্মে অসমীয়াৰ সংজ্ঞা এটা নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰিছিল, কিন্তু তাতো তেখেতৰ নিজৰ ৰাজনৈতিক দলেই সমৰ্থন আগ নবঢ়ালে। এনে দৰেই অসম চুক্তিৰ ৬ নং দফা কাগজৰ মাজতে মেৰপাক খাই আবদ্ধ হৈ থাকি কাৰ্যত পৰিণত হোৱাত বাধাৰ সন্মুখীন হৈ থাকিবলগীয়া হৈছে।

আকৌ অসম চুক্তিৰ ৭ নং দফাত ভাৰত চৰকাৰে অসমৰ সৰ্বতোভাৱে অৰ্থনৈতিক উন্নয়নৰ প্ৰস্তাৱ দিছিল, কিন্তু আজিপৰ্যন্ত সেইয়া কাৰ্যকৰী হৈ উঠা দেখা নগ'ল। অসমত প্ৰতি বছৰে ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰি অহা ভয়ংকৰ বানপানী আৰু নদীৰ গৰাখহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰি গ্ৰাম্য অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাইছে। অসমৰ দুয়োটা জ্বলন্ত সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। কেন্দ্ৰীয় চৰকাৰে অসমৰ এই সমস্যা দুটাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰাটো অসমবাসীৰ কাম্য। ২০০৫ চনতে তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ পৰা নিৰ্বাচিত হোৱা ৰাজ্যসভাৰ সদস্য ড০ মনোমোহন সিং ডাঙৰীয়াই দিল্লীত এখন সভাত অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যা দুটাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ আশ্বাসো দিছিল। কিন্তু আজিপৰ্যন্ত কাৰ্যকৰী নহ'ল। ইয়াৰোপৰি ভাৰত চৰকাৰে অসমৰ অৰ্থনৈতিক উন্নয়নৰ হ'কে এল. চি. জৈন আৰু শুক্লা আয়োগ গঠন কৰি পৰামৰ্শ আগবঢ়াই ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছিল যদিও আজিও সেইয়া হৈ নুঠিল।

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (NRC) উন্নীতকৰণ



প্ৰতিবিম্বন

ব্যৱস্থাটোৱে বিদেশী নাগৰিকৰ সমস্যাটোৰ এক বুজিব পৰা বিস্তাৰিত বন্দোবস্তি ব্যৱস্থা হোৱাৰ সম্ভাৱনা আছে। এখন সুস্থ নাগৰিকপঞ্জী দেশৰ বাবে প্ৰয়োজন। নাগৰিকপঞ্জী উন্নীতকৰণ ব্যৱস্থাটো উচ্চতম আদালতৰ তত্ত্বাৱধানত একমাত্ৰ অসমতহে প্ৰয়োগ কৰা হৈছে। আন্দোলনকাৰী সন্থা, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত সম্পাদিত হোৱা চুক্তি অনুসৰি ১৯৭১ চনৰ ২৪ মাৰ্চ তাৰিখক ভিত্তি বছৰ হিচাপে নিৰ্দ্ধাৰণ কৰি বিদেশী নাগৰিক চিনাক্ত কৰিব লাগে। ভাৰতৰ উচ্চতম ন্যায়ালয়েও এই তাৰিখটোকেই ভিত্তি বছৰ হিচাপে গ্ৰহণ কৰি অসমৰ নাগৰিকপঞ্জী উন্নীত কৰাটো বিচাৰিছে। এখন সুস্থ নাগৰিকপঞ্জী প্ৰস্তুত হৈ উঠিলে প্ৰকৃত ভাৰতীয় নাগৰিকসকলক চিনাক্ত কৰাটো উজু হ'ব আৰু বিদেশী নাগৰিকসকলক বাচি উলিয়াই বহিষ্কৰণৰ ব্যৱস্থা কৰিব পৰা যাব। কিন্তু বৰ্তমান প্ৰচলিত ব্যৱস্থাটোত কোনো আশ্বাস বা দায়বদ্ধতা দেখা নাযায়। প্ৰকৃত নথি-পত্ৰবিহীন লোকৰ নাগৰিকত্ব কৰ্তন হ'ব নে নহয় তেনে তথ্য পোৱা নাযায়। ব্যৱস্থাটোত চৰকাৰী ভূমি, বনাঞ্চল, চৰণীয়া পথাৰ আদি বেদখলৰ কোনো উল্লেখ পোৱা নাযায়। যিটো অসম চুক্তিৰ ১০ নং দফাত পৱিত্ৰভাৱে আশ্বাস দিয়া আছে। অৱশ্যে স্বয়ংক্ৰিয়ভাৱেও চৰকাৰী ভূমি, অৰণ্যাঞ্চল, চৰণীয়া পথাৰ আদিৰ অনুসন্ধান কৰিব পৰাৰ থল আছে, যিটোৰ সহায়ত বেদখলকাৰীৰ প্ৰকৃত পৰিচয় উদ্‌ঘাটন কৰি তেনে ভূমি পুনৰ উদ্ধাৰ কৰিব পৰা যায়। ইয়াৰ বাবে প্ৰয়োজন চৰকাৰ আৰু জনসাধাৰণৰ সদিচ্ছা।

ভাৰতৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিঃমিঃত ৩৮২ জন হোৱাৰ বিপৰীতে অসমৰ জনসংখ্যাৰ ঘনত্ব ৩৯২ জন। আনহাতে বাংলাদেশৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গ কিঃমিঃত ১১৭৩ জন। অসমৰ মুঠ জনসংখ্যা ৩.২ কোটি (২০১১); কিন্তু বাংলাদেশৰ মুঠ জনসংখ্যা ১৫ কোটিৰো অধিক। যদি অসম আৰু বাংলাদেশৰ জনসংখ্যাক একেগামী কৰা হয় তেনেহ'লে অসমৰ মুঠ জনসংখ্যা ২০ শতাংশৰ কমত পৰিণত হোৱাৰ আশংকা কৰিব পাৰি। সেয়ে চলিত নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াটো সঠিকভাৱে সমাপন কৰাটো অতিশয় প্ৰয়োজনীয় বুলি বিবেচিত হৈছে। আদালতে নিৰ্দেশনাহে জাৰি কৰে, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰহে নিৰ্দেশনাবোৰ কাৰ্যকৰী কৰাৰ দায়িত্ব। এই ক্ষেত্ৰত উভয় চৰকাৰৰ লগতে দেশৰ জনসাধাৰণৰ সদিচ্ছাৰ প্ৰয়োজন। ■

### ।। অৰ্থ-খেলা ।।

- **ঐশ্বৰ্য** - বিভূতি, বৈভৱ, বিভৱ, ঐশ্বৰিক শক্তি, প্ৰচুৰ ধন।
- **চন্দ্ৰ** - জোন, সুধাকৰ, নিশাকৰ, শশধৰ, শশংক, জোনবাই, নিশাপতি, সুধাংশু
- **গছ** - বৃক্ষ, তৰুদ্ৰুম, মহীৰূহ, বিটপী, শাখী, পাদপ, আগম, নগ, বিটপ, ক্ষিতিজ



প্ৰবন্ধ



# বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু নক্ষত্ৰৰ ক্ৰমবিকাশ

উপেন্দ্ৰ নাথ দেৱ শৰ্মা
মুৰব্বী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ

বিশ্বব্ৰহ্মাণ্ড সৃষ্টিৰ আটাইতকৈ নিৰ্ভৰযোগ্য সূত্ৰটো হ'ল মহানাদ তত্ত্ব (Big Bung Theory)। এই তত্ত্বমতে আজিৰ পৰা প্ৰায় ১০-১৫ বিলিয়ন বছৰৰ (১ বিলিয়ন = ১০০ কোটি) আগতে বিশ্বব্ৰহ্মাণ্ডখন এটা ঘন আৰু ক্ষুদ্ৰাকৃতিৰ অৱস্থাৰ বিস্ফোৰণ ঘটি সৃষ্টি হৈছিল। বিস্ফোৰণৰ পাছত বিস্ফোৰিত সংখ্যাসমূহৰ প্ৰসাৰণ হ'বলৈ ধৰে আৰু ইয়াৰ লগে লগে উষ্ণতাও কমিবলৈ ধৰে। এইদৰে ক্ৰমাগতভাৱে পদাৰ্থৰ মূল উপাদান নিউট্ৰন, প্ৰটন, নিউক্লিয়াছ, পৰমাণু, অণু, তাৰকাৰাজ্য, আমাৰ সৌৰজগত আৰু শেষত জীৱৰ সৃষ্টি হৈছিল। বিশ্ব সৃষ্টিৰ এই মহানাদ তত্ত্বটোক বিজ্ঞানীসকলে গ্ৰহণ কৰাৰ আটাইতকৈ উল্লেখনীয় কাৰণটো হ'ল - সৃষ্টিৰ মুহূৰ্তটোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা বিকিৰণটো পৰীক্ষামূলকভাৱে ধৰা পেলোৱা। ১৯৬৫ চনত সাৰ্ণ পেনজিয়াছ আৰু ৰবাৰ্ট উইলছন নামৰ দুজন আমেৰিকাৰ বিজ্ঞানীয়ে এই সম্ভেদগামী বিকিৰণটো ধৰা পেলায় আৰু মহানাদ তত্ত্বৰ স্বাক্ষৰ স্বৰূপে এই বিকিৰণটোৰ আৱিষ্কাৰৰ কাৰণে বিজ্ঞানী দুজনক নবেল বঁটা প্ৰদান কৰা হয়।

তৰাৰ বা নক্ষত্ৰৰ মাজৰ যি স্থান তাকেই আন্তঃনাক্ষত্ৰিক স্থান বুলি কোৱা হয়। এই স্থানসমূহ অতিকৈ ঠাণ্ডা আৰু ইয়াৰ উষ্ণতা বৰফৰ উষ্ণতাতকৈ প্ৰায় এক তৃতীয়াংশ গুণে কম। এনে অতি শীতল স্থান বা মহাশূন্যতেই তৰাৰ জন্ম হয়। প্ৰকৃততে এনেকুৱা স্থানত কি প্ৰক্ৰিয়াৰে তৰাৰ জন্ম হয় সি আজিও বিজ্ঞানীসকলৰ বাবে ৰহস্যজনক হৈয়ে আছে। আন্তঃনাক্ষত্ৰিয় স্থানত গড় হিচাপত প্ৰতি এক ঘন ছেঃমিঃ আয়তনত এটাকৈ হাইড্ৰজেন পৰমাণু থাকে। মনত ৰখা ভাল হ'ব যে, আমাৰ বায়ুমণ্ডলত সম আয়তনত প্ৰায় ৩০ বিলিয়ন হাইড্ৰজেন পৰমাণু থাকে। গতিকে আমাৰ বায়ুমণ্ডলৰ তুলনাত মহাশূন্য বা আন্তঃনাক্ষত্ৰিয় স্থানৰ ঘনত্ব অতি কম। তৰা সৃষ্টিৰ এটা মতবাদ মতে, মহাকাশত প্ৰচণ্ড বিস্ফোৰণ বা আন কিবা কাৰণত চাপ তৰংগ সৃষ্টি হ'লে মহাশূন্যৰ এই পৰমাণুসমূহৰ ঘনত্ব সম হয় আৰু অতি ঘন থুপৰলৈ পৰিণত হয়। এই অৱস্থাত থুপটোৰ ভিতৰত মহাকৰ্ষণ বলৰ সৃষ্টি হয় আৰু ইয়াৰ

ফলত পৰমাণুসমূহে ইটোৱে সিটোক আকৰ্ষণ কৰি ক্ৰমাৎ থুপটোৰ সংকোচন ঘটায়। থুপটোৰ এই অৱস্থাটোক প্ৰাক নক্ষত্ৰ বা ইংৰাজীত Protostar বুলি কোৱা হয়। এইদৰেই প্ৰায় ১৫০০০ বিলিয়ন বছৰ ধৰি এটা প্ৰাক নক্ষত্ৰৰ সংকোচন হয় আৰু ইয়াৰ ফলত ভিতৰৰ পৰমাণুসমূহৰ গতিশক্তিবোৰ তাপ শক্তিলৈ ৰূপান্তৰ হৈ থুপটোৰ কেন্দ্ৰত প্ৰায় ৪ নিযুত ডিগ্ৰী কেলভিন উষ্ণতাৰ সৃষ্টি কৰে। এই অৱস্থাত থুপটোৰ হাইড্ৰজেনসমূহৰ তাপ নিউক্লীয় বিক্ৰিয়া ঘটিবলৈ আৰম্ভ কৰে, অৰ্থাৎ দুটা হাইড্ৰজেন পৰমাণু মিলিত হৈ এটা হিলিয়াম পৰমাণুত পৰিণত কৰে আৰু প্ৰচুৰ পৰিমাণে তাপশক্তিৰ উৎপন্ন হয়। এই শক্তিয়েই এটা প্ৰাক নক্ষত্ৰৰ অন্তৰ্মুখী সংকোচনক বাধা প্ৰদান কৰে আৰু সাম্য অৱস্থাত ৰাখি এটা সম্পূৰ্ণ তৰালৈ পৰিণত কৰে।

তাত্ত্বিক গৱেষণাৰ পৰা এইটো জনা গৈছে যে সূৰ্যৰ ভৰৰ প্ৰায় আঠ শতাংশ বা তাতকৈ কম ভৰৰ (সূৰ্যৰ ভৰ=$1.9891 \times 10^{30}$kg) কোনো গেছীয় নক্ষত্ৰই মহাকৰ্ষণ বলৰ প্ৰভাৱত সংকুচিত অথবা পতন হৈ অভ্যন্তৰত তাপ নিউক্লীয় বিক্ৰিয়া ঘটিবৰ জোখাৰে উষ্ণতা সৃষ্টি কৰিব নোৱাৰে। ইয়াৰ মূল কাৰণ হ'ল— ইমান কম ভৰৰ নক্ষত্ৰৰপৰা উৎপন্ন হোৱা মহাকৰ্ষণ শক্তি দুই হাইড্ৰ'জেন পৰমাণুৰ মাজত ঘটিব লগা নিউক্লীয় সংযোজন বিক্ৰিয়াৰ কাৰণে প্ৰয়োজন হোৱা শক্তিতকৈ যথেষ্ট পৰিমাণে কম। গতিকে এনে কম ভৰৰ নক্ষত্ৰই নিজাকৈ পোহৰ উৎপন্ন কৰিব নোৱাৰে। এনেবোৰ জ্যোতিষ্কই হ'ল আমাৰ বৃহস্পতি গ্ৰহৰ দৰে আন গ্ৰহ বা গ্ৰহসদৃশ নক্ষত্ৰ।

আনহাতে সূৰ্যৰ ভৰৰ প্ৰায় ১০ গুণ বা তাতোকৈ বেছি ভৰৰ জ্যোতিষ্কৰ মহাকৰ্ষণ বল ইমানেই বেছি যে এনেবিলাক জ্যোতিষ্কৰ পতন ঘটিলে অভ্যন্তৰত অত্যন্ত বেছি উষ্ণতাৰ সৃষ্টি হয়। এই অতি বেছি উষ্ণতাত বিকিৰণ শক্তিয়ে নক্ষত্ৰটোৰ অভ্যন্তৰত প্ৰভাৱ বিস্তাৰ কৰে।

এটা নক্ষত্ৰৰ অভ্যন্তৰৰ ৰাসায়নিক সংযুক্তিৰ বিভিন্ন ধৰণেৰে নিৰূপণ কৰা হয়। ইয়াৰে এটা হ'ল আলোকমণ্ডলৰ পৰা অহা বিকিৰণ বৰ্ণালী। আমাৰ সূৰ্যৰ আলোকমণ্ডলৰ বৰ্ণালী পৰীক্ষা কৰি সূৰ্যত থকা ৰাসায়নিক মৌলৰ সন্ধান পোৱা গৈছে। বিভিন্ন নক্ষত্ৰৰ বৰ্ণালী পৰীক্ষা কৰি এইটো গম পোৱা গৈছে যে আৰম্ভণিতে সকলো নক্ষত্ৰৰ অভ্যন্তৰত সত্তৰ শতাংশ হাইড্ৰজেন আৰু আঠাইশ শতাংশ হিলিয়াম থাকে। হিলিয়ামতকৈ অধিক ভৰৰ বা গধুৰ পৰমাণুসমূহৰ সংযুক্তি নক্ষত্ৰ বিশেষে দুই বা তিনি শতাংশ অথবা ইয়াতকৈ কম হ'ব পাৰে। উদাহৰণস্বৰূপে আমাৰ সূৰ্যৰ দৰে নক্ষত্ৰৰ ক্ষেত্ৰত গধুৰ পৰমাণুসমূহৰ সংযুক্তি প্ৰায় দুই বা তিনি শতাংশৰ ওচৰা-ওচৰি, এনেবোৰ নক্ষত্ৰক পপুলেচন I (Population I) নক্ষত্ৰ বোলে। গোলাকাৰ থুপত (Globular Cluster) বাস কৰা নক্ষত্ৰৰ ক্ষেত্ৰত এই সংযুক্তি প্ৰায় দহভাগৰ এক শতাংশ বা তাতোকৈ কম, এনেবোৰ নক্ষত্ৰক পপুলেচন II (Population II) নক্ষত্ৰ বোলে। একেবাৰে গধুৰ পৰমাণু নথকা নক্ষত্ৰক পপুলেচন III (Population III) নক্ষত্ৰ বোলে। পৰ্যবেক্ষণৰ পৰা এইটো স্পষ্টভাৱে জনা গৈছে যে, এটা নক্ষত্ৰই মূলতঃ হাইড্ৰজেন আৰু হিলিয়ামৰেই জীৱনৰ পাতনি মেলে। ■

।।সাঁথৰ।।

- টি টিকে চিএগ্ৰা
  কঁকালটো চিএগ্ৰা
  হনুমন্ত ভাই
  মানুহ খেদি যায়। (বৰল)

- দেশ আছে মাটি নাই
  নদী আছে পানী নাই। (ভূচিত্ৰাৱলী)



প্ৰবন্ধ

# ACTA ত গোৱালপাৰা কলেজৰ প্ৰাসঙ্গিকতা




গুৰুপদ চন্দ্ৰ শৰ্মা
সহযোগী অধ্যাপক, পদাৰ্থ বিজ্ঞান

নামনি অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল, ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান 'গোৱালপাৰা কলেজ' স্থাপন কৰা হৈছিল ১৯৫৫ ইং চনৰ ৮ আগষ্টৰ দিনা।

গুৱাহাটীৰ পৰা সুদূৰ মানকাচাৰলৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ প্ৰায় ৩০০ কিলোমিটাৰ গতিপথৰ মাজত এইখনেই একমাত্ৰ কলেজ, যিয়ে আজি ৬০ বছৰত ভৰি দিছে। বৰ্তমান এই কলেজখনত (গোৱালপাৰা জিলাৰ সদৰ স্থানত অৱস্থিত) বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ লগতে বিভিন্ন বিশ্ববিদ্যালয়ৰ আধুনিক শিক্ষাৰ কেন্দ্ৰস্থল - য'ত আজি প্ৰায় ২০০০ ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত।

এইখন কলেজৰ প্ৰথম অধ্যক্ষ আছিল প্ৰথিতযশা পণ্ডিত প্ৰয়াত ওৱাজুদ্দিন আহমেদ নামৰ গোৱালপাৰাৰ সু-সন্তানজন। আনহাতে সেই সময়ত কৰ্মৰত স্বনামধন্য অধ্যাপকসকল, ক্ৰমে প্ৰয়াত মাখন শালৈ, প্ৰয়াত লুতফুৰ ৰহমান, প্ৰয়াত ৰাম্মায়া, প্ৰয়াত আপ্পায়া, বীৰেন চৌধুৰী, শিৱ শৰ্মা, জয়নাল আবেদিন, উত্তম শৰ্মা, ৰোহিত শৰ্মা, প্ৰয়াত কিৰণ চৌধুৰী, প্ৰয়াত বাপন পাটগিৰি, ডঃ ৰবীন চৌধুৰী, প্ৰয়াত ডঃ মনোজ চক্ৰৱৰ্তী, প্ৰয়াত ডঃ কমলেশ্বৰ গোস্বামী, কুলভূষণ দাস, আবেদুৰ ৰহমান শইকীয়া, ৰমাকান্ত বৰুৱা, প্ৰয়াত ৰমেশ নাথ আদিৰ বলিষ্ঠ সহযোগেৰে 'গোৱালপাৰা কলেজ শিক্ষক সংস্থা' (GCTA) গঠিত হৈছিল আৰু তাহানিতে 'অসম কলেজ শিক্ষক সংস্থা' (ACTA)ৰ এক অনন্য গোট আছিল। তেতিয়াও GCTA ৰ গুৰুত্ব যি আছিল ACTA ৰ Platform ত আৰু এতিয়াও GCTA সেই গুৰুত্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ACTA ত এক দিক নিৰ্ণায়ক গোট হিচাপে সুকীয়া স্থানত থকা বুলি মোৰ অনুভৱ হয়। সেয়েহে মোৰ দৃষ্টিত মূলত GCTA ৰ স্থান ACTA ত অতি প্ৰাসঙ্গিক আছিল, -আছেও।

আজিও মুহূৰ্তবোৰে আমাক অনুপ্ৰাণিত কৰে সেই সময়ৰ GCTA ৰ অন্তৰ্গত ছাৰসকলৰ GCTA ত হোৱাৰ লগতে ACTA ৰ অধিৱেশনবোৰত হোৱা বৌদ্ধিক যুক্তি-তৰ্কবোৰে। কি যে সময়বোৰ আছিল !

সেই যে শিক্ষক জিৰণি কোঠাত সৌ অভিজ্ঞ ছাৰসকলৰ Debate চলিছিল স্থানীয় বা বাহ্যিক বিষয়বোৰক লৈ, মাত্ৰ "may" শব্দটোৰ প্ৰয়োগ বা অপ-প্ৰয়োগক লৈ, শিক্ষকৰ সমস্যাবোৰক লৈ, জাতীয় সমস্যাক লৈ; সেইবোৰৰ Intelectual depth আজিও আমি অনুভৱ কৰোঁ। সেই সময়ৰ গোৱালপাৰা কলেজৰ জিৰণি কোঠা (Teachers' Common Room) টো আছিল এটা Centre of information; তাত অৱিহণা যোগাইছিল উপৰিউক্ত ছাৰসকলে। আমি গোৱালপাৰা কলেজৰ শিক্ষক জিৰণি কোঠাৰ মজিয়াতে সেই সময়ত বহুত কথাই শিকিছিলোঁ। এতিয়া কিন্তু সেই Intelecual ৰ পৰিৱেশ শিক্ষক জিৰণি কোঠাত বিদ্যমান নহয়। কিয় আজি এই অৱস্থা তাক চিন্তা কৰাৰ অৱকাশ আছে।

সেই সময়ত, ACTA ৰ মজিয়াত গোৱালপাৰা কলেজৰ অধ্যাপক মাখন শৰ্মা, অধ্যাপক জয়নাল আবেদিন, অধ্যাপক বীৰেন চৌধুৰী আদি প্ৰাক্তন অধ্যাপকসকল বটবৃক্ষস্বৰূপ আছিল, - যাৰ ফলশ্ৰুতিত ACTAত GCTAৰ এক সুকীয়া সন্মানজনক স্থান আছিল। সেই সময়ত ACTAৰ delegate হিচাপে উপস্থিত থাকি মোৰ অনুভৱ হৈছিল কলেজ শিক্ষকৰ বিভিন্ন সমস্যাক লৈ সৃষ্টি হোৱা যুদ্ধংদেহি মনোভাৱেৰে অধিৱেশনত সৃষ্টি হোৱা প্ৰায় বিশৃংখল পৰিস্থিতি, কৰবাত মাখন শৰ্মা ছাৰৰ কবিতাৰ নিচিনা ইংৰাজী বাক্য প্ৰয়োগেৰে পৰিস্থিতি ম্লান কৰি দিয়া, আন কোনো অধিৱেশনত প্ৰায় একে ধৰণৰ বিশৃংখল পৰিস্থিতিৰ মাজত সোমাই আবেদিন ছাৰ, বীৰেন চৌধুৰী ছাৰৰ জ্ঞানদীপ্ত বাক্যবাণেৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰা কথাবোৰ আজিও মনত পৰে, - মনত পৰে মহান ব্যক্তিত্বৰ অধিকাৰী প্ৰাক্তন শিক্ষাগুৰুসকলৰ কথা-কৰ্মবোৰ, - যিবোৰ কথাৰ কাৰণে আজিও গোৱালপাৰা কলেজৰ শিক্ষক হিচাপে মই গৰ্বিত।

মই কলেজত শিক্ষক হিচাপে যোগদান কৰা সময়ত মাখন শৰ্মা ছাৰ ACTA ৰ গুৰি-ব'ঠা। ইতিমধ্যে ছাৰে একাধিকবাৰ ACTA ৰ সাধাৰণ সম্পাদক আৰু সভাপতিৰ আসন অলংকৃত কৰিছিল। পৰৱৰ্তী সময়ত আবেদিন ছাৰেও ACTA ৰ সভাপতি হিচাপে এক সুকীয়া আসন দখল কৰি ACTA ৰ মৰ্যাদা চৰকাৰৰ ওচৰত অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। এইসকল মহান ব্যক্তিৰ সান্নিধ্যত গোৱালপাৰা কলেজত শিক্ষকতা কৰি নিজে পুনৰ ব্যক্ত কৰিলোঁ যে মই গৰ্বিত, - যাৰ উৎস উপৰিউক্ত মহান ব্যক্তিৰে সমৃদ্ধ গোৱালপাৰা কলেজৰ শিক্ষাগুৰুসকলৰ অনুপ্ৰেৰণা আৰু সৎ সাহস।

অন্যান্য দিশত, যেনে - বিদ্যায়তনিক বা বৌদ্ধিক দিশত গোৱালপাৰা কলেজৰ স্থান উচ্চ শিখৰলৈ ধাৱিত কৰাত গোৱালপাৰা কলেজৰ শিক্ষক গোটৰ সদস্যসকলৰ লগতে অসমৰ স্বনামধন্য ব্যক্তিসকলৰ অৱিহণা অলেখ। কলেজ স্থাপনৰ পৰা ওৱাজুদ্দিন আহমেদ, ড° মহেন্দ্ৰ বৰা, ড° ৰত্নকান্ত বৰুৱা, ড° বীৰেন দত্ত, ড° প্ৰবীণ শৰ্মা, খগেন্দ্ৰ প্ৰসাদ ডেকা আদি মহানুভৱসকলে গোৱালপাৰা কলেজৰ অধ্যক্ষৰ আসন অলংকৃত কৰি, কলেজৰ গুৰি-ব'ঠা ধৰি বহুদূৰ আগুৱাই নিছিল। এই মহান ব্যক্তিসকলৰ ভিতৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা গোৱালপাৰা কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° মহেন্দ্ৰ বৰা ছাৰক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। গোৱালপাৰা কলেজ শিক্ষক গোটৰ সদস্যৰ লগতে অধ্যক্ষৰ সহযোগত শিক্ষকসকলে কেৱল মাত্ৰ শ্ৰেণীকোঠা, বোৰ্ড আৰু পেঞ্চিলতে সীমাবদ্ধ নাথাকি জাতীয়তাবোধ, সামাজিক বৈষম্য, শৈক্ষিক সমস্যা, অন্ধবিশ্বাস আদি বিষয়ৰ ওপৰত গোৱালপাৰা জিলাৰ অগ্ৰণী আৰু সমাজ-সচেতক ব্যক্তিসকলক জড়িত কৰি সময়ে সময়ে অসমৰ বিভিন্ন ক্ষেত্ৰত 'সফল ব্যক্তি' যেনে, বিশিষ্ট চিন্তাবিদ, সাহিত্যিক অধ্যাপক শশী শৰ্মা, বিশিষ্ট সমালোচক শিক্ষাবিদ ড° হীৰেণ গোহাঁই, সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত তথা অসম সাহিত্য সভাৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰা ছাৰৰ দৰে ব্যক্তিসকলৰ দ্বাৰা 'আলোচনা চক্ৰ'ৰ জৰিয়তে ড° মহেন্দ্ৰ বৰা ছাৰক গভীৰভাৱে স্মৰণ-শ্ৰদ্ধা জনোৱাৰ লগতে গোৱালপাৰাৰ সমাজলৈ কিছুমান যোগাত্মক বাৰ্তা পঠিয়াবৰ চেষ্টা কৰা হৈছে, যাৰ ফলশ্ৰুতিত গোৱালপাৰা কলেজ শিক্ষক গোটে সমাজত সুকীয়া স্থান দখল কৰি আছে। তদুপৰি, বলবলাৰ 'জল বিস্ফোৰণ'ৰ ফলত ধ্বংসস্তুপত পৰিণত হোৱা স্থানত আমাৰ শিক্ষক গোটৰ সদস্যৰ লগতে অধ্যক্ষ মহোদয়ে তাৰ ক্ষতিগ্ৰস্ত বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহৰ মাজত সোমাই তেওঁলোকৰ দুখৰ সমভাগী হৈ সহায়ৰ হাত আগ বঢ়োৱাটো আমাৰ সামাজিক দায়বদ্ধতাৰে সুন্দৰ উদাহৰণ নহয়নে ? এই কাৰ্যক আমি সমাজৰ পথ প্ৰদৰ্শক বুলি অনুভৱ কৰোঁ। এই সমস্যাটোৰ লগত ACTA য়েও GCTA ৰ লগত জড়িত হোৱাটো এক বিৰল উদাহৰণ।

এইখিনিতে, গোৱালপাৰা কলেজ শিক্ষক গোটৰ সদস্যৰ বাবে অতি প্ৰাসংগিক আন এক উল্লেখযোগ্য আৰু গৰ্বিত হ'ব লগা কথা হ'ল যে গোৱালপাৰা কলেজৰ প্ৰাক্তন শিক্ষক সমাজৰ সান্নিধ্যত আৰু শৈক্ষিক অৱদানৰ ফলশ্ৰুতিত আজিৰ তাৰিখত 'মানৱ সম্পদস্বৰূপ প্ৰাক্তন বহুতো ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ বিভিন্ন স্থানত বিশিষ্ট ডাক্তৰ, অভিযন্তাই নহয়, কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষকেই নহয়, বিজ্ঞানীয়ে নহয়, IIT ৰ শিক্ষকেই নহয়, আনকি গোৱালপাৰা কলেজৰ দ্বাৰা সৃষ্ট 'মানৱ সম্পদে' বিশ্বৰ বিখ্যাত বিশ্ববিদ্যালয়ত অধ্যাপনা আৰু গৱেষণা কৰি উচ্চ শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত ওতপ্ৰোতভাৱে জড়িত। এইখিনিতে উল্লেখযোগ্য যে গোৱালপাৰা কলেজৰ বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ড° বিনয় কুমাৰ নাথ ছাৰ, - যিজনে অসমৰ উচ্চ শিক্ষাৰ সঞ্চালক হৈছিল। গোৱালপাৰা কলেজৰদ্বাৰা সৃষ্ট এইগৰাকী মানৱ-সম্পদক লৈ আমি গৰ্বিত। সেইদৰে আমাৰ বৰ্তমানৰ অধ্যক্ষ ড° কাছিম আলি আহমেদ ছাৰো গোৱালপাৰা কলেজৰ গৌৰৱৰ উৎস। এনেদৰে গোৱালপাৰা কলেজৰ প্ৰাক্তন ছাত্ৰৰ কৃতিত্ববোৰৰ কথা মনলৈ আহিলে আমাৰ অন্তৰৰ গভীৰতম কোণত শিহৰণ সৃষ্টি হয়।

শেষত, পুনৰ GCTA য়ে আজিৰ তাৰিখতো ACTA ত এক ধাৰাবাহিকতা ৰক্ষা কৰি থকা বুলি অনুভৱ কৰি ACTA ৰ 'কৰিমগঞ্জ কলেজ' অধিৱেশনখনৰ উদাহৰণেৰে সামৰিব খুজিছোঁ। এই যে তাত উল্লিখিত বিভিন্ন সমস্যাবোৰৰ ভিতৰত Punching machine, 180 working days, 2006-UGC revision change বোৰৰ ওপৰত delegate session অত হোৱা বিতৰ্কবোৰত গোৱালপাৰা কলেজৰ অধ্যাপক পি. কে. শীল, মই নিজেও, ড° এছ. কে. মিশ্ৰ, ড° সুভাষ বৰ্মণ, ড° ৰণজিৎ চৌধুৰীৰ বাস্তৱিক, বলিষ্ঠ যুক্তিয়ে গোটেই সদনৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিলোঁ। সেই সময়ত মই অনুভৱ কৰিছিলোঁ গোৱালপাৰা কলেজ শিক্ষক সংস্থাৰ তাহানিৰ সেই মৰ্যাদা ACTA ত এতিয়াও বৰ্তমান; ভাবি-দেখি ভাল লাগিছিল। সকলো পৰ্যালোচনাৰ পিছত মই উল্লেখ কৰিব বিচাৰিছোঁ যে গোৱালপাৰা কলেজ পৰিচালনা সমিতিৰ সভাপতি ড° বিনয় কুমাৰ নাথ ছাৰৰ (এই বয়সতো) কৰ্মস্পৃহা, কলেজখনক এক নতুন বৌদ্ধিক আৰু কায়িক গতিশীলতা প্ৰদানৰ অদম্য ইচ্ছা প্ৰশংসনীয়। ছাৰে কলেজৰ গুৰি-ব'ঠা ধৰিলে অধ্যক্ষ মহোদয়ৰ সহযোগেৰে গোৱালপাৰা কলেজ শিক্ষক সমাজে বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত মনোনিৱেশ কৰি বিশেষ উৎসাহেৰে বৰ্তমানৰ লগত খাপখোৱাকৈ কলেজ নিকায়টোক সকলোৰে ধনাত্মক সহযোগেৰে আহিব লগা ২০১৬ চনৰ NAAC ৰ দ্বাৰা এক বিশেষ মাত্ৰা পাব বুলি আশা কৰিব পাৰি।

মোৰ অন্তৰৰ অনুভৱ এই যে অধ্যক্ষ আৰু শিক্ষক গোটৰ সদস্যৰ সু-সমন্বয়ৰ সেঁতুৰেহে কলেজ এখনৰ গতিশীলতা বঢ়োৱাটো সম্ভৱ, অন্যথা উচ্চ শিক্ষাৰ প্ৰসাৰ স্থবিৰ।

যি কি নহওক GCTA, ACTA, AIFUCTO ৰ দৰে মঞ্চ সকলোৰে বাবে প্ৰয়োজনীয়।

জয়তু গোৱালপাৰা কলেজ।
জয়তু জি.চি.টি.এ.
জয়তু এক্টা (এ.চি.টি.এ) ■

প্ৰবন্ধ



# স্বাস্থ্য আৰু সুৰক্ষিত খাদ্য

ড° বাসন্তী ৰায় দত্ত
সহযোগী অধ্যাপিকা, ৰসায়ন বিভাগ

মানুহৰ সুস্বাস্থ্য বুলিলে পৰিৱেশৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে। প্ৰকৃততে পানী, মাটি আৰু বায়ুৰ প্ৰদূষণ, অপৰিষ্কাৰ বাসস্থান, মানুহৰ কু-অভ্যাস, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিয়ে মানুহৰ সুস্বাস্থ্য লাভৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে।

স্বাস্থ্য হ'ল এজন ব্যক্তিৰ দৈহিক আৰু মানসিক এটা অৱস্থা। মানুহে সুস্থ-সবলতাৰে জীয়াই থাকিবলৈ আহাৰ খোৱাৰ প্ৰয়োজন, সুস্বাস্থ্যৰ বাবে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন, অৰ্থাৎ সুৰক্ষিত খাদ্যই স্বাস্থ্য নীতিৰ মূল কথা।

আমাৰ শৰীৰে কাম কৰা বাবে, শৰীৰৰ ভিতৰত চলি থকা কাৰ্যৰ ইন্ধন, দেহৰ বৰ্ধন, শৰীৰৰ কোষৰ কাৰ্যৰ নিয়ন্ত্ৰণ ইত্যাদি নানা কাৰণত আমাক শক্তি আৰু পৰিপুষ্টিৰ দৰকাৰ হয়।

বিশ্ব স্বাস্থ্য সংস্থা প্ৰতিষ্ঠা দিৱস ৭ এপ্ৰিল, ১৯৪৮। ইয়াৰ লগত সংগতি ৰাখি ১৯৫০ চনৰপৰা প্ৰতিবছৰে ৭ এপ্ৰিল দিনটো বিশ্ব স্বাস্থ্য দিৱস হিচাপে পালন কৰা হয়। প্ৰতি বছৰে নিৰ্দিষ্ট বিষয় বাছনি কৰি লৈ নানা আঁচনি আৰু কাৰ্যসূচী গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰে। এই বছৰৰ, ২০১৫ ৰ বিষয়টো হ'ল জনস্বাস্থ্যৰ সৈতে ওতপ্ৰোতভাৱে জড়িত - 'খাদ্য সুৰক্ষা'। এই বিষয়টোৱে মানুহক অসুৰক্ষিত দূষিত খাদ্য গ্ৰহণৰপৰা হ'ব পৰা বিপদসমূহ আৰু এনে খাদ্যৰদ্বাৰা বিয়পা ৰোগবোৰৰপৰা সুৰক্ষা দিয়ে। এই বিষয়টোৰদ্বাৰা বিশ্ব স্বাস্থ্য সংস্থাই চৰকাৰ, খাদ্য উৎপাদনকাৰীসকল (খাদ্য শস্য, শাক-পাচলি, ফল-মূল উৎপাদন কৰা কৃষি কৰ্মী, কল-কাৰখানা, খাদ্য প্ৰস্তুতকাৰী)



খাদ্যৰ যোগান আৰু বিক্ৰী কৰোঁতাসকল আৰু খাদ্য গ্ৰহণ কৰা সৰ্বসাধাৰণ গ্ৰাহক সকলোকে সজাগ হ'বলৈ অনুৰোধ কৰিছে।

তদুপৰি খাদ্য বিতৰক আৰু খাদ্য গ্ৰহণকাৰীসকলক সকলো ক্ষেত্ৰতে পৰিষ্কাৰ, পৰিচ্ছন্নতা ৰক্ষা কৰা, খাদ্যবোৰ নিৰ্দিষ্ট তাপমাত্ৰাত ৰখা, খাদ্য প্ৰস্তুত কৰোঁতে বিশুদ্ধ পানী আৰু সুৰক্ষিত খাদ্য সহযোজক দ্ৰব্য ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰাৰ কথা কৈছে।

বৰ্তমান সময়ত পানী প্ৰদূষণ আৰু খাদ্য বিষক্ৰিয়া এক নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। অপুষ্টিকৰ খাদ্য গ্ৰহণে পুষ্টিজনিত নানা ৰোগ আৰু শৰীৰৰ শ্ৰীবৃদ্ধিজনিত ৰোগ সৃষ্টি কৰে। আমি স্বাভাৱিক ৰূপত পোৱা কেইবিধমান খাদ্য, যেনে - ভাত, ৰুটি, চিৰা, মুৰি, পিঠা, গাখীৰ, চাহ, নানাবিধ থলুৱা ফল-মূল। এইবোৰৰ বাহিৰে নানাবিধ চৰবত জাতীয় শীতল পানীয়, ৰংচঙীয়া মিঠাই, জাম-জেলি, আচাৰ, ফাষ্টফুড আদিৰ লগত স্বাস্থ্য অনিষ্ট কৰিব পৰা অপকাৰী দ্ৰব্য, অৰ্থাৎ 'খাদ্য সহযোজক দ্ৰব্য' (Food additive) মিহলোৱা হয়। আমি গ্ৰহণ কৰা প্ৰায় সকলো খাদ্যদ্ৰব্যতে নানা ৰাসায়নিক দ্ৰব্য (খাদ্যবস্তুৰ সংৰক্ষণ আৰু সেইবোৰৰ ৰং, গোন্ধ, সোৱাদ আদি) যোগ দিয়া হয়। এই খাদ্যবোৰ গাখীৰেই বা পাচলিয়েই হওক, মাছেই বা মাংসই হওক মুঠতে প্ৰায়বোৰ খাদ্যদ্ৰব্যই এতিয়া বিষাক্ত আৰু এইবিলাকে মানৱ জীৱনলৈ বিশেষ ভাবুকি কঢ়িয়াই আনিছে। সেয়ে বৰ্তমান পৰিস্থিতিত খাদ্যবস্তুৰ গুণাগুণ সম্পৰ্কীয় কিছু সজাগ প্ৰত্যেকৰে থকাৰ প্ৰয়োজন বুলি ভাবিয়েই এই নিবন্ধটো আগবঢ়ালোঁ।

মানুহে যিবোৰ খাদ্য খাইছিল সেইবোৰ পূৰ্বতে প্ৰাকৃতিক অৱস্থাত উপলব্ধ হৈছিল। ক্ৰমশঃ জনসংখ্যা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত খাদ্যবস্তুবোৰ কৃত্ৰিমভাৱে উৎপাদন লগতে বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আগৰ দিনত মানুহে গোবৰ বা জৈৱসাৰ ব্যৱহাৰ কৰিছিল যদিও এতিয়া খেতিয়কসকলে শস্য উৎপাদন দুগুণ বৃদ্ধি কৰা ৰাসায়নিক সাৰ, কীটনাশক, অপতৃণ নাশক আদি ব্যৱহাৰত আগ্ৰহী হোৱা দেখা গৈছে। যাৰ ফলত ৰাসায়নিক সাৰ আৰু কীটনাশক দৰৱ ব্যৱহাৰে শস্য, শাক-পাচলি, ফল-মূলত মানুহ বা জীৱৰ স্বাস্থ্যৰ পক্ষে যেনে ক্ষতিকাৰক হৈ পৰিছে সেয়া সহজে অনুমেয়। খাদ্যৰ ওপৰত ঘটোৱা ক্ৰিয়া অনুযায়ী এই দ্ৰব্যবোৰক বিভিন্ন শ্ৰেণীত ভাগ কৰা হৈছে। যেনে - সংৰক্ষণ, ৰং, সুগন্ধিকাৰক আৰু সুগন্ধবৰ্দ্ধক, অম্লকাৰক, কৃত্ৰিম মিষ্টিকাৰক ইত্যাদি। বৰ্তমান খাদ্যবস্তুবোৰ দেখাত আকৰ্ষণীয় আৰু লোভনীয় কৰিবলৈ খাদ্য সহযোজক দ্ৰব্য যোগ কৰা দেখা যায়। কৃষিজাত খাদ্যবস্তু বেছি দিনৰ বাবে সঞ্চয় কৰি ৰাখিবলৈ আৰু খাদ্যবস্তু বিনষ্ট নোহোৱাকৈ সংৰক্ষক দ্ৰব্য যোগ দিয়াটো অপৰিহাৰ্য। এনেবোৰ সহযোজক দ্ৰব্যৰ ভিতৰত বেনজয়িক এছিড, নাইট্ৰেট আৰু নাইট্ৰেট লৱন, ছালফাৰ ডাই অক্সাইড আদি বিশেষকৈ শিশুৰ বাবে ক্ষতিকাৰক। খাদ্যবস্তু নষ্ট নহ'বলৈ বা সংৰক্ষণ কৰিবলৈ বেনজয়িক এছিড, নাইট্ৰেট, নাইট্ৰেটৰ লৱন, ছডিয়াম বা পটেছিয়াম বাই ছালফাইড যৌগ মানুহৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। সাধাৰণতে আচাৰ, বিলাহীৰ ছছ, মাছ, মাংস, দৈ, পনিৰ আদিত সহযোজক দ্ৰব্যবোৰ যোগ দিয়া হয়। এইবোৰে এলাৰ্জী, ব্লুবেৰী ডিজিজ', কেন্সাৰ উৎপন্নকাৰী দ্ৰব্য, লিভাৰ, ভিটামিন বিনষ্ট কৰে। বিভিন্ন খাদ্য প্ৰস্তুত কৰোঁতে সাধাৰণতে বিভিন্ন মছলা, ভেনিনা আদি সুগন্ধিকাৰক দ্ৰব্য ব্যৱহাৰ কৰা হয় যদিও এইবোৰৰ বেছিভাগেই মানুহৰ বাবে ক্ষতিকাৰক। ভাৰতৰ খাদ্য ভেজালকৰণ আইন অনুসৰি খাদ্য-সামগ্ৰীত যোগ দিয়া সুগন্ধিকাৰক দ্ৰব্যৰ পৰিমাণ ৩০০ PPMতকৈ বেছি হোৱা অনুচিত। (১ PPM = ১ নিযুত ভাগৰ এভাগ)। খাদ্যবস্তু মিঠা কৰিবলৈ চেনিৰ সলনি ছেকাৰিণ, (ছৰ্বিটল, মেনিটল, জিলেটল) ছডিয়াম চাইক্লমেট আদি ব্যৱহাৰ কৰা হয়। ছেকাৰিন আৰু ইয়াৰ যৌগবোৰে কেন্সাৰ উৎপন্ন কৰে বুলি জনাৰ পিছত ইয়াৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। সাধাৰণতে মিঠাই, ছ'কলেট, টফি, মিঠা পানীয় আদিত ব্যৱহাৰ কৰা এই দ্ৰব্যবোৰ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক বুলি প্ৰমাণিত হৈছে।

কিছুমান খাদ্যবস্তুক বিশেষ আকাৰত প্ৰস্তুত কৰিবলৈ লগত অৱদ্ৰাৱক বা ইমালছিফাইং এজেণ্ট ঘনকাৰক দ্ৰব্য আৰু সুস্থিৰকাৰী দ্ৰব্য যোগ দিয়া হয়। এই পদাৰ্থবোৰ মানুহৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক বুলি জনাৰ পিছত ইয়াক নিষিদ্ধ কৰা হৈছে। খাদ্য সহযোজক দ্ৰব্যবোৰৰ ভিতৰত আটাইতকৈ বেছি লোভনীয় আৰু দৃষ্টি আকৰ্ষণ কৰিব পৰা পদাৰ্থ হ'ল নানাবিধ কৃত্ৰিম ৰাসায়নিক ৰংবোৰ। আদিতে বিভিন্ন প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰা হৈছিল যদিও মানৱ শৰীৰৰ ক্ষতি সাধন কৰা নাছিল। যেনে - সেউজীয়া কৰিবলৈ ক্ল'ৰফিল, হালধীয়া কৰিবলৈ হালধি ব্যৱহাৰ হৈছিল। কিন্তু আজিকালি জেলেপী, বুন্দিয়া, ভুজিয়া, মিহিদানা, সন্দেশ, মাখন, মিঠাইৰ পৰা আৰম্ভ কৰি টেমাত সংৰক্ষিত

বিভিন্ন খাদ্য, চৰবত আদি পানীয়, জাম-জেলি, ঔষধ, আনকি মছলাৰ গুৰি, দাইল আদিতো কৃত্ৰিম ৰং ব্যৱহাৰ কৰা হয়। কিন্তু ভাৰতত কৃত্ৰিম ১১ বিধ অনুমোদিত ৰং নিৰ্দিষ্ট মাত্ৰাত খাদ্য সামগ্ৰীত ব্যৱহাৰ কৰিব পাৰি। এইবোৰ হ'ল - ৰঙা ৰঙৰ বাবে অমৰান, কাৰ্ময়ছাইন, এৰিথ্ৰ'ছাইন, পনচিউ আৰু ফাষ্টৰেড-ই, হালধীয়া ৰঙৰ বাবে গ্ৰিণ এছ'বা উদ্‌গ্ৰিন বি. এছ. আৰু ফাষ্টগ্ৰীণ। নীলা ৰঙৰ বাবে ব্ৰিলিয়েন্ট ব্লু আৰু ইণ্ডিগ'কাৰ্মাইন। এই এঘাৰটা ৰং সঠিক মাত্ৰাত ব্যৱহাৰ কৰিলে এলাৰ্জীৰ বাহিৰে আন প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ সম্ভাৱনা নাথাকে। খাদ্যত এই ৰংবোৰ প্ৰতি কিলোগ্ৰামত কিমান মিহলাব পাৰি তাক থিৰাং কৰি দিয়া আছে। এই অনুমোদিত ৰংবোৰ থকা সত্ত্বেও মানুহে কম খৰচত অধিক লাভৰ আশাত বহুতো অনানুমোদিত আৰু বিষাক্ত ৰং খাদ্যত যোগ কৰে আৰু এইবোৰে স্বাস্থ্যৰ ক্ষতি সাধন কৰে। আটাইতকৈ বেছি পৰিমাণে ব্যৱহাৰ কৰা অপকাৰী ৰংবিধ হ'ল মেটানিল ইয়েল'। ই প্ৰাণীৰ শুক্ৰাশয় বিকাৰগ্ৰস্ত কৰে। ইয়াৰ উপৰিও মেলাকাইট গ্ৰিণ, ৰ'ডামান-বি, ছুদান-২ আৰু-৩, এছিড মেজেন্টা, লেডক্ৰমেট আদিয়ে প্ৰাণীৰ বৃক্ক, কলিজা, হাঁওফাঁও, প্লীহা, হাড়, ছাল, মগজু, চকু আদিৰ ক্ষতি সাধন কৰে।

ৰঙীণ খাদ্যৰ প্ৰতি আকৰ্ষণ বেছি বাবেই বিক্ৰেতাই এনে ৰং ব্যৱহাৰ বেছিকৈ কৰে। এই ক্ষেত্ৰত গ্ৰাহকসকল সজাগ হ'লে বিক্ৰেতাই এনে বিষাক্ত ৰঙৰ ব্যৱহাৰ বন্ধ কৰিবলৈ বাধ্য হ'ব। বজাৰত কিনিবলৈ পোৱা ৰংচঙীয়া পেকেটৰ ৰঙীণ আৰু ধুনীয়া বস্তুবোৰৰ প্ৰতি নিজেও আকৰ্ষিত হ'ব নালাগে আৰু ল'ৰা-ছোৱালীৰ আকৰ্ষণত বাধা দিয়াটো মংগলজনক।

আমি দৈনিক গ্ৰহণ কৰা খাদ্যৰ থালখনত থকা খাদ্যবোৰ যাতে সম্পূৰ্ণৰূপে পুষ্টিযুক্ত হোৱাৰ লগতে ৰোগ-বীজাণুবিহীন, বিষাক্ত দ্ৰব্যবিহীন আৰু আমাৰ স্বাস্থ্যৰ বাবে সম্পূৰ্ণ সুৰক্ষিত হয় তাৰ প্ৰতি সচেতন হ'ব লাগে। কিয়নো অসুৰক্ষিত খাদ্য আৰু পানীৰ দ্বাৰা বিয়পা ডায়েৰিয়া ৰোগত সমগ্ৰ বিশ্বতে বছৰি প্ৰায় ২ নিযুত ব্যক্তিৰ মৃত্যু হয়। ইয়াৰ অধিকাংশ শিশু।

খাদ্য সুৰক্ষা বিঘ্নিত কৰিব পৰা কাৰক প্ৰতিদিনে বাঢ়িয়ে আছে। কৃষিকাৰ্যত ৰাসায়নিক দ্ৰব্যৰ প্ৰচুৰ প্ৰয়োগ, খাদ্য ভেজালীকৰণ, খাদ্যত ৰং মিহলোৱা, খাদ্য সামগ্ৰীৰ ব্যৱসায়ৰ বিশ্বায়ন, হোটেল, ৰেষ্টুৰেন্ট আৰু ৰাস্তাৰ কাষৰ দোকানত আহাৰ গ্ৰহণৰ প্ৰৱণতা বৃদ্ধি, মানুহৰ ভ্ৰমণ বিলাস বৃদ্ধি, নতুন নতুন বেক্টেৰিয়া আৰু টক্সিনৰ বিকাশ আদি প্ৰধান কাৰক।

খাদ্যৰদ্বাৰা বিয়পা ৰোগে এখন দেশৰ স্বাস্থ্য সেৱা, ৰাষ্ট্ৰীয় অৰ্থনীতি, বাণিজ্য আৰু পৰ্যটন ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পেলাই দেশখনৰ আৰ্থ-সামাজিক দিশটো দুৰ্বল কৰে। সেয়ে নিৰাপদ খাদ্য গ্ৰহণৰ বাবে নিজাববীয়াকৈ কিছু চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। ভুৱা আধুনিকতা আৰু বিলাসিকতাৰ মোহত ৰংচঙীয়া দ্ৰব্য মিহলোৱা ভেজাল খাদ্যবোৰৰ সলনি ঘৰতে তৈয়াৰী বা থলুৱা খাদ্য সামগ্ৰীক গুৰুত্ব দিব লাগিব। সুস্বাস্থ্যৰ অধিকাৰী হৈ জীৱন-যাপন কৰিব পৰাটোৱে জাতিটোৰ বাবে মংগলজনক। ■


তথ্য সূত্ৰ ঃ

১। বিজ্ঞান জেউতি (৪৫ সংখ্যা)
২। বিজ্ঞান জেউতি (৪৬ সংখ্যা)
৩। বিজ্ঞান জ্যোতি - (৪৯ সংখ্যা)
৪। প্ৰান্তিক - (১৫ সংখ্যা, ২০১৫)
৫। আমাৰ অসম - (৭ এপ্ৰিল, ২০১৫)
৬। প্ৰতিদিন কাকত - (৭ এপ্ৰিল, ২০১৫)




প্ৰবন্ধ

# নিৰুপমা বৰগোহাঞিৰ উপন্যাসত মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন





পূৰৱী নাথ
স্নাতক, ষষ্ঠ ষাণ্মাসিক

নিৰুপমা বৰগোহাঞি অসমীয়া উপন্যাস জগতৰ নিঃসন্দেহে এগৰাকী আগশাৰীৰ ঔপন্যাসিকা। ষাঠিৰ দশকৰ পৰাই তেখেতে সঘনাইকৈ উপন্যাস ৰচনা কৰি নিজকে সাহিত্য জগতখনত প্ৰতিষ্ঠা কৰিছে। বৰগোহাঞি সমাজ সচেতন লেখিকা। "যিবোৰ ঘটনা, বিধি আৰু ব্যৱস্থাই মানুহৰ জীৱন নিঃশেষ কৰে, বিকাশৰ সম্ভাৱনা পঙ্গু কৰে, হৃদয় মৰুময় কৰি তোলে সেইবোৰৰ নিৰ্মোহ অথচ সহানুভূতিশীল চিত্ৰণেৰে শ্ৰীযুতা বৰগোহাঞিয়ে পাঠকক বিচলিত, আলোড়িত আৰু অভিভূত কৰে।" (ড° হীৰেন গোহাঁই, নিৰুপমা বৰগোহাঞিৰ উপন্যাস, অগ্ৰগামিনী পৃষ্ঠা - ১) বৰগোহাঞিয়ে তেখেতৰ উপন্যাসত সাধাৰণতে নাৰীৰ সমস্যা, মনস্তত্ত্ব, অধিকাৰ আদিৰ ওপৰত আলোকপাত কৰা দেখা যায়। সদায় দেখি থকা জগতখনকে পুনৰ নিৰ্মাণ কৰি অপূৰ্ব ৰূপত দাঙি ধৰে তেখেতে। আমাৰ সমাজ ব্যৱস্থাই নাৰী আৰু পুৰুষ উভয়কে কেনেদৰে প্ৰভাৱিত কৰে সেই কথাও উপন্যাসত দেখুৱাবলৈ যত্ন কৰিছে। নাৰী মনৰ চিৰন্তন দুখ-যন্ত্ৰণা, ক্ষোভ, ত্যাগ, বিদ্ৰোহ আদিক লেখিকাই সহৃদয়তাৰে তেখেতৰ উপন্যাসত অংকিত কৰিছে। দৰাচলতে "নিৰুপমা বৰগোহাঞিয়ে নিপীড়িত অৱদমিত নাৰীসকলৰ বেদনা তেওঁৰ হৃদয়ত ধাৰণ কৰিব পাৰিছে আৰু সমস্যাটো এক মৰ্মস্পৰ্শী উপস্থাপনৰ মাজেৰে মাথো ৰসৰ সঞ্চাৰেই কৰিব খোজা নাই, আমাক শিক্ষিতও কৰিব খুজিছে।" (ৰাজেন কলিতা, নিৰুপমা বৰগোহাঞিৰ উপন্যাস, এশবছৰৰ অসমীয়া উপন্যাস, পৃষ্ঠা - ৬৩৬) পুৰুষ চৰিত্ৰসমূহো যথাযথভাৱেই অংকন কৰিছে তেখেতে।

এই প্ৰবন্ধৰ বাবে বৰগোহাঞিৰ আটাইবোৰ উপন্যাস নলৈ মোৰ ভাল লগা মাত্ৰ দুখন উপন্যাসৰ মাজেৰে নাৰী আৰু পুৰুষৰ মানসিক জগতখন লেখিকাই কেনেদৰে দাঙি ধৰিছে তাক বিচাৰ কৰিবলৈ যত্ন কৰা হৈছে। উপন্যাস কেইখন হ'ল- তিনিকন্যাৰ অন্তৰ্গত উপন্যাসিকা 'আলহী পখিৰ গান' (১৯৭৮) আৰু 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' (১৯৮৯)।

নিৰুপমা বৰগোহাঞিৰ 'আলহী পখিৰ গান' খনক এখন মনস্তাত্ত্বিক উপন্যাসিকা বুলিব পাৰি। এইখন লেখিকাৰ তিনিকন্যাৰ অন্তৰ্গত দ্বিতীয়খন উপন্যাসিকা। চুটি যদিও উপন্যাসিকাখনত বৰগোহাঞিয়ে নাৰী মনৰ গভীৰ তলিত প্ৰৱেশ কৰি নাৰীৰ মানসিক জগতখন উদঙাই দেখুৱাবলৈ সক্ষম হৈছে। নাৰীয়ে প্ৰকৃততে কি বিচাৰে স্বামীৰ পৰা, কোনবিলাক কথাই নাৰীক অভিমানী আৰু দুখী কৰি তোলে উপন্যাসখনত লেখিকাই সুন্দৰকৈ দেখুৱাইছে। উপন্যাসিকাখনত মীৰা চম্পকৰ দ্বিতীয়া পত্নী। মীৰাই বায়েক ধীৰাৰ মৃত্যুৰ পিছত ভিনিহিয়েক চম্পকৰ সৈতে বিবাহপাশত আবদ্ধ হৈছে। প্ৰকৃততে ধীৰা আৰু মীৰা দুয়ো চম্পকৰ প্ৰেমত পৰিছিল যদিও চম্পকে সুন্দৰী ধীৰাকহে পছন্দ কৰিছিল। আনহাতে মীৰা সুন্দৰী নহ'লেও বুদ্ধিমতী আছিল। মীৰাই তাইৰ প্ৰেমৰ কথা কোৱাৰ সুযোগেই নাপালে। ইতিমধ্যে চম্পকৰ সৈতে ধীৰাৰ বিয়া সম্পন্ন হৈছিল। মীৰাৰ প্ৰেম অপ্ৰকাশিত হৈয়ে হ'ল। ভাগ্যৰ কি পৰিহাস ধীৰাৰ অকালতে মৃত্যু হ'ল আৰু ধীৰাৰ চন্দনক চোৰাচিতা কৰিবৰ বাবে মীৰাই চম্পকৰ জীৱনলৈ আহিবলগীয়া হ'ল।

চম্পক মীৰাৰ আকাংক্ষিত পুৰুষ আছিল যদিও বিয়াৰ পিছত মীৰা যেন চম্পকৰ সৈতে সুখী হ'ব পৰা নাই। ধীৰাৰ এক অশৰীৰী অস্তিত্বক তাই সকলো সময়তে অনুভৱ কৰিবলৈ ধৰে, "সেই ধীৰা আৰু এই পৃথিৱীত নাই। তাই জীয়াই থকা নাই। অথচ তথাপিও অদ্ভুদভাৱে তাই জীয়াই আছে মীৰাৰ সংসাৰ, মীৰাৰ জীৱনত। বহুত প্ৰেতাত্মা-বিৰা আদিয়ে একো একোখন ঘৰক লণ্ডি নানাধৰণৰ অত্যাচাৰ কৰি থকাৰ কাহিনী মীৰাই শুনিছে, কিন্তু তাইৰ বায়েক ধীৰা প্ৰেতাত্মা নহৈও, কোনো বাহ্যিক অত্যাচাৰৰ চিন নেদেখুৱাইও কি বজ্ৰ মুঠিৰে যে তাইৰ সংসাৰখনৰ হৃদপিণ্ডটো খামুচি ধৰি আছে।" (পৃষ্ঠা - ৩৫) মীৰা আটাইতকৈ অসুখী। চম্পক আৰু তাইৰ সম্বন্ধক লৈ মীৰাৰ ধাৰণা চম্পক সংবেদনশীল আৰু বুধিয়ক অথচ তাইৰ মনৰ ভিতৰখন যেন চম্পকে জুখি চাবলৈ কোনোদিনেই চেষ্টা নকৰে। আনহাতে মীৰাই অনুভৱ কৰে সংসাৰৰ সমস্ত দায়িত্ব পালন কৰিও চম্পক যেন মনেৰে সুখী হ'ব পৰা নাই। চম্পকৰ এই অসুখী মনটোৰ কথা ভাবি মীৰা সকলো সময়তে অসন্তুষ্ট হৈ থাকে। মীৰাৰ ধাৰণা চম্পকে আচলতে ধীৰাৰ কথা পাহৰিব পৰা নাই। আৰু সেয়ে তেওঁ মুখেৰে ধীৰাৰ নাম নল'লেও ধীৰাৰ মৃত্যুৰ অতদিনৰ পিছতো স্বাভাৱিক মানুহ এজন হ'ব পৰা নাই। মীৰাই চম্পকৰ হৃদয় মন আবৰি থকা ধীৰাৰ স্থান ল'ব পৰা নাই বুলি ক্ৰমে অভিমানী হৈ পৰে। মৃতপত্নী ধীৰাতে চম্পকৰ সমস্ত মৰম, ভালপোৱা নিবদ্ধ হৈ আছে বুলি মীৰাই যেতিয়াই ভাবে তেতিয়াই তাইৰ আত্মসন্মানবোধত আঘাত লাগে। মীৰাৰ অভিমানী মনৰ পৰিচয় আমি পাওঁ তেতিয়া যেতিয়া আহত সন্মানবোধেৰে মীৰাই আনকি সাজোন-কাচোনৰ পৰাও বিৰত থাকি ভাবে,- "তুমিতো মোক ভালেই নোপোৱা, তোমাৰ সকলো প্ৰেম, তোমাৰ সকলো মুগ্ধতাৰ অৰ্থ অতীতৰ এজনী সুন্দৰী তেজ-মাংসৰ ছোৱালীৰ প্ৰতি নিবেদিত হৈ আছে। যদিও তাই আৰু এতিয়া তেজ-মাংসৰ জীৱন্ত মানুহ নহয়। এজনী অধবা ছায়াময়ী নাৰীহে। গতিকে মই কিয় কাঙালিনীৰ দৰে তোমাক মুগ্ধ কৰিবলৈ সাজোন কাচোন কৰিম?" (পৃষ্ঠা - ৩৮)

চম্পকৰ লগত বিয়াৰ পিছত মীৰাই ধীৰাৰ সমস্ত সংসাৰখনকে নিজৰ কৰি লয়। ধীৰাৰ যৌতুকীয়া বস্তু গ্ৰহণ কৰি মীৰাই ভাবে-"মই ধীৰাৰ মানুহজনক গ্ৰহণ কৰিছোঁ, তাইৰ পুত্ৰক গ্ৰহণ কৰিছোঁ, তাইৰ ঘৰ সংসাৰ গ্ৰহণ কৰিছোঁ তেনেস্থলত তাইৰ ফাৰ্নিচাৰ গ্ৰহণ কৰাত কিহৰ আপত্তি? (পৃষ্ঠা - ৩৮) প্ৰকৃততে কিন্তু মীৰাই ধীৰাৰ সমস্ত বস্তু অন্তৰেৰে গ্ৰহণ কৰিব পৰা নাই। লেখিকাই মীৰাৰ মাজেৰে মনস্তত্ত্বৰ এই দিশটো সুন্দৰকৈ প্ৰকাশ কৰিছে এনেদৰে- "আপত্তি নাই। কিন্তু বৰ মস্কিল হয় মই যেতিয়া ধীৰাৰ যৌতুকীয়া পালেঙত চম্পকৰ লগত একেলগে শোওঁ, বৰ মস্কিল হয় মই যেতিয়া ধীৰাৰ আইনাৰ সন্মুখত বহি প্ৰসাধন কৰিবলৈ লওঁ।" (পৃষ্ঠা - ৩৯)

লেখিকা নাৰীৰ মনৰ জগতখনৰ প্ৰতি সচেতন, দক্ষতাৰে লেখিকাই মীৰাৰ মাজেৰে নাৰীমনৰ সূক্ষ্ম অনুভূতিৰাজি, অভিমানবোধ আৰু দুখবোধক উপন্যাসিকাখনিত অংকন কৰিছে। নাৰীয়ে স্বামীৰ পৰা প্ৰকৃততে স্নেহ-মনোযোগ আদিৰ উপৰিও তাতোকৈও অধিক আন্তৰিক এক আকৰ্ষণ থকাতো বিচাৰে। নাৰী মনস্তত্ত্বৰ এই দিশটো উপন্যাসখনত বৰ মনোগ্ৰাহীকৈ উপস্থাপন কৰিছে।

উপন্যাসখনত লেখিকাই নাৰীৰ মানসিক জগতখন অংকন কৰাৰ লগতে পুৰুষৰ মানসিক জগতখনো উদঙাই দেখুৱাবলৈ যত্ন কৰিছে। উপন্যাসখনত মীৰাৰ মৃত্যুৰ পিছত চম্পকৰ মানসিক জগতখনৰ বিষয়ে লেখিকাই চম্পকে বায়েকলৈ লিখা চিঠিখনৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। মীৰাৰ মৃত্যুৰ পিছত চম্পকে জীয়াই থকাৰ সাৰ্থকতা বিচাৰি নাপাই আত্মহত্যা কৰে। ধীৰাক বিয়া কৰোৱাৰ পিছত চম্পকে অনুভৱ কৰিছিল ধীৰা তেওঁৰ মনে বিচৰা ছোৱালীজনী নহয়। তেওঁ বিচৰা ছোৱালীজনী আচলতে মীৰাহে। আনহাতে চম্পকে ধীৰাক বিশ্বাসঘাটকতাও কৰিব নোৱাৰে। ধীৰাৰ মৃত্যুৰ পিছত চম্পকে সংগোপনে মীৰাৰ কথা ভাবে। আৰু লগে লগে কিবা এক অপৰাধ বোধত ভোগে। এনে এক জটিল মানসিক অৱস্থাৰ মাজতে মীৰাৰ সৈতে চম্পকৰ বিয়া হৈ যায়। কিন্তু বিয়াৰ পিছত চম্পকে অনুভৱ কৰিলে তেওঁ মীৰাৰ লগতো সুখী হৈ যায়। কিন্তু বিয়াৰ পিছত চম্পকে অনুভৱ কৰিলে তেওঁ মীৰাৰ লগতো সুখী হ'ব পৰা নাই। মীৰাক তেওঁ ভালপাব খুজিলেই কিবা এক অপৰাধবোধে তেওঁক আমনি কৰে। অদৃশ্যভাৱেই ধীৰাই যেন তেওঁক বিশ্বাসঘাটক বুলি তিৰস্কাৰ কৰে। এনে এক মানসিক অস্থিৰতাৰ বাবে তেওঁ নিজেও সুখী নহয় আৰু মীৰাকো সুখী কৰিব নোৱাৰে। মীৰাক ভালপায়ো ভালপাওঁ বুলি ক'ব নোৱাৰাৰ বেদনাৰে তেওঁ জৰ্জৰিত। তেওঁ আশা কৰিছিল এদিন মনৰ এই জটিল পৰিস্থিতিৰ পৰা মুক্ত হ'ব আৰু নিজকে মীৰাৰ ওচৰত সপি দিব। কিন্তু সেই আশাও পূৰ্ণ নহ'ল। চম্পকৰ মনৰ এই জটিল অৱস্থাৰ ছবি লেখিকাই এইদৰে আঁকিছে-"এদিন ধীৰাৰ ওচৰত অপৰাধী আছিলোঁ। কিন্তু এতিয়া তেওঁৰ ভনীয়েকৰ ওচৰতো অপৰাধীৰ ভূমিকা ল'ব লগা হ'ল। কিন্তু তাতোকৈও ডাঙৰ কথা মীৰা নোহোৱা সংসাৰত মই জীয়াই থকাৰ কল্পনা কৰিব নোৱাৰোঁ।"

উপন্যাসিকাখনত লেখিকাই নাৰী-পুৰুষ উভয়ৰে জটিল মানসিক অৱস্থাৰ ছবি সহৃদয়তাৰে অংকন কৰিছে।

নিৰুপমা বগগোহাঞিৰ "ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ" উপন্যাসখন সমালোচকসকলে তেখেতৰ শ্ৰেষ্ঠ উপন্যাস বুলি অভিহিত কৰিছে। লেখিকাৰ নিজৰ ভাষাতো এইখন তেওঁৰ প্ৰিয়তম উপন্যাস। উপন্যাসখনত লেখিকাই অৰ্থনৈতিক নিৰাপত্তাহীনতাই নাৰীৰ সামাজিক মৰ্যাদা কিদৰে বিনষ্ট কৰে, গাঁৱৰ মানুহক কেনে যন্ত্ৰণাময় জীৱন-যাপন কৰিবলৈ বাধ্য কৰে তাক বৰ বিশ্বাযোগ্যভাৱে অংকন কৰিছে।

এই উপন্যাসখনৰ কাহিনী বিন্যাস কিছু জটিল। উপন্যাসখনত দুটা সমান্তৰাল কাহিনী উপস্থাপন কৰা হৈছে। এটা পটেশ্বৰীৰ জীৱনৰ কাহিনী আৰু আনটো অঞ্জলী আৰু পৰেশ কলিতাৰ গাঁৱলৈ উভতি যোৱাৰ ব্যৰ্থ কাহিনী। পাগলাদিয়াৰ পাৰৰ মানুহৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু স্বপ্ন ভঙ্গৰ কাহিনী হ'ল 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসখন। এইখন উপন্যাসতো লেখিকাই নাৰী আৰু পুৰুষ উভয়ৰে মনৰ জগতখন উদঙাই দেখুৱাবলৈ সক্ষম হৈছে। উপন্যাসখনৰ পটেশ্বৰী আৰু ছবিন চৰিত্ৰ দুটা বিশেষভাৱে নাৰী আৰু পুৰুষ মনস্তত্ত্বৰ গভীৰ উপলব্ধিৰ পৰিচায়ক।

পটেশ্বৰী হ'ল গাঁৱৰ সহজ-সৰল ছোৱালী। তাই ৰূপৱতী। মাৰোৱাৰী যুৱক পূজনৰ ফুচলনিত ভোল গৈ তাই তাৰ লগত পলাই গৈছে। দুটা সন্তানৰ পিতৃ পূজনে তাইক পলুৱাই নি তাইৰ সৰ্বস্ব লুটি লৈ গুৱাহাটীৰ কোনোবা এখন অখ্যাত হোটেলত তাইক এৰি পলাই গৈছে। তেনেতে আৱিৰ্ভাৱ হয় ছবিনৰ। সেইখন হোটেলৰে কাম কৰা ল'ৰা ছবিন তাইৰ ৰূপত মোহিত হ'ল আৰু চিৰজীৱনৰ লগৰী কৰাৰ প্ৰস্তাৱ দিলে। ছবিনৰ অদ্ভুত ৰূপ আৰু কথা শুনি পটেশ্বৰী শিঁয়ৰি উঠিল আৰু তাইৰ মনত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ বৰ্ণনাৰ মাজেৰে লেখিকাই নাৰী মনস্তত্ত্বৰ এটা দিশ সুন্দৰকৈ উন্মোচন কৰিছে এনেদৰে- "তাইৰ মনৰ চকুৰ আগত লগে লগেই পূজনৰ অনিন্দ্য সুন্দৰ কান্তিৰ আৰু সুন্দৰ বেশ-ভূষাৰ মনোহৰ চেহেৰাটো ভাহি উঠিছিল। দেৱতা আৰু দৈত্য! পূজন যদি দেৱতা হয় ছবিন তাৰ আগত দৈত্য। এই উজলা লেতেৰা দাঁত, ক'লা বৰণ, হাফপেণ্ট পিন্ধি থকা ভৰিৰ কলাফুল ওলাই পৰা, খহু আৰু জপৰা চুলিৰে ছবিনটো পূজনৰ তুলনাত সঁচায়ে এটা দৈত্য। কিছুদিনৰ পৰা অৱশ্যে সি চুলিত তেল দি চুঁচি-মাজি নিমজটো হৈ আছে। হাফপেণ্ট আৰু গেঞ্জিও আগৰ দৰে মলিন নহয়। তথাপি পূজন যদি হয় আকাশৰ তৰা, সি হ'ল পৃথিৱীৰ বোকাত কিলবিলাই থকা পোক। নাই নাই তাই কোনো মতেই নোৱাৰে, এবাৰ আকাশ বিহাৰ কৰাৰ পাছত কোনোমতেই পৃথিৱীৰ বোকাত লেটি পেটি হ'ব নোৱাৰে।" (পৃষ্ঠা - ৫৫)

অৱশেষত ছবিনে তাইক বিয়া কৰালে। সিহঁতে আহি হোটেলৰ মালিকৰ ঘৰতে আশ্ৰয় ল'লে। ছবিনে পটেশ্বৰীক জীৱনসঙ্গিনী কৰিলে, কিন্তু জীৱনৰ নিৰাপত্তা দিব নোৱাৰিলে। হোটেলৰ মালিকৰ হাতৰপৰা তাইক সি ৰক্ষা কৰিব নোৱাৰিলে। ছবিন সাধাৰণ মানুহ। ইচ্ছা থাকিলেও সি একো কৰিব নোৱাৰি অৱশেষত পটেশ্বৰীক নিজ হাতে মালিকৰ হাতত তুলি দিছে। ছবিনৰ মানসিক প্ৰতিক্ৰিয়াৰ মাজেৰে লেখিকাই ছবিনৰ মনস্তত্ত্বৰ

এটা দিশ উদঙাই দেখুৱাবলৈ চেষ্টা কৰিছে এনেধৰণে-"ছবিনে চকুৰে ধোঁৱা কোৱা দেখিলে। মালিকৰ বৰপেটটোত বিৰাট এটা ঘোচা মাৰিবলৈ উদ্যত হোৱা হাতখন সি কোনোমতে চম্ভালি ৰাখিলে। ওঁহো সি বীৰত্ব দেখুৱাব নোৱাৰে। তাৰ বহুত অসুবিধা, ধন, প্ৰতাপ, প্ৰতিপত্তি এইবোৰ একো নথকা মানুহৰ বাবে বীৰত্ব, সতীত্ব, সন্মানবোধ, ঈৰ্ষা আদি হৃদয় আৰু আত্মাৰ মানৱীয় মূল্যবোধৰ কথাবোৰ হাস্যকৰ। ধনী আৰু প্ৰতাপশালী লোকৰহে এইবোৰ একচেতীয়া অধিকাৰৰ অংগীভূত; সিহঁতৰ দৰে লাওখোৱা মানুহবোৰ বাবে সেই ডাঙৰ ডাঙৰ কথাবোৰ ফুটুকাৰ ফেনৰ বাহিৰে আন একো নহয়। একো হ'ব নোৱাৰে। নহ'লে সি ছবিনে তাৰ সেই কৃশকায় হাতখনৰ বজ্ৰমুঠিৰে সুখাদ্যৰে পৰিপুষ্ট সেই বিশাল পেটটো একেটা আঘাট কৰিয়েই বেলুনৰ দৰে ফুটা কৰি দিব পাৰে।" সি ভাবিলেহে কিন্তু একো কৰিব নোৱাৰিলে। অসহায়ভাৱে সি মাথো নিজকে অক্ষম বুলিহে ভাবিলে আৰু অনিচ্ছা সত্ত্বেও পটেশ্বৰীক মালিকৰ হাতত তুলি দিছে। আৰু পিছত মালিকৰ কাষৰ পৰা উভতি অহা পটেশ্বৰীক নিষ্ঠুৰভাৱে প্ৰহাৰ কৰি সি উজাৰি দিছিল মনৰ ভিতৰত পুঞ্জীভূত হৈ থকা তাৰ সমস্ত নিষ্ফল খং আৰু আক্ৰোশক, লগতে কৈছিল "চালি বেশ্যা, ৰাণ্ডী ক'বাৰ মোৰ ঘৰ জ্বলাবাক্ গেলি আইহ্‌ছিলি ৰাক্ষেসিনী...." (পৃষ্ঠা - ৭২)

মালিকৰ হাতৰপৰা মুক্তি পাবলৈ ছবিনে পটেশ্বৰীয়ে শিকাই দিয়া ধৰণে মালিকক ক'লে যে পটেশ্বৰীয়ে এইদৰে দেহা বিক্ৰী কৰিব লগীয়া হ'লে তাই তাৰ পৰা গুছি যাব, আত্মঘাতী হ'ব বা মগনীয়া হ'ব, আৰু যাওতে মালিকিনীক সকলো কৈ যাব। উপায় নাপায় মালিকে তেওঁৰ কুৎসিত কামনাৰ পৰা পটেশ্বৰীক মুক্তি দিলে কিন্তু ছবিনৰ মনত লগতে সন্দেহৰ বীজো গুজি দিলে- "কতা তাই যে এতিয়া আত্মঘাতী হোৱা, মাগিখোৱা এইবোৰ কথা কয়- প্ৰথমতে নক'লে কিয়?" (পৃষ্ঠা - ৭৪) মালিকৰ কথাই ছবিনক ভালকৈ জোকাৰি গ'ল। এইখিনিতে ছবিনৰ মানসিক অৱস্থাৰ ছবিখন লেখিকাই বৰ সুন্দৰকৈ আঁকিছে। "সকলো ভাবচিন্তাৰ মাজত তাৰ মনত প্ৰশ্ন এটা বাৰ বাৰ এনে এষাৰ কথা মালিকক কৈ নপঠিয়ালে কিয়? তাই আত্মঘাতী হ'ব, তাই ভিখাৰিণী হ'ব, তাই জালুকবাৰীলৈ যাব। এই কথা তাই আগতেই কৈ নপঠিয়ালে কিয়? কিয়? বগা থুলন্তৰ চেহেৰাৰ মালিকৰ প্ৰতি তাইৰো কিবা লোভ জাগিছিল নেকি? সি কুৎসিত বুলি তাই তাক মনে মনে ঘিণ কৰে নেকি?" (পৃষ্ঠা - ৭৪) সন্দেহৰ কীটে ছবিনক কুটি কুটি খালে আৰু মালিকৰ কবলৰ পৰা মুক্তি পোৱাৰ উল্লাসত ছবিনে পটেশ্বৰীক উধাই-মুধাই প্ৰহাৰ কৰি প্ৰকাশ কৰিলে। ছবিনে কিন্তু পটেশ্বৰীক মৰমো কৰে। ছবিনৰ মনৰ জটিল মনস্তাত্ত্বিক দিশটো লেখিকাই দক্ষতাৰে অংকন কৰিছে।

দুটা সন্তানৰ মাতৃহোৱাৰ পিছত ছবিনৰ অসুখ হ'ল আৰু এদিন তাৰ মৃত্যু হ'ল। অসহায় পটেশ্বৰীয়ে সন্তান দুটাক বুকুত লৈ ঢলকুছিৰ তাইৰ মাকৰ গাঁৱলৈ গুছি আহিল। ইয়াতো পটেশ্বৰীয়ে দৰিদ্ৰতা আৰু পুৰুষৰ কামাতুৰ দৃষ্টিৰ পৰা হাত সাৰিবলৈ সংগ্ৰাম কৰিব লগীয়া হ'ল। "পটেশ্বৰীয়ে আগতে অনুভৱ কৰাৰ দৰে আকৌ নতুনকৈ অনুভৱ কৰিছিল যে দৰিদ্ৰ মানুহৰ কাৰণে ৰূপ বস্তুটো অভিশাপহে, এই ৰূপেই তাইৰ সমস্ত জীৱন লটি ঘটি কৰি মাৰিলে" (পৃষ্ঠা - ৭৭) এই উপলব্ধি বিভিন্ন সময়ত বিভিন্ন ঘটনাৰ মাজেৰে পটেশ্বৰীৰ মনত দৃঢ় হ'ল, আৰু অৱশেষত এই উপলব্ধি অতি মৰ্মস্পৰ্শী ৰূপত প্ৰকাশ পাইছে যেতিয়া পটেশ্বৰীয়ে নীলকণ্ঠৰ মাষ্টৰণী বোৱাৰীয়েকৰ শোৱনী কোঠাত থকা ডাঙৰ আইনাখনত নিজকে দেখি শিয়ৰি উঠে-, "আইনাৰ ভিতৰৰ মানুহজনী তাই? সঁচাকৈয়ে তাই? তাই পটেশ্বৰী? ডিঙিৰ হাড় জক্‌জকাই ওলাইছে, গাটো শুকাই এচটা খৰিৰ দৰে হৈছে। ৰ'দে-বৰষুণে পুৰি জক্‌জকাই ওলাইছে, গাটো শুকাই এচটা খৰিৰ দৰে হৈছে। ৰ'দে-বৰষুণে পুৰি ক'লা হৈছে। নানা দুখ-দুৰ্গতি, অনাহাৰ, অৱসাদ দুশ্চিন্তাত মুখখন ক্লান্ত আৰু কৰুণ হৈ পৰিছে। আইনাৰ ভিতৰৰ পৰা বিষণ্ণ চাৱনিৰে তাইলৈ তেলতেলকৈ চাই থকা এই বীভৎস চেহেৰাৰ মানুহজনী স্বয়ং তাই?" (পৃ ঃ১৩৯) পটেশ্বৰীৰ মনত পৰিল, বহু দিনৰ আগতে গুৱাহাটীৰ মালিকৰ ঘৰত ডাঙৰ আইনাখনত দেখা তাইৰ অন্য এক ৰূপৰ কথা। পিছ মুহূৰ্ততে তাই উপলব্ধি কৰিলে ৰূপ নামৰ তাইৰ সেই শত্ৰুৰ যেন পতন হৈছে, যাৰ বাবে তাই কিমান যে অপৰাধ কৰিছিল ঠিকনা নাই। তাই উপলব্ধি কৰিলে আগৰৰ পটেশ্বৰীৰ যেন মৃত্যু হৈছে আৰু ৰূপকলৈ তাইৰ এতিয়া আৰু কোনো দুশ্চিন্তা নাথাকিব। নিচিন্ত মনেৰে তাই পুৰুষৰ ৰাজ্যত বিচৰণ কৰিব পাৰিব। হাস্পাতালৰ ডাক্তৰজনে আজি-কালি কিয় হাঁহি মাতি কথা নকয়, নীলকণ্ঠৰ পুতেক ৰজতে কিয় তাইলৈ লুভীয়া দৃষ্টিৰে নোচোৱা হ'ল, আমনি নকৰা হ'ল, তাৰ কাৰণ তাই এতিয়াহে বুজি পালে। নাৰী দেহ লুভীয়া পুৰুষৰ প্ৰতি পটেশ্বৰীৰ নাক কোচ খাই আহিল। আশাভঙ্গ আৰু স্বাৰ্থতাৰ বেদনাৰে লুতুৰি হৈ পৰিল তাইৰ মন আৰু মুখেৰে ওলাই আহিল পুৰুষৰ প্ৰতি অশ্লীল গালি "অ চালা শগুণহাত; তহঁত মৰাশ





খুটি খুটি খাবাকলেগি আৰু মাংস নাপায় হলি নহয়? চালা তিৰিৰ মাংস লইভা, শগুণহাত," (পৃষ্ঠা - ১৪০)

অদ্ভুত এক বিষাদবোধ আৰু বিকৃত উল্লাসে পটেশ্বৰীক আৱৰি ধৰিলে আৰু তাইৰ চকুত দুটোপাল চকুপানী বিৰিঙি উঠিল। পটেশ্বৰীৰ এই বিপৰীতধৰ্মী মানসিক অৱস্থাৰ চিত্ৰণ লেখিকাই অতি সহানুভূতিৰে বৰ মৰ্মস্পৰ্শী ৰূপত উপন্যাস খনত অংকন কৰিছে।

এই উপন্যাসখনত লেখিকাই আৰু ভালেমান চৰিত্ৰ অংকন কৰিছে, তাৰে ভিতৰত অঞ্জলী চৰিত্ৰটোও অন্যতম এটা চৰিত্ৰ। পটেশ্বৰীৰ দৰেই চৰিত্ৰটোও গতিশীল চৰিত্ৰ। অঞ্জলী শিক্ষিতা, বুদ্ধিমতী, বাক্‌পটু আৰু সমাজ সচেতন যুৱতী। অঞ্জলী অধ্যয়নশীল আৰু যুক্তিৰে বিচাৰ-বিশ্লেষণ কৰিব পৰা ক্ষমতাৰ অধিকাৰী। যধে মধে তাই আনক সমালোচনা কৰিলে বেয়া পায়। উপন্যাসখনত বিমলাই যেতিয়া পটেশ্বৰীৰ বিষয়ে মন্তব্য কৰে- "এতিয়া তাইৰ পৰিচয় হ'ল তাই এজনী দুখীয়া বিধৱা তিৰোতা। কিন্তু আচলতে তাই বৰ সাংঘাতিক তিৰোতা, তাইৰ বহু হিষ্ট্ৰি আছে"। (পৃষ্ঠা - ৩৬) বিমলাৰ কথাত অঞ্জলীৰ প্ৰতিক্ৰিয়া মন কৰিবলগীয়া। অঞ্জলীৰ কথাৰ মাজেৰে এক প্ৰতিবাদী নাৰী সত্বাৰ কণ্ঠস্বৰ শুনা যায়। "হিষ্ট্ৰি হিষ্ট্ৰি এই হিষ্ট্ৰি থাকে কেৱল মাইকী মানুহৰহে, পুৰুষৰ নাথাকে। এই পটেশ্বৰীৰ দৰে চহৰত থকা তাইৰ সুন্দৰী ৰেখাদিৰো হিষ্ট্ৰি আছে, কিন্তু ৰেখাদিৰ সৰ্বনাশ কৰা মানুহজনৰ হ'লে কোনো হিষ্ট্ৰি নাথাকিল। কিন্তু ৰেখাদিৰখন কৰিলে।" এই অঞ্জলীৰ মানসিক প্ৰতিক্ৰিয়া দৰাচলতে প্ৰত্যেকগৰাকী শিক্ষিতা নাৰীৰ মানসিক প্ৰতিক্ৰিয়াৰ ৰূপ।

প্ৰকৃততে নিৰুপমা বৰগোহাঞিৰ আৰু কেবাখনো উপন্যাসক এই আলোচনাৰ মাজলৈ আনিব পৰা গ'লহেঁতেন যদিও সীমিত পৰিসৰৰ মাজতে আলোচনা কৰিবলগীয়া হোৱাৰ বাবে মাত্ৰ দুখন উপন্যাসৰ মাজেৰেই নাৰী আৰু পুৰুষ উভয়ৰে মানসিক জগতখন লেখিকাই কেনেদৰে অংকন কৰিছে দেখুৱাবলৈ যত্ন কৰা হৈছে। ■

(এই প্ৰবন্ধটো যুগুত কৰোঁতে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।)





# মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্য


তৃষ্ণা দাস
তৃতীয় ষাণ্মাসিক (কলা)


অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাসত বৰেণ্য ব্যক্তিসকলৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ নাম চিৰস্মৰণীয়। মহাপুৰুষ শংকৰদেৱৰ লেখীয়াকৈ তেখেতৰ প্ৰিয়তম প্ৰধান শিষ্য মাধৱপুৰুষৰ কাপৰ পৰা নিসৃত অমূল্য সম্পদৰাজিয়ে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ভঁড়াল চহকী কৰি থৈ গৈছে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ অপূৰ্ব মিলনে অসমৰ সমাজ জীৱনলৈ কঢ়িয়াই অনা ৰূপান্তৰৰ বিষয়ে স্বৰ্গীয় লক্ষ্মীধৰ শৰ্মাই কৈছিল, “অসমীয়া বৈষ্ণৱ জগতত শংকৰ আৰু মাধৱৰ মিলন এক অপূৰ্ব বস্তু। ধীৰ, শান্ত শংকৰৰ কাৰ্য অপূৰ্ণ থাকিলেহেঁতেন, যদি এই কৰ্মবীৰ তপস্বী যুৱক আহি তেওঁৰ পৱিত্ৰ মতৰ ভাৰখন নিজৰ কান্ধত তুলি নল’লেহেঁতেন। মাধৱৰ একাগ্ৰতা, ধী-শক্তি, জ্ঞান আৰু উদ্যমেই তান্ত্ৰিক আসামক বৈষ্ণৱ আসাম কৰি গ’ল।” দৈত্যাৰি ঠাকুৰেও গুৰুচৰিতত লিখি থৈ গৈছে ‘শংকৰে ভকতি প্ৰকাশিল, মাধৱেসে প্ৰচাৰিলা।’ শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰেও কৈছিল -

“শংকৰ স্বৰূপে হৰি নিজ অংশে অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে হৰি তৈল শলা বৰ্ত্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।।”

অসমীয়া ভক্তি-সাহিত্যৰ সুঁতিত বৈষ্ণৱ সাহিত্যৰ বিশেষ স্থান আছে। সেয়েহে ভক্তি-সাহিত্যৰ আলোচনা প্ৰসঙ্গত অসমত শংকৰদেৱ, মাধৱদেৱকে আদি কৰি বৈষ্ণৱ সন্ত-মহাপুৰুষ সকলৰ নাম জড়িত হৈ থকা পোৱা যায়। শংকৰদেৱ আৰু মাধৱদেৱৰ





ৰচনাৱলীক আধাৰ হিচাপে লৈ ভক্তি সাহিত্যক কিছুমান শ্ৰেণীত ভাগ কৰিব পাৰি। বিষয়বস্তু, ভাষা বা সাহিত্যিক ৰূপ অনুসৰি সেই শ্ৰেণীসমূহ হ’ল কাব্য, নাট, অনুবাদ সাহিত্য, ভক্তিতত্ত্বমূলক ৰচনা, গীত, নাম-প্ৰসঙ্গ আৰু প্ৰকৰণ গ্ৰন্থ আদি। ভক্তি ধৰ্ম প্ৰচাৰৰ বাবে মহাপুৰুষ শংকৰদেৱৰ লেখীয়াকৈ মাধৱদেৱেও গীত, নাট, পদ আদি প্ৰায়বিলাক কলাকে মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত ভক্তি আন্দোলনৰ প্লাৱনে পৰম্পৰাগত বৈদিক আচাৰ-নীতিৰ কঠোৰ অনুশাসনৰ পৰা মুক্ত কৰি জনসাধাৰণৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰ পথ প্ৰশস্ত কৰি তুলিছিল। অসমত এই ভক্তি আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে। এই বৈষ্ণৱ ভক্তিধৰ্মত শ্ৰৱণ,কীৰ্ত্তন, স্মৰণ, অৰ্চন আদি নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনকে মুখ্য স্থান দিয়া হৈছে ঃ

“শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ।” (কীৰ্ত্তন)

ভক্তসকলে কীৰ্ত্তন কৰিব পৰাকৈ মহাপুৰুষ দুজনে বিভিন্ন পুৰাণ আৰু ভাগৱতৰপৰা ভক্তিবিষয়ক উপাখ্যানসমূহ অসমীয়ালৈ অনুবাদ তথা ভাঙনি কৰিছিল। তাৰেই সংকলিত ৰূপ অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰি পুথিৰ অন্যতম ‘কীৰ্ত্তন-ঘোষা’ আৰু ‘নামঘোষা’ গ্ৰন্থ। ভক্তসকলে নামঘৰত কৰা কীৰ্ত্তনৰ ক্ৰমত ‘বৰগীত’ অন্যতম উপাদান।

মহাপুৰুষ মাধৱদেৱৰ ৰচনাৱলীৰ সময় সম্পৰ্কে বিভিন্ন চৰিত পুথিৰ পৰা কিছু উমান পালেও বহু ক্ষেত্ৰত সিবোৰৰ ৰচনাৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰাটো জটিল হৈ পৰে। কাৰণ মহাপুৰুষ মাধৱদেৱৰ কোনো ৰচনাতে ৰচনাকালৰ কোনো উল্লেখ পোৱা নাযায়। ১৫২২ খ্ৰীষ্টাব্দত শাক্ত মাধৱদেৱে বেলগুৰিত বৈষ্ণৱ শংকৰদেৱৰ সন্মুখীন হৈ তুমুল তৰ্কযুদ্ধত অৱতীৰ্ণ হোৱাৰ পিছত ভক্তি ধৰ্মত শৰণ লয়। তেতিয়া মাধৱদেৱৰ বয়স বত্ৰিশ বছৰ। শংকৰদেৱক লগ পোৱাৰ পিছতহে মহাপুৰুষ মাধৱদেৱে সাহিত্যিক জীৱনৰ পাতনি মেলে। মন কৰিবলগীয়া যে মহাপুৰুষ মাধৱদেৱৰ সমগ্ৰ ৰচনাৱলীৰ মূল প্ৰেৰণাস্বৰূপ আছিল মহাপুৰুষ শংকৰদেৱ। মাধৱদেৱৰ ৰচনাৱলীৰ ভিতৰত প্ৰথম ৰচনা সম্পৰ্কে কোনো স্পষ্ট তথ্য পোৱা নাযায়। এদিনাখন শংকৰদেৱৰ স’তে মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা আৰু জয়ন্তীয়াৰ মধাই আতৈ লুইতত নৌকাৰে ভটিয়াই গৈ আছিল। এনেতে মহাপুৰুষ শংকৰদেৱে তিনিওকে কবিতা ৰচনা কৰিবলৈ ক’লে। তেতিয়া মাধৱদেৱে ‘জয়গুৰু শংকৰ সৰ্ব গুণাকৰ’ - এই গুৰু ভটিমাটি ৰচনা কৰে। এই ভটিমাটিয়েই মাধৱদেৱৰ প্ৰথম ৰচনা বুলি বহুতে ক’ব খোজে। আহোম ৰজা চুক্লেনমুঙে হৰি জোঁৱাই আৰু মাধৱদেৱক বন্দী কৰি নি হৰি জোঁৱাইক মৃত্যুদণ্ড দিছিল। মৃত্যুৰ সময়ত নাম স্মৰণ কৰাবৰ বাবে মাধৱদেৱে নিজে ৰচনা কৰা ‘ভয়ো-ভাই সাৱধান যাৱে নাহে ছুটে প্ৰাণ’ এই বৰগীতটি গাই শুনাইছিল। কৃষ্ণ নাৰায়ণ প্ৰসাদে এই বৰগীতটিকে মাধৱদেৱৰ প্ৰথম ৰচনা বুলি অভিহিত কৰিছে। এনেদৰে আলোচনা কৰিলে দেখা যায় যে বৰগীতেই মহাপুৰুষ মাধৱদেৱৰ প্ৰথম ৰচনা আছিল।

মহাপুৰুষ শংকৰদেৱৰ লেখীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত গীতসমূহৰ দুটা ভাগ হ’ল বৰগীত আৰু ভটিমা। বৰগীত মহাপুৰুষ দুজনাৰ অন্যতম অভিনৱ অৱদান। বৰগীতসমূহৰ বিষয়বস্তুৰ গাম্ভীৰ্য বা সংযম, প্ৰকাশভংগীৰ সাৱলীলতা, শুৱলা ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাৰ আৰু সুৰৰ মাধুৰ্যই গীতসমূহক বিশেষ মাত্ৰা প্ৰদান কৰিছে। সেই দিশৰ পৰা পৰৱৰ্তী শিষ্য-প্ৰশিষ্যসকলে গুৰুজনাৰদ্বাৰা ৰচিত গীতক ‘বৰগীত’ আখ্যা দিছে। একশৰণ ভক্তি ধৰ্মৰ প্ৰচাৰৰ মুখ্য উদ্দেশ্য আগত ৰাখি মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে আধ্যাত্মিক ভাৱৰ কিছু গীত ৰচনা কৰিছিল। অসমীয়া সাহিত্যৰ এইখিনি গীতক ‘বৰগীত’ বুলি কোৱা হৈছে। অৱশ্যে শংকৰদেৱে তেওঁলোকৰ এইখিনি গীতক ‘বৰগীত’ বুলি কোৱাৰ সলনি কেৱল ‘গীত’ বুলি উল্লেখ কৰাহে গুৰুচৰিতত পোৱা যায়। পিছৰ সময়ত শংকৰদেৱ-মাধৱদেৱৰ অনুগামী ভক্ত-কবিসকলে সন্তৱ সম-সাময়িক অন্য গীতৰ পৰা পৃথক বুজাবলৈ ‘বৰ’ বিশেষণ সংযোগ কৰে। শংকৰদেৱ আৰু মাধৱদেৱৰ বহু পূৰ্বৰ পৰাই অসমত বিভিন্ন ৰাগযুক্ত গীতৰ প্ৰচলন থকাৰ উদাহৰণ পোৱা যায়। গুৰু দুজনাৰ সম-সাময়িক দুৰ্গাবৰ, পীতাম্বৰ আদি কবিয়েও গীত ৰচনা কৰিছিল। কিন্তু এইবিলাক গীতক ‘বৰগীত’ বুলি কোৱা হোৱা নাই। ইয়াৰ কাৰণ বিচাৰ কৰিলে দেখা যায় যে, ‘বৰগীত’ কেৱল ৰাগযুক্ত গীতেই নহয়, বিষয়বস্তু, ভাষা-সুৰ, ব্যৱহাৰৰ সীমাবদ্ধতাই গীতসমূহক বিশেষ মাত্ৰা প্ৰদান কৰিছে। সেই দিশৰ পৰা পৰৱৰ্তী শিষ্য-প্ৰশিষ্যসকলে গুৰুদুজনাৰদ্বাৰা ৰচিত গীতক ‘বৰগীত’ আখ্যা দিছে। বিভিন্ন সাহিত্যিক তথা বিজ্ঞ ব্যক্তিসকলে বৰগীতৰ স্বকীয়তালৈ লক্ষ্য কৰি বিভিন্ন আখ্যা দিছে। ড° বাণীকান্ত কাকতিয়ে বৰগীত সম্পৰ্কে মত দাঙি ধৰিছে এনেদৰে “বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত

প্ৰতিষ্ঠিত। সেই কাৰণেই সেইবোৰক বৰগীত বোলা হয়। ইংৰাজ কবি হেৰিকেও কেতবোৰ আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল 'Noble Numbers'।"

'বৰগীত'ক কেৱল 'গীত' নুবুলি কিয় 'বৰগীত' বোলা হ'ল সেই বিষয়ে আলোচনা দাঙি ধৰি বীৰেন্দ্ৰ নাথ দত্তই কৈছে - "সংগীত হিচাপে বৰগীতৰ শ্ৰেষ্ঠতৰ গুণতহে বৰগীতে 'বৰ' বা উচ্চ পৰ্যায়ৰ গীত নাম পাইছিল। 'নোম নেগুৰ বৰ্জিত, সিও গায় বৰগীত' কথাষাৰতো তেনে এটা প্ৰচ্ছন্ন ইংগিত পোৱা যায় - অৰ্থাৎ বৰগীত গোৰটো যোত্ৰহীনৰ বাবে দুঃসাধ্য। হিন্দুস্থানী সংগীতৰ ক্ষেত্ৰতো উচ্চ পৰ্যায়ৰ গীতক 'বড়গানা' আখ্যা দি তেনেদৰে শ্ৰেণীবন্ধন কৰাৰ ৰীতি আছে।" আকৌ কালিৰাম মেধিয়ে 'Great song' বা 'Holy song' ৰূপে আখ্যা দিছে। চৰিত পুথিত উল্লেখানুসৰি মহাপুৰুষ শংকৰদেৱে তীৰ্থ ভ্ৰমণ কৰিবলৈ বদৰিকালৈ যাওঁতে প্ৰথম বৰগীত 'মন মেৰি ৰাম চৰণহি লাগু' ৰচনা কৰে। কথিত আছে যে মহাপুৰুষ শংকৰদেৱে ২৪০ টা, অৰ্থাৎ বাৰকুৰি বৰগীত ৰচনা কৰিছিল; কিন্তু কমলা গায়নে আওৰাবলৈ নিয়াত বনপোৰা জুয়ে গীতবোৰ পুৰি ছাৰ-খাৰ কৰিলে। মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা গীতবোৰৰ ভিতৰত মুঠতে একুৰি চৈধ্যটাহে বৰগীত সংৰক্ষিত কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ আদেশানুসৰি মাধৱদেৱে বৰগীত ৰচনা কৰিবলৈ লয় আৰু ১৫৭ টা বৰগীত ৰচনা কৰি মহাপুৰুষে অসমীয়া ভাষা-সাহিত্যৰ জগতলৈ এক অমূল্য দান আগবঢ়াই থৈ গৈছে। বৰগীতসমূহ যিহেতু আধ্যাত্মিক ভাবসম্পন্ন গীত সেয়েহে গীতবোৰৰ মাজে মাজে 'সংসাৰ গহন বন' বুলি সংসাৰৰ প্ৰতি তেওঁলোকে অনিহা প্ৰকাশ কৰিছে। মানৱ জীৱনত 'তীৰ্থ, তপ-জপ, ব্ৰত, যাগ-যজ্ঞ' আদিৰ অপ্ৰয়োজনীয়তা স্বীকাৰ কৰিছে আৰু ধন, জন, জীৱন, যৌৱন আদিৰ অস্থিৰতা তথা অনিশ্চয়তাৰ লগতে পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰিছে। ইয়াৰোপৰি বৰগীতৰ মূল আৰাধ্য দেৱতা শ্ৰীকৃষ্ণৰ বাল্যকালত ব্ৰজধামত কৰা নানান লীলা-খেলা, শ্ৰীকৃষ্ণৰ অনুপস্থিতিত বৃন্দাবনবাসীৰ বেদনা সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

অসমীয়া সংগীতৰ ঐতিহ্যলৈ লক্ষ্য কৰিলে দেখা যায় অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন চৰ্যাপদকালীন সময়ৰে পৰা অসমত সংগীত চৰ্চাৰ শুভাৰম্ভণি ঘটিছে। কামৰূপৰ লোক হিচাপে পৰিচিত লুইপা, সৰহ পা, মীননাথ, মৎস্যেন্দ্ৰ নাথ, গোৰক্ষপা, দাৰিক পা আদি সিদ্ধাচাৰ্যসকলে বিভিন্ন চৰ্যা তথা গীত ৰচনা কৰি প্ৰাচীন অসমীয়া গীতি সাহিত্যৰ ভঁড়াললৈ বিশেষ বৰঙণি যোগাইছিল।

চৰ্যাপদৰ পিছতে খৃষ্টীয় চতুৰ্দশ শতিকাৰ এইছোৱা সময়ৰ বিখ্যাত পাঁচগৰাকী কবি-সাহিত্যিকৰ ৰচনাই অসমীয়া সংগীতৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে। মাধৱ কন্দলিকে আদি কৰি হৰিবৰ বিপ্ৰ, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলি আদিয়ে বিভিন্ন সময়ত বিভিন্ন কাব্য-সাহিত্য ৰচনা কৰি অসমৰ সংগীতৰ ভঁড়াল টনকিয়াল কৰি আহিছে। 'চিত্ৰকূটৰ চিত্ৰ', 'প্ৰ াদ চৰিত' আদি পদত ৰচনা কৰি জনসাধাৰণৰ মন আকৰ্ষণ কৰি আহিছে। খৃষ্টীয় পঞ্চদশ-ষোড়শ শতিকাৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত বৰগীতসমূহ অসমীয়া গীতি-সাহিত্যলৈ এক বিশিষ্ট অৱদান। এওঁলোকৰ বৈষ্ণৱী গীতে প্ৰাচীন অসমৰ সংগীত পৰম্পৰাক সৌষ্ঠৱপূৰ্ণ কৰি তুলিছে। শংকৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ কবিসকলৰ সমকালীন অবৈষ্ণৱ কবি হিচাপে খ্যাতি অৰ্জন কৰা, বিশেষভাৱে পীতাম্বৰ, দুৰ্গাবৰ, মনকৰ আৰু সুকবি নাৰায়ণ দেৱেও গীত-পদ ৰচনা কৰি অসমীয়া সংগীতৰ জগত কিছু পৰিমাণে হ'লেও উজলাই থৈ গৈছে। বিশেষকৈ মনসা কাব্যৰ ৰচয়িতা মনকৰৰদ্বাৰা ৰচিত গীতসমূহ ওজাপালিসকলে বিভিন্ন ৰাগ টানি নিৰ্দিষ্ট তালত তাক পৰিৱেশন কৰি আহিছে। সুকন্নানী আৰু ব্যাসৰ ওজাপালি সকলে মাৰ্গীয় সংগীতৰ ধাৰাবাহিকতা অটুট ৰাখিছে।

বৰগীতসমূহৰ বিশিষ্টতালৈ লক্ষ্য কৰিলে কেইবাটিও বৈশিষ্ট্য, যেনে - বিষয়বস্তু, ভাষা, সুৰ, ব্যৱহাৰ আৰু সীমাবদ্ধ পৱিত্ৰতা আদি দৃষ্টিগোচৰ হয়।

**বৰগীতৰ বিষয়বস্তু ঃ**

বৰগীতৰ বিষয়বস্তু বুলিলে সাধাৰণতে অনুমেয় যে এই গীতবোৰ ওখ, নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে বৰগীতসমূহ সাধাৰণ জনসাধাৰণৰ মনত মনোৰঞ্জন দিয়া, লগতে আধ্যাত্মিক ভাবসম্বলিত গীতৰ জৰিয়তে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি থকা ঐকান্তিক ভক্তি ভাব বৰগীতৰ মাজেৰে প্ৰকাশ কৰিছে। পৰম-পুৰুষ ভগৱান শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ অনুপম চিত্ৰ শংকৰদেৱ আৰু মাধৱদেৱে বৰগীতত চিত্ৰিত কৰিছে। বৰগীতৰ বিষয়বস্তু বিভিন্ন পুৰাণ, ৰামায়ণ, মহাভাৰতৰ পৰা গ্ৰহণ কৰিলেও ভগৱানৰ নাম-গুণ আৰু মহিমা প্ৰকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। লক্ষণীয় যে, বৰগীতসমূহৰ বেছিভাগতেই পৰমপুৰুষ শ্ৰীকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্বৰ প্ৰকাশ ঘটিছে। অৰ্থাৎ বৰগীতসমূহত এফালে যেনেকৈ শ্ৰীকৃষ্ণ জগতৰ ঈশ্বৰ পৰম পুৰুষ হিচাপে প্ৰকাশিত হৈছে, আনফালে ব্ৰজত কৰা শিশুলীলাসমূহে শ্ৰীকৃষ্ণৰ মানৱী লীলাও সুন্দৰভাৱে প্ৰকাশ কৰিছে।





বিষয়বস্তুৰ সংৰক্ষণশীলতা বা সংযম বৰগীতৰ প্ৰধান বৈশিষ্ট্য। পীতাম্বৰ কবিৰ গীত বা অন্য শ্ৰেণীৰ বৈষ্ণৱ সাহিত্যৰ ঐহিক ভাব বা চঞ্চল ভাবৰ প্ৰাধান্যৰ পৰা বৰগীতসমূহ মুক্ত। বৰগীতৰ বিষয়বস্তু বিভিন্ন পুৰাণ আৰু দুই এটি বৰগীতৰ বিষয়বস্তু ৰামায়ণৰ পৰা সংগ্ৰহ কৰিলেও তাত ৰাসক্ৰীড়া, শচী-সত্যভামাৰ কলহ বা কৃষ্ণ-ৰুক্মিণীৰ প্ৰেম-লীলাৰ নগ্নচিত্ৰ নাই, আছে বেদান্তৰ মৰ্ম সহজ-সৰল ভাষাত; তাত বাজি আছে আধ্যাত্মিক চিন্তা, ঐকান্তিক ভক্তিৰ গদ্ গদ্ সুৰত; আৰু আছে 'বিশ্বম্ভৰ ভগৱান স্বয়ং' শ্ৰীকৃষ্ণৰ বিশ্ব বিমোহন বাল্যৰূপৰ বিৱৰণ জকমকীয়া শব্দৰ আধাৰত। বৰগীতৰ বিষয়বস্তুক ছয়টা ভাগত ভগাব পাৰি। মহাপুৰুষ মাধৱদেৱৰদ্বাৰা ৰচিত গীতাখিনিক বিষয়বস্তু অনুসৰি ছটা ভাগত ভাগ কৰিব পাৰি -

| | |
|---|---|
| ১। লীলা-বিষয়ক, | ২। বিৰহ-বিষয়ক, |
| ৩। বিৰক্তি-বিষয়ক, | ৪। পৰমাৰ্থ-বিষয়ক, |
| ৫। চোৰ-বিষয়ক, | ৬। চাতুৰি-বিষয়ক। |

মাধৱদেৱৰ লীলা বিষয়ক গীতখিনিক চাৰিভাগত ভাগ কৰিব পাৰি - ১। জাগন, ২। চলন, ৩। খেলন, ৪। নৃত্য। বৰগীতসমূহত মহাপুৰুষ মাধৱদেৱে কৃষ্ণৰ মাতৃ যশোদা আৰু কৃষ্ণৰ চৰিত্ৰ অতি সজীৱ আৰু বাস্তৱ ৰূপত প্ৰকাশ কৰিছে। মন কৰিবলগীয়া যে বৰগীত সমূহত কৃষ্ণ চৰিত্ৰ অতি বাস্তৱ আৰু সজীৱ ৰূপত প্ৰকাশ হোৱাৰ উপৰিও কৃষ্ণ আৰু যশোদা চৰিত্ৰৰ মাজেদি মাতৃ আৰু শিশুৰ চৰিত্ৰ সাৰ্বজনীন ৰূপত ৰমণীয়ভাৱে বিকশিত হৈ উঠিছে। শিশু কৃষ্ণৰ লীলা-খেলাৰ মাজেৰে মাধৱদেৱে পৰম পুৰুষ ভগৱানৰ ঐশ্বৰিক মহিমাকেই প্ৰকাশ কৰিছে। শ্ৰীকৃষ্ণৰ অপৰূপ ৰূপৰ বৰ্ণনাই এই গীতসমূহক এক সুকীয়া কাব্যিক মাত্ৰা প্ৰদান কৰিছে।

**বৰগীতৰ ভাষা ঃ**

বৰগীতৰ ভাষা হৈছে ব্ৰজাৱলী ভাষা। মহাপুৰুষ মাধৱদেৱৰদ্বাৰা ৰচিত বৰগীতসমূহৰো ভাষা হৈছে ব্ৰজাৱলী। ব্ৰজবুলি বা ব্ৰজাৱলী হৈছে এটি কৃত্ৰিম সাহিত্যিক ভাষা। পুৰণি অসমীয়া আৰু ব্ৰজভাষাৰ সংমিশ্ৰণত ব্ৰজাৱলী ভাষা গঢ় লৈ উঠিছে। অৱশ্যে ইয়াত পশ্চিমা হিন্দীৰো দুই-এটি শব্দ আছে। মৈথেলী ভাষাই ব্ৰজবুলিৰ ভেঁটি। ব্ৰজবুলি হ'ল ব্ৰজধাম অৰ্থাৎ শ্ৰীকৃষ্ণৰ জন্মস্থানৰ ভাষা, যাক পৱিত্ৰ ভাষা হিচাপে বিবেচনা কৰা হয়। শংকৰদেৱ আৰু মাধৱদেৱৰ সময়ৰ কিছু আগৰ পৰাই উত্তৰ-পূব ভাৰতত বৈষ্ণৱ ভক্তি আন্দোলনৰ ঢৌ উঠিছিল। বিভিন্নজন ভক্ত কবিয়ে গীত-পদ ৰচনাৰ জৰিয়তে ভক্তিধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত মনোনিৱেশ কৰিছিল। এই সময়তে কৃষ্ণৰ জন্মস্থান ব্ৰজধামৰ ভাষাক ভেঁটি হিচাপে লৈ উত্তৰ-পূব ভাৰতৰ বিভিন্ন প্ৰান্তৰ সকলো ভাষা-ভাষী লোকৰ বোধগম্য হোৱাকৈ এক প্ৰকাৰ কৃত্ৰিম সাহিত্যিক ভাষা ভক্ত কবিসকলে সৃষ্টি কৰি লৈছিল। এই ভাষাকে ব্ৰজবুলি, ব্ৰজবোল আৰু অসমত সাধাৰণ কথাত ব্ৰজাৱলী ভাষা বুলি কোৱা হৈছে। প্ৰকৃতাৰ্থত শংকৰদেৱ-মাধৱদেৱৰ সময়ত এই ভাষাটোক ব্ৰজাৱলী নামকৰণ কৰা হোৱা নাছিল যেন অনুমান হয়। তদুপৰি মৈথেলি কবি বিদ্যাপতিয়ে ব্ৰজাৱলী ভাষাত ৰাধা-কৃষ্ণৰ মধুৰ পদাৱলী ৰচনা কৰে। সমগ্ৰ উত্তৰ-পূব ভাৰতত সমাদৃত এই শুৱলা ভাষাতে মহাপুৰুষ শংকৰদেৱে বৰগীত ৰচনা কৰি এক অতুলনীয় অৱদান থৈ গৈছে।

**বৰগীতৰ সংখ্যা ঃ**

বৰগীতৰ যি সীমাবদ্ধ পৱিত্ৰতা সেইফালৰ পৰা দেখা যায় শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। মহাপুৰুষ শংকৰদেৱে প্ৰথমতে বাৰকুৰি বৰগীত ৰচনা কৰাৰ কথা-গুৰুচৰিত পুথিত পোৱা যায়। কিন্তু দুৰ্ঘটনাক্ৰমে গীতখিনি পোৰাত মুঠতে ৩৪ টা গীতহে বৰ্তমান পোৱা যায়। মাধৱদেৱে মুঠতে কিমান বৰগীত ৰচনা কৰিছিল এই বিষয়ে পণ্ডিতসকলৰ মাজত কিছু মতানৈক্য দেখা যায়। পূৰ্ণচন্দ্ৰ গোস্বামী সম্পাদিত 'শ্ৰীশ্ৰী মাধৱদেৱৰ বাক্যামৃত'ত মাধৱদেৱৰ ১৬৮টা গীত ছপা হৈছে। শংকৰদেৱৰ নিৰ্দেশ শিৰোধাৰ্য কৰি মাধৱদেৱে ন-কুৰি এঘাৰটা বৰগীত ৰচনা কৰাৰ কথাচৰিত পুথিত পোৱা যায়। কিন্তু মাধৱদেৱৰ বৰগীত ১৯১ টাৰ সলনি ১৫৭ টাহে পোৱা গৈছে। দুয়োজনা গুৰুৰ মিলাই মুঠতে ১৯১ টা বৰগীত বৰ্তমান প্ৰচলিত। গতিকে চৰিত পুথিৰ উল্লেখ অনুসৰি মাধৱদেৱৰ বৰগীতৰ সংখ্যা ১৫৭ টা বুলি ধৰি ল'লে, বৰ্তমান তাৰে ১৪১ টা গীতহে পোৱা হৈছে। বাকী ১৬ টা হয়তো বৰ্তমানো উদ্ধাৰ হোৱা নাই, নতুবা সেই গীতকেইটা কালৰ গৰ্ভত জাহ গৈছে।

**বৰগীতৰ সুৰ ঃ**

বৰগীতৰ আন এটি বৈশিষ্ট্য হৈছে সুৰৰ প্ৰাধান্যতা। বিষয়বস্তু, উদ্দেশ্য আৰু সময় অনুসৰি বৰগীতসমূহত মহাপুৰুষ দুজনে

বিভিন্ন ৰাগ সংযোগ কৰি থৈ গৈছে। উল্লেখযোগ্য যে ৰাগ অনুসৰি বৰগীতসমূহ গোৱাৰ সময় নিৰ্দিষ্ট কৰি দিয়া হৈছে। কোনটো গীত কোন সময়ত পৰিৱেশন কৰিব, গীতত প্ৰয়োগ কৰা ৰাগসমূহৰ পৰাই তাক অনুমান কৰিব পাৰি। অৰ্থাৎ ৰাতিপুৱা পৰিৱেশন কৰিবলৈ অহিৰ, পূৰ্বী আদি ৰাগত ৰচিত গীতহে বাচি লোৱা হয়। তাৰ ঠাইত ভাটিয়ালী, আশোৱাৰী আদি ৰাগত ৰচিত গীত গোৱাটো ৰীতি বিৰুদ্ধ কথা। ড০ মহেশ্বৰ নেওগে বৰগীতক অসমৰ 'ক্লাছিকেল' বা উচ্চাংগ সংগীত বুলি উল্লেখ কৰিছে। মন কৰিবলগীয়া যে, এই গীতবোৰ ভক্তি সহকাৰে গোৱা হয়। একে ভাব আৰু একে আদৰ্শৰে ৰচিত হ'লেও ভক্তসকলে 'বৰ' বিশেষণেৰে শংকৰদেৱ-মাধৱদেৱ আৰু আন কবিৰ মাজত পাৰ্থক্য ৰাখিছিল।

**বৰগীত গোৱাৰ/ব্যৱহাৰৰ সীমাবদ্ধতা ঃ**

বৈষ্ণৱ ধৰ্মৰ মূল মন্ত্ৰ একেশ্বৰ ভগবান, অৰ্থাৎ বিষ্ণুৰ মহিমা প্ৰচাৰ আৰু আনন্দ-বিনোদনৰ কাৰণেই বৰগীতবোৰ গোৱা হয় যদিও চৈধ্য প্ৰসংগ বা বিভিন্ন সময়ত নিৰ্দিষ্ট ৰাগত গীতহে গোৱাৰ নিয়ম। পুৱাৰ প্ৰসংগৰ আৰম্ভণিতে বৰগীতত স্তুতি আৰু তাৰ পাছতহে ভটিমা, কীৰ্ত্তন আদি গোৱা হয়। এই ফালৰ পৰা বৰগীতক 'প্ৰাৰ্থনা-সংগীত' বুলিব পাৰি। দিনটোৰ কোন ভাগত কি ৰাগৰ গীত গাব লাগে তাৰ ধৰা-বন্ধা নিয়ম আছে। অন্য ভাৰতীয় সংগীত পৰম্পৰাৰ লগত এই নিয়মসমূহ নিমিলে। বৰগীতৰ পৰম্পৰাগত প্ৰচলিত নিয়ম এনে ধৰণৰ -

(ক) পুৱাৰ ৰাগ ঃ অহিৰ, শ্যাম, কৌ, ললিত, কল্যাণ, পূৰ্বী আদি।

(খ) দুপৰৰ পৰা তিনি পৰলৈকে ঃ গৌড়ী, ভাটিয়ালী, বসন্ত, গান্ধাৰ, ধনশ্ৰী, শ্ৰী, বৰাড়ী, মাহুৰ আদি।

(গ) সন্ধ্যা গোৱা ৰাগ ঃ আশোৱাৰী, বেলোৱাৰ, মাৰেং, চালঙ্গী আদি।

(ঘ) ৰাতিপ্ৰথম ভাগৰ ঃ সুহাই, সিন্ধুৰা, কানাড়া, মল্লাৰ আদি।

(ঙ) ৰাতিৰ দ্বিতীয় ভাগৰ ঃ মধ্যালী, ভুপালী, কামোদ আদি।

মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱৰদ্বাৰা ৰচিত এই পৱিত্ৰ গীতখিনিক 'বৰগীত' আখ্যা দিয়াৰ মূলতে তিনিটা কথা জড়িত হৈ আছে। প্ৰত্ন-তাত্ত্বিক ৰাজমোহন নাথ, কালিৰাম মেধি, দেৱেন্দ্ৰ নাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, ড০ বাণীকান্ত কাকতি, ড০ মহেশ্বৰ নেওগ প্ৰমুখ্যে পণ্ডিতসকলে আগবঢ়োৱা অভিমতৰ পৰা সেই তিনিটা কথা স্পষ্ট হৈ পৰিছে। প্ৰথমটো হ'ল গুৰুজনাৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আৰু ভক্তিৰে শিষ্য বা ভক্তসকলে শংকৰদেৱ আৰু মাধৱদেৱৰ গীতৰ এটা পুঞ্জ 'বৰগীত' নামেৰে আন গীততকৈ উচ্চ বা শ্ৰেষ্ঠ বুলি পৃথককৈ ৰাখিছে। দ্বিতীয়তে, বৰগীতৰ গুৰু-গম্ভীৰ ধৰ্মীয় বিষয়বস্তু আৰু অতুলনীয় সাহিত্যিক গুণে গীতবোৰক সুকীয়া মৰ্যাদা দান কৰিছে। তৃতীয়তে, ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ আধাৰত সুৰ আৰু ৰাগ সংযোজনাইয়ো বৰগীতক বিশেষ মৰ্যাদা দান কৰিছে। এই তিনিটা উপাদানৰ যিকোনো এটাৰ অভাৱ হ'লেও তেনে গীতে বৰগীতৰ আসন পাব নোৱাৰে। বৰগীতৰ আন এটা বৈশিষ্ট্য হৈছে এই গীতবোৰ অসমীয়া ব্ৰজাৱলী ভাষাত ৰচিত হৈছে, - যিটো ভাষা আচলতে কোনো নিৰ্দিষ্ট ঠাইত কথিত বা লিখিত ভাষা নাছিল। এই ভাষা পাৰম্পৰিক ভাব বিনিময় আৰু সম্ভাৱ বৃদ্ধিৰ কাৰণে বিভিন্ন অঞ্চলত বৈষ্ণৱ ভক্তসকলে নিজে নিজে ভাষাৰ বৈশিষ্ট্য ৰক্ষা কৰি গঢ়ি লোৱা এটি উমৈহতীয়া কৃত্ৰিম ভাষা। অসমত শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেই অসমীয়া ব্ৰজাৱলী ভাষাৰ সৃষ্টি আৰু প্ৰচলন কৰিছিল। মন কৰিবলগীয়া যে কেৱল গীত আৰু নাটসমূহতহে তেওঁলোকে এই ভাষা ব্যৱহাৰ কৰিছিল।

বৰগীতৰ সাংগীতিক ৰূপ সম্পৰ্কে ড০ মহেশ্বৰ নেওগ, প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ ফুকন, প্ৰয়াত পুৰুষোত্তম দাস, ড০ বীৰেন্দ্ৰ নাথ দত্ত আৰু বাপচন্দ্ৰ মহন্ত আদিয়ে কিছু আলোচনা কৰিছে। বিষয়বস্তু আৰু ধৰ্মীয় সংস্কাৰৰ ফালৰ পৰা বৰগীত উত্তৰ আৰু পশ্চিম ভাৰতত শংকৰদেৱৰ পূৰ্বৱেপৰা বা সমসাময়িকভাৱে প্ৰচলিত 'ভজন' নামেৰে খ্যাত ভক্তিমূলক গীতৰ সমজাতীয়। বিদ্যাপতি, কবীৰ, সুৰদাস, মীৰাবাঈ আদি ভক্ত কবিসকলৰ ভজনসমূহে উত্তৰ-পশ্চিম ভাৰতত পঞ্চদশ-ষোড়শ শতিকাৰ পৰা জনসাধাৰণৰ মাজত ধৰ্মীয় গীত হিচাপে সমাদৰ লাভ কৰিছিল। সকলো বৰগীততে ৰাগ নিৰ্দিষ্ট কৰি দিয়া বাবে ড০ মহেশ্বৰ নেওগে 'বৰগীত' অসমৰ 'ক্লাছিকেল' বা 'ধ্ৰুপদী' সংগীত বুলি তেওঁ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থত উল্লেখ কৰিছে।

সহায়ক গ্ৰন্থ ঃ
১। উপেন্দ্ৰনাথ গোস্বামী ঃ বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকথা
২। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
৩। সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
৪। বাপচন্দ্ৰ মহন্ত ঃ বৰগীত।
৫। হেমন্ত কুমাৰ শৰ্মা ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত।

বিঃদ্ৰঃ প্ৰবন্ধটো লিখাৰ ক্ষেত্ৰত তত্ত্বাৱধায়ক ছাৰৰ পৰা বিশেষ সহায় লোৱা হৈছে। ■



প্ৰবন্ধ



# গোৱালপৰীয়া মৈষালী গীতত নাৰীকেন্দ্ৰিক প্ৰেম-বিৰহৰ ছবি

বৰষা দাস
প্ৰথম ষাণ্মাসিক (কলা)

সৌন্দৰ্য পিয়াসী মানৱ মনৰ আত্মপ্ৰকাশৰ অনিৰ্বাণ ইচ্ছা জন্মলগ্নৰেপৰা নিহিত হৈ থাকে। বাহ্যিক জগতৰ সৌন্দৰ্য দৰ্শনত মানৱ অন্তৰত উদ্বেলিত হয় আভ্যন্তৰীণ জগতৰ সুখ-দুখবোৰ। এই সুখ-দুখবোৰৰ উদ্বেলিত পৰ্যায়েই হৈছে অনুভূতি। মানুহৰ অনুভূতিৰ কিছুমান সূক্ষ্ম স্পন্দনে চিৰকাল আত্মপ্ৰকাশৰ বাবে ভিক্ষা কৰি আহিছে। এই আত্মপ্ৰকাশৰ দাবীতেই জন্ম হয় ভাষাৰ, কাব্যৰ তথা লোকগীতৰ। লোকগীতসমূহ কৃষিজীৱী চহা প্ৰাণৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। মানৱ অন্তৰৰ সুখ-দুখ, আশা-নিৰাশা, হৰ্ষ-বিষাদ আদি চিৰন্তন অনুভূতিসমূহ লোকগীতত প্ৰকাশ পায়। লোক-সংস্কৃতিৰ বিস্তৃত ক্ষেত্ৰখনত লোক-সাহিত্যৰ এটা অবিচ্ছেদ্য অংগ হিচাপে অসমীয়া লোক-সংস্কৃতিলৈ লোক-গীতসমূহে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। কাৰণ মানৱ সমাজক কেন্দ্ৰ কৰিয়েই সাংস্কৃতিক জীৱনধাৰাৰ বহিঃপ্ৰকাশ ঘটে। বিভিন্ন লোকগীতবোৰেই সংস্কৃতিৰ অনবদ্য সাক্ষ্য বহন কৰি আহিছে। গোৱালপৰীয়া লোক-সংস্কৃতিৰ ভঁৰালটো গোৱালপৰীয়া বাৰে-বৰণীয়া লোকগীতবোৰে চহকী কৰি ৰাখিছে। গোৱালপৰীয়া লোক সাহিত্যৰ এটি ধাৰা 'মৈষালী গীত' গোৱালপাৰা জিলাৰ নিজস্ব সম্পদ। এই মৈষালী গীতবোৰ ভাবে-সুৰে অনিৰ্বচনীয়। এই গীতত আছে প্ৰেম-প্ৰীতিৰ বিচ্ছেদ-বিৰহৰ, সুখ-দুখৰ মিশ্ৰিত অনুভূতিৰ

এক আবেদন। এই গীতসমূহ সহজ-সৰল অনাখৰী লোকৰ স্বতঃস্ফূৰ্ত প্ৰকাশ কাৰণে গীতবোৰৰ বিষয়বস্তু তথা ৰচনাৰীতিও সহজ-সৰল আৰু সহজে বোধগম্য। সেয়ে, অতুল বৰুৱাই তেখেতৰ 'অসমীয়া লোকসাহিত্য' নামৰ গ্ৰন্থত উল্লেখ কৰিছে, এইদৰে - "নীতি-নিয়মৰ নিকপকপীয়া বান্ধোনত এই গীতবোৰ বাঢ়িব নোৱাৰে।" স্বাভাৱিকতে মুক্ত পৰিৱেশৰ মাজত, মুকলিমূৰীয়া ভাবত, ভিতৰুৱা ঠাইবোৰত এনে গীত-পদৰ সৃষ্টিৰ বাবে অনুকূল পৰিৱেশ বিৰাজিত হেতুকে সেইবোৰ ঠাই এনে গীত-পদৰ কঠিয়া-তলি।

অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলৰ সেউজীয়া বননিৰ কোলাত, পাহাৰ-পৰ্বতৰ পাদ দেশৰ শ্যামল ভূমিত, নদ-নদীৰ পাৰ বা চাপৰি আৰু বিস্তীৰ্ণ বনাঞ্চলবোৰ আছিল গৰু-ম'হৰ উপযোগী বিচৰণক্ষেত্ৰ। সেয়ে এই অঞ্চলবোৰত গঢ়ি উঠিছিল গৰু-ম'হৰ বাথান। যি সকল লোকে মাহৰ পিছত মাহ ধৰি অতি কষ্ট সহ্য কৰি ম'হ ৰখীয়াৰ কাম কৰিছিল, সেইসকলক মৈষাল বোলা হয়। এই মৈষালসকলে কৰ্তব্যৰ খাতিৰতে ল'ৰা-তিৰোতা, মাক-বাপেক সকলোকে ঘৰত এৰি থৈ আহিবলগীয়া হয়। এই সন্ধিক্ষণত মৈষালৰ জীৱন আৰু বাথানক কেন্দ্ৰ কৰি মৈষাল বিৰহিণী প্ৰিয়াই গাইছে -

"মইষ চৰাণ মইষাল বন্ধুৰে -
বন্ধু কোনতা চৰেৰ মাঝে,
এলা কেনে ঘান্টিত বাজন
না শোনং মুই কানে মইষালৰে..।
আদিয়া আদিয়া যান মোৰ মইষালৰে;
মইষাল দোতৰা বাজেয়া,
কোনবা কাথায় হইচে গোসা
না দেলেন ফিৰিয়া মইষালৰে।"
(আদিয়া- সেইফালেদি, গোসা-খং)

প্ৰিয়তমৰ যাত্ৰাৰ আগমুহূৰ্তত বিচ্ছেদ কাতৰা অভাগিনী নাৰীৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ হৈ শূন্য হৈ পৰিছে। সেয়ে বিৰহিণী মৈষাল পত্নীৰ হৃদয় বিদাৰি ওলাই আহিছে কৰুণ ৰসসিক্ত এই গীতটি -

"ভাৰা বান্ধিলেন বিছিনা বান্ধিলেন
মইষাল বান্ধিলেন ভাতেৰ হাড়ি
এলাসে জানিলং মইষাল
আমাক যাইবেন ছাৰি মইষাল ৰে।"

ইয়াৰ লগে লগে তাইৰ অন্তৰত সংশয় উপজিছে; জানোচা কোনোবা ছলনাময়ী গোৱালপৰীয়া নাৰীয়ে প্ৰিয়তমক তাইৰ সান্নিধ্যৰপৰা আঁতৰাই নিয়ে; নাইবা সৰ্বনাশ কৰে। সেয়ে প্ৰিয়তমক সাৱধানে চলিবলৈ তাই উপদেশ দিছে, এইদৰে -

"ধিকো ধিকো ধিকো মইযাল ৰে
ও মৈষাল ধিকো গাবুৰালী
এহেন যুৱতী নাৰী
কেমনে যাইবেন ছাড়ি মইষাল ৰে
ও মৈষাল নাযান গোৱালপাৰা
গোৱালপাৰাৰ চেংৰী গুলায়
জানে ধুলা পোৰা মৈষাল ৰে।"

নৱ-বিবাহিতা পত্নীক ঘৰত এৰি থৈ গৈ মৈষালসকলে বছৰ বছৰ ধৰি বাথানৰপৰা ঘৰলৈ উভতি নাহে। কঠোৰ পৰিশ্ৰমৰ বিনিময়ত মৈষালসকলে অতি কম টকা পায় কাৰণে তেওঁলোকৰ গৃহিণীসকলে মনৰ দুখত বাথান এৰি গুচি আহিবলৈ কয় এইদৰে —

"বাথান ছাৰো বাথান ছাৰো ৰে
মৈষাল ঘুৰিয়া আইসো বাৰী
গলাৰ হাৰ বেচেয়া দিম মুই
ঐ চাকৰিৰ কড়ি মৈষাল ৰে।"

এফালে ঘৰত এৰি থৈ অহা যুৱতী পত্নীৰ প্ৰিয় বিৰহৰ জ্বালাত মন-প্ৰাণ ভাগি পৰে। প্ৰিয়জনৰ সান্নিধ্যৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি ভাগৰি পৰে। নিজৰ যৌৱন অথলে যোৱাৰ শোকত বিৰহিণী নাৰীয়ে কান্দি কান্দি গায় —

"ছোট কালে হৈছে বিয়া ৰে
মৈষাল বয়স ভাটি গেলো
না হইলং ছাওৱাৰ মাওৰে
মোৰ মনে ৰইলো দুখ মৈষাল ৰে।"

মৈষালী গীতবোৰ লোকগীতৰে এটা অবিচ্ছেদ্য অংগ। লোকগীতসমূহ চহা-প্ৰাণৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। সেয়ে মৈষালী গীতবোৰৰ মাজেৰে স্বতঃস্ফূৰ্তভাৱেই প্ৰকাশ পাইছে মৈষালসকলৰ বিৰহিণী পত্নীসকলৰ বিৰহ-বিচ্ছেদৰ কৰুণ আৰ্তনাদ। বিৰহিণী নাৰী হৃদয়ৰ নানা চিন্তা, ভাব-অনুভূতি, দুখ-শোক, উৎকণ্ঠা, উদ্বিগ্নতা, খেদ-বিলাপ, বিৰহ-বিচ্ছেদ আদি বিবিধ বৰ্ণনাৰে মুখৰ হৈ আছে মৈষালী গীতসমূহ। অতি মৰ্মস্পৰ্শীভাৱে নাৰী হৃদয়ৰ বাৰ্তা প্ৰকাশ পাইছে এই মৈষালী গীতসমূহত —

"মৈষাল সাথে কৰিয়া পিৰীতি
কি মোৰ জ্বালা হৈলেৰে
ৰাৰ নাকাঢ়ে মৈষাল মনেৰ বৈৰাগে
মই মনেৰ দুখ কই কাৰ আগে।"

পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব পালনৰ খাতিৰতে মৈষালসকলে মাহৰ পিছত মাহ ধৰি বাথানত থাকি ৰ'দ-বতাহ-বৰষুণ আদি প্ৰাকৃতিক দুৰ্যোগবোৰ নেওচি কষ্টময় জীৱন কটাবলগীয়া হয়। ইফালে প্ৰিয়তমৰ বিচ্ছেদ বেদনাত শোকাকুল হৈ বিৰহিণী নাৰীয়ে বাৰীৰ পাছত থকা শিমলু গছৰ ছাঁত বৈ অধীৰ অপেক্ষাত কাল কটায়; তাৰ বৰ্ণনা মৈষালী গীতত আছে এনেদৰে —

"বাৰীৰ পাছিলা ঘাটে আছেৰে
শিমিলা গাছেৰ ছায়া
অ'ৰে তলত থাকিম বসি
মৈষালক লাগিয়া।"

মৈষালী গীতত বৰ্ণিত হৈছে মৈষালসকলৰ যাযাবৰী জীৱনৰ অপৰিসীম কষ্টৰ কথা। অতি কম ধনৰ বিনিময়তে তেওঁলোকে নানা কষ্টৰ মাজেৰে ম'হ চৰাই, ম'হ পালন কৰে। তেওঁলোকে অঘৰী জীৱন-যাপন কৰি জীৱন সংগ্ৰামত অৱতীৰ্ণ হয়। তাকে কৰিবলৈ যাওঁতে বনে-জংঘলে ঘূৰি ফুৰোঁতে নানা হিংস্ৰ জন্তুবোৰ সন্মুখীন হ'বলগীয়া হয়। আনহাতে মৈষালসকলৰ বিপদসংকুল অঘৰী জীৱনৰ কষ্টৰ কথা আৰু সম্ভাব্য বিপদৰ আশংকাত সিহঁতৰ প্ৰতি অনুৰক্তা নাৰী মনে দুশ্চিন্তাত হাহাকাৰ কৰি উঠাত গীতৰ মাজেৰে নিগৰি ওলাই আহে সেই বিষাদপূৰ্ণ অনুভূতি -

"মৈষ চৰাইতে যায় ৰে মৈষাল
হাতে নিয়া দৰি
অৰণ্যে মৰিবি মৈষাল
কান্দে তোৰ নাৰী।"

আকৌ কেতিয়াবা গাইছে -

"আৰে অ' মৈষাল
মৈষাল দফাদাৰ ভাই
ধৰিছেন ধৰিছেন মৈষেৰ বাথান
ঘাট ছাৰিয়া ঘাটে মৈষাল ৰে।"

আপোনজনৰ তিলমাত্ৰ অনিষ্ট হোৱা কোনো নাৰীয়ে সহজে মানি ল'ব নোৱাৰে। প্ৰিয়জনৰ মঙ্গলৰ কাৰণে সকলো নাৰীয়ে যি কোনো প্ৰতিকূল পৰিস্থিতিৰ মুখা-মুখী হ'বলৈ সদা প্ৰস্তুত হৈ থাকে। মৈষালসকলে ম'হ চৰাওঁতে ৰ'দ-বতাহ বৰষুণৰ পৰা অলপ অব্যাহতি পাওঁক বুলি ভাবি যদি কেতিয়াবা ছাতি এটা পঠিয়াই ওচৰ-চুবুৰীয়াৰপৰা অকথ্য শুনিবলগীয়া হ'লেও তাৰ বাবে দুখ নকৰে —

"মুই নাৰী পঠাং ছাতা
মৈষাল বন্ধুৰে লাগিয়া
বাপ মাৰে পাৰে গালি
মৈষাল ভাতাৰী বলিয়া।"

ক্ষণভঙ্গুৰ মানৱ জীৱনৰ কথা-চিন্তা কৰি মৈষালৰ বিৰহিণী পত্নীয়ে অনিশ্চিত ভৱিষ্যতক লৈ শংকিত হৈ পৰিছে, স্বামীৰ দুৰ্যোগপূৰ্ণ জীৱনত অকালতে কেতিয়াবা কিবা অঘটন হৈ যোৱাৰ আশংকাত বিৰহিণী পত্নীৰ মন ভাৱাক্ৰান্ত হৈ পৰিছে। সেয়ে বিলাপৰ সুৰত অন্তৰ ভেদি ওলাই আহিছে, এইদৰে -

"অ' মৈষাল ৰে দুধ খুৱাইলেন সেৰে সেৰে
অ' মৈষাল দুধ খুৱাইলেন হাড়ি
তুই মৈষাল মাৰিয়া গেলে
হ'ব আমি বাঁৰী মৈষাল ৰে।"

প্ৰিয়তনক নিজ হাতেৰে যত্ন কৰি এমুঠি খুৱাই পৰম তৃপ্তি লাভ কৰিব পাৰি। সেয়ে প্ৰিয়তমক উদ্দেশ্যি প্ৰেয়সীয়ে মৈষাল গীতত কৈছে, এইদৰে —

"আমাৰ বাড়ীত যাইস মৈষাল ৰে
বসতে দিব পীৰা
খাইতে দিব পাণ সুপাৰী
শালি ধানেৰ চিৰা।"

বাথানত থাকি ম'হ চৰাওঁতে মৈষালসকলে যথেষ্ট শাৰীৰিক কষ্ট কৰিব লাগে। কেতিয়াবা নল-খাগৰি আদিৰ মাজে মাজে ম'হ চৰাই ফুৰোঁতে প্ৰিয়জনে পোৱা শাৰীৰিক আঘাতৰ কথা চিন্তা কৰি বিৰহিণী পত্নীৰ মনে হাহাকাৰ কৰি উঠে —

"ওৰে ভইষ চড়ান মোৰ মইযাল বন্ধুৰে
মইষাল ঐনা চৰৰ মাঝে
ওৰে নলবাড়ী খাগৰাৰ ডাঙে
বুকেৰ ছাল যাবে মইষাল ৰে।"

মৈষালী গীতবোৰত বিৰহিণী নাৰীৰ হৃদয়ৰ বেদনাই বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে। বিচ্ছেদ কাতৰা বিৰহিণী নাৰীৰ স্বামী বহু দিন, বহু মাহ, বহু বছৰ ধৰি গোৱালপাৰাৰ

ম'হৰ বাথানত অতিবাহিত কৰিবলগীয়া হোৱাত ঘৰত থকা মৈষাল পত্নীৰ প্ৰেম আৰু বিৰহৰ বেজাৰত হৃদয় চূৰ্ণ-বিচূৰ্ণ হৈ পৰাৰ ছবি মৈষাল গীতবোৰত অতি কৰুণভাৱে প্ৰকাশ পাইছে। আধুনিক যুগৰ যান্ত্ৰিকতাৰ কবলত পৰি আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰবল প্ৰভাৱত এই লোকগীতবোৰ প্ৰায় হেৰাই যোৱাৰ উপক্ৰম হৈছে যদিও এই গীতবোৰৰ এক চিৰন্তন আবেদন আজিও অক্ষত ৰূপত আছে। সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো এই গীতবোৰৰ মূল্য অপৰিসীম; কিয়নো এইবোৰৰ মাজতে আমি বিচাৰি পাওঁ চহাপ্ৰাণৰ সহজ-সৰল বিচিত্ৰ বাৰ্তা। মুঠতে মৈষালী গীতবোৰত নাৰীকেন্দ্ৰিক প্ৰেম আৰু বিৰহৰ সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা পৰিলক্ষিত হৈছে।■

সহায়ক গ্ৰন্থপঞ্জী ঃ

১) অতুল বৰুৱা ঃ অসমীয়া লোক-সাহিত্য।
২) দ্বীজেন নাথ (সম্পাদক) ঃ গোৱালপৰীয়া লোক গীত।
৩) দ্বীজেন নাথ ঃ গোৱালপৰীয়া লোক-সংস্কৃতি।
৪) ধীৰেন দাস ঃ ও মোৰ হায় হস্তীৰ কন্যা ৰে।
৫) প্ৰফুল্ল দত্ত গোস্বামী ঃ অসমীয়া জন-সাহিত্য।
৬) প্ৰফুল্ল দত্ত গোস্বামী ঃ বাৰ মাহৰ তেৰ গীত।
৭) যোগেন শৰ্মা ঃ সুললিত লোক-সংগীত।

।।শ্বায়েৰী।।

জীন্দেগী ৰহে তো হাসতে ৰহনা,
মকছুত হ্যায় তো কোশিস কৰণা,
অগৰ জীন্দেগী মে না কৰে কই ভুল।
তো জীন্দেগী বনজায়েগী তোমহাৰী,
খিলতা হুৱা এক ফুল।।

- জীৱন থকালৈকে হাঁহি থাকিবা,
উদ্দেশ্য থাকে মানে চেষ্টা কৰিবা.
যদি জীৱনত কোনো ভুল নকৰা
তেন্তে তোমাৰ জীৱনটো হ'ব এপাহী ফুলৰ দৰে।



জীৱনী



# ভাৰত শ্ৰেষ্ঠ পোহৰ বিজ্ঞানী

# চন্দ্ৰ শেখৰ ভেঙ্কটৰমণ

তাচৰিণ ইছলাম
তৃতীয় ষাণ্মাসিক (কলা)

বিজ্ঞান এখন বিশাল মহাসমুদ্ৰৰ দৰে। এই বিশাল মহাসমুদ্ৰৰ তলিৰপৰা আপুৰুগীয়া মুকুতা বুটলি যিসকল মহান বিজ্ঞানী সকলোৰে পৰিচিত তেওঁলোকৰ ভিতৰত ছাৰ চন্দ্ৰশেখৰ ভেংকটৰমণ অন্যতম। ভাৰত মাতাৰ এইজন যোগ্য সন্তানে নিজৰ অসীম বৈজ্ঞানিক প্ৰতিভাৰ জৰিয়তে ভাৰতবৰ্ষলৈ পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বঁটা 'নবেল বঁটা' কঢ়িয়াই আনিছিল আৰু সেয়ে মৃত্যুৰ পিছতো ভাৰতৰ সকলো বিজ্ঞান-প্ৰেমীৰ অন্তৰত বিৰাজমান হৈ আছে।

বিশ্বৰ অন্যতম পদাৰ্থ বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকটৰমণৰ ১৮৮৮ চনৰ ৭ নৱেম্বৰত তামিলনাডুৰ তিৰুচিৰাপল্লীত জন্ম হৈছিল। তেওঁৰ দেউতাক চন্দ্ৰশেখৰ আয়াৰ বিশাখাপট্টনম এ. ভি. এন কলেজৰ গণিত আৰু পদাৰ্থ বিজ্ঞানৰ অধ্যাপক আছিল। তেওঁৰ মাতৃ পাৰ্বতী অম্মল এগৰাকী সু-গৃহিণী আছিল। তেওঁ চন্দ্ৰশেখৰৰ চাৰিত্ৰিক উন্নতিত যথেষ্ট অৰিহণা যোগাইছিল। চন্দ্ৰশেখৰে মাত্ৰ বাৰ বছৰ বয়সতে প্ৰৱেশিকা পৰীক্ষাত সমগ্ৰ অঞ্চলৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল। তাৰ পিছত তেওঁ এফ. এ. পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়। ইয়াৰ পিছতে বি.এছ.চি. মহলাত নাম লগায়। এই সময়ত তেওঁ পদাৰ্থ বিজ্ঞানত নানা জ্ঞান আহৰণ কৰি বি. এছ. চি. পৰীক্ষাত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেওঁ এম. এছ. চি. পৰীক্ষা দি মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ভিতৰত পদাৰ্থবিজ্ঞানত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। এই সময়ত তেওঁৰ কেইটামান বিজ্ঞান বিষয়ক প্ৰবন্ধ লণ্ডনৰ ফিল'ছফিকেল মেগাজিনত প্ৰকাশ পাইছিল।

এম. এছ. চি. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ক্ষীণদেহী ৰমণে পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ বাবে বিলাতলৈ যোৱাৰ ইচ্ছা কৰিছিল। কিন্তু মাদ্ৰাজৰ চিভিল চাৰ্জনে ৰমণৰ দেহে বিলাতৰ জলবায়ু সহ্য কৰিব নোৱাৰিব বুলি কোৱাত তেওঁ হতাশ হৈছিল। তেওঁৰ পিতৃয়ে তেওঁক উচ্চ পৰ্যায়ৰ চাকৰিৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষা দিবলৈ কৈছিল। পিতাকৰ উপদেশ মানি তেওঁ বিত্তীয় বিভাগীয় প্ৰতিযোগিতামূলক পৰীক্ষা দি প্ৰথম হৈ কলিকতাত ভাৰত চৰকাৰৰ বিত্তীয় বিভাগৰ সহকাৰী একাউন্টেন্ট জেনেৰেলৰ পদত নিয়োজিত হয়। কলিকতাত তেওঁ 'ইণ্ডিয়ান এচোচিয়েছন ফৰ কাল্টিভেছন অব ছাইন্স' নামৰ বিজ্ঞানৰ অনুষ্ঠান এটাত যোগদান কৰি নিয়মীয়াকৈ গৱেষণা চলাবলৈ ধৰে। কিন্তু তেওঁক বেংগললৈ বদলি কৰা হয়। তাত থাকোঁতে তেওঁৰ পিতৃৰ বিয়োগ ঘটে। তেওঁ দুমাহৰ বাবে ছুটি লয় আৰু পিতৃৰ প্ৰেতকৰ্ম সমাপ্ত কৰি ছুটীৰ দিনকেইটা মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত গৱেষণা কৰি কটায়। তাৰ পিছত তেওঁক নাগপুৰলৈ বদলি কৰা হয়। নাগপুৰত ভীষণ প্লেগ বেমাৰ হোৱাত তেওঁক পুনৰ কলিকতালৈ বদলি কৰা হয়। সেই সময়ত কলিকতাত নতুনকৈ স্থাপন কৰা বিজ্ঞান কলেজত অধ্যাপনা কৰে আৰু চৰকাৰী চাকৰি ইস্তফা দিয়ে। তাৰ পিছত তেওঁ কলিকতা বিশ্ববিদ্যালয়ত পালিত অধ্যাপকৰ পদ গ্ৰহণ কৰে। ১৯২১ চনত অনুষ্ঠিত হোৱা বৃটিছ ৰাষ্ট্ৰমণ্ডলৰ অধ্যাপকসকলৰ এখন সন্মিলনত তেওঁ বহুতো আগশাৰীৰ বিজ্ঞানীক লগ পায়। ১৯২১ চনত বিলাত যাত্ৰা কৰোঁতে ভূমধ্য সাগৰৰ এঠাইত পানীৰ অত্যন্ত নীলা ৰং দেখি তাৰ কাৰণ উলিয়াবলৈ নানা পৰীক্ষা-নিৰীক্ষা কৰে। এই সময়ত লৰ্ড ৰেলে নামৰ এজন বিজ্ঞানীয়ে আকাশৰ নীলা ৰঙৰ প্ৰতিফলনৰ বাবে সাগৰৰ পানীৰ ৰং নীলা দেখা যায় বুলি মন্তব্য দিয়ে। কিন্তু ৰমণে এই মন্তব্যত খুঁত উলিয়াই প্ৰকৃত সত্য জগতত প্ৰমাণ কৰে। ইয়াৰ পিছত তেওঁ পোহৰৰ বিচ্ছুৰণ সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা কৰি প্ৰবন্ধ লিখি লণ্ডনৰ এখন মেগাজিনত প্ৰকাশ কৰে। আন বিজ্ঞানীসকলে ইয়াক 'ৰমণ এফেক্ট' নাম দিয়ে। ইয়াৰ বাবে ১৯৩০ চনত ৰমণলৈ পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হয়। ১৯৪৯ চনত তেওঁ নিজাববীয়াকৈ 'ৰমণ ৰিচাৰ্চ' ইনষ্টিটিউট' গঠন কৰি গৱেষণা কৰে।

ৰমণে নবেল বঁটাৰ উপৰিও ১৯৫৭ চনত ৰাছিয়াৰ পৰা লেনিন বঁটা পাইছিল। তেওঁ ভাৰত চৰকাৰৰ পৰা 'ছাৰ' উপাধি, ভাৰতৰত্ন আৰু জাতীয় অধ্যাপকৰ সন্মান লাভ কৰিছিল। বৃটিছ চৰকাৰে তেওঁক 'নাইট' উপাধিৰে বিভূষিত কৰিছিল। ১৯৭০ চনৰ ২০ নৱেম্বৰত ৮২ বছৰ বয়সত গৱেষণাগাৰতেই হৃদক্ৰিয়া বন্ধ হৈ এইজনা ভাৰত মাতাৰ সু-সন্তানৰ দেহৰ অৱসান ঘটে। তেওঁ প্ৰকৃততে এজন মহান পদাৰ্থবিদ আছিল। তেওঁ আজি এই জগতত নাই, কিন্তু তেওঁৰ আৱিষ্কাৰসমূহে তেওঁক অমৰ কৰি ৰাখিছে। তেওঁ এতিয়া সমগ্ৰ বিজ্ঞানপ্ৰেমীৰ অন্তৰত বিৰাজমান হৈ আছে।

**ৰমণৰ জীৱন-পৰিক্ৰমা ঃ**

★ ১৮৮৮ চনৰ ৭ নৱেম্বৰ তাৰিখে বৰ্তমানৰ তামিলনাডুৰ তিৰুচিৰাপল্লীত ৰমণৰ জন্ম হয়।

★ ১৯০০ চনত বিশাখাপট্টনমৰ হিন্দু হাইস্কুলৰ পৰা প্ৰথম হৈ তেওঁ মেট্ৰিক উত্তীৰ্ণ হয়।

★ প্ৰতিযোগিতামূলক পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হোৱা ৰমণে ১৯০৭ চনত মাত্ৰ ১৮ বছৰ ৭ মাহ বয়সতে কলিকতাত ইণ্ডিয়ান ফাইনেন্স ডিপাৰ্টমেন্টৰ চাকৰিত সোমায়।

★ ১৯০৬ চনত এম. এছ. চি. ৰ ছাত্ৰ হৈ থাকোঁতেই ১৭ বছৰীয়া ৰমণে ইংলেণ্ডৰ ফিলোছফিকেল মেগাজিনত তেওঁৰ পদাৰ্থ বিজ্ঞানৰ প্ৰথম গৱেষণা প্ৰ-পত্ৰখন প্ৰকাশ পায়।

★ ১৯২৪ চনত তেওঁ লণ্ডনৰ ৰয়েল ছ'ছাইটিৰ ফেলো নিৰ্বাচিত হয়।

★ ১৯২৯ চনত সম্ৰাট পঞ্চম জৰ্জে তেওঁক 'নাইট' উপাধি প্ৰদান কৰে।

★ ১৯৩৩ চনত বাঙ্গালোৰৰ ইণ্ডিয়ান ইন্সটিটিউট অব্ ছাইন্সৰ প্ৰথম সঞ্চালক নিযুক্ত হয়।

★ ১৯৪৯ চনত ৬১ বছৰ বয়সত ৰমণে তেওঁ নিজেই প্ৰতিষ্ঠা কৰা *'Raman Research Institute'* অৰ সঞ্চালকৰ দায়িত্ব লয়।

★ ১৯৫৪ চনত তেওঁ দেশৰ সৰ্বশ্ৰেষ্ঠ উপাধি বা সন্মান 'ভাৰত ৰত্ন' লাভ কৰে। ■



গল্প



# কুহক্

ড° যুগব্ৰত দাস
সহকাৰী অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ

আজি বহুদিনৰ পিছত চুলিকোছা মোকলাই কঁকাললৈ বোৱাই লোৱাৰ বাবে পৰীজনীক সঁচাকৈয়ে অপেস্বৰীৰ দৰে লাগিছে। আচলতে যোৱা কেইবাটাও বছৰ তাইৰ নিজৰ মুখখনকে চাবলৈ আহৰি পোৱা নাই। গতানুগতিক ব্যস্ততাৰে দিন- ৰাতি পাৰ কৰা পৰী আজি নিজক বিচৰাৰ সন্ধানত নামিছে; সেয়ে চাগৈ নিজৰ মুখখনক ভালদৰে চাইছে ....।

এটা যৌথ পৰিয়ালৰ একমাত্ৰ কন্যা সন্তান পৰী। পৰীৰ আগমনে পৰীৰ দেউতাক অমৰজ্যোতি ৰায়চৌধুৰীৰ পৰিয়ালটোক সম্পূৰ্ণ কৰি তুলিলে। পৰী কেৱল ৰায়চৌধুৰী পৰিয়ালৰে নয়নৰ মণি নহয়, বৰং গোটেই চুবুৰীৰে অতিকৈ চেনেহৰ। এখুজীয়া-দুখুজীয়াকৈ খোজ দিয়াৰ পৰা স্নাতক ডিগ্ৰী লোৱালৈকে তাই সকলোৰে কোলাই কোলাই বহি-শুই থাকে। এনেহেন ছোৱালীজনী কেনেকৈ গৈ হোষ্টেলত অকলে থাকিব কোনেও ভাবিবই নোৱাৰিলে। কিন্তু কোনেও নভবাকৈ, এটা আপত্তিও নকৰাকৈয়ে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ঘৰ পোৱাত সকলো একেবাৰে আঁচৰিত হৈছিল। ওচৰ চুবুৰীয়াই দুদিনতে আহি ঘৰ পাবহি বুলি কৰা মন্তব্য নাখাটিল। চকুৰ আগতে পৰী ডাঙৰ হৈ আহিল।

'মিনু খুৰী' বুলি যেতিয়াই তেতিয়াই কোচত থপকৈ বহি লানি নিচিগাকৈ প্ৰশ্ন কৰা পৰী আজি কলেজত শিক্ষকতা কৰিব পৰা হ'ল। সময়বোৰ ইমান খৰকৈ সলনি হ'ব ধৰিছে যে ত'ত ধৰিব নোৱাৰাই হৈছে। আমাৰ আটাইৰে মৰমৰ পৰীজনী যেন সাইলাখ লখিমীজনীহে, মুখত মিচিকীয়া হাঁহিটোৰে সকলোকে মুহূৰ্ততে মোহিব পৰাৰ বাবেই

তাই সকলোৰে অতিকৈ আদৰৰ।

- 'মিনু খুৰী, কিনো ভাবি আছা ?'

- 'অ, পৰী দেখোন, কেতিয়া আহিলা ? মই তোমাৰ কথাই ভাবি আছিলোঁ ...'

- 'মোৰ কথানো কি ভাবিছা, মোকো কোৱাচোন ...'

- 'তোমাক আজি ইমান ধুনীয়া লাগিছে ....'

- 'তুমি মোক কেতিয়ানো বেয়া দেখা, এনেয়ে কোৱা আৰু .... !'

- 'তেনেকৈ কিয় কোৱা পৰী ? তোমাক সদায় মৰম লাগে কাৰণেহে কওঁ, তুমি সঁচাকৈয়ে সৰগৰ পৰী ....।'

- 'এইবোৰ বাদ দিয়া খুৰী, ইমান আন্ধাৰত বহি মোৰ কথা কিয় ভাবি আছিলানো ?'

- 'তুমি পৃথিৱীলৈ আহি চকু মেলিয়েই দিয়া কান্দোনৰ পৰা আৰম্ভ কৰি আজিৰ সময়লৈকে গোটেই সময়চোৱাক মনৰ তুলাচনীৰে জুখি আছিলোঁ।'

- 'ছোৱালী জীৱন এনেকুৱাই ....!'

- 'ব'লা ভিতৰতে বহোঁগৈ ....'

- 'নালাগে দিয়া, ইয়াতেই ভাল লাগিছে। তোমাৰ ফুলনিখন ইমান ধুনীয়া, সদায় গধূলিবোৰ ইয়াতে পাৰ কৰিবলৈ মন যায় জানা !'

- 'সঁচাইনে ....!'

- 'ওঁ খুৰী সঁচাই কৈছোঁ।'

- 'বৰ হেঁপাহেৰে তোমাৰ খুৰাৱাই এই বাগিছাৰ প্ৰতিজোপা গছ ৰুইছিল .....। তেওঁৰ অনুপস্থিতিত এই বাগিছাই মোৰ একমাত্ৰ সংগী।'

- 'আৰু মই ?'

- 'তুমি মোৰ বাগিছাৰ আটাইতকৈ ধুনীয়া ফুলপাহ, যি ফুলক মইহে ভালকৈ যত্ন ল'ব পৰা নাই !'

- 'সেয়ে মই মৰহি গৈছোঁ, তাকেই ক'ব বিচাৰিছা নেকি ?'

- 'অ আক', মোৰ সুগন্ধি গোলাপ।'

মৃদু হাঁহিৰে পৰীয়ে মোৰ কথাত সঁহাৰি জনালে। আচলতে পৰীৰ দেউতাক মোৰ দাদা শহুৰ। মই ন কইনা হৈ আহিবৰে পৰা তেওঁ মোক নিজৰ কন্যাৰ দৰেই মৰম কৰিছিল আৰু যৌতুকৰ কথা ক'বই নালাগে .... যেন মোৰ মা হেঙ্গ মই ন-কইনা হৈ ঘৰ সোমোৱাৰ দুমাহৰ পিচতেই আমাৰ মাজলৈ পৰী আহিছিল। পৰীৰ আগমনে নতুন ঘৰখনত মোক ন-ৰূপ প্ৰদান কৰিছিল।

- 'কি ভাবিছা খুৰী ?'

- 'আজি তোমাৰ খুৰালৈ বৰকৈ মনত পৰিছে জানা। তেওঁ থাকিলে আজি আমি তিনিও একেলগে বহিব পাৰিলোহেঁতেন আৰু আমাৰ কথাবোৰৰ বিষয়বোৰ সুকীয়া হ'লহেঁতেন। হয়তো ইমান সময়ে আমাৰ হাঁহি-হাঁহি পেটৰ বিষেই উঠিলহেঁতেন !'

- 'কিয় পুৰুষবোৰ ইমান অবিশ্বাসী হয় !'

- 'তেনে কথা নহয় পৰী, যেতিয়া মৰম সীমাহীন হৈ পৰে সেই মৰমবোৰক হেৰুৱাৰ ভয়তে অজানিতে অবিশ্বাসে আহি খোপনি পোতে, আচলতে তাৰ নাম অবিশ্বাস নহয়, সুৰক্ষাহীনতাহে।'

- 'মৰমে সুৰক্ষাহে প্ৰদান কৰিব পাৰিব লাগে। মৰমত সুৰক্ষাৰ বান্ধোন কট্‌কটীয়া, কিন্তু তাত ভেনা মাখিৰ দৰে অবিশ্বাসে ভোন-ভোনাই থাকে কিয় ? সিয়েই সকলোতে আউল লগায়। ভাগ্যৰ পাকচক্ৰ সঁচাকৈয়ে বুজিব নোৱাৰা ন !'

- 'এইবোৰ বাদ দিয়া মোৰ সোণ পৰী। এতিয়া ভিতৰলৈ আহা আৰু তোমাৰ বাবে এখন চাদৰ বনাইছোঁ চোৱাহি।'

- 'কি ? চাদৰ, হাতেৰে চিলাই কৰিছা ? বাঃ ব'লা ব'লা চাওঁগৈ।'

- 'কেনে লাগিছে ? যোৱা বহু দিনৰ পৰাই বনাই আছিলোঁ। তোমাক জন্মদিনত দিবৰ বাবে, কিন্তু জন্ম দিনলৈ বহু দিন আছে কাৰণে আৰু ৰাখিব নোৱাৰিলোঁ। জন্ম দিনত কিবা বেলেগ বনাই দিম দিয়া।'

- 'ইমান ধুনীয়া লাগিছে। তুমি কোন সময়ত এইবোৰ কৰা আজিও নাজানিলোঁ। তোমাৰ বয়স হৈছে খুৰী, এতিয়া আৰু ইমান চিলাই কাম নকৰিবা। তোমাৰ চকুযোৰে কষ্ট পাব নহয় !'

- 'একো নহয় তুমি মিছায়ে চিন্তা কৰিছা।'

- 'মিছা নহয়, সঁচাই কৈছোঁ।'

- 'পৰী .....'

- 'কি খুৰী .... তুমি এতিয়া যোৱাগৈ নেকি, দেৰি হৈছে যে ! ককাইদেৰে চিন্তা কৰি থাকিব !'

- 'নকৰে দিয়া, কৈয়ে আহিছোঁ নহয়।'

- 'তথাপিও ....'

পৰিৱেশটো আকৌ মৌন হৈ পৰিল। হয়তোবা পৰীয়ে মোক বেয়া পাইছে ... নাপাবও পাৰে, তাই মোৰ নিজৰেই ছোৱালী। নিজৰ নহ'লেও তাই কাকো সহজতে বেয়া নাপায়। ইমান ভাল ছোৱালীজনীৰ জীৱনত কালিমা সানিবলৈ তাৰ অলপো বেয়া নালাগিলনে বাৰু ....! মাথো অকণমান অবিশ্বাসৰ বাবেই তাইৰ জীৱনটোৰ লগতে মোৰ হেঁপাহৰ ঘৰখনো ভাগি গ'ল। সেই নিশাটোৰ কথা মনত পৰিলে আজিও বুকু কঁপি উঠে। মোৰ জীৱনসূৰ্য অস্ত যোৱাৰ ঠিক একে সময়তে পৰীৰ জীৱনৰ পৰা আঁতৰি গৈছিল তাইৰ গৰ্ভৰ সন্তান। আমাৰ দুয়োৰে জীৱন একেজাক ধুমুহাই ঠান-বান কৰি থৈ গ'ল। পৰীৰ সাগৰৰ সমান মৰমৰ সংসাৰৰ কোন স্তৰত কমি গৈছিল আজিও বুজিব নোৱাৰিলোঁ। দেখাত ভাল স্বামী, শহুৰ-শাহু, ধনে-ধানে ভৰপূৰ ঘৰটোৰ ক'ত ঘূণে ধৰিছিল নেজানিলোঁ। মোৰ একালৰ মৰমৰ হৰি মোমাইদেউৰ ল'ৰাৰ লগতে পৰীৰ বিয়া হৈছিল। বিয়া মানে অংকুৰ আৰু পৰীয়ে নিজেই মন্দিৰত ভগৱানক সাক্ষী কৰি বিয়া হৈছিল। অতি নিষ্ঠাৰে অংকুৰৰ প্ৰেমৰ চাৰিবেৰক সাৰথি কৰি পৰীয়ে সংসাৰ আৰম্ভ কৰিছিল। ঘৰৰ সকলোৰে ইচ্ছাৰ বিপৰীতে অংকুৰৰ হাতত ধৰি জীৱনৰ বাটত আগুৱাই গৈ আছিল। পৰীয়ে প্ৰাণ ভৰি ভাল পাইছিল অংকুৰক, যি অংকুৰৰ হাতৰ প্ৰহাৰত পৰীয়ে হেৰুৱাইছিল তাইৰ গৰ্ভজাত আন এটা অংকুৰক। বিশ্ববিদ্যালয়ৰ এবোজা ডিগ্ৰীধাৰী অংকুৰৰ নীচ মানসিকতাৰ বাবেই আমি আজি এচৰীয়া পানীত আবদ্ধ হৈ আছোঁ। এটা সামান্য ভুল বুজাবুজিৰ এনে পৰিণতি হ'ব পাৰে বুলি হয়তো কোনোৱে কাহানিও কল্পনাকে কৰিব নোৱাৰিব। মোৰ দেৱতা যেন মানুহজনে পৰীক সদাই নিজৰ ছোৱালীৰ দৰেই মৰম কৰি আহিছে। পৰীৰ বাবেই মই কোনোদিনে সন্তানহীন হোৱাৰ বেদনাক উপলব্ধিও কৰিব পৰা নাই। মোৰ স্বামী বা পৰিয়ালৰ আন আন মানুহেও কোনোদিনেই মোক সন্তান জন্ম দিব নোৱাৰাৰ বাবে কথা শুনোৱা মনত নপৰে। মোৰ স্বামীৰ ঘৰৰ প্ৰতিজন মানুহেই অতি মৰমিয়াল আৰু উচ্চ চিন্তাশীল বহল মনৰ। এই ক্ষেত্ৰত মোৰ স্বামী অৰ্ণৱজ্যোতি ৰায়চৌধুৰী ভগৱানৰ লেখীয়া। তেওঁৰ মৰমে মোক সকলো দুখৰ পৰা আঁতৰাই ৰাখিছে আৰু পৰীয়ে মোৰ সন্তানৰ আসনখন অধিকাৰ কৰিছে। পৰীয়ে জন্মৰে পৰা মোৰ কোলাতে ডাঙৰ হৈছিল আৰু মোৰ লগতেই গাভৰু হোৱালৈকে একেখন বিছনাতে শুইছিল। আমি স্বামী-স্ত্ৰীৰ আচুতীয়া সময়কণ পৰীক কোচত লৈয়েই পাৰ কৰিছিলোঁ।

মোৰ কোলাৰ পৰা অৰ্ণৱৰ পিঠিত উঠি ফুৰা পৰীক অংকুৰে অৰ্ণৱৰ লগত কিবা গোপন সম্পৰ্ক থকাৰ কথা কিয় ভাবিলে মই আজিও বুজিব পৰা নাই। পৰীক আমি সন্তানৰ দৰে পালি ডাঙৰ কৰা কথা অংকুৰে ভালদৰেই জানিছিল, অথচ .... চিঃ .... কথাবোৰ ভাবিলেই চৌপাশৰ পৃথিৱীখন কম্পমান হোৱা যেন লাগে। উচ্চ শিক্ষিত মানুহ এজনৰ চিন্তাও ইমান বেয়া স্তৰলৈ কেনেকৈ যাব পাৰে .....!!!

মোৰ স্বামী হিচাপে মই অৰ্ণৱক পৃথিৱীৰ আটাইতকৈ ভালদৰে বুজি পাওঁ আৰু অৰ্ণৱ মোৰ দৃষ্টিত পৃথিৱীৰ আটাইতকৈ ভাল মানুহজন। তেওঁ অজানিতেও কাকো অন্যায় কৰিব নোৱৰা ধৰণৰ লোক। অৰ্ণৱৰ জীৱনৰ এটা অংশ আছিল পৰী, আমাৰ মৰমৰ পৰী ....। পৰীৰ স্বামীৰ অপবাদে অৰ্ণৱক জীয়াই থকাৰ অনুজ্ঞা নিদিলে। সেয়ে এটা মুহূৰ্ততে নিজকে শেষ কৰিলে তেওঁ .... তথাপিও একো সলনি নহ'ল, অংকুৰৰ দৰে মুখা পিন্ধা নৰ-পিশাচবোৰ আজিও পৰীৰ দৰে ছোৱালীৰ জীৱনলৈ আহিছে আৰু গৈছে। তাৰ একো নহ'ল, মিছা সন্দেহত পৰীক প্ৰচণ্ড প্ৰহাৰ কৰিলে যি প্ৰহাৰত পৰী মাটিত বাগৰি পৰিল। তেতিয়া পৰীৰ গৰ্ভত আছিল অংকুৰৰ সন্তান। ন মাহ অতিক্ৰম কৰিলেই মাত্ৰ .... উশাহ নোলোৱাকৈয়ে পৃথিৱীৰ সত্যক আঁকোৱালি ল'লে কণমানি অংকুৰে। পৰীৰ জীৱনৰ সকলো আশা-আকাংক্ষা, সুখ-শান্তি কণমানিটিৰ লগতে আঁতৰি গ'ল। ইমান নিষ্ঠুৰ মানুহজনৰ ওচৰৰ পৰা পৰী কোনো প্ৰতিবাদ নকৰকৈয়ে আঁতৰি আহিল, লগত হেৰুৱাৰ বেদনা ....। শূন্য দুহাত লৈ ঘূৰি অহা পৰীয়ে আহিয়েই মোৰ বুকুত সোমাই হিয়া উজাৰি কান্দিলে। তাইৰ মুখলৈ চাই মোৰ চকুপানীয়েও বাট পাহৰিলে। কিন্তু সেই দিনাই জীৱন সংগ্ৰামত মই হাৰি গৈছিলোঁ। মোৰ স্বামীয়ে অজান দেশত বসতি পাতিলে। তথাপি এতিয়াও তেওঁ মোৰ কাষত, তেওঁৰ হাতত ধৰিয়েই প্ৰতিটো খোজ আজিও দিছোঁ; কিন্তু পৰীয়ে ফুলকুমলীয়া বয়সতে সকলো হেৰুৱালে। অৰ্ণৱৰ শৰীৰ মোৰ কাষত নাই, অথচ তেওঁৰ আত্মা মোৰ মাজত জীয়াই আছে.... আজিও মোক কথা কয়, সমাজৰ পৰা এনে চিন্তাক আঁতৰাবলৈ আজিও নানান পৰামৰ্শ দিয়ে। মোৰ চৌপাশত অৰ্ণৱৰ উপস্থিতিয়ে মোক জীয়াই থাকিবলৈ কয়, কিন্তু .....!!!

মই দিয়া চাদৰখন হাতত লৈ পৰী যাবলৈ ওলাল। আজিকালি পৰীয়ে আন্ধাৰক ভয় নকৰে। আন্ধাৰৰ মাজতেই পোহৰ বিচাৰিবলৈ চেষ্টা কৰে। আন্ধাৰৰ মাজে মাজে তাই গহীন খোজেৰে ঘৰলৈ বুলি গৈ থাকিল .....। ■

গল্প

# প্ৰতিশোধ



ফুলশ্ৰী ডেকা
তৃতীয় ষাণ্মাসিক (বিজ্ঞান)

খিৰিকীখন জপাবলৈ আহি ৰৈ গ'ল বীভা। সেমেকা বতাহজাকৰ কোমল পৰশত গা-মন জুৰ পৰি যোৱা যেন অনুভৱ হ'ল তাইৰ। অলপ আগতে এচপৰা ডাৱৰো নথকা সুন্দৰ আকাশখনত তৰাবোৰৰ সৈতে খিল্‌খিলাই হাঁহি আহিলে জোনবাইজনীয়ে, ক'ৰ পৰা জানো ডাৱৰবোৰ আহি গোটেইখন অন্ধকাৰ কৰি পেলালে ! তাইৰ জীৱনটোকোতো এচপৰা কলীয়া ডাৱৰে নিমিষতে গ্ৰাস কৰি পেলাইছিল, ঠিক আজিৰ জোনবাইজনীৰ নিচিনাকৈ ! ফুটা-নুফুটাকৈ তাইৰ মুখৰ পৰা আপোনা-আপুনিকৈ ওলাই আহিল, 'বীজেন'।

- 'মা, কি কৰিছা এই ৰাতিখন খিৰিকীৰ কাষত ? চাওঁ, বন্ধ কৰি দিয়া। বৰষুণ আহিবই, আৰু দেখা নাই ? কিমান ক'লা হৈ আহিছে আকাশখন !'

একেথিৰে চাই ৰ'ল বীভাই জোনালীৰ মুখলৈ।

- 'কি চাইছা মা ?'

- 'নাই, তই যাবিয়েই এইখন ঘৰ এৰি অইন এখন ঘৰলৈ; এতিয়াৰ পৰাই বুকুখন কেনেবা লাগিছে ! পলাশ এতিয়াও বহুত সৰু। তেওঁ যদি নাথাকিলেহেঁতেন, মোৰ যে .........!'

- 'কোন তেওঁ মা ?

- 'বীজেন কলিতা' ?

- 'তুমি মোক এই বিষয়ে একো কোৱা নাই যে মা ! কিয় আহে তেওঁ ? সুখ, শান্তি সকলোবোৰতো কাঢ়ি নিচেই তোমাৰ পৰা ! নে এতিয়া তোমাৰ নামত থকা সম্পত্তিবোৰতো চকু পৰিছে তেওঁৰ ?' - এগালমান প্ৰশ্ন সুধি খঙত ভমকি উঠিল জোনালী।





'জোনালী, তেওঁ তোৰ দেউতা হয়। সন্মান ৰাখি কথা ক'বি।' 'মোৰ দেউতা তেৰ বছৰ আগতেই ঢুকাইছে মা, যিদিনাখন বীজেন কলিতা বোলাজনৰ সন্মুখতেই তুমি তোমাৰ শিৰৰ সেন্দুৰকণ মচি বাউলীজনী হৈ পৰিছিলা। সেই তেতিয়াৰ পৰা আজিলৈ কিমান পৰিৱৰ্তন হ'ল ! কিন্তু তুমি? হয়, তোমাৰো পৰিৱৰ্তন হৈছে। ৰং-বিৰং কাপোৰৰ ঠাইত দেহত বগা সাঁজ এযোৰ মেৰিয়াই লৈছা। কেতিয়াবা মন খুলি হাঁহি পাইছা জানো মা ? নিচিন্তমনে কেতিয়াবা শুব পাৰিছা জানো তুমি ? প্ৰতি নিশাই সাৰ পাই উচুপি উঠা তুমি। তোমাৰ সৰলতা আৰু উদাৰতাই সীমা চেৰাই গৈছে। বিশ্বাস কৰিব লাগে মানুহক, নালাগে বুলি মই নকওঁ, কিন্তু জোখতকৈ বেছি নহয়। সেইখিনিতে তোমাৰ মাজত মই ইমান বছৰে একো পৰিৱৰ্তন দেখা পোৱা নাই। বীজেন কলিতাৰ কথা যাতে আৰু কেতিয়াও শুনিবলৈ নাপাওঁ মই এইখন ঘৰত। কিয়নো মৃত ব্যক্তি কেতিয়াও জীৱিত হৈ নুঠে।'

কথাখিনি শেষ কৰিয়েই খৰ খোজেৰে কোঠাটোৰ পৰা ওলাই গ'ল জোনালী। শিল পৰা কপৌসদৃশ থিয় দি থাকি জোনালী যোৱাৰ পিনে চাই থাকিলে বীভাই। সৰুৰে পৰা প্ৰতিবাদী আছিল জোনালী। কিন্তু চকুৰ সন্মুখতেই অথচ তাইৰ অজ্ঞাতে কেনেকৈ ফিৰিঙতি সদৃশ খঙটো বাঢ়ি গৈ আগ্নেয়গিৰিৰ ৰূপ ল'লে তাই একো গমকে নাপালে ! এই আগ্নেয়গিৰিৰ কেনেবাকৈ উদ্‌গীৰণ ঘটিলে কিমানজনৰ জীৱনলৈ ভাবুকি মাতি আনে সেইয়া চাগে কল্পনাৰো অতীত !

অনাকাংক্ষিতভাৱে এদিন উৰ্মি আহিছিল বীভা আৰু বীজেনৰ গোৱালপাৰাস্থিত বাসভৱনলৈ। উৰ্মিমালা নাথ, বীভাৰ শৈশৱৰ নলে-গলে লগা বান্ধৱী। গড়কাপ্তানী বিভাগত কৰ্মৰত গিৰীয়েক দীপক নাথৰ আকস্মিক পথ দুৰ্ঘটনা এটাত হোৱা মৃত্যুৰ সূত্ৰে অশিক্ষিত উৰ্মিয়ে বৰ্ণমালাখন শিকিয়েই দীপকৰ সহকৰ্মীসকলৰ সহযোগত সেই বিভাগতেই কেৰাণীৰ পদবীটো যোগাৰ কৰি লয়। অকলশৰীয়া উৰ্মি আৰু তাইৰ দহবছৰীয়া কন্যা নয়নাৰ বাবে বীভা আৰু বীজেনে সিহঁতৰ ঘৰৰেই দুটি কোঠাত থকাৰ ব্যৱস্থা কৰি দিয়ে। জানিছিলে জানো বীভাই তাইৰ এই উদাৰতাৰ পৰিণতি ভয়ংকৰ হ'ব বুলি, ভাবিছিলে জানো তাই শৈশৱৰ বান্ধৱী উৰ্মিৰ চৰম বিশ্বাসঘাটকতাত তাইৰ সুখৰ সংসাৰ ভাঙি এদিন থান-বান হৈ যাব বুলি ! বিধৱা উৰ্মিৰ বাঢ়ি অহা স্ফীত উদৰৰ ৰহস্যৰ সম্ভেদ এদিন তাই নিজেই বীভাক দিছিল, 'মই তোমাৰ বীজেনৰ সন্তানৰ মাক হ'বলৈ ওলাইছোঁ বীভা'- এটা সৰল বাক্য মাথোঁ; কিন্তু বাক্যটিত থকা শব্দকেইটা মুঠেও সৰল নাছিল বীভাৰ কাৰণে, যেন প্ৰতিটো শব্দই একোডাল শেল হৈ ভেদি গৈছিল বীভাৰ বুকু। মুখেৰে একো শব্দ ওলাই অহা নাছিল তাইৰ; মাত্ৰ শিৰৰ সেন্দুৰকণ মচি বাউলীজনী হৈ বীজেনৰ সন্মুখত ইনাই-বিনাই কান্দি, জোনালী আৰু পলাশৰ সৈতে সিদিনাই গুছি আহিছিল গাঁৱত থকা মাকৰ ঘৰলৈ। স্বামীবিহীন বিধৱা মহিলা এজনীৰ কাৰণে অকলশৰীয়াকৈ জীৱন কটোৱা কিমান কষ্টকৰ বীভাই বুজে। কিন্তু কাৰোবাৰ সংসাৰত জুই লগাই সুখী হোৱা কথাটো কেনেকৈ মানি ল'ব তাই ? কোনখিনিত ভুল কৰিছিল তাই ? এজনী অসহায় মহিলাক নিজৰ ঘৰত আশ্ৰয় দিছিল, তাইৰ সন্তানটিক নিজৰ সন্তানৰ নিচিনা মৰম কৰিছিল - এইটোৱেই তাই ভুল কৰিছিল নেকি ? প্ৰশ্নকেইটিৰ উত্তৰ তাই তেৰ বছৰ আগতেও বিচাৰি হাবাথুৰি খাইছিল আৰু আজিও সদুত্তৰ বিচাৰি পোৱাৰ আশাত অপেক্ষাৰত !

আস্, ভুল জানো অকল উৰ্মিৰ আছিল ! তাইৰ শিক্ষক স্বামী বীজেনোতো সমানেই দোষী আছিল ! ইমান এটা ডাঙৰ দোষ কৰাৰ সময়ত বীজেনৰ এবাৰো মনত নপৰিলে নে বীভাৰ মুখনিলৈ ? সিহঁতৰ মৰমৰ এনাজৰীডাল ইমানেই ঠুনুকা আছিল নে ? সাতবছৰীয়া পলাশে বুজা-নুবুজাৰে সকলোবোৰ চাই ৰৈছিল, যদিও বাৰবছৰীয়া জোনালীৰ এটি এটি মুহূৰ্তই তাইৰ মনত স্পষ্টৰূপে সাঁচ বহুৱাই থৈ গৈছিল। সেয়াই চাগে জোনালীৰ খিঙ্‌খিঙীয়া স্বভাৱটোৰ আৰম্ভণিঙ্গ অশান্তিবোৰ বাঢ়ি আহিছিল তাইৰ প্ৰতিদিনে !

জোনালীৰ বিয়াখন আজি এবছৰমান আগতেই একে গাঁৱৰে চৰকাৰী বিদ্যালয় এখনৰ শিক্ষক ৰাজদ্বীপ শৰ্মাৰ সৈতে হৈ যায়। জোনালীৰ শহুৰেক তিনিবছৰমান আগতেই ঢুকাইছে। শাহুৱেক, ননদ মৰমী আৰু ৰাজদ্বীপ; জোনালীৰ পৰিয়ালৰ ওপৰেৰে পাৰ হৈ যোৱা প্ৰতিজাক ধুমুহাৰ বিষয়ে জ্ঞাত। মৰমী স্নাতকোত্তৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী। ঘৰত তাইৰো বিয়াৰ গুণাগঁথা চলি আছে। নয়নাই, জোনালীৰ বিয়াৰ দুমাহমান পিছতেই গোৱালপাৰাৰেই এটা বেংকত কৰ্মৰত অসীমজ্যোতি নাথৰ সৈতে পলায় গৈ বিয়া পাতে। 'অসীমক দেখি আহিলোঁ বাইদেউ। মই আকৌ আপুনি চাহ নোখোৱাকৈয়ে যোৱা বুলি ভাবিলোঁ। মানে অসীমৰ মটৰ চাইকেলৰ পিছৰ চিটত এজনী

ছোৱালী। ওচৰেৰে পাৰ হৈ যোৱাতহে দেখিলোঁ, সেয়াচোন জোনালীৰ ননদ মৰমী ! আজি ঘৰত কিবা সকাম আছে নেকি বাইদেউ ?' - জোনালীহঁতৰ গাঁৱৰে অংগনবাড়ী কেন্দ্ৰ এটাত কৰ্মৰত নয়নাৰ, কেন্দ্ৰটোৰ সহায়িকাজনীৰ কথা শুনাৰ লগে লগে দুচকুত গভীৰ চিন্তাৰ ডাৱৰ এচপৰাই মুহূৰ্ততে খেলা কৰি গ'ল।

- 'নাই। তেওঁলোক দুয়োৰে পুৰণি চিনাকী আছেতো !'

- কথাষাৰ কৈয়েই একমিনিট সময়ো পলম নকৰি নয়না পোনে পোনে ঘৰমুৱা হ'ল।

- 'ক'লৈ গৈছিলা তুমি ?'

- 'তুমি অহাৰ অলপ আগতেই বেংকৰ পৰা আহি পালোঁ। বহুত ভাগৰ লাগিছে জানা !

- 'কাক মিছা মাতিবলৈ আহিছা তুমি ? মৰমীৰ লগত এইমাত্ৰ হাস্পতালৰ পৰা আহি পোৱা নাই জানো ? মই কথা পাতি আহিলোঁ ডাক্তৰণীজনীৰ লগত। অবিবাহিত মৰমী অন্তঃসত্বা, অসীম আৰু তুমি শিশুটিৰ পিতৃ। এইয়া ডাক্তৰৰ প্ৰতিবেদনখন লগত লৈ আহিছোঁ মই।'

- 'মই ...... ! নয়না ৰখা, নয়না অনুগ্ৰহ কৰি মোৰ কথা শুনা ...... ! নয়না ......'

- 'শুনাৰ সময় কেতিয়াবাই পাৰ হৈ গ'ল।' - অসীমৰ গালত এক প্ৰচণ্ড চৰ শোধাই, কথাষাৰ কৈয়েই নয়নাই নিজৰ কাপোৰ-কানিখিনি লৈ ঘৰৰ পৰা ওলাই আহিল।

- 'হেল্প' নবৌ ! কওঁক, মই আপোনাক কিদৰে সহায় কৰিব পাৰোঁ।'

- 'যিখিনি সহায়ৰ প্ৰয়োজন আছিল, সকলোখিনি কৰি পেলালা তুমি ইতিমধ্যে। তোমাক যে কিদৰে মই ধন্যবাদ জনাওঁ ! আমি সফল হ'লোঁ মৰমী, আজি মই কিমান সুখী সেইয়া চাগে ভাষাৰে বুজাবলৈ শব্দৰ অভাৱ হ'ব। এতিয়া তোমাৰ অভিনয় যদি শেষ হৈছে লৰা-লৰিকৈ ঘৰলৈ আহা, তোমাক চাবলৈ ৰাজদ্বীপে পচণ্ড কৰা ল'ৰাজন আহি পালেই নহয়। পিছে মৰমী, ডাক্তৰণী বাইদেউ আৰু অংগনবাড়ী সহায়িকাজনীক ঠিকমতে টকা দিয়া হৈছিলতো ?'

- 'দিছোঁ আকৌ। ইমান সুন্দৰ অভিনয় কৰিছে তেওঁলোকে, আমাৰ সফলতাৰ আঁৰৰ মূল ব্যক্তি দুজনীটো তেওঁলোকেই ! তেওঁলোকৰ প্ৰাপ্যখিনি নিদিম নে ?'

- 'হা হা হা ........' - হাঁহিৰ খলকনিয়ে ফোনৰ দুয়োমূৰৰে পৰিৱেশ ৰজনজনায় পেলালে। ■

## ।। অসমীয়া চুটি গল্প ।।

অসমীয়া চুটি গল্পই 'জোনাকী' কাকতৰ জৰিয়তে জন্ম লাভ কৰি 'আৱাহন যুগ' (১৯২৯-১৯৪০), 'ৰামধেনু যুগ'ৰ (১৯৪০-১৯৭০) মাজেদি বিকশিত হৈ সাম্প্ৰতিক কালত এক সবল স্থিতিত উপনীত হৈছে। আধুনিক জীৱনৰ অসম্ভৱ গতি, অৱকাশ অৱসৰৰ নিতান্ত অভাৱ, মাহেকীয়া পত্ৰিকা তথা সাময়িক পত্ৰিকাসমূহৰ সংখ্যা বৃদ্ধি আৰু এইবোৰত চুটি গল্পৰ অবিসম্বাদী আধিপত্য ইত্যাদি নানা কাৰণত চুটি গল্প সৰ্বাধিক গৌৰৱমণ্ডিত।



গল্প



# যৱনিকা

নূৰ আফৰুজ আহমেদ
দ্বিতীয় ষাণ্মাসিক (কলা)

(১)

- 'ঝালমুড়ি ল'ব, ঝালমুড়ি, চানাভাজা, চানা .....'

- 'হেৰ, ইয়াৰ পৰা আঁতৰ হ। কিয় বাটত বহি চিঞৰি আছ'। 'অ' দাদা লৈ যাওক, লৈ যাওক দাদা; দুটকাৰ লওক দাদা। আজি গোটেই দিন ভাত খোৱা নাই। ঘৰত চাউল নাই। মাজনী স্কুলৰ পৰা আহি ভাত বিচাৰিব, দাদা লওক অন্ততঃ এক টকাৰ হ'লেও .....।' মানুহজনে তালৈ কাণ নিদি পাৰ হৈ গ'ল। তাই চিঞৰিয়ে থাকিল। ফুটপাথৰ সেই নিৰ্দিষ্ট ঠাইডোখৰত বহি শিল-বালি গোটাই খেলা ঘৰৰ দোকান সাজি তাই চিঞৰিয়েই আছে।

চাপৰ বজাৰৰ ব্যস্ত ৰাজ আলি। লানি নিছিগা গাড়ী-মটৰৰ সোঁত। হেজাৰ মানুহৰ যাতায়ত। ব্যস্ত ফুটপাথসমূহত কোনেও কাৰো ফালে নোচোৱাকৈ গৈ আছে হেজাৰ হেজাৰ মানুহ। কোনোবাই আপোন তথা সম্পৰ্কীয় কাৰোবাৰ লগত সাক্ষাৎ হোৱাত মূৰ জোকাৰি সম্ভাষণ জনোৱাৰ বাহিৰে থিয় হৈ পাঁচ মিনিট সময় কথা পতাৰ আহৰি নাই। নিজ নিজ জীৱন যাত্ৰাত ব্যস্ত সমূহ যাত্ৰী। তাতে আকৌ আজি হাটবাৰ; সকলোৱে নিজ নিজ কামত ব্যস্ত।

কিন্তু তাৰ মাজতো ফুটপাথৰ সেই নিৰ্দিষ্ট ঠাই ডোখৰত বহি অইন দিনাৰ দৰেই তাই চিঞৰি আছে বিগত দুমাহ ধৰি থকাৰ দৰে। তাইৰ ফালে এটি সহানুভূতিৰ চাৱনি, নাইবা তাচ্ছিল্যৰ হাঁহি, নাইবা এটি ধমকিৰ বাহিৰে কাৰো সময় নাই তাইৰ ফালে চোৱাৰ। তাই সেই ঠাইখিনি গছৰ ঠাৰিৰে সাৰিছে; বালিবোৰ ভাগে ভাগে দম কৰিছে; আৰু চিঞৰিছে। তাইৰ ঝালমুড়ি, চানাচুৰৰ দোকানৰ প্ৰতিও কাৰো ভ্ৰূক্ষেপ নাই; তাই চিঞৰিয়ে থাকিল।

'মা, মা, অ' মা ......' মাজনীয়ে চিঞৰি চিঞৰি জপনাখন খুলি দৌৰি ভিতৰ সোমায়েই মাকৰ ভৰি চুই সেৱা কৰিলে। 'কি হ'ল অ' আইজনী, আজি স্কুলৰ পৰা আহিয়েই সেৱা কৰিবলৈ মন গ'ল যে।' - 'মা আজি মোৰ বহুত ভাল লাগিল জানা ! আজি বাইদেৱে মোক খুব মৰম কৰিলে, পৰীক্ষাত প্ৰথম হোৱাৰ কাৰণে।' মালতীয়ে মৰমতে তাইক সাৱটি ধৰি তাইৰ কোমল গোলাপ পাহিৰ দৰে গাল দুখন চুমাৰে ওপচাই দিলে।

'- শুনা মা, আজি ছাৰে মোক ক'লে যে, মই বোলে ভালকৈ পঢ়িলে ডাঙৰ মানুহ হ'ব পাৰিম। মই ভালকৈ পঢ়িম মা। মই ডাঙৰ মানুহ হম।'

'- হ'বি আই, তই ডাঙৰ মানুহ হ'ব লাগিব। আৰু আজি দেউতাৰা আহিলে তয়ে সেৱা কৰি খবৰটো দিবি। এতিয়া ভালকৈ হাত-মুখ ধুই আহগৈ, মই ভাত ৰেডি কৰিছোঁ।'

'মাজনী', - এই কণমানী ছোৱালীজনীয়েই সিহঁতৰ য'ত আশা-ভৰষাৰ থল। মালতীয়ে স্মৃতিৰ পাতবোৰ লুটিয়াই চালে। বহু কষ্ট কৰি সিহঁতে এই ঘৰখন বান্ধিলে। যোৱা চাৰিটা বছৰ সিহঁতৰ কম কষ্ট কৰিব লগা হৈছেনে! খেতি মাটি বুলিবলৈ এপুৰাও নাই। আপোন মানুহ বুলিবলৈ এজনো নাই। তাইৰ মাক-দেউতাক কেতিয়াবাই ঢুকাল। দেউতাকৰ কথা মনতে নপৰে। মাকজনী লোকৰ ঘৰত কাম কৰি তাইক আৰু সৰু ভাইটোক ডাঙৰ-দীঘল কৰিলে। কিন্তু কি হ'ব - ছয় বছৰ বয়সতেই ভায়েকজন ঢুকাল জহনী ৰোগত পৰি। মাকজনীৰ লগত তাইও জানো কম কষ্ট কৰিছে। বাৰ বছৰ বয়সতেই নগেনৰ লগত মাকে উলিয়াই দিলে। বিয়াৰ তিনিবছৰ পিছত মাকজনীও ঢুকাল। সংসাৰত তাইৰ আপোন বুলিবলৈ আৰু কোনো নাথাকিল। হওঁতে নগেন ধনী ঘৰৰ ল'ৰাই আছিল, কিন্তু তাৰ স্বভাৱটোৰ কাৰণেহে ! গোটেই দিন জুৱাৰ আড্ডাত বহি কটাইছিল। সেই দেখি ককায়েকসকলে তাক ঘৰৰ পৰা উলিয়াই দিলে। ব্ৰহ্মপুত্ৰৰ পাৰত মাটি এডোখৰ দি তাতে ঘৰ বান্ধি থাকিবলৈ ক'লে। মাজনীৰ জন্মও তাতে হ'ল। সেই বছৰো সিহঁতৰ কম কষ্ট হোৱা নাছিল; বানপানীৰ কাৰণে। আৰু দুবছৰ পিছতো তাৰ পৰা উঠিয়ে আহিব লগা হ'ল নদীৰ ভাঙনৰ ফলত। যোৱা চাৰি বছৰ সিহঁত হেমেনহঁতৰ ঘৰৰ পিছফালে চালি এখন বনাই আছিল। সেই সময়ৰ পৰাই যেন মানুহজনৰ মতি-গতি অলপ ভাল হ'ল। ফুটপাথত দোকান এখন খুলিলে। ঈশ্বৰেও যেনিবা মূৰ তুলি চালে। বহু কষ্টেৰে যোৱা-তাপলি দি এই মাটিডোখৰ লৈ এইবাৰহে এই ঘৰখনৰ কাম সম্পূৰ্ণ কৰিলে। মাজনীও এইবাৰ তৃতীয় শ্ৰেণীত উঠিল। মানুহজনেও এতিয়া জুৱাৰ আড্ডালৈ নাযায়। সেই দোকানখনতেই সি এতিয়া মন দিছে।

- 'মা ভাত দিয়া।' - মাজনীৰ মাতত তাইৰ সম্বিত ঘূৰিল।

- 'অ' মা কালি মই দেউতাৰ লগত হাটলৈ যাম।'

- 'কিয়' ?

- 'ফুৰিবলৈ, এনেয়ে যাম। তুমি দেউতাক ক'বানা।'

- 'বাৰু হ'ব। শুন এতিয়া খাই বৈ উঠি অকণমান বাগৰ দেগৈ। এই ৰ'দত ক'তো নোলাবি বুজিছ ?'

- 'হ'ব হ'ব।'

তাই খাই বৈ উঠি গ'ল।

- 'আইদেউ, অ' আইদেউ বোলো ঘৰতেই নে ?'

- 'কোন নো ? ঘৰতেই আছোঁ। আহক। এ, খুড়ীদেউ দেখোন। ইমান ৰ'দত ক'ৰ পৰা আহিলেনো ?'

- 'আহিলোঁ ঘৰৰ পৰাই; মিঠাই খাবলৈ। আমাৰ ৰাতুলৰ ছোৱালীজনী যে - পূজা, তোমালোকৰ মাজনীৰ লগত পঢ়ে; তাই ঘৰত গৈ ক'লে বোলে তোমাৰ ছোৱালী পৰীক্ষাত প্ৰথম হৈছে। শুনি বহুত ভাল লাগিল। ভাবিলোঁ ছোৱালীজনীক চাই আহোঁ। মিঠাই অকণ খুৱাই আহোঁ। সেয়ে আহিলোঁ।'

- 'বহুত ভাল লাগিল। বহক বাৰু।'

- 'হ'ব দিয়া। পিছে, বেছি দেৰি নকৰোঁ নহয় - তাইক অকণমান মাতি দিয়া।'

- 'মাজনী, অ' মাজনী।' - মাজনীক মাতি মাতি মালতীয়ে তাইৰ সৰু কোঠাটোৰ পিনে আগবাঢ়ি গ'ল।

- 'ৰুমত নাই দেখোন, ক'ত গ'লনো এইজনী এই ভৰ দুপৰত। মাজনী, মাজনী; জোনাকী ! মাজনীক দেখিছা নেকি ?'

- 'নাই দেখা আন্টি।'

- 'তেনেহ'লে ক'ত গ'ল ? ইহঁতৰ লগতো দেখোন নাই !'

- 'খুলী খুলী, মাজনী বাইদেৱে পুকুলীত গা ধুইছে।'

কণমানি ৰাজুৰ মাত শুনি তাইৰ বুকুখন চিৰিংকৈ উঠিল। এই ভৰ দুপৰীয়া তাই কিয় পুখুৰীলৈ আহিছে ? তাইৰ মনত বহুত কথা খেলাই গ'ল। তাই দৌৰি গৈ পুখুৰীৰ পাৰত উপস্থিত হ'ল; কিন্তু তাত মাজনী নাই, তাইৰ কাপোৰ আৰু চেণ্ডেলযোৰহে পৰি আছে। মালতীৰ আৰু বুজিবলৈ বাকী





নাথাকিল। তাই চিঞৰি পানীত জঁপিয়াই দিলে। ওচৰ-পাজৰৰ সকলো মানুহে দৌৰি গৈ লগে লগে তাইক পানীৰ পৰা উঠালে। কিন্তু তাই অজ্ঞান হৈ আছে। জ্ঞান অহাৰ লগে লগে তাই আকৌ 'মাজনী' বুলি চিঞৰিবলৈ ধৰিলে। মানুহবিলাকে মাজনীক বিচাৰি আছে। বহু সময় চেষ্টাৰ অন্তত, জাল, বাঁহ প্ৰভৃতিৰে বিচৰাৰ পিছত সিহঁতে পুখুৰীৰ পৰা মাজনীৰ নিস্তেজ দেহ তুলি আনিলে। মালতীয়ে হিয়া ঢাকুৰী কান্দিবলৈ ধৰিলে, এই মুহূৰ্তত পৃথিৱীৰ কোনো শক্তিয়েই তাইৰ কান্দোনত বাধা দিব নোৱাৰে।

(২)

- 'দাদা এইফালে, মোক পাঁচ টকাৰ দিয়ক।'

- 'মোক দহ টকাৰ।'

- 'মোক প্ৰথমে দহ টকাৰ দিয়কচোন .....।'

- 'ক্ৰিং, ক্ৰিং, ক্ৰিং' ........ মোবাইল ফোনটো হঠাৎ বাজি উঠাত নগেনে কাম বন্ধ কৰি সহঁৰি জনালে - 'হেলউ'। আৰু তাৰ ঠিক পিছ মুহূৰ্ততে তেওঁ তাৰ সকলো বস্তু এৰি দৌৰিবলৈ ধৰিলে। দোকানৰ সকলো গ্ৰাহক, আনকি বজাৰৰ মানুহেও কাম বন্ধ কৰি অবাক দৃষ্টিৰে তাৰ পিনে চাই ৰ'ল। কি হ'লনো এই মানুহজনৰ ! সকলো সময়তে হাঁহি মুখে থকা এই মানুহজন কাকো একো নোকোৱাকৈ কিয় এনেকৈ দৌৰিলে। মানুহবিলাকে যেন তাক মাতিবলৈকো পাহৰি গ'ল।

ঠিক সেই মুহূৰ্ততে ঘটনাটো ঘটিল। সন্মুখৰ পৰা আহি থকা ট্ৰাক এখনে সঁজোৰে নগেনক খুন্দিয়ালে; কোনেও তৰ্কিবই নোৱাৰিলে কি ঘটিল। কিন্তু পিছ মুহূৰ্ততে দেখা গ'ল নগেনৰ হৃদপিণ্ড বাটৰ কাষত পৰি আছে তাৰ দেহৰ পৰা সম্পূৰ্ণ বিচ্ছিন্নভাৱে। ৰাজআলি নগেনৰ কেঁচা তেজেৰে ৰাঙলী হৈ গৈছে। সকলো মানুহে নগেনৰ চাৰিওকাষে জুম বান্ধিলে।

বগা কাপোৰেৰে মেৰিওৱা অৱস্থাত সেইদিনা নগেনৰ দেহ ঘৰলৈ আহিছিল চৰকাৰী এম্বুলেঞ্চত উঠি। বাপেক-জীয়েক উভয়কে একে শাৰীত শুৱাই ৰখা হৈছিল। মালতীয়ে কান্দিবলৈ পাহৰি গৈছিল আৰু অৱশেষত তাই আকাশৰ পিনে চাই হাঁহিবলৈ আৰম্ভ কৰিছিল। সেইদিনাই বাঁহৰ চাঙত তুলি লৈ অহা মৃতদেহৰ পিছে পিছে তাই ঘৰৰ পৰা ওলাই আহিছিল। সেই দিন ধৰি তাই ঘৰত প্ৰৱেশ কৰা নাই।

এতিয়া তাই এই ঠাইডোখৰতে গোটেই দিন বহি থাকে। ঝড়, বৃষ্টি, ধুমুহা কোনেও তাইক বিচ্ছিন্ন কৰাব নোৱাৰে ইয়াৰ পৰা। তাইৰ এতিয়া কোনো নিৰ্দিষ্ট আশ্ৰয়স্থল নাই। তাই এতিয়া ফুটপাথৰেই বাসিন্দা। তাইৰ গিৰিয়েকে কৰা কৰ্মক তাই জীয়াই ৰাখিব বিচাৰে; তাই গিৰিয়েকক সন্মান কৰে। গিৰিয়েকক স্মৰণ কৰে তাইৰ এই অঘৰী জীৱন যাত্ৰাৰে। তাই নিতৌ পুৱা ইয়ালৈ আহি ধূলি-মাটি গোট খুৱাই গোটেইদিন চিঞৰে আৰু ৰাতি হ'লে তাইৰ গিৰিয়েক আৰু মাজনীক সৎকাৰ কৰা শ্মশানখনত শুই থাকে। এতিয়া এয়াই তাইৰ নিত্য নৈমিত্তিক ঘটনা। আৰু সকলোৱে কয় তাই এতিয়া পাগলী। হয়, মালতী এতিয়া পাগলী হ'ল। ■

## ।। আধুনিক ভাৰতীয় চুটি গল্প ।।

আধুনিক ভাৰতীয় চুটি গল্পই ঊনবিংশ শতিকাৰ শেষাৰ্ধত জন্ম লাভ কৰে। উড়িয়া ভাষাৰ 'লছমনীয়া' নামৰ চুটি গল্পটোকেই প্ৰথম ভাৰতীয় চুটি গল্প বুলি কোৱা হয়। চুটি গল্পটোৰ ৰচক হ'ল ফকীৰ মোহন সেনাপতি। বঙলাত চুটি গল্পৰ স্ৰষ্টা হ'ল ৰবীন্দ্ৰনাথ ঠাকুৰ। হিন্দী সাহিত্যত প্ৰেমচান্দৰ হাতত চুটি গল্পই প্ৰথম জন্ম লাভ কৰে। মুঠতে ১৮৯০ চনৰ পৰা ১৯১০ চনৰ ভিতৰত চুটি গল্পই জীৱন-জিজ্ঞাসা আৰু বেদনাৰ শিল্পৰূপ হিচাপে ভাৰতবৰ্ষৰ সৰ্বত্ৰতে জনপ্ৰিয় হৈ পৰে।

গল্প



# স্বপ্ন ভঙ্গ

শান্তা শৰ্মা
প্ৰাক্তন ছাত্ৰী

আকাশখন বহুদিনৰ পৰা ডাৱৰে আবৰি আছে। মোৰ মনটোৰ দৰেই,— মই ক'ব নোৱৰাকৈয়েই। আকাশখনে অবিৰাম চকুপানী টুকি আছে। মোৰো বৰকৈ মন গৈছে। পিছে মই চকুপানী টুকিব নোৱাৰোঁ। বহুত কথা মোৰ বুকু ভৰি আছে, মই কাকো ক'ব নোৱাৰোঁ। আগৰ দৰে মনৰ কথাবোৰ মই বগা কাগজত লিখি থ'ব নোৱাৰোঁ। মোৰ মন নেযায়। আগতে পঢ়া সময়বোৰত বহীৰ মাজত লুকুৱাই লুকুৱাই লিখা কথাবোৰত যেন কিবা এটা মাদকতা আছিল। সেই মাদকতা মই আৰু বিচাৰি নাপাওঁ। সেই মাদকতাৰ মাজেৰেই মই এদিন নিজকে বিচাৰি পাবলৈ যত্ন কৰিছিলোঁ। আনৰ ওচৰত নিজকে ধৰা দিবলৈ মই অকণো মন কৰা নাছিলোঁ। কিন্তু মোৰ সেই মনটো ভুল বুলি মই আজি ভালদৰে বুজি পাইছোঁ। মোৰ আজি সকলোৰে ওচৰত অভিযোগ কৰিবলৈ মন গৈছে। কিন্তু মই নোৱাৰোঁ—মই কেতিয়াও নোৱাৰোঁ।

চুমিয়ে কান্দিছে। মই তাইক কান্দিবলৈ দিছোঁ। অপৰাই মোৰ ওপৰত অভিযোগ কৰিছে। মই বাধা দিয়া নাই। অন্তৰাই মোক তাইৰ তালৈ নিবলৈ বিচাৰিছে। মই যাবলৈ বিচৰা নাই। পমিও হয়তো আহি পাব। পঢ়া ক্ষতি কৰি অহাটো মই বিচৰা নাই।

আকাশখন গোমা হোৱাৰ দিনাৰে পৰা মোৰ বাঁওহাতখন অৱশ হৈ গৈছে। অন্তৰা বহু দিনৰ মূৰত ঘৰলৈ আহিছিল। অন্তৰাৰ কেঁচুৱাজনীক মই দাঙি ল'ব খুজিছিলোঁ। অলপমান উঠাই লোৱাৰ পিছত মই হঠাতে কেঁচুৱাজনীক মোৰ হাতৰ পৰা বিছনাৰ ওপৰত পেলাই দিছিলোঁ। তাই কান্দিছিল। অন্তৰা দৌৰ মাৰি আহিছিল। মই একো ক'ব পৰা নাছিলোঁ। মাথোঁ নীৰৱে বহি পৰিছিলোঁ। কিছু সময়ৰ পিছত ডাক্তৰ আহি যোৱাৰ পিছত মই গম পাইছিলোঁ যে মোৰ এই হাতখন আৰু কেতিয়াও কামত লগাব নোৱাৰোঁ। মই ভাঙি পৰিব লাগিছিল, নপৰিলোঁ। কান্দিব লাগিছিল, নেকান্দিলোঁ। মুঠতে মই কি কৰিব লাগিছিল সকলো পাহৰি গ'লোঁ।

মোৰ খবৰ শুনি চুমি আহিল, অমৰ আহিল। পমিলৈ খবৰ দিয়া হ'ল। মই ক'ব নোৱাৰাকৈয়েই। ঘৰখন ভৰি উঠিছে। মোৰ দায়িত্বপূৰ্ণ জীৱনটোৰ পৰা মোক মুক্ত কৰিবলৈ যেন সকলোৰে এক প্ৰচেষ্টা চলিবলৈ আৰম্ভ কৰিছে। মোৰ কৰিবলগীয়া কামবোৰৰ পৰা সিহঁতে মোক ক্ৰমান্বয়ে ৰেহাই দিবলৈ আৰম্ভ কৰিছে। আৰু মই সেইদিনাখনৰে পৰা কেৱল ভাবিছোঁ, মাথোঁ ভাবিছোঁ। চুমি, অপৰা আৰু অন্তৰালৈ চাই মই মোৰ পাৰ হৈ যোৱা জীৱনটোক নতুনকৈ চাবলৈ যত্ন কৰিছোঁ। ইমানদিনে একো নথকা যেন লগা মোৰ জীৱনটোত মই বহুতো কিবাকিবি দেখিবলৈ আৰম্ভ কৰিলোঁ। কোনোদিনেই নেদেখা মোৰ মাৰ কথা, মোৰ জীৱনৰ গতি সলাই দিয়া মোৰ দেউতাৰ কথা, চুমি, অপৰা, অন্তৰা আৰু পমিৰ মাক অৰ্থাৎ মোৰ মাহীআইৰ কথা, মোৰ জীৱনটোত প্ৰভাৱ পেলাব পৰা আৰু বহুতো কথা।

মোৰ অলপ মনত পৰে আমাৰ চ'ৰাঘৰত এজনী গোসাঁনীৰ ফ'টো আছিল। অৱশ্যে কি গোসাঁনীৰ ফ'টো আছিল, মই তেতিয়া নাজানিছিলোঁ। মাথোঁ ফ'টোখনত থকা মৰহা ফুলৰ মালাধাৰি আৰু দেউতাই কেতিয়াবা মোক তাত সেৱা কৰিবলৈ দিয়াৰ পৰা এইটো অনুমান কৰিছিলোঁ। অলপ বুজিব পৰা হোৱাত মই মন কৰিছিলোঁ যে মোৰ বাহিৰে তাত কোনেও সেৱা নকৰে। কিন্তু চুমিক কোলাৰ পৰা পেলাই এসাজ ভাত খাবলৈ নেপাই কান্দি থকা মোক সাৱটি ধৰি দেউতাইয়ো এদিন সেই গোসাঁনীক কিবা প্ৰাৰ্থনা কৰিছিল আৰু এদিন মই সেই ফ'টোখন চ'ৰাঘৰৰ সলনি ঢেঁকীশালত আৱিষ্কাৰ কৰিছিলোঁ। মোৰ গোঁসানীৰ এনে অৱস্থা হোৱাত মই বৰ দুখ পাইছিলোঁ। কিন্তু সেইখন বুটলি অনাৰ সাহস মোৰ হোৱা নাছিল। এদিন সেই ফ'টোখন উঁৱলি নাইকিয়া হৈ যোৱাৰ পিছত মই গম পাইছিলোঁ, সেইয়া মোৰ 'নিজৰ মা'ৰ ছবি আছিল। তেতিয়ালৈ ছবিখনত থকা গোসাঁনীৰ মুখখন মই মনত পেলাব নোৱৰা হ'লোঁ।

মোৰ মনত পৰে আমাৰ ওচৰতে থকা অলীবাহঁতৰ ঘৰখনৰ কথা। মনত পৰাৰে পৰা মই সুবিধা পালেই সিহঁতৰ ঘৰলৈ গৈছিলোঁ। সিহঁতৰ মৰমবোৰৰ বাহিৰেও মোৰ এক বিশেষ আকৰ্ষণ আছিল পলিবা, অলীবাহঁতে খেলি পেলাব খোজা এটা কাপোৰৰ পুতলা। সেই পুতলাটোৰ কথা মনত পৰিলে এতিয়াও মোক নিজকে বহুত সৰু যেন লাগে। পুতলাটো অকণো ধুনীয়া নাছিল। অলীবা, পলিবাহঁতে গা-পা ধুৱাই পুতলাটোক এক বিকৃত ৰূপ দিছিল। পুতলাটোৰ মূৰটো ইফালে সিফালে হালি পৰিছিল আৰু মূৰৰ চুলিবোৰ উঠি গৈছিল। কিন্তু মোৰ বৰ ভাল লাগিছিল, পুতলাটোক মোৰ বৰ মৰম লাগিছিল। পুতলাটোৰ প্ৰতি থকা মোৰ হেঁপাহ দেখি অলীবাহঁতৰ মাক বৰমাই মোক নতুন পুতলা বনাই দিছিল। কিন্তু এইবোৰে সেই পুতলাটোৰ প্ৰতি থকা মোৰ মোহ অকণো কমাব পৰা নাছিল। অলীবাৰ ভায়েক জানদাদাই সেয়ে মোক এদিন জোকাইছিল, "চাবি চেৰী, তই পুতলাজনীৰ নিচিনা নহ'লেও ৰক্ষা।" বৰমা সন্ত্ৰস্ত হৈ উঠিছিল আৰু জানদাদাক ধমকি দিছিল, "জান, এইবোৰ কথা কেতিয়াও নক'বি। বেচেৰী মাক নাইকিয়া ছোৱালী। সদায় তাইৰ ভালটো কামনা কৰিবিচোন।" মই হ'লে একো বুজা নাছিলোঁ। একো গুৰুত্ব দিব পৰা হোৱা নাছিলোঁ। মাক নাইকিয়া ছোৱালী কেনে বস্তু মই একো নাজানিছিলোঁ। কিন্তু ঘৰত থকা মা-জনীক হ'লে মই অকণো ভাল পোৱা নাছিলোঁ। মা আচলতে কি বস্তু মই কেতিয়াও নাজানিছিলোঁ। মোৰ প্ৰতি থকা ঘৰখনৰ উদাসীনতাকে মই ঘৰৰ মোহ বুলি ভাবিছিলোঁ। পিছলৈ চুমি, অপৰা, অন্তৰা আৰু পমিৰ পৰাহে মই বহুতো কথা বুজি পাইছিলোঁ।

পমিৰ পাছত আৰু এজনী ভনী জন্ম দিবলৈ গৈ আমাৰ ঘৰত থকা মা-জনী ঢুকাইছিল। আমি কোনেও কন্দা নাছিলোঁ। কিন্তু ভনী চাৰিজনীৰ দায়িত্বৰ কথা মই ঠিকেই বুজি পাইছিলোঁ। মই তেতিয়া স্কুলত ফ্ৰক এৰি মেখেলা-চাদৰ পিন্ধিবলৈ লৈছিলোঁ। তিনিবছৰীয়া পমি আৰু তিনিজনী কাণসমনীয়া ভনীৰ লেঠা সামৰি স্কুল পাবলৈ মোৰ বৰ কষ্ট হৈছিল। আনকি ঘৰত কামকৰা বাইজনীয়েও তাইৰ ইচ্ছামতে কাম কৰিবলৈ আৰম্ভ কৰিছিল। পিছৰ বছৰবোৰত লাহে লাহে মোৰ ৰোল নম্বৰে তলৰফালে গতি কৰিবলৈ লৈছিল আৰু এদিন কোনোদিনে নভবা আশাহীন ৰিজাল্ট এটা লৈ মই মেট্ৰিকৰ দেওনাখন পাৰ হৈছিলোঁ। কিন্তু ইতিমধ্যে দেউতাও আমাৰ ওচৰৰ পৰা আঁতৰি গৈছিল। কোনোবাদিনা সকলোবোৰকে এৰি আঁতৰি যাম বুলি ভাবি থকা মোৰ দৃঢ়তাক দেউতাৰ মৃত্যুয়ে থানবান কৰি দিলে। চকুলোৰে তিতা মোৰ ভনীকেইজনীৰ কোমল মুখকেইখনলৈ চাই মই মোৰ নিজৰ ভবিষ্যতৰ কথা পাহৰি যাবলৈ যত্ন কৰিলোঁ। মই মোৰ নিজৰ বয়সৰ কথাও পাহৰি গ'লোঁ। মোৰ ওপৰত ক'ব নোৱৰাকৈয়েই পৰি যোৱা দায়িত্ববোৰে মোক গাভৰু জীৱনটোৰ কথা পাহৰি পেলাবলৈ বাধ্য কৰালে।

আচলতে মই কাণসমনীয়া তিনিজনী গাভৰু ভনীক লৈ এইখন পৃথিৱীত জীয়াই থকাৰ আশা একেবাৰে হেৰুৱাই পেলাইছিলোঁ। সেয়ে হাততে পোৱা দেউতাই কৰা স্কুলৰ চাকৰিটো মই এৰি দিব নুখুজিলোঁ। পমিলৈ মই চিন্তা কৰা নাছিলোঁ। তাই বহুত সৰু আছিল। কিন্তু চুমি, অপৰা আৰু অন্তৰালৈ চাই মই বহুতো কথাই ভাবি পেলাইছিলোঁ। তথাপিও ঘৰখন মই সুচাৰুৰূপে চলাই যাবলৈ ধৰিছিলোঁ। মাক-দেউতাক লগতে বায়েকৰ মৰম আৰু কৰ্তৃত্বৰে মই সিহঁতক মানুহ কৰি তুলিবলৈ যত্ন কৰিলোঁ। কিন্তু যিদিনাই মই অপৰাক একেলগে পৰাগৰ লগত আৱিষ্কাৰ কৰিলোঁ,

সেই দিনাই মই অনুভৱ কৰিলোঁ ইহঁতৰ প্ৰতি মোৰ আন এটি দায়িত্ব আহি পৰিছে। মোৰ স্কুলৰ টকাকেইটা, দেউতাৰ পেঞ্চনৰ টকাকেইটা আৰু লগতে দেউতাই সম্বল হিচাপে থৈ যোৱা অ'ৰ ত'ৰ মাটি কেইটুকুৰা বেচি মই ইহঁতক বিয়া দিবলৈ ঠিক কৰিলোঁ।

চুমিক এৰি অপৰাক আগতে উলিয়াই দিবলৈ মই খোজা নাছিলোঁ। বহুতো ভাবি-চিন্তি মই দুৰু দুৰু অন্তৰেৰে অমৰৰ ওচৰলৈ গৈছিলোঁ। হঠাৎ অমৰ ..... অমৰৰ কথা মনত পৰাত যেন মোৰ মনৰ আৰু এখন দুৱাৰেই খোল খাই গ'ল। কোনোদিনে এইবোৰ কথা নভবাৰ মনোভাব লোৱা সত্ত্বেও যেন বহু কথাই মোৰ মনত অজানিতে আহিবলৈ আৰম্ভ কৰিলে।

অমৰৰ লগত মোৰ সম্বন্ধ কেনেকুৱা আছিল মই ঠিক বুজাব নোৱাৰোঁ। সৰুৰে পৰা একেলগে ডাঙৰ হৈ স্কুলত একেখন বেঞ্চতে বহিবলৈ আৰম্ভ কৰি তাৰ লগত মোৰ যি সম্বন্ধ গঢ়ি উঠিছিল, তাক আমাৰ বাহিৰে কোনেও বুজিব নোৱাৰিছিল। ৰং-ধেমালি, মান-অভিমানৰ মাজেৰে যেন আমাৰ বন্ধুত্ব দিনে দিনে গাঢ় হৈ পৰিছিল। লাহে লাহে আমি ডাঙৰ হৈছিলোঁ, কিন্তু বন্ধুত্বৰ সম্বন্ধত ল'ৰালিৰ চাপ আঁতৰা নাছিল। ঘৰখনত মুখেৰে মাত নমতা মইজনীয়ে তাৰ লগতনো কেনেকৈ ইমান কথা পাতিছিলোঁ, কাজিয়া কৰিছিলোঁ, কান্দিছিলোঁ নিজেই ক'ব পৰা নাছিলোঁ। ডাঙৰ হৈ অহাৰ লগতে আমাৰ মনবোৰো ডাঙৰ হৈ আহিছিল। কিন্তু আমাৰ কোনোবাটোৰ মন কোনোবাটোৰ প্ৰতি দুৰ্বল হৈ পৰাটো আমি হয়তো বিচৰা নাছিলোঁ। বিচাৰিছিলোঁ মাথোঁ অকৃত্ৰিম মৰম, ভালপোৱা আৰু বন্ধুত্ব। য'ত প্ৰেমৰ গোন্ধ নাই, আছে মাথোঁ নিষ্কলুষ কিছুমান মৰম। যাৰ লগত কামনাৰ অকণো পৰিচয় নাই। অৱশ্যে ল'ৰা-ছোৱালীবোৰে আমাৰ এই সম্বন্ধটো সহজে, সাধাৰণভাৱে ল'ব পৰা নাছিল। সেয়ে কিছুমান মন্তব্যত অতিষ্ঠ হৈ অমৰে কৈ উঠিছিল, 'শুনিছ চেৰী, কথাবোৰ শুনিছ? কিবা এটা কৰিব লাগিব।' 'কি কৰিবি আৰু' - মই নিৰ্লিপ্ত স্বৰে তাক বাধা দিছিলোঁ। 'ক'বলৈ ভাল পাইছে যদি ক'বলৈ দে। আমি ঠিকে থাকিলেই হ'ল।'

এৰা ঠিকেই আছিলোঁ। কিন্তু ক'ৰপৰা যে কি হৈ গ'ল। দৃঢ়তাবোৰ যেন পানী হৈ গ'ল। অমৰৰ মনত মোৰ প্ৰতি থকা মৰমবোৰ যেন লাহে লাহে আন ধৰণে প্ৰকাশ পাবলৈ ধৰিলে। মই যেন হাৰি যাব খুজিলোঁ। অমৰৰ কথা-বতৰাই মোক বিমোৰত পেলাবলৈ আৰম্ভ কৰিলে। লাহে লাহে অমৰৰ লগত আগৰ দৰে মুকলি মনেৰে কথা পাতিবলৈ মোৰ বৰ ভয় লগা হ'ল। ঘৰখনৰ দায়িত্বৰ অজুহাতত মই তাৰপৰা আঁতৰি থাকিবলৈ আৰম্ভ কৰিলোঁ। কিন্তু লগ পালেই অলপ সময়ৰ বাবেও কাজিয়া কৰিবলৈ নেৰিলোঁ। কিয়নো অমৰক লগ পালেই মই অস্থিৰ হৈ পৰিছিলোঁ, বুকুখন ঢক্‌ঢক্‌কৈ মাৰিবলৈ আৰম্ভ কৰিছিল। সেয়ে আন কথাৰ সুৰুঙা দিয়া নাছিলোঁ।

- 'অই, আজি তই নমিতাক জোকাইছিলি কিয়? দুদিন পিছত ডাক্তৰ হ'বি নহয়?' স্কুলৰ পৰা ওলায়েই মোৰ চিধা প্ৰশ্ন। কিন্তু অমৰ দমি যোৱা নাছিল। 'তইয়ো তাইৰ নিচিনাকৈ মুখত এসোপামান ৰং ঘঁহিবি, তোকো জোকাম, হ'ব?' মোৰ হাঁহি উঠা সত্ত্বেও কৃত্ৰিম গম্ভীৰতাৰে তাক ধমকি দিছিলোঁ, 'লোকৰ ছোৱালীয়ে ৰং ঘঁহিছে। তোৰ কি হ'ল?'

- 'কি হ'ব আৰু! নকওঁ দে। তই যিহে অভং।' —সি মুখ ভেঙুচাই কৈছিল।

- 'অই, চুলি এডালো নাথাকিব।' —মোৰ এইবাৰ খং উঠিছিল।

- 'ভালেই হ'ব। তেতিয়া মই সকলোকে কম, সাৱধান, এই ছোৱালীয়ে চুলি চিগে। তেতিয়া তোৰ কি গতি হ'ব? কোনে বিয়া কৰাব?' অমৰৰ ভেঙুচালি বাঢ়ি গৈছিল।

- 'পগলাৰ লগত কোনে কথা পাতে!' —মই উচাট্ মাৰি যাবলৈ ওলোৱাত অমৰে চিঞৰিছিল।

- 'অই, শুনছোন।'

- 'কি হ'ল?' —তাৰফালে নোচোৱাকৈ মই উত্তৰ দিছিলোঁ।

- 'আমি সদায় এইদৰে কাজিয়াই কৰি থাকিম নেকি অ'?'

অমৰৰ কোমল কথাষাৰৰ উত্তৰত মই আৰু গহীন হৈ কৈছিলোঁ, 'অ' মইতো সাজু আছোঁ।' কিন্তু অমৰে কিছু গহীন হৈ কৈছিল, 'নহয় অ'। কেতিয়াবা তোৰ লগত মোৰ কিছুমান ধুনীয়া ধুনীয়া কথা পাতিবৰ মন যায়। তোৰ মনৰ কথা। মোৰ মনৰ কথা...'

- 'মই ইমান পেন্‌পেনীয়া কথা শুনি বেয়া পাওঁ। তোৰ যদি ইমান ক'বলৈ মন গৈছে যা, আমাৰ চকীদাৰৰ কালৰী ঘৈণীয়েকজনীকে ক'গৈ, যা। অইন নহ'লেও তাই তোৰ মুখৰ অঙ্গী-ভঙ্গীবোৰকে চাই ভাল পাব।' মই চিঞৰি উঠিছিলোঁ।

- 'অই, দাঁত এটাও নথওঁ।' অমৰৰ খং উঠাত মই স্ফূৰ্তি পাইছিলোঁ।

- 'মইয়ো তোৰ কথাখিনিকেই ক'ম। তোক তেতিয়া কোনে বিয়া কৰাব?' অমৰৰ লগত মই যেন স্বাভাৱিক হৈ পৰিছিলোঁ। মোৰ অস্থিৰতা কমি গৈছিল আৰু অমৰৰ প্ৰতি থকা মোৰ ভয়টো লাহে লাহে আঁতৰি যাবলৈ আৰম্ভ কৰিছিল। তাক মোৰ আগৰ







(সৰুৰ) দৰে লাগি গৈছিল।

মোৰ ভাল লাগিছিল মই বিচৰা ধৰণে অমৰক পোৱা বাবে। আচলতে মই কেতিয়াও ভাবিব পৰা নাছিলোঁ অমৰৰ প্ৰতি থকা মোৰ মৰমবোৰ, মোৰ ভালপোৱাবোৰ সৰ্বসাধাৰণ ডেকা-গাভৰুৰ মাজত হোৱা প্ৰেমলৈ পৰিণত হওক। মই অমৰক বিচাৰিছোঁ সকলোবোৰ হেৰাই যাব খোজা মোৰ জীৱনটোৰ এজন সঁচা শুভাকাংক্ষী হিচাপে। কল্পনাবোৰ বাস্তৱত পৰিণত হোৱাৰ দৰেই লাহে লাহে অমৰক মই পাইছিলোঁ মই বিচৰা ধৰণেৰেই। জীৱন যুঁজত আগবাঢ়ি যাওঁতে মই অমৰৰ সহায় ল'বলৈ মনস্থ কৰিছিলোঁ। মোৰ ভাল লাগিছিল।

কিন্তু অলীবাৰ বিয়াৰ দিনা অমৰে মোক, মোৰ মনটোক বিশ্বাসঘাতকতা কৰি পেলাইছিল। ইমানদিনৰ পিছতো অমৰে মনটোক পৰিবৰ্তন কৰিব নোৱাৰিলে। অমৰে বিচৰাখিনি পাবলৈ দৃঢ়প্ৰতিজ্ঞ নেকি? মই একো ভাবিব পৰা নাছিলোঁ। মই কেতিয়াও আশা নকৰা অমৰৰ ভাব-ভঙ্গীবোৰে মোক অস্থিৰ কৰি তুলিছিল। থাকি থাকি যেন মই কঁপি উঠিছিলোঁ। বহুদিনৰ মূৰত লগ পাই মই অমৰৰ লগত বহুতো কথা পাতিম বুলি গৈছিলোঁ। কিন্তু মোৰ চকুলৈ চাই থকাৰ বাহিৰে অমৰৰ যেন আন একো কাম নাছিল। তাৰ চকুত মই বহুতো প্ৰশ্ন দেখা পাইছিলোঁ, যিবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মই অপৰাগ। মোৰ বৰ ভয় লাগিছিল। সেই পৰিস্থিতি আয়ত্তলৈ মই আনিব পৰা নাছিলোঁ। সেয়ে মনে মনে বহি আছিলোঁ।

- 'কিছুমান কথা কথা লগা কবিতা, কিছুমান কবিতা কবিতা লগা কথা—' ৰূপাক মাথোঁ কৈ গৈছিল।

- 'ঐ, বাদ দে তোৰ লেক্‌চাৰ। অইন কিবা কথা আছে যদি ক, নহ'লে চুপ্ থাক। মই এইবোৰ পাণ কৰিব নোৱাৰোঁ।' ৰূপকৰ কথাত আমনি পাই মই চিঞৰি উঠিছিলোঁ। অমৰ থকাত মই এনেয়েই অস্থিৰ হৈ আছিলোঁ।

- 'চেৰী,তই তাক তেনেকৈ ক'লি কিয়? সি গুচি গ'ল নহয়?' —অমৰৰ যেন মুখৰ মাত ওলাল।

- 'তয়ে শুনি নেথাকিলি কিয় বাহিৰলৈ লৈ গৈ। মই নোৱাৰোঁ এইবোৰ শুনিব। অ'ৰ ত'ৰপৰা এসোপা ভাষা শিকি বৰ কবিৰাজ ওলাইছে। ল'ৰা ল'ৰাৰ নিচিনাকৈ থাকিব লাগে। তাকে নকৰি কিহৰ ইমান পেক্‌পেক্‌নি।' মোৰ কথাত অমৰে একো নামাতিলে। মোৰো বুকুৰ পৰা কিছু বোজা নামি যোৱা যেন লাগিল। অমৰৰ লগত কথা পাতিবলৈ মোৰ যেন মন গ'ল। কিন্তু গম্ভীৰতা এৰিবলৈকো মন নগ'ল।

- 'তাৰ কথাবোৰ তই নুশুনিলি কিয়?'

- 'মই ভাল নাপাওঁ।' —অমৰৰ কথাত মই কৈ উঠিছিলোঁ।

- 'মোৰ কথাবোৰ?' —অমৰৰ সৰু সৰুকৈ কোৱা কথাবোৰ শুনি মোৰ আগৰ দিনবোৰলৈ ঘূৰি যোৱা যেন লাগিছিল। সেয়ে কৃত্ৰিম খঙেৰে উত্তৰ দিছিলোঁ, 'তোৰ কথা শুনিও কেতিয়াবা আমনি লাগে।'

- 'কিন্তু চেৰী, তই যে মোৰ কথাবোৰ চিৰদিনেই মোৰ ওচৰত থাকি শুনি থাকিব লাগিব। তেতিয়া কি কৰিবি?' অমৰৰ কথাত মই বৰ বেয়াকৈ ভয় খাই গ'লোঁ। তাৰ মনটো কি হ'ল বাৰু? মই নতুনকৈ ভাবিবলৈ আৰম্ভ কৰিলোঁ। মুহূৰ্তৰ ভিতৰতে মই বহুতো কথাই ভাবি পেলালোঁ। কেতিয়াও নেদেখা ভগৱানক প্ৰাৰ্থনা কৰিলোঁ অমৰৰ ভাববোৰ মিছা হওঁক। সেয়ে আৰু কোনো কথাৰ অৱতাৰণা নকৰি মই কাকোকেই নমতাকৈ ঘৰলৈ গুচি আহিছিলোঁ। কোনোবাই ভাল পাব, বেয়া পাব পৰাকৈ কাৰোবাৰ লগত যে মোৰ কিবা সম্বন্ধ আছে মই পাহৰি গৈছিলোঁ।

আচলতে অমৰে মোক এনে এটা বান্ধত বান্ধ খুৱাই পেলাইছিল যে মই নিজকে এটা সাঁথৰ যেন অনুভৱ কৰিছিলোঁ। যি সাঁথৰৰ উত্তৰ নাই। মোৰ মনৰ এটা অংশই অমৰৰ প্ৰতি মোক দুৰ্বল কৰি পেলাব খুজিছিল, কিন্তু অধিকাংশই যেন চিঞৰি উঠিছিল, 'নহয়, নহয়। ই সম্ভৱ নহয়।' মই একো ঠিক কৰিব পৰা নাছিলোঁ। মোৰ বুকুখনত যেন প্ৰচণ্ড জুই একুৰা জ্বলিছিল। মোৰ ভনীকেইজনীৰ কোমল, নিষ্পাপ মুখকেইখন চাই চাই মই মাথোঁ চিন্তা কৰিছিলোঁ আৰু অসহায় হৈ কান্দি পেলাইছিলোঁ। আৰু এদিন কেবাদিনো উজাগৰী নিশা কটোৱাৰ পিছত মই তাক খোলাখুলিকৈ জনাই দিলোঁ যে ই সম্ভৱ হ'ব নোৱাৰে, কেতিয়াও নোৱাৰে। মই তাক ভাল পাওঁ, সদায়েই পাম। কিন্তু এইদৰে নহয়। অমৰৰ সেইদিনাৰ শেঁতাপৰা মুখখন মনত পৰিলে মোৰ আজিও বুকুখন কেনেবা লাগি যায়। তাৰ পিছত বহুদিনলৈ মই অমৰক দেখা পোৱা নাছিলোঁ, তাৰ কোনো ধৰণৰ খবৰ লোৱা নাছিলোঁ। কেবাবছৰৰ পিছত মই এদিন তাক ইয়াতেই লগ পালোঁ। সি বহুত ডাঙৰ হৈ গৈছিল। চাকৰি জীৱন আৰম্ভ কৰিছিল। আমাৰ পুৰণি ভয়লগা কথাবোৰৰ কোনো উল্লেখ নোহোৱাকৈ আগৰ বন্ধুত্ব আকৌ গঢ়ি উঠিছিল। মোৰ ওপৰত পৰি যোৱা সমস্যাবোৰ আঁতৰাবলৈ সি মোক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। বহু দিনৰ

মূৰত মোৰ মনটো আকৌ ভৰি পৰিছিল।

গতিকে চুমিৰ ভৱিষ্যতৰ বাবে যেতিয়া মই এদিন ভাবিবলগীয়া হ'ল , তেতিয়া অমৰতকৈ বেলেগ ল'ৰাৰ কথা মই ভাবিব নোৱাৰিলোঁ। সেয়ে দুৰু দুৰু অন্তৰেৰে মই অমৰৰ ওচৰলৈ গৈছিলোঁ। তাক বুজাই কৈছিলোঁ মোৰ অসহায়ৰ কথা, মোৰ আশাবিহীন জীৱনটোৰ কথা। মোৰ চকুলৈ বহু সময় চাই থকাৰ পিছত অমৰে সন্মতি জনাইছিল। মই তালৈ চাই থাকিব পৰা নাছিলোঁ। কিন্তু মোক পুতৌ কৰিয়েই হওক বা মৰম কৰিয়েই হওক অমৰৰ লগত থকা মোৰ মিলখিনিক ভুল বুজিয়েই হয়তো চুমিয়ে এদিন অমৰক লৈ এইখন ঠাই এৰি গুচি গ'ল। মোৰ ভৰি উঠা মনটো সম্পূৰ্ণ নহ'ল। আৰু মোৰ মনৰ পৰা এই চাপ আঁতৰাৰ আগেয়েই অপৰাই তাইৰ কথা ভাবিবলৈ নিদি নিজেই গুচি গ'ল। মাত্ৰ এখন চিঠিত মোক আৰু কষ্ট দিয়াতকৈ এইদৰে গুচি যোৱাই ভাল বুলি লিখি থৈ গ'ল। মই মাথোঁ কোনেও গম নোপোৱাকৈ তাইলৈ গঢ়াই থোৱা অলঙ্কাৰ কেইপদ হাতত লৈ সেইদিনা খুব কান্দিছিলোঁ। মোৰ আয়ত্বৰে চুমিৰ নিচিনাকৈ তাইকো কইনা সজাবলৈ মোৰ বৰ মন আছিল। ক'ব নোৱাৰাকৈয়েই যেন চুমি, অন্তৰা আৰু পমিতকৈ অপৰাৰ প্ৰতি মোৰ মৰম অলপ বেছিআছিল।

অন্তৰা আৰু পমিক মানুহ কৰাৰ একান্ত আগ্ৰহত বুৰ গৈ থকাৰ মাজতো মই অনুভৱ কৰিছিলোঁ অন্তৰাও বেছিদিন মোৰ ওচৰত থাকিব নোৱাৰে। আৰু সঁচাকৈয়ে এদিন জয়ন্তক মোৰ আগলৈ আনি তাইয়ো আঁতৰি যাবলৈ মোৰ অনুমতি বিচাৰিছিল। অন্তৰাৰ নিচিনাকৈ মই তাইক যাবলৈ নিদিলোঁ। কইনা সজাই তাইকো মই উলিয়াই দিলোঁ। অপৰালৈ গঢ়াই থোৱা অলঙ্কাৰ কেইপদ অন্তৰাক দিবলৈ উলিয়াইও মই দিব নোৱাৰিলোঁ। সেইবোৰ কেতিয়াবা লগ পালে অপৰাক দিম বুলি মই থৈ দিছিলোঁ। ..... কিন্তু প্ৰায় দুবছৰৰ মূৰত যেতিয়া অপৰা মোৰ ওচৰলৈ ঘূৰি আহিছিল, তেতিয়া তাই আৰু অলঙ্কাৰ পিন্ধিব পৰা অৱস্থাত নাছিল। শুধ বগা সাজজোৰেৰে মোক সাৱটি ধৰি তাই সেইদিনা খুউব কান্দিছিল। কেতিয়াবা অপৰাক লগ পালে অভিমান কৰিম বুলি ভাবি থকা মোৰ মনটোক মই সেইদিনা নিজেই অভিশাপ দিছিলোঁ। তাৰ প্ৰায় তিনিমাহমানৰ পাছতেই অপৰাৰ ল'ৰা এটা হ'ল । বুলবুল। নীৰৱতাৰে ভৰা আমাৰ ঘৰখন সৰৱ হৈ পৰিল। মোৰ মনটো এক অনাবিল আনন্দই ভৰাই পেলাইছিল। ইমান আনন্দ মই কেতিয়াও পোৱা নাছিলোঁ।

ইতিমধ্যে অপৰাই চাকৰি এটা যোগাৰ কৰি লৈছিল। আগৰ চঞ্চল অপৰাজনী গহীন হৈ পৰিছিল। আৰু ডাঙৰ বায়েকৰ নিচিনাকৈ কৰ্তৃত্ব বহন কৰি তাই মোক বিয়া দিবলৈ, মোৰ বিয়া পাতিবলৈ ঠিক কৰিছিল। মই একো কোৱা নাছিলোঁ। মাত্ৰ অপৰাৰ দায়িত্বপূৰ্ণ ভাব-ভঙ্গীলৈ চাই হাঁহিছিলোঁ। মই একো ঠিক কৰিব পৰা নাছিলোঁ। কিন্তু যিদিনা এটা সন্তানৰ মাক অপৰা কেইটামান বৰ্বৰ ডেকাৰ অশালীন কটুবাক্যত জৰ্জৰিত হৈ চকুলো বোৱাই ঘৰ পালেহি, সেইদিনাই মই ঠিক কৰিলোঁ মই ইহঁতক এৰিব নোৱাৰোঁ। মোৰ নিজৰ ভৱিষ্যতৰ কাৰণে মই অপৰা আৰু তাইৰ সন্তানৰ ভৱিষ্যত ধূলিৰ লগত মিহলাই দিব নোৱাৰোঁ। আৰু পমি, তাইকতো অন্ততঃ মই পথ দেখুৱাই দিব লাগিব। এখন সমাজত আজিৰ সময়ত পাঁচজনী ছোৱালীৰ দায়িত্ব লোৱাৰ ভয়ত আমাৰ 'নিজৰ' মানুহবোৰ আমাৰ পৰা আঁতৰি গৈছিল। গতিকে এই চেলেঞ্জ মই পূৰণ কৰিবই লাগিব। সেয়ে অপৰাৰ নানান কন্দা-কটা, শপত আদিক আওকাণ কৰি মই মোৰ গতিপথ ঠিক কৰি পেলালোঁ।

পমিক মই ইঞ্জিনীয়াৰিং পঢ়িবলৈ পঠিয়াইছোঁ। অপৰা আৰু মই লগ হৈ আমাৰ জীৱনবোৰত অলপ ৰং সানিবলৈ যত্ন কৰিছিলোঁ। পমি আৰু বুলবুলৰ মাজেৰে মই মোৰ জীৱনৰ সপোনবোৰক বাস্তৱত ৰূপ দিবলৈ যত্ন কৰিছিলোঁ। চুমি, অপৰা, অন্তৰা, পমি কাৰো ওচৰতেই মোৰ কোনো অভিযোগ নাছিল। মই মাথোঁ মোৰ নিৰ্দিষ্ট গতিপথেৰেই আগবাঢ়ি যাব খুজিছিলোঁ। ক'ব নোৱাৰাকৈ, ক'তো অকণো খুঁত নথকাকৈ মই মোৰ জীৱনটো পাৰ কৰিবলৈ মন কৰিছিলোঁ। কিন্তু .....

- 'চেৱী, ভিতৰলৈ আহ। চাওঁ, মই ধৰিছোঁ। ইমান চেঁচাত বাহিৰত বহি আছ ! কি ভাবিছিলি ?' অমৰৰ মাতত মই উচপ খাই উঠিলোঁ। কাষত চুমি। অমৰক মোৰ আগতে কাজিয়া কৰি নিচুকাব অহা অমৰটো যেন লাগি গ'ল। অমৰলৈ চাই মই মাথোঁ নীৰৱে হাঁহিলোঁ। চুমিলৈ চালোঁ। তাইৰ চকুত দুটোপাল চকুলো, বহুত মৰম।

অমৰ আৰু চুমিয়ে মোক ভিতৰলৈ লৈ গ'ল। দেখিলো আমাৰ ডাঙৰ বিছনাখনত সকলোবোৰ বহি মোৰ কাৰণে বাট চাই আছে। কিন্তু মই যেন কাকোকেই চিনি পোৱা নাই। সিহঁত প্ৰত্যেকৰে মুখত যেন মই নিজকে দেখা পাইছোঁ। মোৰ জোৰকৈ হেঁচা মাৰি থৈ দিয়া আশা-আকাংক্ষাবোৰ যেন মই সিহঁতৰ মুখবোৰত দেখা পাইছোঁ। নিজকে মই আজি নতুনকৈ বিচাৰি পোৱা যেন লাগিল। আৰু বাধা দিবলৈ অশেষ চেষ্টা কৰা সত্বেও মই বহুদিনৰ মূৰত হুকহুকাই কান্দি পেলালোঁ। ■



গল্প



# দাগ

পাঞ্চালী সিন্হা
প্ৰাক্তন ছাত্ৰী

দুপৰীয়া বাৰ বজাৰ পিছত কেতেকীৰ আৰু এটা ক্লাছ আছিল। মাজত দুটা অফ্। বাৰান্দাৰ বেঞ্চখনত বহি প্ৰিয়া, ইন্দুহঁতৰ লগত তাই কথাৰ মহলা মাৰি আছিল। এনেতে মনিকাই চিঞৰি উঠিল "ৰামধেনু, ৰামধেনু !" গোটেইজাক ছোৱালীয়ে জুমি জুমি আকাশলৈ চালে। ৰঙা, নীলা, হালধীয়া, সেউজীয়া ৰংবোৰ এটা এটাকৈ খেলিমেলিকৈ মাতি মাতি হুলস্থূল আৰম্ভ কৰিলে।

- 'ব'ল ব'ল এতিয়া আৰু এল্ পি স্কুলৰ ছোৱালীৰ দৰে ৰামধেনুৰ ৰং মুখস্থ মাতি থাকিব নালাগে। বতৰটো বেয়া কৰিছে, বৰষুণ দিয়াৰ আগতে ঘৰা-ঘৰি যোৱাই ভাল।' ইন্দুয়ে আদেশৰ সুৰত কৈ উঠিল। এৰা, ফৰকাল আকাশখনত দূৰ-দূৰণিৰ পৰা উৰি অহা ডাৱৰৰ চপৰাবোৰ ছাটি ধৰিছে। বতাহজাক শুকান, ধূলিও উৰিছে। পিছৰ ক্লাছটোলৈ ইমান সময় ৰৈ থাকিব নোৱাৰি আৰু। আটাইজাক ছোৱালী যাবলৈ উঠিল।

কেতেকী আৰু ইন্দুৰ ঘৰ একেটা বাটেৰে যাব লাগে। কলেজৰ পৰা অলপদূৰ আহিয়েই কৃষ্ণৰ দোকানখন, তাৰ কাষতেই ওলমি আছে ৰঙা এটা ডাকবাকচ। কেতেকীৰ চিঠি এখন ডাকত দিবলগীয়া আছিল। তাই বেগৰ পৰা লেফাফাটো উলিয়ালে। দীঘল লেফাফা। টিকটৰ লানিটো দেখি ইন্দুয়ে হাতলৈ নি চালে। 'অ' তেখেতলৈ ? কিমান পৃষ্ঠা লিখিছ এইবাৰ?' কেতেকীয়ে হাঁহি দিলে। 'বাৰ পৃষ্ঠা।' ইন্দু বিশেষ আচৰিত নহ'ল। বৰুণলৈ লিখা আগৰ চিঠিবোৰ পোন্ধৰ পৃষ্ঠাৰ কম কেতিয়াও নহয়। কি যে লিখে ভগৱানেহে জানে। প্ৰথম দুখনমান চিঠি সিহঁতে পঢ়ি চাইছিল। বৰুণৰ জন্মদিনৰ দিনা কেতেকীৰ আঙুলিত পখিলা পৰাৰ ঘটনাটোও চিঠিত আছিল। উৰুৱাই দিলেও ঘূৰি ঘূৰি

আহি তাইৰ গাতেই বহেহি। গোটেইজাক ছোৱালীয়ে কেতেকীক সিদিনা জোকাই মাৰিছিল। এটা সৰু অথচ কিমান অৰ্থব্যঞ্জক ঘটনা। কেতেকীয়ে বৰ ৰস লগাই লিখে কথাবোৰ। প্ৰিয়াইতো কৈয়েই দিলে, “সাহিত্যিকৰ প্ৰেমত পৰি তোৰ ভাষাৰ যথেষ্ট উন্নতি হৈছে দেই, কেতেকী।” বৰুণৰ চিঠিবোৰ বৰ ধুনীয়া। ইন্দু আৰু প্ৰিয়াই তাৰ প্ৰত্যেকখন চিঠিয়েই পঢ়ি চায়। পঢ়িব নোৱৰা, লাজতে মনিব নোৱৰা এটা শব্দও দুয়োটাৰে চিঠিত পাবলৈ নাই।

ওচৰৰে কৃষ্ণৰ দোকানখনত চাৰি পাঁচটামান ল'ৰা বহি আছিল। কেতেকীক চিঠি পোষ্ট কৰা সিহঁতৰ চকুত পৰিল।

- 'কিহে, আজি কালি দেখোন কাৰোবাৰ কাৰোবাৰ বজাৰ বেলেগ গৰম।' —এটাই চিঞৰি উঠিল।

- 'হ'বই ভাই, আমাৰতো হাতত ডাঙৰ ডাঙৰ ঠিকাদাৰ নাই, লাগ বুলিলে সোণৰ আঙুঠি গঢ়াই দিবও নোৱাৰোঁ।' আন এটাই ক'লে।

- 'এইকেইটা দেখোন কমলৰ দলৰ ল'ৰা?' ইন্দুয়ে আচৰিত হৈ প্ৰশ্ন কৰিলে- 'ইহঁতে কেনেকৈ জানিলে অ' কেতেকী?' কেতেকীয়ে কি উত্তৰ দিব? গভীৰ অপমানবোধত তাইৰ বাকশক্তি ৰুদ্ধ।

- 'এই ল'ৰাবোৰ মহা সাংঘাতিক বুজিছ। ক'ৰ কথা কেনেকৈ যোগাৰ কৰে তলা নলাই পোৱা নাযায়। কমলৰ এটা আগৰ আখেজ তোৰ ওপৰত আছেই। হাজাৰ হওক পূৰ্বৰ বিফল প্ৰেমীকে তোৰ এই নতুন অনুৰাগ কেনেকৈ সহ্য কৰে ক'চোন?'

- 'নাই নাই ইন্দু, মোৰ যে কেনে লাগিছে কেনেকৈ বুজাম? এইবোৰ ল'ৰাই কোনো দিনে মোলৈ মূৰ তুলি চাবৰ সাহস কৰা নাছিল জাননে? ক'ৰ পৰা জানিলে এইবোৰ? তদুপৰি আঙুঠিৰ কথাটো?'

- 'ময়োতো কথাটো ধৰিব পৰা নাই। ইহঁতে চিঠি-পত্ৰ মনে মনে চুৰ কৰা নাইতো?'

কেতেকী সজাগ হৈ উঠিল। হ'বও পাৰে। কাৰণ বৰুণে তাইলৈ লিখা দুখন চিঠি আজিলৈকে তাই পোৱা নাই। কলেজৰ ঠিকনাত লিখা চিঠি। সিহঁতে লেটাৰ বক্স খুলি চিঠি চুৰি কৰিবও পাৰে।

- 'তই ইমান চিন্তা কৰি থাকিব নালাগে। মাত্ৰ অলপ সাৱধানে চলিবি। জানইতো ছোৱালী মানুহ পান দোকানৰ কাষৰ লাইট পোষ্টৰ দৰে। তামোলৰ পিক ছটিয়াই, চুণ ঘহাই থৈ যোৱাটোও এটা পৰিতৃপ্তি।' ইন্দুৰ কথা শুনি দুখৰ মাজতো কেতেকীৰ হাঁহি উঠি গ'ল। ছোৱালীৰ জীৱন বুলি তাইৰ যে কিমান সতৰ্কতা ! সেইকণ সতৰ্কতা কেতেকীৰ চৰিত্ৰত নাই কাৰণে তাইৰ দুশ্চিন্তা। ক'ৰবাত ধুনীয়া ল'ৰা এটা দেখিলে চাওঁ বুলিয়েই ৰ লাগি চাই থাকিব; ক্লাছ নাথাকিলে কেতিয়াবা কলেজৰ দাদা বুলি জনাজাত মস্তান মস্তান ল'ৰাবোৰৰ লগত হাঁহিব, ক্লাছ ফাঁকি দিয়া, পঢ়া-শুনা নকৰা কাৰণে ভয়-ভীত নোহোৱাকৈ গালি পাৰিব- এইবোৰ স্বভাৱ তাইৰ আজন্মৰ। এনেকুৱা সময়ত ইন্দু, প্ৰিয়াহঁতেও তাইক এৰাই চলে। এবাৰ এনেকৈ তাইৰ নাম কোনোবাই কলেজৰ দেৱালত লিখি থ'লে ল'ৰা এজনৰ লগত জোৰাই। ল'ৰাজন চৰ অঞ্চলৰ। নাম আজিজ। কেতেকীৰ লগত তাৰ ঘনিষ্ঠতা কাৰো চকু এৰাই যোৱা নাছিল। একেবাৰেই দুঃস্থ পৰিয়ালৰ ল'ৰা আজিজ। লাইব্ৰেৰীত বহি সদায়েই নোট লিখি থকা আজিজৰ প্ৰতি কেতেকীৰ এক স্বাভাৱিক কৌতুহল আছিল। তাৰ কথা শুনিয়েই প্ৰিয়াহঁতে দেখিলে কেতেকীয়ে নিজৰ কিতাপ-বহীবোৰ নোট কৰিবলৈ আজিজক দি দিলে। দুয়োটাই বহি প্ৰায়েই বিভিন্ন বিষয় সম্পৰ্কে তত্ত্বগধুৰ আলোচনা কৰি থকা হ'ল। তাৰ কিছুদিন পিছত দেৱালত নাম লিখি থোৱা অঘটনটো ঘটিল। কেতেকী লগে লগে নিশ্চুপ হৈ গ'ল। আজিজৰ লগতো মাতবোল বন্ধ। আজিজে সকলোৰে সন্মুখতে তাইক ক্ষমা খুজিলে। কিন্তু কেতেকীৰ কোনো ভাবান্তৰ নাই। তাই মাত্ৰ ক'লে, 'তুমি একো দোষ কৰা নাই, মই তোমাক খং কৰা নাই, কিন্তু এতিয়াৰ পৰা আৰু আমি মিলা-মিছা কৰাটো উচিত নহ'ব, আজিজ।'

- 'কিন্তু কোনোবাই সঁচাই-মিছাই কিবা এটা ক'লেই কিয় তালৈ কাণ কৰিবা? ইমান সাহসী ছোৱালী হৈ ইমান সহজে কিয় হাৰ মানিবা কেতেকী?'

কেতেকীৰ চকু-মুখ কঠিন হৈ উঠিল। 'যি ভাল দেখিছোঁ মই তাকে কৰিম আজিজ। মানুহলৈ নহয় মই সত্যলৈ কেৰেপ কৰি চলোঁ।' প্ৰিয়াহঁতে একো নুবুজি তধা লাগি চাই থাকিল। পিছত কেতেকীয়ে নিজেই সিহঁতক ক'লে, 'আজিজৰ চকুত বহুদিন ধৰি মই এক আকুতি অনুভৱ কৰো বুজিছ। মই কৰা সহায়খিনিক সি হয়তো মোৰ দুৰ্বলতা বুলি ভাবিছে। মোক ভাল পাই পেলোৱাটো অস্বাভাৱিক একো নহয়। কিন্তু স্বাভাৱিক





কথাটোকে স্বীকৃতি দিবলৈ মই অপৰাগ যেতিয়া তাক সংযত হ'বলৈ সুবিধা দিয়াই উচিত নহয় জানো?'

- 'মই আগেয়েই জানিছিলোঁ এনেকুৱা হ'বই বুলি।' — ইন্দুয়ে আৰু নিজকে চম্ভালিব নোৱাৰিলে।

- 'নলগা জেগাত লাগি ফুৰিবলৈ তোৰ বাহিৰে কোনো নাযায়। তোক লাগেও শিক্ষা।'

কিন্তু কেতেকীৰ শিক্ষা হ'ল জানো? তাৰ পিছত কিমানে প্ৰস্তাৱ দিলে, কিমানে পিছে পিছে ঘূৰি ফুৰিলে, কেতেকী নিৰ্বিকাৰ। অৱশেষত সকলো হাৰ মানি একমত হ'ল- কলেজৰ আটাইতকৈ চকুত লগা ছোৱালী বুলি। শিক্ষকসকলে ভাল ৰিজাল্ট কৰিব বুলি সুনিশ্চিত হৈ থকা ছোৱালী বুলিয়েই কেতেকীৰ ইমান অহংকাৰ। ইন্দুহঁতে কেতিয়াবা সোধে, 'তোৰ বাৰু হৃদয় বোলা বস্তুটো আছেনে নাই অ'? ইমান ভক্তই মূৰ খুন্দিয়াই মৰিছে অথচ পাষাণ প্ৰতিমাৰ কোনো সাৰ-সিকতিয়ে নাই।' কেতেকীয়ে মাথো হাঁহে। সেই বছৰেই যুৱ মহোৎসৱত হোৱা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠা অভিনেত্ৰীৰ বঁটা পালে তাই। সেইখন নাট চহৰৰ আলোক ভৱনতো প্ৰদৰ্শিত হৈছিল। কেতেকীৰ সাৱলীল প্ৰেমৰ অভিনয়ত সকলো অবাক। নাটক শেষ হোৱাৰ পিছত প্ৰেক্ষাগৃহতেই তাইৰ বৰুণৰ সৈতে চিনাকী। স্থানীয় সংবাদদাতা বিজয় দত্তৰ লগত সি এনেই ফুৰিবলৈ আহিছিল। বিজয়েই কেতেকীক মাতি নি বৰুণৰ লগত তাইক চিনাকী কৰি দিলে। তাৰ দুদিন পিছতেই বৰুণৰ অন্য ৰূপ আৱিষ্কাৰ কৰিলে তাই। বজাৰ কৰি আহি থাকোঁতে তাই দেখিলে দোকান এখনত জপৰা চুলিৰে, দাড়িয়ে-গোফে ভোবোকাৰ বৰুণে থিয় দি কিবা চাই আছে। তেনেতে জাৰত কঁপি কঁপি খোজনীয়া তিৰোতা এজনীয়ে কোলাত নাঙঠ কেঁচুৱা এটা লৈ তাৰ আগত হাত পাতিলেহি। সি জেপ খুচুৰি চালে। ভঙনীয়া পইচা বিচাৰি নাপালে নেকি ! অলপ সময় কেঁচুৱাটোৰ ফালে চাই থাকি সি গাত লৈ থকা স্কাৰ্ফখনকে মানুহজনীক দি দিলে। তাই সিদিনা বহু ৰাতিলৈ উজাগৰে থাকিল। বহুকাল অপেক্ষাৰ পিছত তাই যেন অনুভৱ কৰিলে ইমানদিনে বন্ধ হৈ থকা খিৰিকী এখন দুৰন্ত বতাহে প্ৰচণ্ড শব্দৰে খুলি দিছে আৰু তাইৰ সৰ্বত্ৰ বিয়পি পৰিছে জোনাক আৰু ফুলৰ সুৰভি। অসীম আকাশ যেন তাইৰ অকণমান হৃদয়ৰ কুঠৰীটোতে সীমাবদ্ধ এতিয়া। কেতেকীয়ে জানে তাইৰ তুলনাত বৰুণ একোৱেই নহয়। বি, এছ, ছি পাছ কৰি সি ঠিকাৰ কামত ধৰিছে। মাক অসুস্থ। সি খোজ কাঢ়িব নৌহওঁতেই দেউতাকে পুনৰ বিয়া কৰালে। মাকে তাক লৈ গাঁৱৰ ঘৰলৈ গুচি গ'ল। গাঁৱৰ প্ৰাইমাৰী স্কুলখনত কাম পাইছিল তেওঁ। বৰুণে বি, এছ, ছি, চূড়ান্ত বৰ্ষত থাকোঁতেই মাক বিছনাত পৰিল। হাৰ্টৰ অসুখ। বৰুণৰ আৰু বিশ্ববিদ্যালয়ৰ চৌহদ গৰকাৰ সৌভাগ্য নহ'ল। সি হেনো ইঞ্জিনিয়াৰিঙত চিটো পাইছিল। শৈশৱৰে পৰা আঘাতৰ উপৰি আঘাতে তাক বোধকৰো নিজৰ প্ৰতি নিষ্ঠুৰ কৰি তুলিলে। কেতেকীৰ আগত সি স্বীকাৰ কৰিছে প্ৰতিটো সন্ধিয়া মদ নহ'লেই নচলাৰ কথা। জুৱাৰ আড্ডাত পাৰ কৰি দিয়া কলিজা কামুৰি ধৰা ৰাতিবোৰৰ কথা। কেতেকীয়ে তাৰ আউল-বাউল হৈ থকা চুলিৰ মাজেৰে আঙুলি বুলাই স্তব্ধ হৈ শুনি গৈছিল সকলোবোৰ। নিজৰ ধুনীয়া মুখখনিক লৈ তাইৰ চিৰকালৰ আশংকা আছিল বাহ্যিকতাই ভোল নিয়াব পৰা মানুহ এজনৰ জীৱনৰ লগত বান্ধ খাই পৰিবলগীয়া হয় বুলি। অথচ বৰুণেতো তাই নিচেই কাষতে বহি থাকিলেও সজ্ঞানে তাইৰ আঙুলিটোও স্পৰ্শ নকৰে। হোমৰ গুৰিত বহি মন্ত্ৰ উচ্চাৰণ কৰি ওৰেটো জীৱন একেলগে কটোৱা মানুহ এহালৰ মাজত প্ৰেম থাকেই জানো? কেতেকীৰ মাজে মাজে ভয় ভয় লাগে। যদি ভাল নালাগে তেতিয়া? সম্পৰ্কীয় ভিনিহি এজনে তাইক যে এদিন অকলশৰে পাই সাৱটি ধৰিছিল ! তাইক দেখিলে হেনো যিকোনো পুৰুষেই চঞ্চল হৈ উঠা স্বাভাৱিক। সেই বাইদেউ-ভিনিদেউৰ মাজত বিয়াৰ আগতে প্ৰেম আছিল। বৰুণৰ কাষত থাকিলেতো তাইৰ একো ভয় নালাগে। চৌপাশৰ ইমান বাহ্যিকতাৰ প্ৰাবল্যৰ মাজত কোনো আড়ম্বৰ নোহোৱাকৈ, কোনো প্ৰকাশ নোহোৱাকৈ দুয়ো দুয়োকে ভাল পাইছে। এই অন্তঃসাৰতেই বৈ আছে শান্তিৰ ফল্গুধাৰা। কেতিয়াবা ক্লান্ত শিশু এটাৰ দৰে বৰুণে তাইৰ কোলাত মূৰটো গুজি দিয়ে। কেতেকীৰ কেতিয়াও পাপবোধ হোৱা নাই। চকুহাল ভৰি উঠিব খোজে তেতিয়া। ডিঙিত বিষ এটা বাজি ৰোৱাৰ দৰে লাগে। তাইৰতো মাক নাই। কেতেকীয়ে জানে দেউতাকে এই বিয়াত কেতিয়াও সন্মতি নিদিয়ে। তাইৰ কাৰণে বিভিন্ন উচ্চপদস্থ চাকৰিয়াল ল'ৰাই মেট্ৰিক পাছ কৰাৰ পিছৰে পৰাই বিয়াৰ প্ৰস্তাৱ দিয়েই আছে। তথাপি বৰুণ উপযুক্ত হৈ উঠাৰ পিছত দেউতাকে হয়তো না কৰিব নোৱাৰিব। তাইৰ আত্মবিশ্বাসক দেউতাকে যথেষ্ট মূল্য দিয়ে। বৰুণে জাৰ্ণালিজমত নাম লগাইছে যোৱাবাৰ।

সি ভাল লিখে। মাজে মাজে কাকতে-পত্ৰই তাৰ প্ৰবন্ধ-পাতি প্ৰকাশ হয়। কেতেকীহঁতৰ নাটকখনৰো সি সুন্দৰ সমালোচনা কৰিছিল। কেতেকীয়ে সাহিত্যৰ অৰ্থ বিশেষ একো বুজি নাপায়। গল্প-উপন্যাস মাজে মাজে পঢ়ে দুই এখন। বৰুণে তাইক পাবলে নেৰুদাৰ কবিতাৰ অনুবাদ পুথি এখন পঢ়িবলৈ দিছিল। আগ-গুৰি একো বুজি নাপাই তাই তাক ওভোতাই দিছিল কিতাপখন। সি নিজেই তেতিয়া কিছুমান কবিতা তাইক বুজাই দিছিল। তাই তন্ময় হৈ শুনিছিল। বুকুৰ গভীৰত সাৰ পাই উঠিছিল ঘন সেউজীয়া অৰণ্য এখন। বৰুণে এদিন তাইক কৈছিল, 'তোমাৰ নামটোৰ দৰে তুমি এপাহ কাঁইটীয়া দুষ্প্ৰাপ্য ফুল, মানুহে সহজে দেখিবলৈ নোপোৱা গানৰ দৰে বিননি শুনি ভাল লগা এজাতি চৰাই। তোমাক বান্ধি থ'বলৈ পিঞ্জঁৰাহে সাজিব লাগিব।' কেতেকীয়ে স্থিৰ চকুৰে বৰুণৰ ফালে চাইছিল, 'মোক বান্ধিবলৈ সঁজা নালাগে নহয়, গছ এজোপা ৰুলেই হ'ল, সদায় পৰি গান গাই থাকিমগৈ।' বৰুণে হোঁ-হোৱাই হাঁহি দিছিল। 'তোমাৰ কথাবোৰ শুনিলে কবিতা কবিতা লাগে জানানে? তুমি লিখা-মেলা নকৰাকৈয়ে এপাহ জীয়া কবিতা।' তাৰ হাঁহিটো তাইৰ শিৰা-উপশিৰাইদি ঢউৰ দৰে বাগৰি আহিছিল। বৰুণক তাই কুটুৰি আছে গণিতত এম, এছ, ছি দিবলৈ। পঢ়া-শুনাৰ কথা শুনি বৰুণ যেন আকাশৰ পৰাহে পৰিল। তাৰ ওজৰ-আপত্তিলৈ তাই বিন্দুমাত্ৰ কাণ নকৰিলে। এটা সম্ভাৱনাৰ অপমৃত্যু তাই সহ্য কৰিব নোৱাৰে। বৰুণে শেষত কথা দিবলৈ বাধ্য হ'ল— জাৰ্ণালিজম্ পঢ়া হ'লেই সি এম, এছ, ছি ৰ বাবে পঢ়া আৰম্ভ কৰিব।

কিন্তু আজিৰ ঘটনাটো ! আঙুঠিৰ কথাটো এই ল'ৰাকেইটাই কেনেকৈ জানিবলৈ পালে? কেতেকীৰ জন্মদিনত বৰুণে এটা সোণৰ আঙুঠি উপহাৰ দিবলৈ আনিছিল। কেতেকীয়ে তৎক্ষণাৎ প্ৰত্যাখ্যান কৰিলে। সিহঁতৰ আন্তৰিক সম্পৰ্কটোক তাই কোনো ধৰণৰ বহুমূলীয়া উপহাৰেৰে অলংকৃত কৰিব খোজা নাই। 'তুমি মোক ফুলৰ পুলি এটাও উপহাৰ দিব পাৰিলাহেঁতেন বৰুণ। এইবোৰ সোণৰ অলংকাৰ মই নিপিন্ধো আৰু পিন্ধিলেও তোমাৰ পৰা এতিয়াই গ্ৰহণ কৰিব নোৱাৰোঁ। বেয়া নাপাবা।' অত্যন্ত শান্ত অথচ কঠিন স্বৰেৰে তাই ক'লে। বৰুণে প্ৰতিবাদ কৰিবলৈ নাপালে। যোৱাৰ সময়ত সি তাইক এসোপামান ৰজনীগন্ধাৰ পুলি দি থৈ গ'ল। টাবত ৰুই থোৱা পুলিবোৰ ফুলি উঠিছে এতিয়া। তাইৰ খিৰিকীৰ কাষতে থকা টাবকেইটালৈ কেতিয়াবা চাই থাকি নিজেই আত্মহাৰা হৈ যায়। উলাহত বুকু ভৰাই লয় ভালপোৱাৰ সুগন্ধি। এইটো কথাই বাহিৰত কিমান কদৰ্যভাৱে প্ৰচাৰ হ'ল। সকলোৱে চাগে ভাবিছে তাই বৰুণৰ পৰা আঙুঠিটো লৈছে। বৰুণে এইবোৰ কথা কাৰোবাক কৈছে জানো? হঠাৎ তাইৰ মনত পৰিল তাই যে তাক সুধিছিল আঙুঠিৰ কথাটো কোনে কোনে জানে বুলি। বৰুণে দীপাংকৰ শৰ্মাৰ নামটো কৈছিল। আঙুঠিটো গঢ়াবলৈ দিয়া দোকানখনত শৰ্মাও হেনো বহি আছিল। দীপাংকৰ শৰ্মাৰ ঘৰ এইখন চহৰতে। হাত দীঘল ব্যৱসায়ী। কেতেকীয়ে ভালদৰে চিনি পায়। সুৰা আৰু নাৰী বুলিলে পাগল মানুহজন। বৰুণৰ যথেষ্ট বুৰ্বকামী আছে। সি এবাৰ দীপাংকৰৰ হাতত তাইলৈ চিঠি দি পঠিয়াইছিল। তাইক চিঠিখন দিবৰ সময়ত সি যিটো দৃষ্টিৰে তাইলৈ চাই হাঁহিছিল এতিয়াও ভাবিলে তাইৰ ঘিণ লাগি যায়। এতিয়াও বাটে-ঘাটে কেতিয়াবা দেখিলে তাইক খবৰ-বাতৰি সুধি বিৰক্ত কৰে সি। দীপাংকৰেই এইবোৰ উলিয়াব পাৰে ইয়াত। ইকান সিকান হৈ কথা ইমান বহল হ'ল। অস্বস্তিত গোটেই ৰাতি কেতেকীৰ চকুৰ পতা জাপ নাখালে। এনেকৈ যাবে তাৰে আগত সৰু হৈ যোৱাৰ যন্ত্ৰণাত কেতেকী চট্‌ফটাই থাকিল।

প্ৰিয়াই কিছুদিনৰ কাৰণে মাহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। উভতি আহিয়েই তাই ইন্দু আৰু কেতেকীক একাষৰীয়াকৈ মাতি নিলে।

- 'শুন, ইণ্টাৰেষ্টিং। মাহীৰ ল'ৰা গুঞ্জন দাই বৰুণক খুব ভালদৰে চিনি পায়। মই যোৱাৰ লগে লগে তোৰ কথাহে দাদাই প্ৰথমে সুধিলে।'

- 'কেনেকৈ চিনি পায় অ'?' —কেতেকীয়ে আচৰিত হোৱাৰ দৰে সুধিলে।

- 'দাদাহঁতৰ মেছৰ ওচৰতে বৰুণে ভাড়া থাকে। তোৰ চিঠি-পত্ৰ, সমস্ত বিৱৰণ আমাতকৈ সিহঁতেই বোধকৰো বেছি জানে।'

কেতেকী চক খাই উঠিল। 'কি জানে? কিমান জানে?'

-'তোৰ আঙুলিৰ বেৰ কিমান, তই কোন দিনা কি সপোন দেখ চব। দাদাই আৰু কি কৈছে জান? বৰুণক দেখিলে বোলে ছোৱালীবোৰে এনেই পিছ নেৰা হয়। বহুতৰে লগত তাৰ ঘনিষ্ঠতাও আছিল। এতিয়া তোক পাই সিহঁতলৈ পিঠি দিছে। দাদাহঁতৰ লগৰ চবৰে তাৰ প্ৰতি ঈৰ্ষা। ইমান ছোৱালী নচুৱাই শেষত তোৰ দৰে লক্ষ্মী-সৰস্বতীৰ 'টু-ইন-ৱান' এজনীক পাই গৈছে। তাৰ ক্ৰেডিটেই বেলেগ।'

- 'তই সচাঁই কৈছ প্ৰিয়া?' —কেতেকীয়ে যেন চিঞৰি উঠিব।

- 'কিয় মিছাকে ক'ম কচোন? দাদাই বা মোক সজাই কিয় ক'ব? এনেয়ে ল'ৰাটো ভালেই, কিন্তু ঘোৰ মদপী বুজিছ। মদ খাই কিমান ৰাতি দাদাহঁতৰ মেছতেই পৰি থাকে হেনো। নিচাৰ ঘোৰত তোৰ কথা যিহকে তিহকে কয়। সঁচাই দেই, তোৰ দৰে ছোৱালীৰ মন জিনিব পাৰিছে যেতিয়া ক'ব লাগিব তাৰ দৰে ছোৱালী পটোৱাত ওস্তাদ খুউৰ কমেই আছে।'

- 'মনে মনে থাক।' ইন্দুয়ে হঠাৎ প্ৰিয়াক ধমক দি উঠিল। 'ওস্তাদৰ ইমান গুণ-গান নকৰিলেও হ'ব।' ঘটনাটো কি হ'ল প্ৰিয়াই ঠিক ধৰিব নোৱাৰিলে। কিন্তু কেতেকীৰ মুখৰ আন্ধাৰখিনি ইন্দুৰ অগোচৰ নহ'ল। ক্লাছত তাই কোনোপধ্যেই মন বহুৱাব নোৱাৰিলে। প্ৰিয়াৰ কথাবোৰ যদি সচাঁ হয় ! বৰুণেতো তাইক চিঠিত লিখে মদৰ গিলাচটো আগত লৈ বহিলেও তাইৰ তীব্ৰ চকুহালে তাক হাত মেলিবই নিদিয়ে।

প্ৰতিটো শব্দকে কেতেকীয়ে উৰাই-ঘূৰাই পঢ়ে। মৃত্যুৰ পৰা অমৃতৰ পথত ভৰি দিয়া এক তীৰ্থযাত্ৰীৰ দৰে লাগে বৰুণক। বৰুণে যদি তাইক সঁচাকৈ ফাঁকি দি আছে তাই কি কৰিব বাৰু ! কেতেকীৰ দুচকুত এন্ধাৰ গাঢ় হয়। কিমান নিৰ্ভৰতাত তাই বৰুণৰ প্ৰত্যেকটো কথাকে বিশ্বাসত লৈ আহিছে ইমান দিনে। সেই বিশ্বাসৰ ভেটিতেইতো তাই অকণমান নিকপকপীয়া বাহ এটা সাজিবলৈ আশা কৰিছে, কেতেকী চৰাইৰ বাহ।

এদিন গা বেয়া লগা কাৰণে কেতেকী কলেজলৈ নগ'ল। আবেলি ইন্দু খবৰ ল'বলৈ আহিল। বহু সময় কথা পতাৰ পিছত ইন্দুই কও নকওঁকৈ ক'লে, 'আজি এটা কথা শুনি খুৱ বেয়া লাগিছে জান?'

- 'কি কথা? কাৰ কথা?' —কেতেকীয়ে সুধিলে।

- 'তহঁতৰ কথাটো বৰকৈ বিয়পিছে বুজিছ? আজি নিৰ্মলদাহঁতৰ দলটোৰ ছোৱালীবোৰে আলোচনা কৰি আছিল। তই বোলে বৰুণৰ পৰা পাৰমাণে বস্তু আদায় কৰি লৈছ। ইয়ালৈ আহিলে হোটেলত থকাটো দেখুৱায়হে। দিনৰ দিনটো তহঁতৰ ঘৰতেই লেনলেলাই থাকেহি। তোৰ মাৰ নাই, দেউতাৰ ইফালে সিফালে ওলাই যায়, গতিকে গাখীৰতে ম'হৰ খুঁটি। তোৰ দেউতাৰ ৰিটায়াৰ কৰিছে, কিছু খৰছ যদি তাৰ পৰা উলিয়াই ল'ব পাৰ কি বেয়াটো ........ এইবোৰ।'

কেতেকীৰ মূৰটো আচন্দ্ৰাই কৰাৰ দৰে লাগিল। এইবোৰ তাই কি শুনিছে? কাৰ মুখত হাত দি মনে মনে ৰখাব তাই?

- 'নিৰ্মলৰ দাদায়েক গুৱাহাটীত কিবা পঢ়ে নহয়। সিয়েই বোলে এইবোৰ আহি কৈছে। বৰুণক সি ভালদৰে জানে।' কেতেকীয়ে একো ক'ব নোৱাৰিলে। নিৰ্মলৰ দাদায়েকে, প্ৰিয়াৰ দাদায়েকে বৰুণক যেনেকৈ জানিলে কেতেকীয়ে সিমান ভালকৈ জানিব নোৱাৰিলে নেকি? যদি ভুলকৈ জানিলে তাইতো নিজকে শুধৰাব লাগিব। তাইৰ বৰ অসহায় যেন লাগিল নিজকে।

বৰুণৰ পৰা উত্তৰ আহিছে। কেতেকীয়ে তাৰ প্ৰত্যেকখন চিঠি উৰাই ঘূৰাই পঢ়ি গৈছে। ক'তো এটা শব্দ নাই য'ত আঘাত লাগি তাই তিলমানো কষ্ট পাব পাৰে। কেতেকীয়ে ভাবি থৈছে তাই আৰু এতিয়া তালৈ চিঠি পত্ৰ একো নিলিখে। সি সৰস্বতী পূজাৰ সময়ত অহাৰ কথা। তেতিয়া সকলো কথা খোলাখুলিকৈয়ে পাতিব। অন্য কোনোবাই এইবোৰ পাতল স্বভাৱ দেখুৱাওক, কিন্তু বৰুণৰ দৰে সুকীয়া জীৱনাদৰ্শনৰ মানুহ এজনৰ পৰা সেই ব্যৱহাৰ কল্পনাৰো অগোচৰ। মানুহে তিলটোকে তাল কৰি উলিয়াবও পাৰে, তাইৰ প্ৰতি সকলোৰে এটা স্বাভাৱিক ঈৰ্ষা আগৰে পৰাই আছে। সেও মনাব নোৱাৰাৰ ক্ষোভ।

কিছুদিন সকলো স্বাভাৱিকভাৱে চলি থকাৰ মাজতে সেই অঘটনটো ঘটিল। কৃষ্ণৰ দোকানৰ সমুখেৰে পাৰ হৈ আহোঁতে কমলহঁতৰ দলৰ ল'ৰা এজনে চিঞৰি উঠিল 'অ' মাইজান, আমি এতিয়া মদ খাবলৈ এৰিলোঁ নহয়? মদৰ সলনি আমি এতিয়া তাতোকৈ মিঠা কিবাবোৰহে খাওঁ।' কেতেকী থমকি ৰ'ল। ল'ৰাকেইটাই বিকৃত শব্দেৰে চিঞৰি হাঁহি উঠিছিল। কেতেকীয়ে পোন, স্পষ্ট দৃষ্টিৰে সিহঁত আটাইকেইজনৰ মুখলৈ চাই পঠিয়ালে। ল'ৰা কেইটাৰ হাঁহি বন্ধ হৈ গ'ল। তাই তলমূৰকৈ আগবাঢ়িল।

- 'কাঁইটে গাত বিন্ধিছে হ'ব পায়।' 'নাপায় ঐ এনেকৈ

ক'ব....' ল'ৰাবোৰে পিছৰ পৰা চিঞৰি থাকিল। তাৰ পিছত কেৱাদিনো তাই কলেজলৈ নগ'ল। ইন্দু আৰু প্ৰিয়া এদিন দুয়ো উধাতু খাই আহিল।

- 'তই পঢ়া-শুনা বাদ দিবি নেকি এনেকৈ?' —ইন্দুয়ে স্বভাৱসুলভ অভিভাৱকত্বৰ সুৰেৰে সুধিলে তাইক।

- 'শুকাই-খীণাই কি হৈছে অৱস্থা তোৰ?'

- 'আগতে বহচোন, খবৰ খাতি কেনেকৈ ল। তাৰ পিছত গালি পাৰিবি।' কেতেকীয়ে হাঁহিলে।

- 'হাঁহিব নালাগে। কথা সাংঘাতিক। তইতো মৰিছ আমাকো জ্বলা-কলা কৰি মাৰিছ।'

- 'কি হ'ল ভালকৈ ক'চোন।' —কেতেকী ব্যস্ত হৈ উঠিল।

- 'আজি আমাৰ লগত নিৰ্মলা-দেৱিকাহতঁৰ বিৰাট কাজিয়া গ'ল তোক লৈ।' — প্ৰিয়াই মাত লগালে।

- 'দেৱিকা দীপাংকৰ শৰ্মাৰ সম্পৰ্কীয় ভনীয়েক নহয়? সিহঁতে আজি কলেজত উলিয়াইছে তোৰ আৰু বৰুণৰ বোলে কেৱল লোকে দেখাকৈ বিয়াখন পাতিবলৈ বাকী। এইবোৰ বহুত লেতেৰা কথা। তোৰ চিঠিত হেনো লিপ্‌ষ্টিকৰ দাগেই দাগ। সেইবোৰ বৰুণে বোলে আটাইবোৰ বন্ধুকে দেখুৱাইছে।'

- 'আমি দুয়ো গৈ সিহঁতক খুব গালি পাৰিলোঁ জান, তোৰ কথা এনেকৈ উলিওৱা কাৰণে।' —ইন্দুয়ে কৈ উঠিল।

-'দেৱিকাই ক'লে বৰুণে বোলে দীপাংকৰক নিজে কৈছে এইবোৰ কথা। নিৰ্মলাৰ দদায়েকেও নিজ চকুৰে চাই আহিছে চিঠিবোৰ। আমি যেনিবা তোৰ চিঠি পঢ়াই নাই। এইবাৰ বৰুণ আহিলে কাঢ়া ধমক লগাবি যাকে-তাকে যি তি কথা যেন কৈ নুফুৰে। ল'ৰাবোৰক বিশ্বাস কৰিবই নোৱাৰি দেই।' —প্ৰিয়াই বিৰক্তি প্ৰকাশ কৰিলে।

- 'হৈছে এতিয়া এইবোৰকে ভাবি-গুণি কেটেঙা লগাৰ দৰকাৰ নাই। কলেজলৈ নোযোৱাকে থাকিলেই তোৰ নামত লগা দাগবোৰ মচ খাব বুলি ভাবিছ নেকি? মাত্ৰ বৰুণ আহিলে ক'বি এইবোৰ বন্ধুৰ কবলত পৰি কেতেকীৰ পাহিত যেন কাঁইট খুচি নিদিয়েহি।'

সিহঁত যোৱাৰ পিছতো ভালেসময় বিছনাখনত পৰি ৰ'ল কেতেকী। সঁচা-মিছাৰ দোমোজাত বহুদিন দুলি থকাৰ পিছত আজি তাই সঠিক উত্তৰ এটা বিচাৰি পাইছে। ইন্দু আৰু প্ৰিয়াই তাইৰ শেষৰ চিঠিখন পঢ়া নাছিল। মদ নাখাবলৈ তাই এখন বগা পাতত লিপ্‌ষ্টিক লগোৱা ওঁঠৰ সাঁচ বহুৱাই বৰুণলৈ পঠিয়াই দিছিল। চিঠিখনত একান্ত গোপনীয়তাৰ শপত নিদিয়াৰ কাৰণেই সি এনেকৈ সকলোৰে আগত কেতেকীৰ দৰে ছোৱালীক বশ মনোৱাৰ কৃতিত্ব প্ৰমাণ পত্ৰই জাহিৰ কৰিলে নেকি? বহুমূলীয়া আপুৰুগীয়া সম্পদ মানুহে বাৰু কিমান আলফুলকৈ, গাত দাগ এটা নলগাকৈ সাঁচি থয়? কেতেকীৰ মনত পৰিল প্ৰথম চিনাকীৰ দিনা একেলগে বহি কথা পাতি থাকোঁতে তাইৰ ৰুমালখনত বৰুণৰ কলমডালৰ ওচৰতে মেজৰ ওপৰত আছিল। খোল খাই থকা কলমডালৰ পৰা ৰুমালখনত সেউজীয়া ৰঙৰ দাগটো এতিয়াও আছে, তাই ৰুমালখন ধোৱাও নাই। প্ৰত্যেকটো শব্দ, প্ৰত্যেকটো ঘটনাই দাগ বহুৱাই তাইৰ গোপন ছবি এখন আঁকি থৈছিল। কিমান আতোলতোলকৈ সাঁচি থৈছে তাই সেই দাগ!

কেতেকীয়ে গোটেই ৰাতি নিঃশব্দে কান্দিলে। এটা সময়ত তাইৰ উশাহ ল'ব নোৱৰা অৱস্থা হ'ল। নিজকে খুটিয়াই খুটিয়াই প্ৰশ্ন কৰিলে, সামান্যতম দুৰ্বলতাকো প্ৰশ্ৰয় নিদিয়াকৈ তাই বিবেকৰ মুখামুখি হ'ল। তাই জানে ডাক্তৰ ইঞ্জিনিয়াৰবোৰ বাদ দি বৰুণৰ দৰে ঠিকাদাৰ এটাক তাইৰ দৰে নাগিনী এজনীয়ে বিয়া কৰাবনে বুলি বাটে-ঘাটে, ঘৰে-বাহিৰে সমালোচনা চলিব। বৰুণক তাই কেৱল নিজৰ বাবে গঢ়িব খুজিছিল নে? অমৃতৰ পথত তাইতো এজন সহযাত্ৰীহে বিচাৰিছিল। অলপ কষ্ট কৰি বৰুণ কিয় নিদাগ হৈ নাথাকিল। আজি কমলহতঁৰ লগত বৰুণৰ সীমাৰেখাডাল এতিয়া যে আৰু তাই মানিব নোৱাৰে। হৃদয়ৰ গভীৰৰ পৰা ভালপোৱাখিনি উলিয়াবলৈ যিমান কষ্টৰ প্ৰয়োজন সেই যোগ্যতা সিহঁতে অৰ্জন কৰিব নোৱাৰিলে। মুখাৰ মোহৰ প্ৰতি চিৰকালৰ ঘৃণা কেতেকীয়ে পুনৰ উপলব্ধি কৰিলে। বিবেকৰ দাপোণত তাই স্পষ্টকৈ দেখিলে নিজৰ উজ্জ্বল চকুহাল। ভালপোৱাই জীৱনক পোহৰ দিয়ে, অন্ধত্ব নহয়।

সৰস্বতী পূজাৰ সময়ত বৰুণ আহিল। সচৰাচৰ দেখা কৰাৰ দৰে কলেজৰ ওচৰৰ পুখুৰীৰ পাৰৰ পাৰ্কখনত সি তাইক দেখা কৰিলে।

- 'তোমাৰ খং উঠিছে মোৰ ওপৰত?' —সি আগধৰি মাত লগালে। কেতেকীয়ে মূৰ তুলি চালে।

- 'ইমান দিনে এখন চিঠিও নিদিলা কিয়?' —কেতেকী তথাপি নিৰুত্তৰ।

- 'মই গম পাইছোঁ ল'ৰা কিছুমানে আমাৰ কথা যিহকে তিহকে কৈ ফুৰিছে সঁচাই মিছাই.....' কেতেকীৰ গাটো বিছাই ডকাদি ডাকিলে।

- 'মিছা কিয় হ'ব বৰুণ? সঁচা কথাই কৈছে মানুহবোৰে। সঁচা কাৰণে ময়ো কাৰো ওপৰত মাত মাতিব পৰা নাই।'

- 'কি কৰিবা, ল'ৰা মানুহৰ স্বভাৱ এনেকুৱাই, সৰু কথা এটাকে চিঞৰ বাখৰ কৰি ফুৰ্তি কৰিব। তুমি বেয়া নাপাবা কেতেকী।'

ছল্‌ছলীয়া হৈ উঠিব খোজা চকু দুটা বেলেগ ফালে ঘূৰাই ললে তাই। সি আকৌ সুধিলে, 'বাৰু মোৰেই ভুল ক্ষমা কৰি দিবা, প্লিজ !' বৰুণে তাইক এনেকৈ আগেয়ে বহুবাৰ ক্ষমা খুজিছে, তাই সকলো মানি লৈছে। কিন্তু ক্ষমা কৰিবলৈ তাইৰ কিমান কষ্ট হয় সিতো আজিও বুজি নাপালে।

- 'বৰুণ, মই আৰু তোমাৰ লগত সম্পৰ্ক ৰাখিব নোৱাৰিম।' —তাই শীতল কণ্ঠেৰে ক'লে।

বৰুণৰ মূৰত বজ্ৰপাত লাগিলেও বোধকৰো ইমান আচৰিত নহ'লহেঁতেন।

- 'তুমি পাগলী হ'লা নেকি?'

- 'যি কৈছোঁ সম্পূৰ্ণ শান্ত মগজুৰে ভাবি-গুণিয়েই কৈছোঁ বৰুণ। অকলে অকলে ইমান দূৰ বাট বুলিছোঁ যেতিয়া বাকীছোৱা বাটো বুলিব পাৰিম।'

- 'কিন্তু তুমি কিয় এনেকুৱা কৰিছা? লিপ্‌ষ্টিকৰ দাগ লগৰ ল'ৰা কিছুমানে দেখিছিল। মই কেনেকৈ সিহঁতক ফাঁকি দিম?' —বৰুণে কৈফিয়ৎ দিয়াৰ সুৰত ক'লে। কেতেকীৰ ওঁঠত বেকা হাঁহি এটা বিৰিঙি উঠিল। 'ঠিকেইতো। লিপ্‌ষ্টিকৰ দাগটোতো মিছা নহয়। কিন্তু এটা ৰঙা দাগেৰে অসংখ্য ক'লা দাগ ঢাকিবলৈ যোৱাটোৱেইতো ভুল।'

- 'তুমি কি কৰিছা তাৰ কোনো কৈফিয়ৎ মই বিচৰা নাই বৰুণ। সঁচা-মিছা সম্পৰ্কে মই একো শুনিব নোখোজোঁ। মই তোমাক এনেকৈ এৰাৰ পিছত তুমি কি কি কৰিব পাৰা, মোৰ ভৱিষ্যত কিমান আন্ধাৰ হ'ব পাৰে সকলো ভাবি চায়েই মই সিদ্ধান্ত লৈছোঁ।'

- 'তুমি মোৰ কথা শুনাচোন কেতেকী, এনেকৈ ভুল নুবুজিবা।' —বৰুণে উৰাদিহ হেৰুওৱাৰ দৰে মাতিলে। বেগাই খোজ দি আঁতৰি যাওঁতে তাৰ কাণত পৰিল কেতেকীৰ জ্বলন্ত শব্দবোৰ 'আত্মসন্মানবোধ যদি অলপো আছে মোৰ সমুখলৈ দুনাই নাহিবা।'

প্ৰিয়া, ইন্দুহঁতে লাহে লাহে সকলো গম পালে। দোকানে, বজাৰে নগ্ন হোৱাৰ অপমানবোধ কি সিহঁতৰ মূৰত নোসোমাল। ইমান সৰু কথা এটাতে বৰুণক এৰাৰ কাৰণো বুজি নাপালে। ইন্দুৰ ভয় এতিয়া যদি কেতেকীৰ বিয়া-বাৰু ভাঙি যায়। কেতেকীয়ে হাঁহে। হৃদয় উজাৰি দিব খোজা অপৰাধৰ বাবে যি কোনো পৰিণতিকে গ্ৰহণ কৰিবলৈ তাই প্ৰস্তুত। বাটেৰে যাওঁতে ইন্দুহঁতে দেখে গোটেই গাতে অসংখ্য দাগ লৈ কেতেকীয়ে পোন হৈয়েই খোজ কাঢ়ি যায়।

প্ৰিয়া আকৌ মাহীৰ ঘৰলৈ গৈছিল। উভতি আহি তাই এইবাৰ ইন্দুকহে মনে মনে কৈছে তাইৰ গুঞ্জনদাৰ আগত বৰুণে বোলে কৈছে কেতেকীৰ চৰিত্ৰ বোলা বস্তুটোৱেই নাই। আগতেও কিমান ল'ৰাক নচুৱাই 'কেৰিয়াৰ' শেষ কৰি দিছে। সেই মুছলমান ল'ৰাটোযে আজিজ তাৰ লগত বৰুণৰ বোলে বৰ ভাল।■

ব্যংগাত্মক
গল্প

# জনপ্ৰিয়তা লাভৰ কেইটামান উপায়




অপূৰ্ব্ব কলিতা
চতুৰ্থ ষাণ্মাসিক (কলা)


বৰ্তমানৰ বিশ্বায়নৰ যুগত সকলো ক্ষেত্ৰতে কেৱল প্ৰতিযোগিতা বিদ্যমান। আজিৰ এই প্ৰতিযোগিতাৰ পৃথিৱীখনত প্ৰত্যেকেই নিজ নিজ পাৰদৰ্শিতা অনুসৰি উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰি বিখ্যাত হোৱাৰ লগতে জনপ্ৰিয়তা লাভ কৰিবলৈও সক্ষম হৈছে। কোনোৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত, কোনোৱে অভিনয়ত, কোনোৱে সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত, কোনোৱে চিকিৎসা বিজ্ঞানত, অন্য কোনোৱে কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত, কোনোৱে খেলজগতত, কোনোৱে ৰাজনীতিত, কোনোবাই সমাজসেৱাত, কোনোৱে অৰ্থ আহৰণত আৰু কোনোৱে অস্বাভাৱিক আৰু দুঃসাহসিক কাম-কাজৰ যোগেদি গ্ৰীণিজ বুকত নাম অন্তৰ্ভুক্তিৰে বিখ্যাত হোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এইটো এটা যোগাত্মক দিশ। ইয়াৰ বিপৰীতে সমাজৰ এচাম মানুহে বিভিন্ন ধৰণৰ সহজ উপায়েৰে কেনেদৰে সস্তীয়া জনপ্ৰিয়তা লাভ কৰিব পাৰে তাৰে কেইটামান কিটিপ বা উপায় সম্পৰ্কে পাঠক-সমাজক অৱগত কৰিব খুজিছোঁ।

আমাৰ সমাজত ব্যক্তিবিশেষে সুকীয়া সুকীয়া কৰ্মক্ষেত্ৰত কাম কৰি আছে আৰু প্ৰতিটো কৰ্মক্ষেত্ৰতে সস্তীয়া জনপ্ৰিয়তা লাভৰ বাবে বিভিন্ন অজুহাতত সৰহকৈ টকা-পইচা সৰকোৱাৰ ব্যৱস্থা কৰিব পাৰে যাতে সেই টকাৰে লগৰ এচামক পকেটৰ পইচা খৰচ কৰি হোটেল-ৰেষ্টুৰাঁলৈ গৈ যিকোনো সময়ত খোৱাই-বোৱাই ৰাখিব পাৰে; সময় সুবিধা হ'লে পানীয়ৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। তদুপৰি অভিভাৱকক জোৰ-জুলুম কৰি এখন বাইকৰ ব্যৱস্থা কৰি লগত আৰু দুজনক উঠাই লৈ যিকোনো ঠাইলৈ যোৱাৰ অভ্যাস কৰিব লাগে। বিশেষকৈ লগৰ বান্ধৱী আৰু পাতি লোৱা ভণ্টীসকলৰ ঘৰলৈ খা-খবৰ কৰিবলৈ যাব পাৰি। আবেলি সময়ত কিছুমান বিশেষ বিশেষ ৰাস্তাত এপাক





মাৰিব পাৰি, যেনে ধৰক— ছাত্ৰীনিবাসৰ আগেদি দুই-তিনিবাৰ অহা-যোৱা কৰিব পাৰিলে ভাল। পাঠদানৰ সময়ছোৱাত সাধাৰণতে শ্ৰেণীকোঠাৰ বাহিৰত ইফালে সিফালে ঘূৰি ফুৰিলে কামবোৰ সোনকালে সমাধা হয়। কাৰণ এই অমূল্য সময়খিনি শ্ৰেণীকোঠাৰ ভিতৰত বহি থাকি অবাবত নষ্ট কৰা যেন লাগে। ইয়াৰ পৰিবৰ্তে বাহিৰত থাকি সকলোকে লগ পাব পাৰি আৰু হোটেল ৰেষ্টুৰাঁত বহি আড্ডা মাৰি ধোঁৱাৰ কুন্দলী পকাই বন্ধুমহল বৃদ্ধি কৰিব পাৰি; তেতিয়া আপোনাৰ সহযোগীসকলেও আপোনাৰ গুণ-গান কৰি জনপ্ৰিয়তা বঢ়াই তুলিবলৈ সক্ষম হ'ব। অন্য এটা মন কৰিব লগা কথা হ'ল বৰ্তমানে শিক্ষানুষ্ঠানসমূহত বান্ধি দিয়া ইউনিফৰ্মবোৰ বৰ আওপুৰণি ধ্যান-ধাৰণাৰ ফল যেন অনুভৱ হয়; এইবোৰে বৰ্তমান অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক বৰ জধলা কৰি পেলায়। গতিকে এনেবোৰ ধ্যান-ধাৰণা এৰাই চলি নিজকে সদায় স্মাৰ্ট কৰি ৰখাটো প্ৰয়োজন। তেতিয়া সকলোৰে দৃষ্টিত সহজতে পৰে।

আপুনি যদিহে কোনো ৰাজনৈতিক দলৰ নেতা, কৰ্মী বা পালিনেতা হয় তেন্তে বিধায়ক, মন্ত্ৰী, সাংসদ আদিৰ লগত হলি-গলি কৰাৰ বাবে অভ্যাস কৰিব পাৰে; সভাই-সমিতিয়ে নাইবা বানপীড়িত, দুৰ্গত আৰু দুৰ্ঘটনাগ্ৰস্তৰ ওচৰলৈ গ'লে যিকোনো প্ৰকাৰে আপুনি সেইসকলৰ পিছত লেমটো হৈ যাওঁতে নাইবা পিছত গৈ হ'লেও তাত মুখখন দেখুৱাৰ ব্যৱস্থা কৰক। লগত যাওঁতে আন একো নহ'লেও তেখেতসকলৰ পানীৰ বটলটোকে লৈ দিয়ক, বা সভাত দিয়া গামোছা বা অন্য সামগ্ৰীখিনিকে ধৰি দিয়ক। সভা চলি থকা সময়ত ৰাইজে দেখাকৈ, বিধায়ক, মন্ত্ৰী বা সাংসদজনৰ ওচৰলৈ মাজে মাজে যাওঁক, যদি যোৱাত অসুবিধা হয় তেওঁৰ ব্যক্তিগত দেহৰক্ষী বা সহায়কজনৰ লগত দুহ-এটা কথা পাতক; আকৌ মানুহৰ মাজলৈ আহক, দেখিব বহু মানুহেই আপোনালৈ লক্ষ্য কৰি আছে। পিছত সেইসকলে বিভিন্ন কামত বিধায়ক, মন্ত্ৰীৰ অনুমোদন কৰাই দিয়াৰ বাবে আপোনাক খাটনি ধৰিছে আৰু আপুনি সাধাৰণ মানুহৰ এজন প্ৰিয় ব্যক্তি হৈ পৰিছে। সেই সুযোগতে ঠিকা-ঠুকুলি সৰকোৱাৰ বাবেও সক্ষম হ'ব আৰু আৰ্থিক দিশত উন্নতি কৰি অধিক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হ'ব। যেনে ধৰক, — আজিকালি গাঁৱত, নগৰত বা আপোনাৰ অঞ্চলত, বিহুৰ আগজাননী, বিহুৰ আদৰণী, বিহু প্ৰতিপালন, বিহু বিদায়, জে'ঠৰ বিহু, আহাৰৰ বিহু, সৃষ্টিশীল, স্থিতিশীল আৰু গতিশীল নৃত্য প্ৰতিযোগিতা, যুৱমেলা, গাভৰু মেলা, বুঢ়া-বুঢ়ী মেলা আদি অতি প্ৰয়োজনীয় উৎসৱ আছে। মেলাসমূহত বুজন পৰিমাণৰ অৰ্থসাহায্য দিয়ক বা দিম বুলি প্ৰতিশ্ৰুতি দিয়ক নাইবা আনৰ মূৰত কঁঠাল ভাঙক। তেতিয়া দেখিব আপুনি সেইবোৰত পাৰ্মানেণ্ট বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তা হৈ আছে।

আপুনি যদি শিক্ষকজাতীয় হয় তেন্তে ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়পাত্ৰ হ'বলৈ হ'লে কেইটামান উপায় অৱলম্বন কৰিব পাৰে। যেনে ধৰক, — আজিকালি সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীৰে পঢ়া-শুনাৰ ধান্দা খুউব কম; গতিকে তেনে ছাত্ৰ-ছাত্ৰীৰ লগত মিলা-মিছা কৰক, তেওঁলোকৰ লগত শিক্ষক হিচাপে পাতিব নলগা অথচ তেওঁলোকে ভালপোৱা কথা-বতৰা পাতক, ধেমালি কৰক, দৰকাৰ হ'লে অলপ লিডাৰ জাতীয় কেইজনমানৰ লগত পানীয়টো ধৰক, আনৰ পৰা দাবী-ধমকি দি আনি হ'লেও তেওঁলোকক সময়ে-সময়ে পইচা খৰচ কৰি খানা-পিনাৰ ব্যৱস্থা কৰক; আপোনাৰ চকুৰ আগতে বেয়া কাম কৰিলেও তেওঁলোকক একো নোকোৱাৰ অভ্যাস কৰক, লগৰ কোনোবাই ছাত্ৰ-ছাত্ৰীক দাবী-ধমকি দিলেও পিছ মুহূৰ্ততে তেওঁলোকক লগ ধৰি সমবেদনা জনাওক, লগৰজনৰ দোষ-ত্ৰুটি পাৰিলে আলোচনা কৰক। তেনে ছাত্ৰ-ছাত্ৰীয়ে বেয়া পোৱা সহকৰ্মীজন পিছফাল দিয়াৰ লগে লগে আপোনাৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলে দেখাকৈ তিত্‌কাৰি মাৰক, তেওঁলোকৰ চকুৰে-চকুৰে মিলাই হাঁহি এটা মাৰক, পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰিলেও নেদেখাৰ ভাও জোৰক; পাৰিলে দুই এটা সৰু-সুৰা প্ৰশ্নোত্তৰ কৈ দিয়ক। সহকৰ্মীৰ লগত কেতিয়াবা বাধ্যত পৰি তেনে ছাত্ৰক বেয়াকৈ ক'বলৈ বাধ্য হ'লে পিছ মুহূৰ্ততে অকলশৰীয়াকৈ লগ কৰি বেয়া নেপাবলৈ কওক। তেতিয়া দেখিব আপুনি সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীৰে ভাল ছাৰ হৈ গৈছে।

তদুপৰি লগৰ শিক্ষকসকলৰ প্ৰিয়পাত্ৰ হ'বৰ বাবেও কিছুমান উপায় আছে। যেনে ধৰক, — ইজনৰ কথা সিজনক লগাওক। কোনে কাক কি কাৰণে বেয়া পায় সেইটো জানি লৈ অলপ উচতাই দিয়ক; কাৰ ক'ত দুৰ্বলতা আছে তাৰ সুযোগ লওক, মাজে মাজে পইচা মেনেজ কৰি খানা-পিনাৰ ব্যৱস্থা কৰক, লগত পানীয়টো থাকিলে ভাল হয়, কথাবোৰ ওলাই

অহাত সহায় হয়, বেয়া পোৱা কেইজনৰ বিৰুদ্ধে সমালোচনা কৰক, কোনো কোনোজন কিবা অসুবিধাত পৰিলে ত্ৰাণকৰ্তাৰ ভাও জোৰক, — তেতিয়া দেখিব আপোনাৰ সহকৰ্মীৰ মাজত জনপ্ৰিয়তা বাঢ়ি যাব। এই ক্ষেত্ৰ ত আৰু বহু উপায় আছে, আপোনালোক বিজ্ঞ, বেছি কোৱাৰ প্ৰয়োজন নাই— ই নিজৰ অনুভৱৰ বস্তু।

আপুনি যদি কোনো চৰকাৰী বিভাগৰ বা অনুষ্ঠানৰ মুৰব্বী হয় তেন্তে কৰ্মচাৰীসকলৰ প্ৰিয়ভাজন হোৱাৰ বহুতো সহজ উপায় আছে। যদিহে কৰ্মচাৰী আৰু সহকাৰীসকলে কামত গাফিলতি কৰে তেন্তে সেই সম্পৰ্কত কোনো আপত্তি বা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব নালাগে; পৰাপক্ষত এই বোৰ একেবাৰেই এৰাই চলিবলৈ যত্ন কৰিব লাগে, কাৰণ ইয়াৰ পৰা আপোনাৰ ব্যক্তিগতভাৱে কোনো লোকচান নহয়; যদিহে পানীটুপিৰ লগত একাত্মতা আছে তেন্তে আৰু সুবিধা, সহকৰ্মী কৰ্মচাৰীসকলৰ লগত একেলগে বহি সেইটুপিৰ মাজে-সময়ে ব্যৱস্থা কৰক, পৰাপক্ষত সকলো খৰচ পাতিৰ নিজে দায়িত্ব ল'ব তেতিয়া দেখিব সৰহসংখ্যকেই আপোনাৰ প্ৰিয়ভাজন হৈছে; যদিহে দুই-এজন জীণ নোযোৱা ওলায় তেওঁৰ বিৰুদ্ধে বিভিন্ন অজুহাত উলিওৱাৰ চিন্তা কৰক আৰু অন্যসকলক উচতাই দিয়ক। সময়-সুবিধা বুজি টকা-পইচা আত্মসাৎ কৰক আৰু অন্যান্য সকলকো সুযোগ দিয়ক। নিজৰ কাম বাদ দি হ'লেও তেওঁলোকৰ ঘৰৰ আৰু পৰিয়ালৰ খা-খবৰ কৰক, যাওঁতে হাতত দুই-এপদ সামগ্ৰী লৈ যাওক, দেখিব আপুনি প্ৰায় সকলোৰে প্ৰিয়ভাজন হৈ গৈ আছে আৰু বিভাগটো বা অনুষ্ঠানটো ৰসাতলে গতি কৰিছে।

আপুনি যদি কোনো সন্থা বা সংগঠনৰ নেতা-পালিনেতা হয় তেন্তে জনপ্ৰিয়তা লাভৰ বিভিন্ন উপায় অৱলম্বন কৰিব পাৰে। এই ক্ষেত্ৰ ত ডাঙৰ টাউন হ'লেতো কথাই নাই। ইয়াৰ অসংখ্য সহজ পথ আছে। মাত্ৰ অলপ চিন্তা কৰিলেই হয়, ইয়াত বহুমুখী দিশ আপুনি উলিয়াই ল'ব পাৰিব। অলপ সৰু ঠাই হ'লেও মগজু খটুৱাব পাৰিলে যথেষ্ট উন্নতিৰ পথ বাছি ল'ব পাৰি। উদাহৰণ হিচাপে আপুনি ৰাতিপুৱাতেই গা-পা ধুই ঘৰত পালে এমুঠি খাই সুন্দৰকৈ ওলাই আহক; সতীৰ্থসকল গোট খোৱাৰ পিছত তেওঁলোকক বাকীকৈ হোটেল-ৰেষ্টুৰাঁত চাহ-ৰুটি খোৱাওক; প্ৰত্যেকৰ লগতে সংগঠনৰ নামৰ ৰচিদ বহী দুই-এখন ৰাখক; বিভিন্ন গ্ৰামাঞ্চলৰপৰা অহা হোজা বেপাৰী জাতীয় মানুহ, যেনে ধৰক,— কাঠ বেপাৰী, মাছৰ পোনা বেপাৰী, পাণ বেপাৰী, মুৰ্গী বেপাৰী, গৰু বেপাৰী, ছাগলী বেপাৰী, সমবায় এজেন্ট, হৰেক মালৰ বেপাৰী, কেৰাচিনৰ বেপাৰী, চাউলৰ বেপাৰী আদিৰ পৰা বিভিন্ন অনুষ্ঠান, মেলা, উৎসৱ আদি পতাৰ নামত আৰু তেওঁলোকে কৰা দুৰ্নীতিৰ নামত ফাইন ভৰাওক, দান-বৰঙণি বিচাৰক, অন্যান্য ব্যৱসায়ীসকলৰ পৰা শকত পৰিমাণৰ দান আৰু নিবনুৱা টেক্স বিচাৰক; এইবোৰ কামত সাধাৰণতে আপুনি নিৰাপদ দূৰত্বত থাকি সতীৰ্থসকলক লগাব পাৰিলে ভাল। তেতিয়া দেখিব গধূলি আপোনাৰ পকেটৰ ওজন যথেষ্ট বাঢ়িছে। তাৰে কিছু খৰছ কৰি গধুলি সকলোৰে মিলি এটুপি ধৰাৰ ব্যৱস্থা কৰক; তেতিয়া দেখিব সতীৰ্থসকলৰ মাজত আপোনাৰ জনপ্ৰিয়তা দিনক দিনে বাঢ়ি গৈছে।

এইবোৰৰ উপৰি সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত চৰকাৰী যিকোনো সিদ্ধান্ত আৰু নীতিৰ বিৰুদ্ধে, দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি কাকতত বিবৃতি দিয়ক; কৰবাত দুৰ্ঘটনা হৈ বা পুলিচ মিলিটেৰীৰ গুলিত বা বোমা-বিস্ফোৰণ আদিত মানুহ আহত বা নিহত হ'লে পেপাৰত বিবৃতি দিয়ক, প্ৰতিবাদ জনাওক, শোক প্ৰকাশ কৰক, পাৰিলে নিজে গৈ খবৰ এটা কৰি সমবেদনা জ্ঞাপন কৰক; বানপানী বা প্ৰাকৃতিক দুৰ্যোগ হ'লে খবৰ কৰিবলৈ যাওক, যাওতে বাইক বা গাড়ীৰ ব্যৱস্থা কৰি নিজৰ বুলি ভাবি ডিপোৰ পৰা আৰামত তেল ভৰাই লওক। এনে ক্ষেত্ৰত কলা বেপাৰী, বগা বেপাৰী, নীলা বেপাৰী, ৰঙচুৱা বেপাৰী আদি অন্যান্যসকলৰ পৰা কিছু সামগ্ৰী লৈ নিজৰ ফালৰপৰা ৰিলিফ দিব পাৰিলে ভাল, কিন্তু লগত কেমেৰা এটা নিতান্তই প্ৰয়োজন। যদিহে পৰা যায় সংগঠনৰ সুবিধা লৈ বিভিন্ন বিভাগৰ পৰা ছিপ্লিটি-ফ'ৰটি হিচাবত দুই এটা ঠিকা কামৰ যোগাৰ কৰিব পাৰি তেতিয়া দেখিব আপোনাৰ হাতলৈ যথেষ্ট অৰ্থকড়ি আহিছে, যাৰ যোগেদি আপুনি অন্ততঃ এচাম মানুহৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

এই ক্ষেত্ৰত আজিকালি প্ৰতিষ্ঠা লাভ কৰা জাতীয় স্বাৰ্থজড়িত কিছুমান মেলা, উৎসৱ বা সন্মিলন পতাৰ ব্যৱস্থাও ল'ব পৰা যায়। যেনে অঞ্চলভেদে, চুবুৰী, গাওঁ, মহকুমা, জিলা, ৰাজ্যিক, কেন্দ্ৰীয় ভিত্তিত এইবোৰ পাতিব পাৰি। ওপৰত উল্লেখ কৰি অহাৰ দৰে বিশেষকৈ বিহুৰ আগমন, বিহুৰ আদৰণী,





প্ৰতিপালন, বিদায়, চিৰবিদায়, টা-টা, লক্ষীপূজা, বাগদেৱী পূজা, গণেশ পূজা আদি বহুতো পূজা আৰু বিভিন্ন প্ৰতিযোগিতা, যেনে— মৌ কুঁৱৰী, ফুলকুঁৱৰী, ভ্ৰমৰকুঁৱৰী, মাজু বোৱাৰী, সৰুবোৱাৰী, সৰু আইতা, বৰ আইতা, বিহু লিগিৰী, বিহু সামগ্ৰী প্ৰতিযোগিতা, যুৱ মেলা, বুঢ়া মেলা, লোক নৃত্য, আধুনিক নৃত্য, অতি আধুনিক নৃত্য, আল্টামডাৰ্ণ নৃত্য, সৃষ্টিশীল, স্থিতিশীল,গতিশীল, নিচাশীল নৃত্য আদিৰ লগতে ভলী, ক্ৰিকেট, ফুটবল, টাংগুটি, লুডু, তিনিপাতি, চাৰিপাতি, টোৱেণ্টি নাইন, ফিজ, বাম্পাৰ প্ৰতিযোগিতা আদি কৰি ১২ টা মাহত ১২০ টামান প্ৰতিযোগিতা, মেলা আৰু উৎসৱ পাতিব পৰা যায় তেতিয়া মৰিবলৈ কেলঢোপ কেলঢোপ কৰি থকা নিজৰ জাতিটোৰ সংস্কৃতি ৰক্ষাৰ লগতে পকেট ৰক্ষা কৰাৰ সুবিধা হয়; সৰ্বোপৰি ইয়াৰ যোগেদি নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰা আৰু নিজকে কৰ্মক্ষম কৰি ৰখাত সহায়ক হয়। আৰু জনপ্ৰিয়তা বৃদ্ধিৰ ক্ষেত্ৰ তো যথেষ্ট সহায় কৰে।

ইয়াৰ উপৰিও বিভিন্ন নামকৰণেৰে দুই তিনিজন লগ হৈ কিছুদিনৰ বাবে সংস্থা গঠন কৰি পুঁজি সংগ্ৰহৰ বিভিন্ন পন্থা ল'ব পাৰি। কাম-কাজ হিচাবে ইয়াত তিনিপাতি, চাৰিপাতি, টোৱেণ্টি নাইন, ফিজ, চিলিম চৰ্চা, চুলাই চৰ্চা, বিলাতী চৰ্চা, পৰচৰ্চা আদিৰ ব্যৱস্থা কৰিলে নিজৰ লগতে সতীৰ্থসকলৰ আৰু উঠি অহা চামৰ মগজুবোৰ অলপ হ'লেও কালচাৰ কৰাৰ লগতে জাতিটোৰ বাবে কিছু অৰিহণা যোগোৱা হ'ব আৰু নিজৰো জনপ্ৰিয়তাৰ ক্ষেত্ৰখন বহলাব পৰা যাব।

সস্তীয়া জনপ্ৰিয়তা লাভৰ বাবে বিভিন্ন ক্ষেত্ৰত বহুতো সুন্দৰ আৰু সহজ উপায় আছে যদিও ঠাইৰ অভাৱত মাত্ৰ কেইটিমান উপায় বা কিটিপহে ইয়াত আলোচনা কৰা হ'ল। পঢ়ুৱৈসকল আমাতকৈ বিজ্ঞ, গতিকে বেছি কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। ■

## ।। বচন ভংগী ।।

- অতি দৰ্পে হতা লংকা (অতি অহংকাৰ ধ্বংসৰ কাৰণ) - ক্ষমতাৰ অহংকাৰত দৰ্পী ৰাৱণে কেতিয়াও কাৰো সদুপদেশ গ্ৰহণ কৰা নাছিল। গৰ্বান্ধ ৰাৱণে সেয়েহে স্বৰ্ণলংকাৰ পতনৰ কাৰণ হৈছিল। মূল শ্লোকটো হ'ল -

  অতি দৰ্পে হতা লঙ্কা, অতি মানে চ কৌৰবাঃ<br>
  অতি দানে বলিৰ্বদ্ধঃ সৰ্বমত্যন্ত গৰ্হিতম্।

- অহিনকুল সম্বন্ধ (ভীষণ শত্ৰুতা) - অহি, অৰ্থাৎ সাপ আৰু নকুল, অৰ্থাৎ নেউল পৰস্পৰ জাতবৈৰী। ৰাম আৰু হৰি প্ৰতিবেশী হ'লে কি হ'ব, তেওঁলোক দুয়োৰে মাজত অহিনকুল সম্বন্ধ।
- আয় বুজি ব্যয় কৰা (সামৰ্থ্য অনুসৰি কাম কৰা) - আয়ৰ সৈতে সংগতি নাৰাখি ব্যয় কৰিলে ঋণৰ বোজা বাঢ়ে। নিজৰ সামৰ্থ্য উপলব্ধি নকৰি যদি কোনো কামৰ পৰিকল্পনা কৰা হয় তেনেহ'লে পৰিকল্পনা সিদ্ধ নহয়। ইংৰাজীত এষাৰ কথা আছে - 'Cut your coat according to your cloth.'

অনুবাদ গল্প

# চিঠি বাজি



মূল (বাংলা) পৰশুৰাম


মৰমী ভৰালী
ষষ্ঠ ষাণ্মাসিক (কলা)


সুকান্ত দত্ত অতি ভাল ল'ৰা, এম. এছ. ছি, পাছ কৰাৰ কিছুদিনৰ পিছতেই পি-এইছ-ডি ডিগ্ৰী লাভ কৰিছে। এটা ভাল চাকৰি যোগাৰ কৰি প্ৰায় দুবছৰমান সিন্ধ্ৰিৰ এটা সাৰ কাৰখানত কাম কৰি আছে। তাৰ মাক-দেউতাক নাই। মোমায়েকে তাক মানুহ কৰিছে। আজি ৰাতিপুৱা ডাকত মোমায়েকে প্ৰেৰণ কৰা চিঠি এখন পালে। তেওঁ লিখিছে- 'সুকান্ত, তোমাৰ বিবাহ স্থিৰ কৰিছোঁ, বিজয়লক্ষ্মী কটন মিলৰ মালিক বিজয় ঘোষৰ ছোৱালী সুনন্দাৰ লগত। ভাল বংশ, বিজয় বাবু আমাৰ ওচৰৰ শাঁখাৰী পাড়াত থাকে। ছোৱালীজনী সুন্দৰ, খুব বগা, বি.এছ.চি পাছ কৰিব নোৱাৰিলে, তথাপিও খুব টেঙৰ। ফ'টো পঠিয়ালোঁ। প্ৰকৃততে তুমি নিজেই চাই পাত্ৰী পছন্দ কৰা উচিত আছিল, কিন্তু আজিকালিৰ ল'ৰা হৈ কিয় যে তুমি মোৰ ওপৰত দায়িত্ব দিলা সেইটো বুজি নাপালোঁ। যি কি নহওক, মই সাধ্যানুসৰি চাই মেলি এইগৰাকী পাত্ৰী স্থিৰ কৰিছোঁ, আশা কৰোঁ তোমাৰ পছন্দ হ'ব। তেইছ ফাগুনত বিবাহ, পাঁচ সপ্তাহৰ পাছতেই। তুমি এতিয়াৰ পৰা চেষ্টা কৰা যাতে পোন্ধৰ দিনৰ ছুটি পোৱা। অন্ততঃ বিবাহৰ দুদিনৰ আগতে তুমি আহিবা'।

সুকান্তই মোমায়েকৰ চিঠিখন মনোযোগ দি পঢ়িলে, ফ'টোখনো ভালদৰে চালে। অলপ সময় ভাবি সি তাৰ ৰঙৰ বাকছৰ পৰা তিনি-চাৰি ধৰণৰ ৰং লৈ এটুকুৰা কাগজত লগালে আৰু নিজৰ বাঁও হাতৰ তলুৱাত কাগজটুকুৰা লৈ বাৰে বাৰে চালে তাৰ দেহৰ বৰণৰ স'তে মিল আছে নে নাই। তাৰ পাছত আৰু অলপ সময় ভাবি এই চিঠিখন লিখিলে-

শ্ৰীযুক্তা সুনন্দা ঘোষৰ প্ৰতি,

'মোৰ লগত আপোনাৰ বিবাহৰ সম্বন্ধ স্থিৰ হৈছে। মোমাইদেউৰ চিঠিৰ পৰা জানিলোঁ আপুনি খুব বগা। মোৰ ৰং কিন্তু ক'লা। হয়তো আপুনি শুনিছে শ্যামবৰ্ণ বুলি, কিন্তু সেইটোৱে বিভিন্ন ধৰণৰ অৰ্থ বুজায়। মোৰ দেহৰ বৰণ কেনেধৰণৰ সেইটো আপোনাক জনোৱাটো প্ৰয়োজন বুলি ভাবি, সেইবাবে এটুকুৰা কাগজত ৰং লগাই পঠিয়াইছোঁ। মোৰ বাঁওহাতৰ তলুৱাৰ পিঠিৰ লগত সাদৃশ্য আছে। এই ধৰণৰ গাঢ় শ্যামবৰ্ণৰ স্বামী যদি আপোনাৰ আপত্তি নাথাকে তেতিয়াহ'লে দয়া কৰি এক লাইন লিখিব- আপত্তি নাই। মোৰ ঠিকনা লিখা খাম পঠালোঁ। যদি আপত্তি থাকে, তেতিয়াহ'লে চিঠি লিখাৰ কোনো প্ৰয়োজন নাই। পাঁচ দিনৰ ভিতৰত আপোনাৰ চিঠি নাপালে বুজিম যে আপুনি নাৰাজ। সেই ক্ষেত্ৰত মই মোমাইদেউক জনাম যে এই সম্বন্ধ মোৰ পছন্দ হোৱা নাই, অন্য পাত্ৰী চোৱা যাওক।'

-ইতি
সুকান্ত

চাৰিদিনৰ পিচত উত্তৰ আহিল। ড° সুকান্ত দত্তৰ প্ৰতি। 'আপত্তি নাই। কিন্তু প্ৰকৃত খবৰ আপুনি পোৱা নাই। মোৰ দেহৰ বৰণ আপোনাৰ দেহতকৈ ক'লা। সেইদিনা মে'ক-আপ কৰি আপোনাৰ মোমাদেউক ঠগোৱা হৈছিল। কিন্তু আপোনাৰ দৰে সত্যবাদী ভদ্ৰলোকক মই ঠগিব নিবিচাৰোঁ। মোৰ ওচৰত ছবি আঁকা ৰং নাই। আপুনি যি নমুনা পঠিয়াইছিলে সেই কাগজৰ পৰা এটুকুৰা কাটি তাৰ ওপৰত অলপ ক'লা চিয়াঁহী লগাই মোৰ হাতৰ ৰঙৰ নিচিনা কৰি পঠালোঁ।

পুৰুষৰ ক'লা ৰঙত কোনেও দোষ নধৰে, কিন্তু সকলোৱে বগা ছোৱালী বিচাৰে, যিজন জোকৰ দৰে ক'লা সেইজনেও অপ্সৰী বিদ্যাধাৰী পত্নী বিচাৰে। আপুনি সংকোচ নকৰিব, মোৰ ক'লা ৰঙত আপত্তি থাকিলে সম্বন্ধ বাতিল কৰি দিব। আৰু আপত্তি নাথাকিলে দয়া কৰি পাঁচ লাইন লিখি জনাব।'

-ইতি
সুনন্দা

চিঠি পায়েই সুকান্তই উত্তৰ লিখিলে। 'আপোনাৰ ৰং মই বিচৰাতকৈ বেছি ক'লা হ'লেও মোৰ আপত্তি নাই। তেতিয়াহ'লে সঁচা কথা কওঁ। প্ৰথমতে মনটোৱে নামানিছিল, কাৰণ সুন্দৰী পত্নী এক সম্পদ, স্বামীৰ গৌৰৱ আৰু প্ৰতিপত্তি বৃদ্ধি কৰে। কিন্তু পাছতেই অনুভৱ হ'ল, এইদৰে ভবাটো খুব মূৰ্খামী। ফ'টো দেখি বুজিছোঁ, আপোনাৰ সৌষ্ঠৱৰ অভাৱ নাই, সেইটোৱে যথেষ্ট। ৰং ক'লা হ'লেই মানুহ কুৎসিত নহয়।

মোৰ এটা বদ অভ্যাস আছে, জনোৱা উচিত হ'ব বুলি বিবেচনা কৰিলোঁ। প্ৰত্যেক দিনাই পোন্ধৰ-বিশটা চিগাৰেট খাওঁ। মোৰ এগৰাকী বাইদেউৱে কয়, চিগাৰেট খোৱা সকলৰ নিশ্বাসত এটা বেয়া গোন্ধ ওলায় সিহঁতৰ পত্নীসকলে সেইটো পচন্দ নকৰে, কিন্তু মুখলজ্জাত একো ক'ব নোৱাৰে। দুই-চাৰীগৰাকী ছোৱালী যিসকলৰ মেমসকলে দেখাদেখিকৈ চিগাৰেট ধৰিছে তাত অৱশ্যে আপত্তি নাথাকে, কিন্তু আপুনি নিশ্চয় সেই দলৰ নহয়। আপোনাৰ আপত্তি থাকিলে এক লাইন লিখি জনাব নিশ্চয়, মই সম্বন্ধ বাতিল কৰি দিম।'

-ইতি
সুকান্ত

চাৰিদিনৰ পাছত সুনন্দাৰ উত্তৰ আহিল। 'মুখৰপৰা নিৰ্গত গোন্ধত মোৰ আপত্তি নাই। কিন্তু শুনিছোঁ চিগাৰেট খালে হেনো কেন্সাৰ হয়। আপুনি এইটো এৰি হোঁকাত নধৰে কিয়? তাৰ গোন্ধত মোৰ আপত্তি নাই। মোৰো এটা বেয়া অভ্যাস আছে, প্ৰতিদিনে বিশ-পঁচিছখন তামোল খাওঁ। দাঁতৰ অৱস্থা বুজিব পাৰিছেই নহয়। যিসকলে তামোল খায় তেওঁলোকৰ নিশ্বাসত হেনো আৰু বেছি গোন্ধ থাকে। মোৰ বদ অভ্যাসত আপোনাৰ আপত্তি নাথাকিলে এক লাইন লিখি জনাব। নতুবা সম্বন্ধ ভাঙি দিব।'

-ইতি
সুনন্দা

সুকান্তই উত্তৰ লিখিলে। 'আপুনি যেতিয়া চিগাৰেটৰ দুৰ্গন্ধ সহ্য কৰিবলৈ প্ৰস্তুত আছে তেতিয়াহ'লে আপোনাৰ তামোল খোৱা গোন্ধত মোৰ আপত্তি নাই। আপোনাৰ হোঁকাৰ প্ৰস্তাৱটো বিবেচনা কৰি চাম।

কোনো বিষয়তে মই আপোনাক ঠগিব নোৱাৰোঁ, সেইবাবে মোৰ এটা ভুল আপোনাক জনাইছোঁ। পুৰুষসকলে যেনেদৰে অনন্যাপূৰ্বা পত্নী বিচাৰে, ছোৱালীবোৰেও তেনেকৈ এনেকুৱা স্বামী বিচাৰে যিজনে আগতে কেতিয়াও প্ৰেমত পৰা নাই। মই স্বীকাৰ কৰিছোঁ মই অক্ষত হৃদয়ে নাই। ডেপুটি কমিছনাৰ লালা তোপচন্দ্ৰ ঝোপড়াৰ কন্যা সুৰঙ্গীৰ সৈতে মোৰ প্ৰেম হৈছিল। তাইৰ মাক-দেউতাকৰ সিমান আপত্তি নাছিল, কিন্তু শেষত সুৰঙ্গী নিজেই আঁতৰি গ'ল। বৰ্তমান তাই কমাৰ্চ ডিপাৰ্টমেণ্টৰ মিনিষ্টাৰ হনুমন্থিয়াক বিয়া কৰিছে। মানুহজন

একেবাৰে ক'লা, যমদূতৰ দৰে চেহেৰা, তথাপি মাহে মোতকৈ তিনি গুণ পায় দৰমহা। মোৰ হৃদয়ৰ দাগ এতিয়া বহু পৰিমাণে শুকাই গৈছে, আপোনাৰ লগত বিবাহ হোৱাৰ পাছত সম্পূৰ্ণৰূপে শুকাব বুলি আশা কৰিছোঁ। সুৰঙ্গীৰ এখন ফ'টো মোৰ ওচৰত আছে, আপোনাৰ সমুখতে সেইখন জ্বলাই পেলাম। সুৰঙ্গীৰ বিবাহৰ পাছত মোৰ খেয়াল হ'ল যে মোৰো সোনকালে বিবাহ হোৱা দৰকাৰ। অৱসৰৰ সময়ত মই ছবি আকোঁ, ফ'টো তুলোঁ, নানা ধৰণৰ বৈজ্ঞানিক গৱেষণা কৰোঁ, গৃহস্থালি চম্ভালিবৰ কাৰণে এগৰাকী গৃহিণী থাকিলে নিচিন্ত হৈ নিজৰ চখক লৈ অৱসৰ যাপন কৰিব পাৰিম. এতিয়া মোৰ জ্ঞান হৈছে হঠাৎ প্ৰেমত পৰাটো মূৰ্খামী। অকলে বাস কৰাৰ ফলত অলপ অলপ কৰি স্ত্ৰী-পুৰুষৰ যি ভাল পোৱা জন্মে সেইটোৱেই আচল বস্তু। সন্তান ভূমিষ্ঠ হোৱাৰ আগত তাকতো চোৱাৰ উপায় নাই, তথাপি মাক-দেউতাকৰ স্নেহৰ অভাৱ নহয়। সেইদৰে বিবাহৰ আগত পাত্ৰী নেদেখিলেও কোনো ক্ষতি নাই। সেইবাবেই মামাৰ ওপৰত সকলো এৰি দিছোঁ। মোৰ স্বভাৱ-চৰিত্ৰ নামত সকলোবোৰ আপোনাক জনালোঁ। আপত্তি নাথাকিলে খবৰ দিব।'

- ইতি

সুকান্ত

সুনন্দাৰ উত্তৰ আহিল। 'আপোনাৰ স্বভাৱ-চৰিত্ৰ আৰু মতামতত মোৰ আপত্তি নাই। যিবোৰ চিঠিত লিখিছে তাৰ পৰা বুজিব পাৰিছোঁ আপুনি অতি সত্যনিষ্ঠ সাধু পুৰুষ। সেইয়ে ময়ো অকপটে মোৰ কথা জনাইছোঁ। পৱন কুমাৰ, পোষ্টগ্ৰেজুয়েট পঢ়ে, তাৰ লগত মোৰ প্ৰেম হৈছিল। কিন্তু সি ভাদুৰী ব্ৰাহ্মণ, তাৰ গোড়া মাক-দেউতাকে মোক বোৱাৰী কৰিবলৈ কোনোমতেই ৰাজী নহ'ল। পৱন এতিয়া বাঙ্গালোৰত আছে, ডাঙৰ চাকৰি এটা পাইছে। তাক সম্পূৰ্ণকৈ পাহৰি যাব পৰা নাই, তথাপি আপোনাৰ দৰে মহাপ্ৰাণ স্বামী পালে একেবাৰে যে পাহৰি যাম তাত সন্দেহ নাই। মই ভাবো, সুৰঙ্গী আৰু পৱনৰ ফ'টো পুৰি কি হ'ব, বৰং একেটা ফ্ৰেমত দুখন ছবি বন্ধাই শোৱা ৰূমত সজাই থ'ম। সেইদৰে বিষত বিষক্ষয় হ'ব, নে কি কয়? আপোনাৰ অভিপ্ৰায় জনাব।'

- ইতি

সুনন্দা

সুকান্তই উত্তৰ লিখিলে। 'সুনন্দা, তোমাক আজি নামধৰি সম্বোধন কৰিছোঁ, কাৰণ এতিয়া আমাৰ দুইজনৰ মাজত আৰু কোনো লুকা-চুৰি নাই, বিবাহৰ কোনো বাধাও নাই। মানুহে কয় মই হেনো অলপ বেছি গম্ভীৰ প্ৰকৃতিৰ লোক। তোমাৰ চিঠি পঢ়ি বুজিছোঁ তুমি হাঁহিমুখীয়া ছোৱালী, আৰু মোমাইদেউৰ চিঠিৰ পৰা জানিছোঁ বি.এছ.চি. ফেল হ'লেও তুমি বৰ চালাক। অনুভৱ হৈছে তোমাৰ আৰু মোৰ স্বভাৱৰ পৰস্পৰ প্ৰপূৰক, অৰ্থাৎ কমপ্লিমেণ্টেৰি। ছাইকোল'জিষ্ট সকলৰ মতে এয়াই হ'ল আদৰ্শ দম্পত্তিৰ লক্ষণ। আজি যোল্ল ফাগুন, সাত দিনৰ পাছতেই আমাৰ বিবাহ। তোমাৰ লগত সাক্ষাৎ আলাপৰ আনন্দ এতিয়াই কল্পনাত উপভোগ কৰিছোঁ।'

তোমাৰ

সুকান্ত

কিছুদিনৰ পাছত সুনন্দাৰ চিঠি আহিল। 'চেঃ ! সকলো মাটি হৈ গ'ল। মানুহ এনেকুৱা সমস্যাতো পৰেনে! পৱন ভাদুৰী ইয়ালৈ আহিছে। কালি মোৰ লগত দেখা কৰি ক'লে, চোৱা সুনন্দা, এতিয়া মই স্বাধীন, ভাল ৰোজগাৰ কৰোঁ, মা-দেউতাৰ তলত চলাৰ কোনো দৰকাৰ নাই। তুমি মোৰ লগত ব'লা, বাংগালোৰত চিভিল বা হিন্দু মেৰেজ যি বিচৰা সেইটোৱেই হ'ব।

এয়াই পৰিস্থিতি। মোৰ অৱস্থাটো আপুনি নিশ্চয় বুজিব পাৰিছে। পৱন ভাদুড়ীক অস্বীকাৰ কৰা মোৰ সাধ্য নাই, কাইলৈয়ে অৰ্থাৎ আপোনাৰ নিৰ্ধাৰিত বিবাহৰ দুদিনৰ আগতেই মই পৱনৰ লগত পলাই যাম। কিন্তু আপোনাৰ প্ৰতি মোৰ এটা কৰ্তব্য আছে, আপোনাৰ ব্যৱস্থা নকৰাকৈ মই নাযাওঁ। মোৰ ভনী নন্দা মোতকৈ ডেৰ বছৰ সৰু। দেখাত মোৰ দৰেই, তথাপিও ৰং বেছি বগা। তাইও বি.এছ.চি ফেল। জকজকীয়া দাঁত, তামোল-চামোল নাখায়, এতিয়ালৈকে প্ৰেমতো পৰা নাই। আপোনাৰ সকলো চিঠি তাই পঢ়িছে, পঢ়ি খুব মোহিত হৈছে। আপোনাক বিয়া কৰাবৰ বাবে প্ৰস্তুত আছে। ডিয়াৰ সুকান্ত, কোনো হুলস্থূল নকৰিব, ঘৰৰ কাকো একো নক'ব। আপোনালোকৰ প্ৰোগ্ৰাম অনুসৰি বৰযাত্ৰী লৈ যথাযথ সময়ত আমাৰ ঘৰলৈ আহিব। পুৰোহিতে যি মন্ত্ৰ পঢ়াব নিৰ্বোধ ল'ৰাৰ দৰে সেইটোকে পঢ়িব, মোৰ দেউতাই নন্দাক আপোনাৰ হাতত সম্প্ৰদান কৰিব। তাইক পালে নিশ্চয় আপুনিও সুখী হ'ব। আপুনিতো ঘৰ চলাবৰ বাবে এগৰাকী গৃহিণী বিচাৰে, সেয়ে





সুনন্দাৰ পৰিৱৰ্তে নন্দাক পালেও আপোনাৰ চলিব। নিজৰ ভনীয়েকৰ প্ৰশংসা কৰা ভাল নহয়, তথাপিও কওঁ নন্দা খুব ভাল ছোৱালী। আজি বিদায়, ইয়াৰ পাছত সুযোগ পালে আপোনাৰ স'তে দেখা কৰি ক্ষমা বিচাৰিম।'

- ইতি

সুনন্দা

সুনন্দাৰ চিঠি পঢ়ি হতভম্ব হ'ল, খুব খঙো উঠিল মনত। কিন্তু সি যুক্তিবাদী ল'ৰা। অলপ পাছতেই ভাবি দেখিলে, সুনন্দাৰ প্ৰস্তাৱ বেয়া নহয়, গৃহিণী যেতিয়া দৰকাৰ তেতিয়াহ'লে এজনী পাত্ৰীৰ সলনি অন্য এজনী পাত্ৰী হ'লেও ক্ষতি কি? সুকান্তই স্থিৰ কৰিলে যে সি কোনো ধৰণৰ গণ্ডগোল নকৰে, কোনো ধৰণৰ আপত্তিও নকৰে, সম্পূৰ্ণভাৱে মোমায়েকৰ তলত চলিব, তেওঁ যি ব্যৱস্থা কৰিলে সেইটো মানি ল'ব।

সুকান্ত কলকাতালৈ অহাত তাৰ মোমায়েকৰ ঘৰত কোনেও সুনন্দাৰ সম্বন্ধে একোৱেই নক'লে, কোনো ধৰণৰ উদ্বেগো প্ৰকাশ নকৰিলে। যথাসময়ত বৰযাত্ৰীসকলৰ সৈতে সুকান্ত বিয়াঘৰত উপস্থিত হ'ল। তাতো কোনো ধৰণৰ অস্বাভাৱিক পৰিস্থিতি তাৰ চকুত নপৰিল।

সুকান্তই দেখিলে, যোল্ল-সোতৰ বছৰীয়া এটা ল'ৰাই নিমন্ত্ৰিতসকলক তামোল আৰু চিগাৰেট পৰিৱেশন কৰিছে, কন্যাপক্ষৰ মানুহে তাক লম্বু বুলি মাতিছে। তাক ইঙ্গিতেৰে কাষলৈ মাতি আনি চুপি চুপি প্ৰশ্ন কৰিলে,

ঃ তুমি সুনন্দাৰ সৰু ভায়েক লম্বু?

ঃ ওঁ হয়,— লম্বুৱে ক'লে।

ঃ সেইফালে খবৰ কি?

ঃ খবৰ সকলো ভালেই। বাইদেউক এতিয়া সজোৱা হৈছে, অলপ পাছতেই বিয়াৰ লগ্ন।

ঃ সুনন্দা গুচি গৈছে?

ঃ আপুনি কৈছে কি, বিয়াৰ কন্যা আকৌ ক'লৈ গুচি যাব?

ঃ তোমাৰ আৰু এজনী বাইদেউ নন্দা, তাইৰ খবৰ কি?

ঃ আৰে! মোৰতো এজনীয়েই বাইদেউ, তাইৰ লগতেই আপোনাৰ বিবাহ হৈছে। সুকান্তই চকু কপালত তুলি কোনোমতে ক'লে,

ঃ ওঁ!

ৰাতি বাৰটাৰ পাছত বিয়াঘৰৰ ৰভাতলীত কোনো নাথাকিল। সুকান্তই প্ৰশ্ন কৰিলে,

ঃ তুমি সুনন্দা নে নন্দা

ঃ দুয়োটাই, ভাল নাম সুনন্দা আৰু ঘৰত মতা নাম নন্দা।

ঃ চিঠিত ইমানবোৰ মিছা কথা লিখিলা কিয়?

ঃ কোনো কুমতলব নাছিল। সত্যবাদী উদাৰ চৰিত্ৰৰ ভাবী স্বামীক অলপ পৰীক্ষা কৰি চাইছিলোঁ সহ্য কৰাৰ শক্তি কিমান আছে।

ঃ তোমাৰ সেই পৱনচন্দ্ৰ ভাদুড়ীৰ খবৰ কি?

ঃ বতাহ হৈ উৰি গৈছে, তাৰ অস্তিত্বই নাই। মোৰ ওচৰত এখন হনুমানৰ ভাল ছবি আছে, তোমাৰ সেই সুৰঙ্গীৰ ফ'টোৰ লগত বন্ধাই ৰাখিলে ভাল লাগিব নহয়?

ঃ তুমি এজনী বৰ আঁকৰী ছোৱালী। সেইবাবেই বি.এছ. চিত ফেইল কৰিছা।

ঃ ঝুনি মিত্তি মোতকৈ দুগুণ আঁকৰী। তাই ফাষ্ট হ'ল কেনেকৈ? অংকত কেঁচা, মোৰাৰেল থিয়'ৰিটো মুঠেই বুজিব নোৱাৰো, আৰু সেইটোৱেই প্ৰধান কাৰণ।

ঃ কিয়, সেইটো খুব সহজ অংক। বুজাই দিছোঁ শুনা। ভি ইকোয়েলটো টু.....

ঃ থাকক এতিয়া বিয়া ঘৰত অংক কৰিলে অকল্যাণ হয়।

ঃ ঠিক আছে কাইলৈ বুজাই দিম।

ঃ কাইলৈতো কালৰাত্ৰি, দৰা-কন্যা দেখা হোৱাৰ নিয়ম নাই। একেবাৰে পৰহি ফুলশয্যাত দেখা হ'ম।

ঃ হ'ব তেন্তে তেতিয়াই বুজাই দিম।

ঃ ফুলশয্যাত অংক কৰিলে মহাপাতক হয়, — সেইটো নাজানা? আইতাৰ আকৌ অনিদ্ৰা বেমাৰ আছে, যদি শুনিবলৈ পায় যে নাতি জোৱাঁই ফুলশয্যাত অংক কৰিছে, তেতিয়াহ'লে গোবৰ খোৱাই প্ৰায়শ্চিত্ত কৰিব। লৰালৰি কিহৰ, মইতো পলোৱা নাই। এবছৰমান যাওক, তাৰ পাছত বুজাই দিম।

ঃ আচ্ছা সেইটোৱে হ'ব। এতিয়া শুৱা যাওক, নে কি কোৱা? চোৱা সুনন্দা, তুমি লাহৰী দেখাত।

ঃ হয় নেকি? তোমাৰ চাৱনিতো খুব তীক্ষ্ণ।

ঃ সুনন্দা, মোৰ কি ইচ্ছা জানা?

ঃ মোক চোবাই খাই পেলোৱাৰ?

ঃ ঠিক সেইটো নহয়। ভাব হৈছে.........

ঃ ভাব হওক দিয়া, এতিয়া শুৱা! ■

নাটক



# বঙহৰ যুঁজ


শৈলেনজিৎ শৰ্মা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ


(দুটি পৃথক ঘৰ, দুখন দুৱাৰ। ঘৰ দুটিৰ সোঁফালৰ ২ নম্বৰ দুৱাৰৰ সন্মুখত যুৱক-যুৱতী এহালে কথা পাতি থকা দেখা যায়। ভিক্ষাৰী এজনে সোমাই আহি বাওঁফালৰ ১ নম্বৰ দুৱাৰৰ সন্মুখত ৰৈ গিৰিহঁতক মাত দিয়ে। মাজত এখন চোতাল লৈ দুখন দুৱাৰে দুটি পৃথক ঘৰক বুজাব লাগিব। চোতালখনত অভিনয় চলিব)

ভিক্ষাৰী - কৃষ্ণ, কৃষ্ণ ! ঘৰত কোন আছে ? ওলাই আহি মাত এষাৰ দিয়কচোন। *(খন্তেক ৰৈ)* ভগৱানে দয়া কৰিব - মাত এষাৰ দিয়কচোন।

*(নাৰায়ণ ওলাই আহে)*

নাৰায়ণ - হেৰ’ এই দুপৰীয়া ক্ষণত ইয়াত চিঞৰি চিঞৰি মৰিছ কিয় ? ভিক্ষা-চিক্ষা দিবলৈ মাইকী মানুহ নাই, যা।

ভিক্ষাৰী - প্ৰভু, মতা মানুহে ভিক্ষা দিব নাপায় নেকি ?

নাৰায়ণ - ভিক্ষাৰীক দিয়া ধান-চাউল ক’ত থাকে মাইকী মানুহবেহে জানে।

ভিক্ষাৰী - কৃষ্ণ, কৃষ্ণ। প্ৰভু, ভিক্ষাৰীক দিয়া ধান-চাউল বেলেগ নেকি ?

নাৰায়ণ - তোৰ লগত চুপতি মাৰিবলৈ মোৰ সময় নাই। মাইকী মানুহ নাই বুলিছোঁ, নুশুন কিয় ?

ভিক্ষাৰী - প্ৰভু, ভগৱানে আপোনাক বহুত দিছে। ভগৱানক খাটিছোঁ আপোনাক ধন-ধান আৰু বেছি দিয়ক।





নাৰায়ণ - হেৰ’ মোক যে দিবলৈ ভগৱানক কৈছ তোক নিজকে দিবলৈ নকৱ কিয় ?

ভিক্ষাৰী - প্ৰভু, আপোনাক দিলেহে আপুনি আমাক দিব !

নাৰায়ণ - কি মূৰ্খ ভিক্ষাৰী অ ! হেৰ’ তোৰ ভগৱানে দয়া কৰি মোক দিয়ক - তাৰ পিছত আকৌ মই তোক দিওঁ। তাতকৈ তই ভগৱানক পোনে পোনেই খুজি যিমান পাৱ লৈ থাকগৈ। মোক একো দিব নালাগে যা।

ভিক্ষাৰী - প্ৰভু, ভগৱানে আমাৰ দৰে দুখীয়াৰ কথা শুনা হ’লে আমি দীন ভিক্ষাৰী হ’ব লগা নহয়। প্ৰভু, আজি দুদিন ধৰি ভাত এমুঠিৰো মুখ দেখা নাই !

নাৰায়ণ - হেৰ’ তোৰ কৰ্মফল তই ভুগিছ, - মোক ক’লে কি হ’ব ? যা, যা।

ভিক্ষাৰী - প্ৰভু, আমালৈ জানো আপোনাৰ অকণো দয়া নাই ?

নাৰায়ণ - উস্, ই কম ভিক্ষাৰী নহয় অ ! হুঁ-এই পইচাটো ল আৰু ইয়াৰ পৰা যা। *(৫০ পইচা এটা দিয়ে)*

ভিক্ষাৰী - ৫০ পইচা ! ৫০ পইচাত আজি-কালি কি পায় প্ৰভু ?

নাৰায়ণ - ৫০ পইচাত কি পায়, কি নেপায় মই কি জানো ? মই যি দিছোঁ তাকেই লৈ যা।

ভিক্ষাৰী - পইচাটো আপুনিয়ে ৰাখক।

*(পইচাটো দলিয়াই দি ২ নং দুৱাৰৰ ফালে যায়)*

নাৰায়ণ - *(পইচাটো লৈ)* লক্ষ্মীক দলিয়াইছ ? চালা, এই কাৰণেই তহঁতৰ এই বিলাই। ঐ - *(ভিক্ষাৰীজন যোৱাৰ ফালে চাই বাপুকণক ২ নং দুৱাৰেদি দেখি খন্তেক চাই থাকি খঙৰ ভমকত ভিতৰ সোমায়। ছোৱালী এজনীয়ে ভিক্ষাৰীক চাউল দিয়ে। ভিক্ষাৰীয়ে কৃষ্ণ কৃষ্ণ বুলি ওলাই যায়। পুনৰ নাৰায়ণে ওলাই আহি বাপুকণক উদ্দেশ্যি মাত দিয়ে আৰু মূঢ়াত বহে।)*

বাপুকণ, ঐ বাপুকণ ! *(২ নং দুৱাৰৰ ল’ৰা-ছোৱালী অদৃশ্য হয়)*

বাপুকণ, ঐ বাপুকণ !

বাপুকণ - *(১ নং দুৱাৰেদি ওলাই আহি)* কি হ’ল ভিনদেউ ?

নাৰায়ণ - ক’ত মৰগৈ, - মাতি মৰিলেও যে মাত নাপাওঁ ?

বাপুকণ - ক’ত মৰিমগৈ। ঘৰতে আছোঁ।

নাৰায়ণ - ঘৰতে মানে, - মোৰ ঘৰত নে আনৰ ঘৰত ?

বাপুকণ - আপোনাৰ ঘৰতে দেখোন আজি দুবছৰে আছোঁ।

নাৰায়ণ - ঐ গাধ ! দুবছৰে থকাৰ কথা সোধা নাই।

বাপুকণ - আপুনিনো কি সুধিছে ?

নাৰায়ণ - এইমাত্ৰ ক’ত আছিলি, সেইটোহে সুধিছোঁ।

বাপুকণ - ভিতৰত। বাইদেউৰ লগত কথা পাতি আছিলোঁ।

নাৰায়ণ - কথা পতাটো হয়। পিছে বায়েৰৰ লগত কথা পাতিছিলিনে ?

বাপুকণ - অতো।

নাৰায়ণ - *(ভিতৰলৈ চাই)* ঐ শুনচোন, - এইফালে আহ।

বাপুকণ - বাইদেউক আকৌ কিয় মাতিছে ?

নাৰায়ণ - কাৰণ আছে। ঐ শুনিছনে ?

বাপুকণ - ৰ’ব, মই মাতি আনোগৈ।

নাৰায়ণ - তই কিয় যাব লাগে ? তাই আহিব নহয়। *(আইটি ভিতৰৰ পৰা ওলাই আহে)*

আইটি - কিয় মাতিছে ?

নাৰায়ণ - এই গাধটোৰে এতিয়া তোৰ লগত কথা পাতি থকাটো হয়নে ?

আইটি - কোনে, - বাপুকণেনে ? *(বাপুকণে নাৰায়ণে নেদেখাকৈ আইটিলৈ হাতযোৰ কৰি মানা কৰে)* অ হয়, কথা পাতি আছিল। কিন্তু .....

*(দোধোৰ-মোধৰত পৰে)*

নাৰায়ণ - কি হ’ল ?

আইটি - নহয়, - মই আৰু সি কথা পতাৰ কথাহে কৈছোঁ।

নাৰায়ণ - তাৰ মানে এতিয়া তহঁতহালে ভিতৰত কথা পাতি থকাটো সঁচা আৰু মই দেখাটো মিছা ?

আইটি - আপুনিনো কি দেখিলে ?

*(ইতিমধ্যে দেখা যায় ১ নং দুৱাৰেদি মাজনীয়ে নাৰায়ণহঁতলৈ চাই থাকে। খন্তেক পিছতে নিৰঞ্জন আহি মাজনীৰ পিছত ৰয়হি। নিৰঞ্জনে ইঙ্গিতেৰে কি হৈছে সোধে। মাজনীয়ে নাৰায়ণহঁতলৈ দেখুৱায়। সেইপিনে চাই নিৰঞ্জনে মাজনীক ভিতৰলৈ যাবলৈ ইঙ্গিত দিয়ে। মাজনী নেদেখা হয়)*

নাৰায়ণ - মই কি দেখিলোঁ ক’বলৈ গ’লে এইখন একেবাৰে কুৰুক্ষেত্ৰ হ’ব। এই চুৰা চেলেকাৰ কাৰণে

কোনোবা ক'ৰবাত ৰঙা-ৰঙী হ'ব লাগিব।

আইটি - ৰঙা-ৰঙী হ'বলৈ সিনো কি কৰিলে ?

নাৰায়ণ - *(খঙৰ ভমকত)* আঁতৰ হ, - মোৰ চকুৰ আগৰপৰা। যি কৰিব লাগে মই নিজে কৰিম।

আইটি - কি নিজে কৰিব ?

নাৰায়ণ - বন্ধ কৰিম। এইবোৰ আৰু মই চাই থাকিব নোৱাৰোঁ। *(ভিতৰ সোমায়)*

আইটি - ঐ আপদীয়া ! সঁচা কথা ক - ক'ত কি জগৰ লগালিগৈ ?

বাপুকণ - নাই বাইদেউ, মই ক'তো একো কৰা নাই।

আইটি - যদি তই একো কৰা নাই মানুহটোৰ ইমান খং উঠিছে কিয় ?

বাপুকণ - ভিনদেউৰনো খং উঠাৰ কি লাগ-বান্ধ আছে ! দেখা নাই - খংডাল যে কপালৰ গাঁঠিতে লৈ ফুৰে।

আইটি - তইনো মানুহটোৰ খং উঠা কামবোৰ কিয় কৰ ?

বাপুকণ - মই কি খং উঠা কাম কৰিলোঁ ?

আইটি - তই যে এতিয়া মোৰ গাত ভেজা দি মিছা কথা ক'লি তেখেতে বুজা নাই বুলি ভাবিছ নেকি ?

বাপুকণ - এ, নাই বুজা দে !

আইটি - সঁচা কথা ক'চোন - তই ক'ত আছিলি ?

বাপুকণ - ঘৰখনতে সোমাই থাকিব পাৰি নেকি ? অকণমান ওলাই গৈছিলোঁ।

আইটি - ওলাই গৈছিলি নে মাজনীহঁতৰ ঘৰত আছিলি ?

বাপুকণ - ভিনদেউৰ ভায়েকটোৰ ঘৰলৈ গ'লেনো কি অপৰাধটো হয় ?

আইটি - হেৰ' - ভায়েকটোৰ লগত তেখেতৰ বেয়া। সেয়ে তই তালৈ যোৱাটো তেখেতে বেয়া পায়।

বাপুকণ - মই যে আকৌ ভাল পাওঁ।

আইটি - তই যে তাত মুখ চুপতি মাৰিবলৈ যাৱ - মই জানো। বাৰু, ক'চোন - তোৰ লগত কোনজনীয়ে চুপতি মাৰি ভাল পায় ?

বাপুকণ - বাঃ বাইদেউ - এনেকুৱা ছোৱালী মই দেখা নাইদেই ! চুপতি মৰাত এজনীও কম নহয়।

আইটি - মাজনীৰ বায়েকেও চুপতি মাৰেনে ?

বাপুকণ - অ, তাই অৱশ্যে চুপতিত ভাগ নলয়। ছোৱালীজনী কিন্তু বৰ ভাল অ' বাইদেউ।

আইটি - তাইক তোৰ বৰ ভাল লাগে নহয় ?

বাপুকশ - ঠিক ধৰিছবাইদেউ। ছোৱালীজনীলৈ বৰ মৰম লাগে।

আইটি - মাজনীলৈ ?

বাপুকণ - বাপৰে বাপ্ - তাইৰ মুখখন একেবাৰে লাওপাত কচুপাত। কোনো কথাতে নোৱাৰি।

আইটি - মোৰ বুজিবলৈ আৰু বাকী নাই। শুন, - এনেকৈ যদি তেখেতৰ হাক-বচন নমনাকৈ থাক আৰু সিহঁতৰ লগত চুপতি মাৰিবলৈ নোযোৱাকৈ থাকিব নোৱাৰ তেতিয়াহ'লে তই যাবগৈ লাগিব। ইয়াত আৰু নহ'ব।

বাপুকণ - বাঃ, ভিনদেউৰ দৰে তয়ো ওৱাৰ্নিং দিলিয়েই। ঠিক আছে - যামগৈ। কিন্তু আকৌ আনিবলৈ যাব নোৱাৰিবি।

আইটি - নাক কটা, নিধক। ভাল কথা ক'লে বেয়া শুন। *(বেজাৰ কৰি)* যাগৈ, এতিয়াই যাগৈ। আজিৰ পৰা বায়েৰ মৰিল বুলি ভাবিবি। *(ভিতৰ সোমায়)*

বাপুকণ - ছেঃ, কি জঞ্জাল। *(আগুৱাই গৈ ২ নং দুৱাৰলৈ চায়)*

নিৰঞ্জন - কি হ'ল অ' বাপুকণ ? কোন ক'ত ৰঙা-ৰঙী হৈ যোৱাৰ কথা কৈ গ'ল। *(ওলাই আহি কয়)*

বাপুকণ - অ ভিনদেউ ! উৰহৰ খং ভগা ঢাৰিত। মই ক'ত মৰিমগৈ এতিয়া ?

নিৰঞ্জন - হেৰ' সি টিঙিৰি তুলা বুলি দেখোন জানাই। তই অকণমান সাৱধানে চলিব নোৱাৰনে ?

বাপুকণ - বুজিছে ভিনদেউ, আচল কথা সেইটো নহয়।

নিৰঞ্জন - আচলটোনো কি আকৌ ?

বাপুকণ - আমাৰ ভিনদেউৰে কাৰো লগত মিলেৰে থাকিব নোৱাৰে। গাঁওখনৰ কাৰ লগতনো ভাল ?

নিৰঞ্জন - ঠিক কৈছ বাপুকণ। সেই ভাবটো তাৰ থকা হ'লে আজি আমি মাত্ৰ দুটা ককাই-ভাই বেলেগে থাকিব নালাগিলহেঁতেন। তাৰ এই চৰিত্ৰৰ কাৰণেই আমাৰ কাৰো শান্তি নোহোৱা হ'ল।

বাপুকণ - ঠিক কৈছে ভিনদেউ।

নিৰঞ্জন - চা, এতিয়া যে আমি দুটাই কথা পাতি আছোঁ সেইটো দেখিলেও তাৰ মূৰ গৰম হ'ব। গতিকে যা বাপুকণ, ভিতৰলৈ যা। ময়ো যাওঁ।





বাপুকণ - এ ভিনদেউ ৰ'ব - একেবাৰে যামগৈ। ইয়াত আৰু নাথাকোঁ।

নিৰঞ্জন - হেৰ' যাৰ, থাক তোৰ কথা। আমাক শুনাই লাভ নাই। হ'লেও এটা কথা কৈ থওঁ - বায়েৰে তোক চপাই লোৱাৰ কাৰণটো কিন্তু বেলেগ।

বাপুকণ - কি কাৰণ ভিনদেউ ?

নিৰঞ্জন - সময়ত তই নিজেই জানিবি। *(ইতিমধ্যে মাজনী আহি শুনি থাকে)* তই আকৌ কি শুনিছহি ? ব'ল, ভিতৰলৈ ব'ল। *(দুয়ো ভিতৰ সোমায়। বাপুকণে মাজনী ঘূৰি অহাৰ আশাত যোৱাৰ পিনে চাই থাকি নহা দেখি ভিতৰ সোমায়)*

বাপুকণ - বাইদেউ *(ভিতৰ সোমায়, মঞ্চ এন্ধাৰ হয়) (পুনৰ পোহৰ হোৱাত দেখা যায় মঞ্চৰ সোঁ মাজত নাৰায়ণে এখন টাটী দি থাকে আৰু মুখেৰেও বকি থাকে)*

নাৰায়ণ - আজিৰ পৰা টাটী পাৰ হৈ কোনো যাব নোৱাৰ, কোনো আহিবও নোৱাৰ। নেলাগে, মোৰ ঘৰলৈ কোনো আহিব নেলাগে। বাপুকণ, কৈ থ'লোঁ, - কথা নুশুনিলে ঠেং ভাঙি দিম। বাপুকণ, ঐ বাপুকণ।

বাপুকণ - *(ওলাই আহি)* কি হ'ল ভিনদেউ ?

নাৰায়ণ - কথাটো বায়েৰকো ক'বি।

বাপুকণ - কি কথাটো বাইদেউক ক'ব লাগে ?

নাৰায়ণ - ঐ, চকুৰে দেখিছনে নাই ?

বাপুকণ - কি দেখাৰ কথা কৈছে ভিনদেউ ?

নাৰায়ণ - এই টাটীখন। এই টাটীখন মই কিয় দিলোঁ ?

বাপুকণ - হয়তো। দুখন ঘৰৰ মাজত এখন চোতাল। এই চোতালখনৰ মাজত টাটীখন কিয় দিলে ভিনদেউ ?

নাৰায়ণ - বন্ধ। অহা-যোৱা বন্ধ। মোৰ ঘৰৰ মানুহে তাৰ ঘৰলৈ যোৱা বন্ধ। তাৰ ঘৰৰ পৰা মোৰ ঘৰলৈ অহাটো বন্ধ। আজিৰেপৰা চব বন্ধ।

বাপুকণ - ভিনদেউ, আপোনালোকৰ কিবা লাগিছে লাগক। মোক আকৌ সৰু ভিনদেউৰ ঘৰলৈ যাবলৈ বন্ধ কৰিছে কিয়?

নাৰায়ণ - ঐ, তোৰ বায়েৰক মই বিয়া কৰাইছিলোঁ নে সি বিয়া কৰাইছিল ?

বাপুকণ - আপুনি বিয়া কৰালেও তেওঁ আপোনাৰ ভাই।

নাৰায়ণ - তই বায়েৰৰ ঘৰত আছনে তাৰ ঘৰত আছ ?

বাপুকণ - আপোনাৰ ঘৰত আছোঁ।

নাৰায়ণ - মোৰ ঘৰত থাকিলে মোৰ কথা শুনিব লাগিব। তহঁত চব তাৰ ঘৰলৈ যোৱাটো বন্ধ। যাক মই মৰিল বুলি তিয়াগ কৰিলোঁ, তহঁতেও কৰিব লাগিব।

বাপুকণ - কাজিয়া লাগিলেও তেওঁ আপোনাৰ ভাই যেতিয়া মোৰ ভিনদেউ। মোক মিছাতে কিয় হাক দিছে ভিনদেউ ?

নাৰায়ণ - হাক দিয়ায়ে নহয়, - যদি টাটী পাৰ হৈ তাৰ ঘৰলৈ যোৱা দেখো তোৰ ঠেং ভাঙি দিম।

বাপুকণ - ভিনদেউ, আপোনালোক জানো সহোদৰ ককাই-ভাই নহয় ?

নাৰায়ণ - সহোদৰ নহয়, - শতৰু। সি মোৰ শতৰু।

বাপুকণ - নিজৰ ভাইটো শতৰুহে হ'লগৈ এতিয়া ?

নাৰায়ণ - বোপাইৰ সম্পত্তি সি সোপাকে গ্ৰাস কৰিলে। মোক একো নিদিলে। মোৰ ল'ৰা-ছোৱালী নাই বুলি কি মোৰ পৈতৃক সম্পত্তিৰ ভাগ নেপাম ? তাৰ ল'ৰা-ছোৱালী এগাল বুলিয়েই কি সি সকলো ভোগ কৰিব ?

বাপুকণ - ভিনদেউ, আমি জনাত দেখোন সম্পত্তিৰ ভাগ দুয়োজনে সমানেই পাইছে।

নাৰায়ণ - ঐ গোট গৰু, ক'ত সমান দেখিলি ? কথা নাই, বাৰ্তা নাই চেপ চেপাই নেথাকিবি। মই কৈছোঁ তাৰ ঘৰলৈ যোৱা বন্ধ।

বাপুকণ - ৰাস্তাৰে ঘূৰি যাব পাৰিমনে ভিনদেউ ?

নাৰায়ণ - নোৱাৰ। মুঠতে তাৰ ঘৰলৈ কোনোফালেদি যাব নোৱাৰ।

আইটি - *(ওলাই আহি)* কৃষ্ণ, কৃষ্ণ, এইখন আপুনি কি কৰিলে ?

নাৰায়ণ - কি কৰিলোঁ দেখা নাই ?

আইটি - এই মাজ চোতালত টাটীখন কিয় মাৰিলে ?

নাৰায়ণ - কি মূৰ্খ তিৰোতা অ। হেৰ' টাটী কিয় মাৰে নেজান ?

আইটি - ঐ বাপুকণ, দেখিছনে মানুহটোৰ কাম ? মই এতিয়া ধানকেইটা মেলিম ক'ত ? কেতিয়াবা

কাপোৰখন বাটি কাৰিম ক'ত ?

নাৰায়ণ - তই মোক চোতালত ধান শুকুৱাই ভাত খোৱাব নালাগে। কাপোৰ বাটি কাৰি পিন্ধাবও নালাগে। চুৱা চেলেকাবোৰৰ কাৰণে মই চব তিয়াগ কৰিলোঁ।

আইটি - ৰ'বচোন, ককাই-ভাই কিবা এখন লাগিবই। সেই বুলিয়েই টাটীখন মাৰিব লাগেনে ? কাইলৈ যদি আকৌ ভাল হয় তেতিয়া কি কৰিব ?

নাৰায়ণ - ফটা বাঁহ যোৰা লগা ক'ত শুনিছ ? ফাটি যোৱাবোৰৰ ঘৰলৈ ই চুৱা চেলেকাই কিয় যাব ? গতিকে বন্ধ, কোনো যাব নোৱাৰ।

আইটি - যোৱা বন্ধ যেতিয়া নগ'লেই হ'ল। বাটৰ মানুহে হাঁহিবলৈ টাটীখন আকৌ কিয় দিব লাগে ? নাকটো এতিয়া কাৰ যাব ?

নাৰায়ণ - সেই ৰচকীকেইজনীৰ লগত ভায়েৰে মেল মাৰি থকা দেখিলে বাটৰ মানুহে নেহাঁহিব ? তেতিয়া তোৰ নাকটো ক'ত থাকিব ?

বাপুকণ - অ তেন্তে টাটীখন মোৰ কাৰণেই মাৰিলে ?

নাৰায়ণ - অকল তোৰ কাৰণে নহয়। তামোলটো, পাণ-বিৰা বিচাৰি মোৰ ঘৰত মেল মৰাও বন্ধ।

আইটি - ওচৰ চুবুৰীয়া মানুহ, - ইটো-সিটো বিচাৰি ইঘৰ সিঘৰলৈ যাবই। এইখনটো চহৰ নহয় - গাই গোটা পেটে ভঁৰাল হ'বলৈ।

নাৰায়ণ - তই মোক গিয়ান দিব নালাগে। ভিতৰলৈ যা বুলিছোঁ।

বাপুকণ - যা বাইদেউ, তই ভিতৰলৈ যা।

আইটি - ভালটো ক'লে যেতিয়া কাণত নোসোমাই, কৰি থাওক কি কৰে। (ভিতৰলৈ যায়। বাপুকণেও যাব বিচাৰে)

নাৰায়ণ - ঐ গৰু, শুন।

বাপুকণ - কি কওক।

নাৰায়ণ - তোৰ গতি-গোত্ৰ ভাল দেখা নাই !

বাপুকণ - মই আকৌ কি কৰিলোঁ ?

নাৰায়ণ - তাৰ ঘৰত ছোৱালী এজাক হয়নে নহয় ?

বাপুকণ - হয়।

নাৰায়ণ - তই সিহঁতৰ লগত কিহৰ সেলেঙি লগাই চুপতি মাৰি থাকগৈ ?

বাপুকণ - ক'তনো চুপতি মাৰা দেখিলে ?

নাৰায়ণ - ক'ত দেখিলোঁ তই জানিব নালাগে। মুঠতে জানি থ তোৰ অহা-যোৱা বন্ধ।

বাপুকণ - আপোনাৰ নিজৰ ভতিজীকেইজনীৰ লগত মোক বদনাম দিয়াটো জানো ভাল হৈছে ভিনদেউ ?

নাৰায়ণ - তোৰ আকৌ দুখটো লাগিল কিয় ?

বাপুকণ - দুখ লগা নাই, কৈছোঁহে।

নাৰায়ণ - কৈছোঁহে ! একে চৰে .......... । যা, আঁতৰি যা। *(যাব খোজে)* ঐ, শুন।

বাপুকণ - আকৌ কি ক'ব ?

নাৰায়ণ - কোনজনী নিবি ?

বাপুকণ - আপুনি কি কথা কৈছে ভিনদেউ ?

নাৰায়ণ - তোৰ মনৰ কথাটো কৈছোঁ। ক, কোনজনী নিবি ?

বাপুকণ - মই আকৌ কিয় নিম ভিনদেউ ?

নাৰায়ণ - যদি নিনিয় তেন্তে কিহৰ চুপতি মাৰি দিনৰ দিনটো সিহঁতৰ লগত বহি থাকগৈ ?

বাপুকণ - চুপতি মাৰিলোঁ বুলিয়ে নিব লাগিবনে ?

নাৰায়ণ - হেৰ' ডেকা ল'ৰা এটাই গাভৰু ছোৱালী এজাকৰ লগত কিয় চুপতি মাৰি থাকে মই নুবুজোঁ বুলি ভাব নেকি ?

হেৰ' আমিবোৰ উপজিয়ে বুঢ়া হোৱা নাই। আমিও ডেকা বয়সটো পাইছিলোঁ।

বাপুকণ - ভিনদেউ, আপোনালোকৰ দিনৰ লগত আজি-কালিৰ দিন নিমিলে।

নাৰায়ণ - কিয় মিলিব ? আমাৰ দিনত ডেকা ল'ৰা দেখিলে গাভৰু ছোৱালী ভিতৰ সোমাইছিল।

বাপুকণ - আমাৰ দিনত কাষ চাপি আহে, - নহয়নে ভিনদেউ ?

নাৰায়ণ - হেৰ' কাষ চাপি নাহে। কাষ চপাই নিয়ে। চালা অগিয়ানৰ সঁচ, চব জহন্নামে গ'লি। তহঁততো গ'লি গ'লিয়ে, আমাকো নিলি।

বাপুকণ - আপোনালোকৰ দিনত জহন্নামে যোৱাদি আজি-কালি যোৱা নাই দিয়ক।

নাৰায়ণ - কি ক'লি ? আমাৰ দিনত কি জহন্নামে গ'ল ক'চোন, - শুনো।





বাপুকণ - আপোনালোকৰ দিনত ঘৰৰ বেৰ কাটি ছোৱালী পলুৱাই নিয়াৰ দৰে আজি-কালি কোনোবাই নিয়া বুলি ক'ব পাৰিবনে ?

নাৰায়ণ - হেৰ' সাহস থাকিলেহে পাৰিব।

বাপুকণ - সন্ধিয়াতো বাদেই, দিন দুপৰতো গাভৰু ছোৱালী এজনী অকলে ক'লৈকো যাব নোৱাৰিছিল।

নাৰায়ণ - আজি কালি হ'বলা পাৰে ?

বাপুকণ - পাৰেতো। আজি-কালি গাভৰু ছোৱালীয়ে নিচিন্তমনে স্কুল-কলেজলৈ আহ-যাহ কৰিব পাৰিছে। আপোনালোকৰ দিনত পাৰিছিলনে?

নাৰায়ণ - তহঁতে কেনেকৈ পাৰিবি ? গাত বল-শকতি থাকিলেহে পাৰিবি। মদ-ভাং এসোপা খাই খাই লেৰেলা হ'লিহঁত।

কাম বন নকৰি চাৰি আলি, তিনি আলিত মেল মাৰি মাৰি নিচা খোৱা হ'লিহঁত। হেৰ' নিচা খোৱা ডেকাই গাভৰু ছোৱালীৰ লগত চুপতি নামাৰি আৰু আন কিবা কৰিব পাৰে নেকি ?

বাপুকণ - আপোনালোকৰ দিনত নিচা নাখাইছিল কাৰণেই হ'বলা গাভৰু ছোৱালী বাটলৈ ওলাব পৰা নাছিল।

নাৰায়ণ - ঐ গৰু, নিচা নহয় - আহাৰ। ভাল ভাল আহাৰ খাইছিল কাৰণেই গাত বল-বীৰ্য হৈছিল, শকতি হৈছিল। শকতি থকা জনেহে ছোৱালী পলুৱাই নিব পাৰিছিল। তহঁতৰ দৰে লেৰেলা কেলেহুৱা ডেকাক গাভৰু ছোৱালীয়ে ডেকা ল'ৰা বুলি গিয়ান নকৰে, - জাননে ?

বাপুকণ - ভিনদেউ, এই বুঢ়া বয়সত ছোৱালীৰ নাড়ী-নক্ষত্ৰ বিচাৰ কৰাত লাগিল নেকি ?

নাৰায়ণ - অ, - সেই কাৰণেই কৈছোঁ যদি সাহস আছে এজনী চপাই ল। তেওঁ মোৰ চকুৰ আগত এনেকৈ মেল মাৰি নেথাকিবি।

বাপুকণ - ভিনদেউ, তেনেকৈ কোৱাতকৈ কওক - 'তই মোৰ ঘৰৰ পৰা গুচি যা।'

নাৰায়ণ - অ, সেই কথা তোক কেতিয়াবাই ক'ব লাগিছিল। বায়েৰৰ কাৰণেহে ইমানদিন বৰ্তি আছ। নহ'লে এনেকুৱা চেলেপুক কেতিয়াবায়ে খেদিলোঁহেঁতেন।

বাপুকণ - ঠিক আছে, আজিয়ে মই যামগৈ। আৰু কোনো দিন ইয়ালৈ নাহোঁ।

নাৰায়ণ - যা যা, নালাগে আহিব। সহোদৰ ভাইকে তিয়াগ কৰিলোঁ। তই খুলশালীহে, - গুচি গ'লেও একো নহয়।

বাপুকণ - ঠিকেই ভিনদেউ। আপুনি যেতিয়া সহোদৰ ভাইকে তিয়াগ কৰিব পাৰিলে মই আৰু কোন কুটা।

নাৰায়ণ - যা যা, মোৰ আগত চেহেৰা দেখুৱাই নেথাকিবি। *(সিফালৰ পৰা নিৰঞ্জন ওলাই আহে)*

নিৰঞ্জন - ঐ বাপুকণ, গাভৰু ছোৱালীৰ বদনাম মানুহে শুনাকৈ কৰিলে কি হয় ভিনিহিয়েৰক বুজাই দে। ল'ৰা-ছোৱালীৰ মুখ নেদেখা কাঠবজাই লোকৰ ল'ৰা-ছোৱালীৰ কি মোল বুজিব !

নাৰায়ণ - শুনিলি বাপুকণ, তোৰ কাৰণে মই সেই চোট জাতবোৰৰ পৰা কথা শুনিব লগীয়া হ'ল।

নিৰঞ্জন - ঐ বাপুকণ, মই যদি চোট জাত সি কোনটো ওখ জাতৰ পৰা জঁপিয়াই পৰিল সোধচোন ! তাৰ মাক-বাপেক কোন জাতৰ সোধচোন।

নাৰায়ণ - মাক-বাপেক একে হ'লেও সতি-সন্তান একে হ'ব নোৱাৰে বুলি জাননে বাপুকণ ? এই অগিয়ানচৰে কেনেকৈ মোৰ বুকুত কামোৰ মাৰিলে সোধ অ' বাপুকণ।

নিৰঞ্জন - ক'বলৈ দে অ' বাপুকণ, - মই কেতিয়া কেনেকৈ বুকুত কামুৰিলোঁ।

নাৰায়ণ - হেৰ' বাপুকণ শুন, আইৰ দুভৰি ঠুৰীয়া এযোৰ। সমান সমান ভাগ হ'ব লাগে। তেন্তে কিয় মই ঠুৰীয়াৰ ভাগ নাপালোঁ ?

নিৰঞ্জন - শুন অ' বাপুকণ, এতিয়া ভাগ লাগে। কিন্তু নিজৰ মাকজনী কেকাই কেকাই পৰি থাকোঁতে চোৱা-চিতা কৰিবলৈ তাৰ আহৰি নাছিল। মাকজনী লেটি-পেটি হৈ ঢাৰি-পাটীত পৰি থাকোঁতে খিয়াল নহ'ল। কোনে মাকক দেখিলেদেনা ওকতি মাৰিছিল সোধচোন।

নাৰায়ণ - সোধ অ' বাপুকণ, কোনে অনাহাৰে ৰাখি দৰব এপালি নিদিয়াকৈ বুঢ়ীজনীক বধ কৰিলে ?

নিৰঞ্জন - আৰু সোধচোন বাপুকণ, মাকৰ শৰাধত বৰ

পুতেকে কিমান ধন খৰচ কৰিলে ?

নাৰায়ণ - বাপুকণ, বুঢ়াৰ ভাগৰ মাটিবিঘা যিয়েই খাই আছে সিয়েইবুঢ়ীৰ শৰাধৰ খৰচ কৰিব লাগিব বুলি ৰাইজে কোৱাটো ক'লৈ গ'ল ? অ মাটি খাব এজনে আৰু শৰাধৰ ধন ভাঙিব আন এজনে ?

নিৰঞ্জন - বুঢ়ীক লালন-পালন কৰি মাটিবিঘা খাবলৈ মই হাক দিছিলোঁ নেকি সোধ অ' বাপুকণ।

নাৰায়ণ - বুজিছ বাপুকণ, চব কাৰচাজি। মাক-পুতেকৰ কাৰচাজি। মোক বঞ্চিত কৰাৰ কাৰচাজি।

নিৰঞ্জন - বাপুকণ, কোন অগিয়ানে ক'ব যে মাকজনী ঢাৰি-পাটীত পৰি থাকোঁতে ঠুৰীয়াৰ কাৰণে কাৰচাজি কৰিব পাৰে!

নাৰায়ণ - বুজিছ বাপুকণ, থাকে মোৰ লগত, গোপনে মেল মাৰে সৰু পুতেকৰ লগত। মেল মাৰি মাৰি মোৰ চব সম্পত্তি সৰকালে। যেতিয়া সৰকাবলৈ একো নাইকিয়া হ'ল তেতিয়া বেমাৰৰ ভাও ধৰি মোৰ লগৰ পৰা আঁতৰি গ'ল।

মই যদি মিছা মাতিছোঁ গাঁৱৰ মানুহক সুধি চাগৈ।

নিৰঞ্জন - পো-পোৱালি নাইকিয়া কাঠ-বজা এটাৰ লগত বুঢ়ী মানুহ এজনী থাকিব পাৰে নেকি ? নাতি এটাৰ মুখ চাবলৈ বুঢ়ীয়ে কিমান আশা কৰিলে ! বুজিছ বাপুকণ, মোৰ ল'ৰা-ছোৱালী কেইটা দেখি তাৰ বুকুত জুই জ্বলিছে। তাকে নকৈ বেৰে-ছালে কোৱাই মৰিছে।

নাৰায়ণ - বুজিছ বাপুকণ, ডেকা ল'ৰা দেখিলে বাটলৈ ঢাপলি মৰা ছোৱালী মোৰ যেনিবা নহ'লেই। সিহঁতৰ কেলেঙ্কাৰী ছোৱালীৰ বাপেকী হোৱাতকৈ নোহোৱাই ভাল। *(মাজনী ওলাই আহে)*

মাজনী - বাপুকণ, আমাক যে কথাই কথাই কেলেঙ্কাৰী বুলি কৈ আছে কেলেঙ্কাৰীৰ কিবা প্ৰমাণ হাতত আছেনে সোধচোন !

নাৰায়ণ - দুনীয়াই জনা কথাৰ প্ৰমাণ কিয় লাগে বাপুকণ ?

মাজনী - গোবৰত কোব মাৰিলে গালেকে চিটিকি পৰে। ভতিজীকেইজনী কেলেঙ্কাৰী হ'লে বৰদেউতাকটোৰ নাকটো থাকিবনে বাপুকণ ? সহোদৰ ভায়েকৰ ছোৱালীকেইজনীক কেলেঙ্কাৰী বুলি কৈ নিজে মহাপুৰুষজন হ'বলৈ গৈছে !

নাৰায়ণ - পুৰি দিলে ভূতে নোলোৱাজনীৰ কথা শুন অ' বাপুকণ ! ময়ো দেখিম কোনটো মহাপুৰুষে সিহঁতক নিয়ে বাপুকণ।

নিৰঞ্জন - মাজনী, তই আকৌ কিয় আহিলি আমাৰ মাজত মাত মাতিবলৈ ? যা, তই ভিতৰলৈ যায়ে।

মাজনী - আমাক এনেকৈ আজুৰি কথা কৈ থাকিলে কিয় নেমাতিম ? বাটৰ মানুহে শুনাকৈ গাভৰু ছোৱালীৰ বদনাম গাই থাকিলে কোনে সহিব পাৰে ?

নিৰঞ্জন - মিছা কথাবোৰ ইয়াত কিয় মাইক এটা লৈ চিঞৰি ফুৰিলেও তাৰ পৰা আমাৰ কি হ'ব ? কোৱাটোকহে মানুহে হাঁহিব।

মাজনী - গাভৰু ছোৱালীৰ বদনাম টেঁটু ফালি কৰিব পায়নে নেপায় নিজৰ ছোৱালী থকা হ'লেহে বুজিলেহেঁতেন। *(আইটি ওলাই আহে)*

আইটি - হেৰি শুনিছেনে, ভিতৰলৈ আহক। এনেকৈ নিজৰ মাজতে কাজিয়া কৰি বাটৰ মানুহ চপাব নালাগে।

নাৰায়ণ - ঐ বাপুকণ, বায়েৰক ভিতৰলৈ যাবলৈ ক। নহ'লে ক'ব নোৱাৰোঁ আজি কাৰ ভাগ্যত কি আছে।

আইটি - টাটীখন মাজ চোতালত দি যি কৰিলে কৰিলে। তাকে লৈ আকৌ মাউৰী ছোৱালীকেইটাক আজুৰি কাজিয়াখন কৰি আছে কিয় ?

নাৰায়ণ - কাজিয়া মই কৰিছোনে সিহঁতে কৰিছে ?

মাজনী - মাজ চোতালত টাটী আমি দিছোঁ নেকি ? বাটৰ মানুহে শুনাকৈ বাপুকণক আমি গালি পাৰি আছোঁ নেকি ?

আইটি - মাজনী অ' তইও ভিতৰলৈ যাগৈ। এইবোৰ মতা মানুহৰ লগত তই আকৌ কিয় মাত মাতিছহি ?

মাজনী - চা বৰ মা, - টাটী দিছে দিয়ক। তাকে লৈ আকৌ আমাক আজুৰি মৰিছে কিয় ? আমি কি কৰিলোঁ ?

আইটি - হ'লেও তই ছোৱালী মানুহজনীয়ে কাজিয়া কৰিলে লোকে কি বুলিব ? যা যা মাজনী, তই ভিতৰলৈ যাগৈ।

মাজনী - বৰ মা, মাক মৰা মাউৰী ছোৱালী কেইজনীয়ে কিমান দুখেৰে দিন কটাইছোঁ তালৈ বৰ দেউতাৰ





অকণো খবৰ নাই। আমি বৰ দেউতাৰ ছোৱালী নহয় নেকি ? *(কান্দি)* নিজৰ ছোৱালীৰ বদনাম ৰতিবলৈ কাৰোবাক এৰি দিবনে ?

আইটি - বৰ দেউতাৰ খঙাল মানুহ বুলি জানই দেখোন। সিমানতে আৰুনো কিমান খং তেল ? যা মাজনী, - ভিতৰলৈ যাগৈ।

বাপুকণ - বাইদেউ, তই যে মাজনীক বুজাবলৈ গৈছভিনদেউক নুবুজাৱ কিয় ? বুঢ়া মানুহটোৰেনো কি ভাল কামবোৰ কৰিছে ?

নাৰায়ণ - বাপুকণে কোনোবা এপাকত সিহঁতৰ ঘৰলৈ যায় বুলিয়ে এনেকৈ খং কৰিব লাগেনে ? সেই ছোৱালীকেইজনীয়ে আপোনাৰ কি জগৰ লগালে ?

নাৰায়ণ - তোৰ বাপুকণে কোন পাকত সিহঁতৰ ঘৰলৈ নেযায় মোক ক'চোন ! তাইহঁতৰ মাকজনী থকাহেঁতেন তাত গৈ লেটি লৈ থাকিব পাৰিলেহেঁতেননে ?

আইটি - মোৰ ভাই নহয় আপোনাৰ ল'ৰা হোৱা হ'লে তেনেকৈ ক'লেহেঁতেননে ? নেলাগে, সি ইয়াত থাকিব নেলাগে। তাক আজিয়ে পঠিয়াই দিম।

নাৰায়ণ - অ তাকে কৰ ! মোৰ নিজৰ যেতিয়া নাই পৰৰ কেলেঙ্কাৰী কিছুমান জাপি ল'বলৈ মোৰ কোনো গৰজ পৰা নাই।

নিৰঞ্জন - তেনেকৈ নকৈ আৰু কি ক'ব অ' বাপুকণ ? ভালেই হওক, বেয়াই হওক বুঢ়াকালত মুখত পানী এটুপি দিবলৈ মোৰ কেইটামান ল'ৰা-ছোৱালী আছে। সেইবোৰৰ কোন আছে ক'চোন ?

নাৰায়ণ - দেখিম কোনে কেনেকৈ মৰে। হেৰ' বাপুকণ, তইতো থাকিবি, - তয়ে দেখিবি বুঢ়া বয়সত কোন কেনেকৈ মৰে। কাৰচাজি কৰি সম্পত্তি ভোগ কৰাবোৰৰ কি বিলৈ হয় দেখিবি।

নিৰঞ্জন - যুধিষ্ঠিৰৰ ভাও কৰি কৰি বুঢ়া হ'ল। ধৰ্মৰাজ যুধিষ্ঠিৰে কোনটো ভায়েকক বেলেগ কৰি দি মাজ চোতালত টাটী মাৰিছিল সোধচোন অ' বাপুকণ।

বাপুকণ - ভিনদেউ, মোৰ গইনা লৈ আপোনালোকে কিয় কাজিয়া কৰি আছে ? আপোনালোকে ডাইৰেক্ট কাজিয়া কৰক। বাইদেউ, আমাৰ গুচি আহ। *(বায়েকক লৈ ভিতৰ সোমায়)*

নিৰঞ্জন - মাজনী, কাঠবজা বিলাকৰ মুখ দেখিলে দিনটোলৈ যাত্ৰা ভঙ্গ হয়। এইচবৰ লগত কোনে চুপতি মাৰি থাকে ? এপাত তাল অকলেই বাজি থাকক। আমি ভিতৰলৈ যাওঁ ব'ল। *(মাজনীসহ ভিতৰ সোমায়)*

নাৰায়ণ - কি মোক দেখিলে যাত্ৰা ভঙ্গ হয় আৰু তিৰোতাৰ মূৰখোৱাবোৰক দেখিলে যাত্ৰা মঙ্গল হয় ? ঠিক আছে, ৰহ - এইবাৰ টাটী গুচাই ওখকৈ দেৱাল দিম। তহঁতৰ মুখেই মই নেচাওঁ। *(মহেশ্বৰ সোমাই আহে)*

মহেশ্বৰ - ক'ত দেৱাল দিয়াৰ কথা কৈছ অ' নাৰায়ণকাই ? *(টাটীখন দেখি)* অ এইয়া কি ? মাজচোতালত টাটীখন আকৌ কিয় ?

নাৰায়ণ - টাটী কিয় দিয়ে বুজি নেপাৱ ?

মহেশ্বৰ - কিয় নেপাওঁ ? গৰু-ছাগলীয়ে খেতি নষ্ট কৰে কাৰণে মানুহে টাটী দিয়ে। মাজ চোতালত টাটী মৰা দেখা নাই।

নাৰায়ণ - দেখা নাই যেতিয়া চাই ল, - মই মাজ চোতাল টাটী দিছোঁ, কিয় দিছোঁ ভাবি চা।

মহেশ্বৰ - কিয়নো দিছ ক'চোন ?

নাৰায়ণ - মোৰ ঘৰৰ মানুহে তাৰ ঘৰলৈ যোৱাটো বন্ধ

মহেশ্বৰ - যোৱাটো বন্ধ যেতিয়া নগ'লেই হ'ল। আৰে টাটীখন কেলৈ ? তোৰতো ল'ৰা-ছোৱালী তাৰ ঘৰলৈ দৌৰ মাৰিবলৈ।

নাৰায়ণ - ঐ মহেশ্বৰ, কথা ভাল নহ'বদেই !

মহেশ্বৰ - কি হ'ল আকৌ ?

নাৰায়ণ - মোৰ ল'ৰা-ছোৱালী নাই বুলি আটায়ে জা তাকে আকৌ পেঘেনিয়াই থাকিবলৈ তো কোনে কৈছে ?

মহেশ্বৰ - নহয় অ' নাৰায়ণকাই, - মই কৈছোঁ তই ব বৌজনী তাৰ ঘৰলৈ নগ'লেই হ'ল।

নাৰায়ণ - যিবিলাকৰ পৰা বেলেগ হ'লোঁ সেইবিল

লগত অহা-যোৱা বন্ধ, দেখা-দেখিও বন্ধ।

মহেশ্বৰ - নাৰায়ণকাই, তেজ ধুলে উটে, মঙহ ধুলে উটেনে ? আজি বেয়া হৈছে, আকৌতো এদিন ভাল সম্পৰ্ক গঢ়ি উঠিবও পাৰে। তেতিয়া ?

নাৰায়ণ - নোৱাৰে, মই জীয়াই থাকোঁতে ফটা বাঁহ কেতিয়াও যোৰা নহয়।

মহেশ্বৰ - সি মৰিলে তই চুৰা নখটাকৈ থাকিব পাৰিবি ?

নাৰায়ণ - গৰু মৰিলে কোনোবাই চুৰা খাটে নেকি ?

মহেশ্বৰ - সহোদৰ ভাইটো গৰুহে হ'লগৈ !

নাৰায়ণ - তাতোকৈও অধম। বাৰু মহেশ্বৰ তয়ে ক'চোন - মেলত ৰাইজে কোৱা নাছিলনে যিয়েই আমাৰ বুঢ়ীৰ মাটিবিঘা খাব সিয়ে বুঢ়ীৰ শৰাধত ধন খৰচ কৰিব লাগিব ?

মহেশ্বৰ - অ কৈছিল।

নাৰায়ণ - তেতিয়াহ'লে বুঢ়ীৰ শৰাধত মই ধন খৰচ কৰিব লাগেনে ?

মহেশ্বৰ - নেলাগে।

নাৰায়ণ - হেৰ' বাপুকণ, শুনহি এতিয়া। যিবিলাকে শুনিব লাগে এতিয়া কিয় ওলাই আহিব ?

মহেশ্বৰ - ৰহচোন নাৰায়ণকাই, ৰাইজে ক'লে বুলিয়ে তোৰ নিজৰ মাৰজনীৰ শৰাধত তোৰ ফালৰ পৰা কিবা এটা খৰচ কৰিবলৈ তোৰ মনে ন'কলেনে ?

নাৰায়ণ - মনে কিয় ক'ব লাগে অ ? অ- ক'লেহেঁতেন যদি ময়ো বুঢ়ীৰ ভাগৰ এলেচামান মাটি খাবলৈ পালোঁহেঁতেন।

মহেশ্বৰ - হ'লেও সেইজনী তোক জন্ম দিয়া মাৰ। মাৰজনীৰ কাৰণেহে এই পৃথিৱীখন দেখিবলৈ পালি। সেইটোও জানো মনত ৰাখিব নালাগে ?

*(নিৰঞ্জন ওলাই আহে)*

নিৰঞ্জন - হেৰ' মহেশ্বৰ, - ধনে নাটে ৰজাক, ধনে নাটে বজাক। এই মাটি ফুটি ওলোৱাবোৰক বুজাই কি পাবি ? মৰা গৰুৰ লগত মাকক ৰিজোৱাবোৰকে তহঁতে সমাজৰ আগত লৈ খাই আছহত নহয় ?

নাৰায়ণ - শুনিলি মহেশ্বৰ, সেইচবৰ দাহটো ক'ত ? হেৰ' শুন, গুণ - গৰিমা কিবা থাকিলেহে আগশাৰীত বহিবলৈ পাব। লোকে বহা-দেখি দেই-পুৰি মৰিলে কি হ'ব ?

নিৰঞ্জন - হেৰ' মহেশ্বৰ, গুণীজনৰ গুণবোৰ দেখিছ নহয় ? তেনেকুৱা দুমুখীয়া চৰিত্ৰ আমাৰ নায়ো আৰু নেলাগেও।

মহেশ্বৰ - এৰা অ' নিৰঞ্জন, ককায়েৰৰ দৰে তই বাৰু কিয় নহ'লি ?

নিৰঞ্জন - দুমুখীয়াবোৰৰ লগত তহঁতেহে লেটি-পেটি কৰি খাব ! আমি নোৱাৰোঁ।

নাৰায়ণ - শুনিলি মহেশ্বৰ, ইয়াৰ পিছতো এইচব মৰিলে তই মোক চুৰা খাটিবলৈ কৰ ?

মহেশ্বৰ - হেৰ' ককাই-ভাই দুজনে মিলেৰে থাকিলে লোকে আঁসে নেপায়। তোৰ দৰে মানুহটোৰে নুবুজাতহে মই আচৰিত হৈছোঁ।

নাৰায়ণ - হেৰ' মিলেৰে কিয় থাকিব নোৱাৰোঁ জান ?

মহেশ্বৰ - কিয় ?

নাৰায়ণ - শুই থাকোঁতেই কাটি থৈ যাব। এইচব শতৰুৰ বিশ্বাস নাই।

নিৰঞ্জন - মহেশ্বৰ, এনেকুৱা অশিষ্ট মানুহৰ লগত তহঁতেহে ফেদ-ফেদাই থাকিব পাৰ। আমি নোৱাৰোঁদেই ! *(ভিতৰ সোমায়)*

মহেশ্বৰ - এৰা অ' নাৰায়ণকাই, তয়ো বেছিকৈ কৰ দে।

নাৰায়ণ - কি বেছি ক'লোঁ অ ? অ' তাৰ কথাটো হ'লে কাণত সোমাল, মোৰ কথাটো নোসোমাল।

মহেশ্বৰ - ভাল কথা হ'লেহে কাণত সোমাব !

নাৰায়ণ - কি তাৰ মানে মই ভাল কথা ক'ব নেজানো ? সেইচবেহে ভাল কথা ক'ব জানে ?

মহেশ্বৰ - ৰ'চোন, - তই আকৌ দাং খাই উঠিছ কিয় ? তোৰ কথা শুনি থাকিবলৈ মই কিবা তোৰ খাই আছোঁনে ?

নাৰায়ণ - তোক আকৌ মই খুৱাবলৈ যাম কিয় ? যিবোৰৰ পৰা খাবলৈ পাইছ সিহঁতৰ হৈয়ে মাত মাতি থাকগৈ যা।

মহেশ্বৰ - অ তাৰ মানে তই ক'ব খুজিছ মই নিৰঞ্জনৰ হৈ মাত মাতি আছোঁ ?

নাৰায়ণ - মোৰ ঘৰত ডাঙৰ খোলা থাকিলেহে মোৰ হৈ মাত মাতিবি।





মহেশ্বৰ - ঐ নাৰায়ণকাই, তোৰ চোতালত আছোঁ বুলি বৰ কথা নক'বিদেই। এই মহেশ্বৰৰ আগত বৰ কথা কৈ সাৰি যোৱা মানুহ নাই বুলি জানই নহয়।

নাৰায়ণ - কি কৰিবি অ, কি কৰিবি ?

মহেশ্বৰ - কি কৰিব পাৰোঁ তোৰ জমিনৰপৰা ওলাই আহি চা।

নাৰায়ণ - ডাঙৰ খোলাত দামাকি দেগৈ। মোৰ চোতালৰ পৰা যা।

মহেশ্বৰ - হেৰ' তোৰ দৰে কাঠ-বজা এটাৰ ঘৰলৈ কুকুৰ-শিয়ালেও নাহে। চালা অগিয়ানৰ সঁচ, মাজ চোতালত টাটী মাৰি বৰ মতা দেখুৱাইছ। মোৰ ককাই হ'ব লাগিছিল, - টাটীৰ লগতে তাকো পুতি থ'লোঁহেঁতেন। *(ভিতৰ সোমায়)*

মাজনী - *(ওলাই আহি)* ঘৰতে আহি গালি পাৰি গ'ল নহয় ! কি কৰিব পাৰিলি ? অ নিজৰ ভতিজী কেইজনীৰ বদনাম ৰতি থাকিব পাৰে, এতিয়াহ'লে একো মাতিব নোৱাৰে।

নাৰায়ণ - ঐ মাৰৰ মূৰ খাইটি, - মই বাপুকণ নহয়দেই, তোৰ লগত চুপতি মাৰিবলৈ। ভালে ভালে চকুৰ আগৰ পৰা আঁতৰ হ।

মাজনী - নহ'লে কি কৰিবি ? মাইকী মানুহৰ ওপৰত বৰ মতা দেখুৱাব পাৰ। ঘৰতে গালি পাৰি যোৱাবোৰক একো কৰিবনোৱাৰ ?

*(নিৰঞ্জন ওলাই আহে। নাৰায়ণ ভিতৰ সোমায়)*

নিৰঞ্জন - মাজনী, লোকৰ কথাৰ মাজত মাত মাতিবৰ তোৰ কি হ'ল ! ভিতৰলৈ নগ'লিনে ?

মাজনী - মোৰ একো হোৱা নাই। বৰদেউতাৰ বিলৈটো দেখিহে মোৰ দুখ লাগিছে।

নিৰঞ্জন - হেৰ' আৰু দেখিবি। পৰৰ শ্ৰী দেখিব নোৱাৰা বোৰৰ বিলাই দেখি থাকিবি। মহেশ্বৰে কি কৈ গ'ল শুনা নাছিলি? ব'ল, ব'ল, আমাৰ ভিতৰলৈ ব'ল।

*(দুয়ো ভিতৰলৈ যায়। মঞ্চ এন্ধাৰ হয়। পোহৰ হোৱাত ২ নং দুৱাৰেদি ওলাই আহি নাৰায়ণে চিঞৰে)*

নাৰায়ণ - বাপুকণ, ঐ বাপুকণ।

*(আইটি ওলাই আহে)*

আইটি - কি হ'ল ? তাক আকৌ চিঞৰি মাতিছে কিয় ?

নাৰায়ণ - কিয় নিচিঞৰিম ? সি মোক ডুবাই দিলে। ক'ত আছে মাতি আন।

আইটি - তাক ক'ত পামগৈ এতিয়া। ডেকা ল'ৰা, কেনিবা ওলাই গৈছে। সিনো ঘৰখনতে সোঁমাই থাকিব পাৰেনে ?

নাৰায়ণ - এইখন ঘৰত সি কিয় থাকিব ? যাৰ ঘৰত ধুন-পেচ মৰা ছোৱালী আছে তাৰ ঘৰতে সি পৰি আছেগৈ। হেৰ' গৈছ যা, - মোক ডুবালি কিয় ?

আইটি - আপোনাকনো কি ডুবালে ?

নাৰায়ণ - তাৰ আগতে মোক ক সেই চেলেপুটোক কি কাৰণত ছপাই ৰাখিছি ? সি কি কামত মোক সহায় অকণ কৰিছে?

আইটি - তাক কিয় ৰাখিছোঁ এনেকৈ বাটৰ মানুহে শুনাকৈ চিঞৰি চিঞৰি ক'ব পাৰি নেকি ?

নাৰায়ণ - হেৰ' তই ক'ব নালাগে। মুঠতে তাক যদি তই নেখেদ তেতিয়াহ'লে তোক সি বাটৰ ভিক্ষাৰী কৰি থৈহে যাবগৈ।

আইটি - সি মোক বাটৰ ভিক্ষাৰী কেনেকৈ কৰিব ?

নাৰায়ণ - হেৰ' সি এটা মহা চোৰ। চোৰ পুহাই, সাপ পুহাই একেই বুলি জাননে ?

আইটি - আপুনি ক'লেই মোৰ ভাইটোক চোৰ বুলিমনে ? সি ক'ত কি চুৰ কৰিবলৈ গৈছে ?

নাৰায়ণ - শুন, মোৰ ঘৰত আমাৰ তিনিটাৰ বাহিৰে আৰু কোন আছে ?

আইটি - কোনো নাই।

নাৰায়ণ - মোৰ ঢাৰিপাটীৰ তলৰ পৰা ৫০ টকাৰ নোটখন কি হ'ল ? মই গোটেইখন চলাথ কৰিও নোটখন নেপালোঁ। সি নিনিলে আন কোনে নিব ?

আইটি - আপুনি কৰবাত থৈ তাক মিছাতে চোৰ পাতিছে।

নাৰায়ণ - তইতো কবিয়ে ! ভায়েৰটোক চোৰ বুলি ক'লে তই কিয় মানিবি ? সি যদি নিয়া নাই আন কোনে নিব ? মোৰ ঘৰত আৰু কোন আছে ?

আইটি - হ'ব, এতিয়া বাটৰ মানুহক শুনাব নেলাগে ! সি আহিলে মই তাক সুধিম। মোৰে শপত আৰু বকি নেথাকিব।

নাৰায়ণ - *(নিৰঞ্জনৰ ঘৰলৈ দেখুৱাই)* সৌটো তোৰ ভায়েৰ নহয়নে ? দেখিছ, মই তাক কিমান ক'লোঁ তালৈ যোৱাটো বন্ধ। সি মোৰ কথাটো কেৰেপ নকৰিলে। আহ, আজি তোৰ ঠেং ভাঙি পেলাই থম। (ভিতৰ সোমায়। বাপুকণ সোমাই আহে)

আইটি - ঐ বাঘে খোৱা, তোক ইমানকৈ হাক দিয়াৰ পিছতো তালৈ কিয় যাব লাগে ? *(বাপুকণে আইটিলৈ চাই থাকে)* ঐ, তেনেকৈ কি চাইছ ? তোৰ চকুকেইটা ইমান ৰঙা হৈছে কিয় ? বাপুকণ -, *(নাৰায়ণে টোঙোন এডাল লৈ খঙেৰে সোমাই আহি)*

নাৰায়ণ - চালা অগিয়ানৰ সঁচ, তোৰ আজি ঠেং ভাঙি দিম। *(টাঙোন দাঙে)*

বাপুকণ - ভিনদেউ। *(নাৰায়ণৰ গাতে ঢলি পৰি যায়)*

আইটি - কি হ'ল অ' বাপুকণ ?

নাৰায়ণ - হেৰ' এইটোৰে দেখোন ক'ব নোৱাৰা হ'ল।

আইটি - ধৰক ঐ, তাক ভিতৰলৈ নিও, - ধৰক, ধৰক। *(দুয়ো ধৰি ভিতৰলৈ নিয়ে। সেইপিনৰপৰা মাজনী ওলাই আহি চাই থাকি দেউতাকক মাতে)*

মাজনী - দেউতা, দেউতা *(নিৰঞ্জন আহে)*।

নিৰঞ্জন - কি হ'ল অ' মাজনী ?

মাজনী - বাপুকণে দেখোন বৰদেউতাৰ গাতে পৰি মুখেৰে একো ক'ব নোৱাৰা হ'ল !

নিৰঞ্জন - *(হাঁহি)* পৰিবই।

মাজনী - পৰিবই বুলি তই কেনেকৈ জানিলি ?

নিৰঞ্জন - সৰু ল'ৰা, - অভ্যাস নাই। মোৰ লগতনো সমানে ফেৰ মাৰিব পাৰেনে ?

মাজনী - কামটো কিন্তু ভাল হোৱা নাই। আকৌ গালি খাব লাগিব।

নিৰঞ্জন - হেৰ' মইতো ভাং খাবলৈ কাকো নেমাতো ! নিজে আহি মৰিছে, মই কি কৰিম ? আহ, আহ ভিতৰলৈ আহ। কি ক'ব লাগে মই কম। *(নিৰঞ্জন যায়। বকি বকি নাৰায়ণে আহে)*

নাৰায়ণ - গ'ল, গ'ল জহন্নামে গ'ল। ই চালা চোৰেই নহয়, - ভাণ্ডুৱাও। ভাঙৰ নিচাত ক'ব নোৱাৰা হৈ লাং খাই পৰিছেহি। ঠিক কৰিছে। ভাং নহয়, তোক বৰবিহ খুৱাই মাৰিব লাগিছিল। মোৰ কথা নুশুনি শতৰুবোৰৰ ঘৰলৈ যোৱাৰ মজা পাইছ ?

আইটি - *(ওলাই আহে)* হেৰি আহকচোন, - সি দেখোন ভুল বকিব ধৰিছে।

নাৰায়ণ - হেৰ' ভাঙৰ নিচাত বকিবই। একো নহয় যা।

আইটি - মোৰ বৰ ভয় লাগিছে। আহকচোন, - চাওকহি !

নাৰায়ণ - হেৰ' কেঁচু মটাৰ মাটি এলদা পানীৰ লগত মিহলাই খুৱাই দেগৈ। ডাঙৰ নিচা ফাটি যাব।

মাজনী - বৰ মা, বাপুকণৰ কি হৈছে ?

নাৰায়ণ - যিয়েই নহওক, এইচবক কোনে সুধিবলৈ দিছে ? ঐ তই ভিতৰলৈ যা। তাৰ কি হৈছে কাকো ক'ব নালাগে।

আইটি - মাজনী !

নাৰায়ণ - মই যাবলৈ কৈছোঁ নহয় ? *(আইটি যায়)* ইঃ, কি কুলীৰ মাত ! 'বৰমা বাপুকণৰ কি হৈছে ?' এই নাক কটাবোৰৰ কোনো লাজ নাই ! গা লগাই লগাই ঘৰ চপালে। ভণ্ডুৱা কৰি এতিয়া খবৰ কৰিবলৈ আহিছে ? অ চাহ-চেনি কিনিবলৈ তাৰ জেপত ৫০ টকীয়া নোটখন দেখিলেতো !

মাজনী - কাৰ জেপত কি নোট আছে আমাৰ চাবলৈ গৰজ পৰিছে ! আমাৰ ঘৰত ভাং খাবলৈ অহা মানুহবোৰক আমি মাতি আনো নেকি ?

নাৰায়ণ - ডেকা ল'ৰাৰ আগত মিঠা মিঠা লগা কথাবোৰ পাতি থাকিলে কিয় মাতিব লাগে ? চাহ-চেনি কিয় কিনিব লাগে? বাপুকণৰ দৰে চুৰা চেলেকাবোৰে যোগান ধৰি থাকিব নহয় !

আইটি - *(ওলাই আহে)* হেৰি চাওকহিচোন, - বাপুকণে দেখোন শতং দিলে, - মাত বোল নাইকিয়া হ'ল !

নাৰায়ণ - নহ'ব কিয় ? অ বহ, - এই সুযোগতে তাৰ জেপত কি আছে চাব পাৰিম। *(নাৰায়ণ ভিতৰলৈ যায়)*

আইটি - হয়নে মাজনী, বাপুকণে তহঁতৰ ঘৰত ভাং খাইছিল ?

মাজনী - সি আমাৰ ঘৰলৈ কিয় আহে গম পালিনে ?

নাৰায়ণ - হেৰ' - এইয়া কি ?





*(আইটি ভিতৰলৈ যায়। মাজনীয়ে সেইফালে চাই থাকে। মঞ্চ এন্ধাৰ হয়। মঞ্চ পোহৰ হোৱাত দেখা যায় মাতাল ভদ্ৰেশ্বৰে এৰাল এডাল টানি টানি সোমাই আহে।)*

ভদ্ৰেশ্বৰ - আহ চালা আহ ! আজি বাপুকণকে তোকে সমানে সাঙুৰি দিম। বাপুকণ - *(এৰালডাল টান খোৱাত ভদ্ৰেশ্বৰে পৰি যায়। তেনেতে এৰালডাল আঁতৰি যায়। ভদ্ৰেশ্বৰে পৰাৰ পৰা উঠি)* তই আকৌ মোকেই পেলাই থৈ গ'লি ? বাৰু যা। চালা হাৰামজাদা বাপুকণক পালেই হ'ল। *(নিৰঞ্জনৰ ফালে মাতে)* বাপুকণ, ঐ বাপুকণ ! *(নিৰঞ্জন ওলাই আহে)*

নিৰঞ্জন - কি হ'ল অ' ভদ্ৰেশ্বৰ ? কাক বিচাৰিছ ?

ভদ্ৰেশ্বৰ - তোৰ খুলশালী বাপুকণক মাত।

নিৰঞ্জন - হেৰ' সি মোৰ ঘৰত নেথাকে নহয়।

ভদ্ৰেশ্বৰ - তোৰ ঘৰত নাথাকে ! ক'ত থাকে ?

নিৰঞ্জন - সি মোৰ ঘৰত কিয় থাকিব ?

ভদ্ৰেশ্বৰ - খুলশালীটো ভিনিহিয়েকৰ ঘৰত নাথাকি জঙ্ঘলত থাকিব নেকি ?

নিৰঞ্জন - সি আমাৰ ডাঙৰটোৰেহে খুলশালী। সি ডাঙৰটোৰ ঘৰত নাথাকি মোৰ ঘৰত কিয় থাকিব ?

ভদ্ৰেশ্বৰ - তাক দেখোন তোৰ ঘৰতে দেখো।

নিৰঞ্জন - কেতিয়াবা এপাক দেখিব পাৰ।

ভদ্ৰেশ্বৰ - হয় নেকি ? ৰহ। বাপুকণ, ঐ বাপুকণ।

নিৰঞ্জন - চাবি ঐ, টাটীত উজুতি খাই পৰিবিগৈ। *(ইতিমধ্যে ভদ্ৰেশ্বৰ পৰিলেহি)*

ভদ্ৰেশ্বৰ - চালা আকৌ পেলালি। চালা চৰেই মোকহে পেলায়। ঐ টাটীখন মাজ চোতালত কিয় ? চোতালত টাটী কোনে মাৰিছে অ ?

নিৰঞ্জন - মোক সুধি কি পাবি ? সেইফালে সোধগৈ।

ভদ্ৰেশ্বৰ - সেইফালে কাক সুধিম ?

নিৰঞ্জন - বাপুকণৰ ভিনিহিয়েকক সোধগৈ।

ভদ্ৰেশ্বৰ - হয়তোঙ্গ এতিয়া যাওঁ কেনি ?

নিৰঞ্জন - বাটেৰে ঘূৰি যাগৈ। এইফালে বাট-পথ নাই।

ভদ্ৰেশ্বৰ - টাটীৰ ফুটাৰে সৰকি যাওঁ নেকি ?

নিৰঞ্জন - ঐ গৰু, এই গোট মানুহটো টাটীৰ মাজেৰে সৰকিব পাৰে নেকি ?

ভদ্ৰেশ্বৰ - নোৱাৰে যদি কেনেকৈ যাওঁ ?

নিৰঞ্জন - বাটেৰে ঘূৰি যাবলৈ কৈ থকা শুনা নাই ?

ভদ্ৰেশ্বৰ - হ'বদে, বাটেৰে যাওঁগৈ *(নিৰঞ্জনৰ ঘৰৰ ফালে যায়)*

নিৰঞ্জন - হেৰ' আকৌ দেখোন মোৰ ঘৰৰ ফালেহে আহিলি ? *(হাতেৰে ধৰি ঘূৰাই দি)* সেইফালে যাগৈ। অ' সেইফালে গৈ থাক। *(ভদ্ৰেশ্বৰে বাপুকণক মাতি মাতি ওলাই যায়। নাৰায়ণে ভিতৰৰ পৰাই বাপুকণক মাতি মাতি ওলায়। সেই মাত শুনি নিৰঞ্জন ভিতৰ সোমায়)*

নাৰায়ণ - বাপুকণ, ঐ বাপুকণ ! *(বাপুকণ আহে)*

বাপুকণ - আকৌ কি হ'ল ভিনদেউ ?

নাৰায়ণ - ভদ্ৰেশ্বৰক তই চিনি পাৱনে ?

বাপুকণ - পাওঁ। কিয় ?

নাৰায়ণ - সেই মানুহটোৰ লগত তোৰ কিহৰ মিতিৰালি ?

বাপুকণ - এই গাঁৱত আজি ২/৩ বছৰে আছোঁ। মানুহবোৰক চিনি পাওঁ দিয়কচোন।

নাৰায়ণ - চিনি পাৱ ভালেই কথা। কিন্তু সি তোক সিহঁতৰ ঘৰত কিয় বিচাৰিলে ? তই মোৰ ঘৰতহে আছ !

বাপুকণ - সি মোক কিয় সিহঁতৰ ঘৰত বিচাৰিছে মই কেনেকৈ জানিম ?

নাৰায়ণ - তই নেজানিব পাৰ। কিন্তু মই জানো সি কিয় তোক তাত বিচাৰিলে !

বাপুকণ - আপুনিনো কি জানে ?

নাৰায়ণ - সি যেতিয়াই তোক দেখিছে - সিহঁতৰ ঘৰতে দেখিছে। গতিকে সি জানে তই সিহঁতৰ ঘৰতে থাক।

বাপুকণ - আপুনি ক'লেই হ'বনে ? কোনোবা এপাকত গ'লোঁ বুলি মই সিহঁতৰ ঘৰতে থাকিম নেকি ?

নাৰায়ণ - তেন্তে তোক বিচাৰি সি তালৈ কিয় যাব ?

বাপুকণ - মদৰ নিচাত মদাহীনো নেযায় ক'লৈ ?

নাৰায়ণ - তাৰ মানে সেইটোপা তয়ো ধৰ ?

বাপুকণ - মই কিয় ধৰিম ?

নাৰায়ণ - তই ক'লি কেনেকৈ ?

বাপুকণ - সেইটো সকলোৰে জনা কথা।

নাৰায়ণ - হেৰ' মদাহীটো যেতিয়া তোৰ সঙ্গী তই নোখোৱা বুলি ক'লেই মই মানিমনে ?

বাপুকণ - ভদ্ৰেশ্বৰ মোৰ সঙ্গী হ'ব কেনেকৈ ?

নাৰায়ণ - কিয় তই এতিয়াই কোৱা নাছিলি তাক চিনি পোৱা বুলি ?

বাপুকণ - চিনি পালেই সঙ্গী হয় নেকি ?

নাৰায়ণ - নহয়নো কি ? চালা মদাহী-ভণ্ডুৱাবোৰেই তোৰ সঙ্গী, মোৰ সাত শতৰুবোৰ তোৰ সঙ্গী। হেৰ' সেই সঙ্গীবোৰৰ লগতে নাথাকি মোৰ ঘৰত আছ কিয় ?

বাপুকণ - ক'লোঁ নহয় আৰু নেথাকো বুলি। আজি এতিয়াই যামগৈ। গালি খাই আৰু বাইদেউৰ ঘৰত নাথাকোঁ।

নাৰায়ণ - হেৰ' যাব জানো পাৰিবি ?

বাপুকণ - কিয় নোৱাৰিম ?

নাৰায়ণ - এঠা। সেই কেইজনীৰ এঠা একুৱাই যাব জানো পাৰিবি ?

বাপুকণ - পাৰোঁ নে নোৱাৰোঁ চাই থাওক।

*(ভিতৰ সোমায়। মঞ্চ এন্ধাৰ হয়। পোহৰ হোৱাত দেখা যায় ভদ্ৰেশ্বৰ নাৰায়ণৰ ফালে সোমাই আহে)*

ভদ্ৰেশ্বৰ - বাপুকণ, ঐ বাপুকণ।

*(নাৰায়ণে ওলাই আহে)*

নাৰায়ণ - ভদ্ৰেশ্বৰ, বাপুকণক চিঞৰি মৰিবলৈ কি হ'ল ?

ভদ্ৰেশ্বৰ - মাত, তাক মাত। তাক আজি খটম বনাই দিম।

নাৰায়ণ - হেৰ' সি তোৰ কি কৰিলে।

ভদ্ৰেশ্বৰ - সি চালা হাৰামজাদাই কি কৰা নাই ? সি মোক বাটত কিয় পেলাব ? তাৰ কি ৰাইট আছে ?

নাৰায়ণ - ঐ ভদ্ৰেশ্বৰ, মেজাজ-চেজাজ বেয়া হৈ আছে। মূতনি এসোপা পি আহি মোৰ চোতালত বলিয়ালি নকৰিবি। যা, বাহিৰ হৈ যা।

ভদ্ৰেশ্বৰ - ঐ ককাইদেউ, মোৰ মেজাজ বেয়া হৈ গ'লে কিন্তু মাৰদাৰ হৈ যাব। গালি নেপাৰিবি। গালি পাৰিবলৈ তোৰ কোনো ৰাইট নাই।

নাৰায়ণ - মোৰ চোতালত মোক টান কথা শুনাবি আৰু মই সহি থাকিম ?

ভদ্ৰেশ্বৰ - নসহি কি কৰিবি ? ক কি কৰিবি ?

নাৰায়ণ - কি কৰিম, - বাপুকণ, ঐ বাপুকণ।

ভদ্ৰেশ্বৰ - অ মাত, তোৰ বাপুকণক মাত।

*(বাপুকণ আহে)*

বাপুকণ - কি হ'ল ভিনদেউ ?

নাৰায়ণ - এই মদাহীৰটোৰ কি জগৰ লগালি ? সি দেখোন ঘৰলৈকে খেদি আহিছে ?

ভদ্ৰেশ্বৰ - এতিয়া কি হ'ল মাৰিবলৈ আহিছ ! তই মোক কিয় পেলালি ?

বাপুকণ - তোক মই ক'ত পেলালোঁ ?

ভদ্ৰেশ্বৰ - বাটত। মোক বাটত পেলাবলৈ তোৰ কি ৰাইট আছে ?

নাৰায়ণ - হেৰ' সি দেখোন ঘৰৰ পৰা ক'লৈকো যোৱা নাই।

ভদ্ৰেশ্বৰ - তেন্তে মই পৰিলোঁ কেনেকৈ ?

বাপুকণ - মই কেনেকৈ জানিম তই কেনেকৈ পৰিলি।

ভদ্ৰেশ্বৰ - বাটৰ ওপৰত গাইজনী কোনে এৰাল দিছিল ?

বাপুকণ - মই দিছিলোঁ। কিয় ?

ভদ্ৰেশ্বৰ - তাই মোক পেলালে। মোক পেলাবলৈ তাইৰ কি ৰাইট আছে ?

বাপুকণ - গাইজনীয়ে তোক পেলালে। মই কি কৰিব লাগে। মোৰ গাত কি জগৰ হ'ল ?

ভদ্ৰেশ্বৰ - জগৰ তই লগাইছ। তই বাটত গৰু কিয় এৰাল দিছিলি ?

বাপুকণ - আনেও দিয়ে, ময়ো দিছিলোঁ।

ভদ্ৰেশ্বৰ - ঐ এৰাল টাটীৰ গুৰিত বান্ধে নে ওপৰত বান্ধে ?

বাপুকণ - গুৰিত বান্ধে।

ভদ্ৰেশ্বৰ - তেন্তে টাটীৰ ওপৰত এৰাল বান্ধি মোক কিয় পেলালি ?

নাৰায়ণ - ঐ ভাল নহ'ব এতিয়া। মই কৈছোঁ, তই ভালে ভালে ইয়াৰ পৰা যা এতিয়া।

ভদ্ৰেশ্বৰ - মই সুধিছোঁ সি গৰুজনী বাটত কিয় এৰাল দিব ? তাৰ বাটত গৰু এৰাল দিবলৈ কি ৰাইট আছে ?

বাপুকণ - দুনিয়াৰ মানুহে বাটত গৰু এৰাল দিলে জগৰ নেলাগে আৰু মই এৰাল দিলে জগৰ লাগে ?

ভদ্ৰেশ্বৰ - তোৰ জগৰ, গাইজনীয়ে মোক পেলালে। তাইৰ কি ৰাইট আছে ?

বাপুকণ - তোৰনো কি ৰাইটডাল আছে লোকৰ চোতালত আহি দম দিবলৈ ?

ভদ্ৰেশ্বৰ - তোৰ গাইজনীয়ে মোক পেলাইছে। তোক দম দিবলৈ মোৰ ৰাইট আছে। ক মোক কিয় পেলাব ?

নাৰায়ণ - উস্, তোক মই যাবলৈ কৈছোঁ নহয়। নহ'লে কথা বেয়া হ'বদেই।

ভদ্ৰেশ্বৰ - কিবা এটা মীমাংসা নকৰাকৈ মই যাবলৈ অহা নাই। সি মোক কিয় পেলাব ?

নাৰায়ণ - ঐ মূতনি এসোপা খাই ধলংপলং কৰি আহি এৰালত পাকখাই পৰিলি, ভাল হ'ল। এতিয়া আকৌ তোৰ কি মীমাংসাডাল কৰিব লাগে অ ?

ভদ্ৰেশ্বৰ - মই সুধিছোঁ সি মোক কিয় পেলাব ?

নাৰায়ণ - বাপুকণ, ইয়াক গতিয়াই বাহিৰ কৰি দে।

ভদ্ৰেশ্বৰ - তোৰ খুলশালীটো বাদেই, চালা তই নিজে চুই চা কি কৰোঁ ?

নাৰায়ণ - কি কৰিবি অ, - কি কৰিবি ?

ভদ্ৰেশ্বৰ - টাচ্ কৰ। টাচ্ কৰি চা, - কি কৰিব পাৰোঁ।

নাৰায়ণ - হেৰ' মোৰ ঘৰতে তই মোক দেমাকি দিয় ?

*(ভদ্ৰেশ্বৰক গতা মাৰি দিয়ে। সি পৰি যায়। পুনৰ উঠি আহি নাৰায়ণৰ লগত দবৰা-দবৰি লাগে। বাপুকণে ভিতৰ সোমায়। আইটিয়ে চিঞৰি চিঞৰি ওলাই আহে। নিৰঞ্জনে ওলাই আহি চায়হি। পিছে পিছে মাজনী)*

আইটি - খালে ঐ, মানুহটোক মাৰিলে ঐঙ্গ বাপুকণ, তই ভিনিহিয়েৰক নধৰি ক'লৈ পলালি ? ঐ কোন আছ, আহহঁত অ - মদাহীটোৱে মানুহটোক মাৰিব এতিয়া।

*(নিৰঞ্জনে আহিব ধৰে। মাজনীয়ে হাতত ধৰি ৰাখে। শেষত মাজনীৰ হাতখন এচাৰ মাৰি দি টাটীখন গচকি পেলাই থৈ নিৰঞ্জনে দৌৰ মাৰে)*

নিৰঞ্জন - ঐ কি ক'ৰ, কি ক'ৰ ? *(ভদ্ৰেশ্বৰক আঁতৰাই আনি)* ঐ মদাহী, তই ইয়াত মানুহ নাই বুলি ভাবিছ ? মই জীয়াই থাকোঁতে মোৰ ককাইৰ গাত হাত দিয় ? চালা, মানুহ চিনা নাই ?

*(ভদ্ৰেশ্বৰক মাৰে। ভদ্ৰেশ্বৰ পৰি যায়)*

ঐ বাপুকণ, চালা ভিনিহিয়েৰক পৰৰ মানুহে আহি মাৰেহি আৰু তই ঘৰৰ ভিতৰত সোমাই থাক ? ঐ এৰাল এডাল লৈ আহ, - ইয়াক বান্ধি থওঁ। ই মানুহ চিনা নাই। কাৰ ঘৰত দেমাকি দিবলৈ আহে চিনি লওক। *(মাৰিব খোজে)*

ভদ্ৰেশ্বৰ - ঐ নিৰঞ্জনকাই, মোৰ ভুল হ'ল। মোক আৰু নেমাৰিবি।

নিৰঞ্জন - চালা মদৰ নিচাত পাহৰি গ'লি ক'ত কি কৰিব লাগে। তোক আজি বান্ধি থানালৈ লৈ যাম। ঐ বাপুকণ, ক'ত মৰিলি গৈ ?

ভদ্ৰেশ্বৰ - নিৰঞ্জনকাই, তোৰ ভৰিত ধৰিছোঁ - মোক মাফ কৰি দে। মোৰ ভুল হৈ গ'ল।

নিৰঞ্জন - মই ভাইটো জীয়াই থাকোঁতে তই মোৰ ককাইক ঘৰতে মাৰিবি আৰু তোক মাফ কৰিম। তোক এপালি দিহে এৰিম। ঐ বাপুকণ-।

ভদ্ৰেশ্বৰ - এয়া মই আঠু লৈছোঁ, - মোক মাফ কৰি দে।

*(আঠু লয়)*

নিৰঞ্জন - এতিয়া চালা কুকুৰৰ ভাও ধৰিছ। ঠিক আছে মদ খাই এনেকৈ বলিয়ালি কৰিবলৈ আহিবিনে নাহ ক।

ভদ্ৰেশ্বৰ - কেতিয়াও নাহোঁ অ' নিৰঞ্জনকাই, কেতিয়াও নাহোঁ।

নিৰঞ্জন - চালা মদাহীৰ জাত, - ককাইদেউৰ ভৰিত ধৰি মাফ খোজ।

*(বহি থকা নাৰায়ণৰ ওচৰত আঠু লৈ)*

ভদ্ৰেশ্বৰ - অ' নাৰায়ণকাই, মোক মাফ কৰি দে। মোৰ ভুল হৈছিল। মদৰ নিচাত তোক মই অপমান কৰিলোঁ। তোৰ ভৰিত ধৰিছোঁ - মোক মাফ কৰি দে।

*(নাৰায়ণে ভেবেকা লাগি বহি থাকে)*

নিৰঞ্জন - অ এতিয়া ভালে ভালে ঘৰলৈ যাগৈ।

ভদ্ৰেশ্বৰ - মোক মাফ কৰি দে। তোৰ ভৰিত পৰিছোঁ।

নিৰঞ্জন - হ'ব, যা এতিয়া। *(উঠাই নিয়ে)*

ভদ্ৰেশ্বৰ - মোক মাফ কৰিলেনে ?

নিৰঞ্জন - কৰিলে যা।

*(ভদ্ৰেশ্বৰ যায়। আকৌ আহে)*

ভদ্ৰেশ্বৰ - মোক মাফ কৰি দে, মোৰ ভুল হৈছিল ?

নিৰঞ্জন - উস্, হ'ব যা অ।

ভদ্ৰেশ্বৰ - মোক মাফ কৰিলেনে ?

নিৰঞ্জন - কৰিলে যা। *(যায়। আকৌ আহে)*

ভদ্ৰেশ্বৰ - মোক মাফ কৰি দে, মোৰ ভুল হৈছিল।

নিৰঞ্জন - হেৰ' একেটা কথাকে কিমান চেপেটা কৰি থাক। ব'ল, ব'ল।
*(ভদ্ৰেশ্বৰক ধৰি লৈ যায়গৈ, সি বকি যায়)*

মাজনী - বৰ মা, দেখিলেনে, বৰদেউতাক ধৰিবলৈ কোন দৌৰি আহিল ? ভিনিহিয়েৰক ঘৰতে আহি লোকৰ মানুহে মাৰ ধৰ কৰে আৰু বাপুকণে খুলশালীটো হৈ ঘৰৰ ভিতৰত লুকাই থাকিলে কিয় ?

আইটি - মই কি মাত মাতিম অ' মাজনী।

মাজনী - বাপুকণৰ লগত তেজ-মঙহৰ কোনো সম্বন্ধ নাই কাৰণে সি ভিতৰত থাকিব পাৰিলে। কিন্তু সহোদৰ ককায়েকটোৰ বিপদ দেখি ভায়েকটো বহি থাকিব পাৰিলেনে ? ককায়েকৰ গালি-গালাজ কাটি কৰি দেখোন দৌৰি আহিল।

আইটি - দেউতাৰ নহা হ'লে আজি বাৰু কি হ'লহেঁতেন মাজনী ?

মাজনী - মোক কৈ লাভ নাই। বৰ দেউতাক ক। আমাৰ বদনাম ৰতি বাটৰ মানুহক শুনাব পাৰে। কতা বৰ দেউতাৰ হৈ মাত মাতিবলৈ কোনো দেখোন ওলাই নাহিল।

আইটি - হয় অ' মাজনী, পৰ কেনেকৈ আপোন হ'ব বাৰু ?

মাজনী - ইঃ আমাৰ অহা-যোৱা বন্ধ কৰিবলৈ টাটী মাৰে। এতিয়া আমাৰ দেউতাই জেদত লাগি থাকি ওলাই নহা হ'লে মদাহীটোক বাৰু বলে পাৰিলেহেঁতেননে ?

আইটি - এৰা অ' মাজনী, হেজাৰ হওক - ভাইৰ সমান হ'ব কোন, নদীৰ সমান বব কোন ? হেৰি দেখিলেনে, - আপুনি আহিবলৈ নিদিয়া ভাইটোৰে কি কৰিলে ? ভায়েকটোৰ বাহিৰে বিপদত আন কোনোবা আহিলনে ? এতিয়া নেমাতে কিয় ?

নাৰায়ণ - বাপুকণ, ঐ বাপুকণ, *(বাপুকণ ওলাই আহে)* এই টাটীখন উঠাই নিব্ৰহ্মপুত্ৰত পেলাই দেগৈ। টাটীখন মই আহি ইয়াত যেন আৰু নেদেখো। *(নাৰায়ণ ভিতৰ সোমায়। পিছে পিছে আইটি। বাপুকণ আৰু মাজনীয়ে হাঁহি হাঁহি টাটীখন ভঙাত লাগে। এটা সময়ত টাটীখন দাঙি ধৰি শ্ল'গান দিয়ে - জয় বাপুকণৰ জয়, জয় মাজনীৰ জয়।)*

- সমাপ্ত -

## ।। শৈলেনজিৎ শৰ্মাৰ নাট্যৰাজি ।।

নতুন খেলৰ আখৰা, এই ইতিহাস, স্বৰ্গ, জৰৌৰোৱা, নাভি সমুদ্ৰ (মূল উড়িয়া নাটৰ অসমীয়া অভিযোজনা), স্বৰ্গৰ সন্ধানত, এটি ঘৰত দুটি মাথোন ....., পেৰাডাইছ, এইখনেই মোৰ দেশ, কাদম্বিনী, ধিনটাওঁ খিটটাওঁ, টাটী, বঙহৰ যুঁজ ইত্যাদি।



কবিতা

# দৰিদ্ৰতা

অজন্তা বৰ্মন
স্নাতক, তৃতীয় যাণ্মাসিক

দৰিদ্ৰতা যেন আমাৰ জীৱনৰ সহচৰ
যাক লৈ চলি আছে
এখন যুদ্ধ .... ক্ষুধা নিবাৰণৰ !
পাম জানো এই যুদ্ধত
বিজয় লাভৰ আসন !

দৰিদ্ৰতা এক কঠোৰ অভিশাপ
যিয়ে কৰে জীৱনৰ গতি ভ্ৰষ্ট,
য'ত গা ধুওঁ আমি
দুখৰ জলেৰে।

যাক এৰি আমি চলিব বিচাৰোঁ
সিয়েই হয় সংগোপনে আমাৰ সঙ্গী,
সিয়েই কাঢ়ি নিয়ে মোৰ
জীৱনৰ আনন্দ।

সপোন আছে বহুতো হৃদয়ত
প্ৰকাশহে কৰিব পৰা নাই,
লিখাৰো সঁজুলি বিচাৰি পাইছোঁ
কলমৰ আগেদি নিগৰে চকুলো
জীৱনৰ এয়াইতো
কৰুণতম কাহিনী।





# মৰমৰ ঘৰ

নুৰেজা খাতুন
স্নাতক, তৃতীয় যাণ্মাসিক

ঘৰ !
তোমাক মই কেতিয়াও
ভবা নাছিলোঁ আপোন বুলি
অথচ
তুমিয়েই মোৰ আপোন।

মোৰ হৃদয়খন
আপ্লুত কৰিছিলা তুমিয়েই
যেতিয়া
মই ক'তো আশ্ৰয় নাপাই
তোমাৰ বুকুতে লৈছিলোঁ আশ্ৰয়।

দিন-ৰাতি কেনেকৈ পাৰ হৈ গৈছিল
ভাবিলেই শিহৰিত হয় হৃদয়
কোঁচ খাই যায় মনটো।

এতিয়া
মোৰ দুখ বুলিবলৈ একোৰেই নাই,
সুখৰ ঘাটত নতুন সপোনবোৰে
তৃপ্ত কৰে হৃদয়,
তথাপিও
'মৰমৰ ঘৰ' তোমাক মই পাহৰি যোৱা নাই
দুখৰ দিনবোৰৰ কথা মনত পৰিলে
চকুলো নিগৰি পৰে,
তোমাৰ কথা বাৰে বাৰে মনলৈ আহে
তুমি
সুখ-দুখ দুয়োটা দিনৰে চিৰসাক্ষী হৈ ৰ'বা।

কবিতা



# অৱসান

গোবিন্দ ঘোষ
স্নাতক, তৃতীয় ষাণ্মাষিক

যদি পাৰা এপিয়লা বিহকে দিয়া মোক
শোকার্ত জীৱনৰ ব্যথা অন্ত পেলাবলৈ
মইতো এতিয়া অৰ্ধগলিত মৃতদেহ তোমাৰ।

তোমাৰ নিষ্ঠুৰতাই এতিয়া আমনি নিদিয়ে
নাথাকে শীতৰ নিয়ৰত থাকি
বিষাদৰ উজাগৰীবোৰ
অথবা
অমানিশাত কোনো অচিন পক্ষীৰ উচুপনি।

এই যাত্ৰাই মোৰ শেষ যাত্ৰা
বিষাদে মেলানি মগাৰ
অক্লান্ত পৰিশ্ৰমৰ শেষ উপহাৰ..... !

এপিয়লা বিহ আছে যদি দিয়া মোক
লৈ যাব খোজোঁ আমাৰ যুগমীয়া স্মৃতিবোৰ !

তুমি সাৰে থাকা
নতুন নতুন সপোন দেখা
আৰু মই......
নেদেখা দূৰত্বৰ পৰা চাই ৰম,
সপোনে তোমাৰ ৰংবোৰ
সেউজ কৰাৰ......! ■



# কবিতা নিলিখোঁ মই

হীৰকজ্যোতি দাস
স্নাতক, তৃতীয় ষাণ্মাষিক

কবিতা নিলিখোঁ মই
অনুভৱৰ যাদু খেলা
নেজানো খেলিব,
শব্দৰ মায়াজাল গাঁঠি
পাঠকক মন্ত্ৰমুগ্ধ কৰিবও
নেজানো মই।

কত যে কবিতা আছে
প্ৰেমৰ কবিতা, দেশপ্ৰেমৰ কবিতা
সুখৰ কবিতা, বিষাদৰ কবিতা
হিংসাৰ কবিতা...... !

পিছে মোৰ দৰে অনুভৱহীনতাৰ
এয়া এক
অনুভৱী কাম
যাৰ নাম নহয়
কবিতা। ■





কবিতা



# ঠিকনাহীন

ছালমা চুলতানা আহমেদ
স্নাতক, তৃতীয় ষাণ্মাসিক

ব'ঠাহীন নাৱত
চলিছে আজি মোৰ হৃদয়
সময়ৰ সোঁতত.....
কেউকাষে থকা অন্তহীন সাগৰত
চলিছে নাওখন।

সাগৰৰ মাজত
হালিছে-জালিছে সময়ৰ ধুমুহাত
উলটি পৰিছে দ সাগৰৰ
পানীৰ মাজত,
ডুব গৈছে গভীৰতম তলত।

আকৌ
ভাহিছে সময়ৰ সাগৰত
উৰিছে ধুমুহা বতাহত
বিচাৰি পাৰ সাগৰৰ !
পাইছে কেৱল মৰীচিকা !!

বিচাৰিছে এটা ঠিকনা
থাকিবলৈ আশ্ৰয়-বিচনা
বিচাৰি ফুৰিছে এই হৃদয়খনে
কোনোবাই কোৱানা
ক'ত এই জীৱনৰ আচল ঠিকনা ! ■

# শেৱালি পুৰা

জগবন্ধু কলিতা
প্ৰাক্তন ছাত্ৰ, বিশিষ্ট কবি



মোৰ সন্মুখত এখিৰিকি আকাশ
অগণন তৰাৰ লুকাভাকুৰ মাজত
অনন্ত বেদনাৰ ক্ষুদ্ৰ প্ৰকাশ।

কেতিয়াও উদ্‌যাপিত হোৱা নাই কামনাৰ উৎসৱ
তথাপিও কিয় জানো ভাল লাগে
আকাশ, নদী আৰু ৰামধেনু সম কাৰোবাৰ হেঙুলী ওঁঠ।

কোনে জানে আৰু কিমান দীঘলীয়া মোৰ আয়ুস
তথাপিও ভাব হয়
যাদুঘৰত সজোৱা প্ৰাচীন মূৰ্ত্তিবোৰৰ দৰে
মোৰ জীৱনটোৱে যেন এটি সাধু।

নেজানো কেনেকৈ লগ পালোঁ এই প্ৰাণ,
কেতিয়াবা শুনিছিলোঁ, এয়া হেনো
গৰখীয়া ল'ৰা এটাৰ বাঁহীৰ গান।
এতিয়া মোৰ দুয়োটা চকুত হিমচেঁচা বান।

কলমৰ সিৰলুটোৱেই ভাল
আঁকি থ'লে থাকে চিৰকাল
জীৱনটোৰ ৰঙীণ ফাল
মোৰ কণ্ঠত হাঁহিৰ বৰ আকাল।

বৰ জাৰ, ৰ'দখিনি লগাই ল'লোঁ পিঠিত
কলম কামুৰি ভাবিছোঁ, কিনো লিখো তোমাৰ চিঠিত
কবিতা এটা নিশ্চয় পঠাম আনটো পিঠিত
দেশৰ বাতৰিটো এতিয়া জুইশলাৰ কাঠিত। ■

মহৎ বাণী




# মহৎ বাণী





সংগ্ৰাহক- ৰবীয়া খাতুন

স্নাতক, প্ৰথম ষাণ্মাসিক (বিজ্ঞান)


১। জীৱনৰ জটিলতাই ধৈৰ্যক পৰীক্ষা কৰে।
— ড° এ. পি. জে. আব্দুল কালাম।

২। অতি প্ৰশংসা বেয়া, প্ৰশংসা বিচাৰি কাম কৰা আৰু বেয়া।
— ড° এ. পি. জে. আব্দুল কালাম।

৩। ভাল কাপোৰ পিন্ধি মূৰ্খয়ো জ্ঞানীৰ সভাত স্থান লাভ কৰিব পাৰে, কিন্তু তেওঁৰ সেই স্থান তেতিয়ালৈহে যেতিয়ালৈকে তেওঁ মুখ নেমেলে।
— চাণক্য।

৪। ভুল কথা জনাতকৈ একো নজনাই ভাল।
— উইলিয়াম ছেক্সপীয়েৰ।

৫। নজনাটো লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটোহে লাজৰ কথা।
— বেঞ্জামিন ফ্ৰেংকলিন।

৬। স্মৃতিশক্তি যদি প্ৰখৰ নহয়, তেন্তে তুমি কেতিয়াও মিছা কথা মাতিবলৈ দুঃসাহ নকৰিবা।
— মন্টেইন।

৭। আটাইতকৈ ধুনীয়া বা আকৰ্ষণীয় বস্তুটো সদায় ভাল নহ'বও পাৰে। কিন্তু যিটো ভাল সি সদায় ধুনীয়া।
— চক্ৰেটিছ।

৮। পুৰুষৰ বিৰুদ্ধে নাৰীৰ দুটা প্ৰধান অস্ত্ৰ আছে— এটা হ'ল প্ৰসাধন আৰু আনটো হ'ল চকুলো।
— নেপ'লিয়ন বোনাপাৰ্ট।

৯। যিবোৰ মানুহক কেৱল প্ৰচাৰেই বিখ্যাত কৰে, সেইবোৰ মানুহক শেষ মুহূৰ্তত প্ৰচাৰেই ধ্বংস কৰে।
— বাৰ্ণাড লেভিন।

১০। জীৱনটো এক মহৎ উপহাৰ। যিসকলে জীৱনক ভাল নাপায়, সেইসকল এই উপহাৰ গ্ৰহণৰ অনুপযুক্ত।
— ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ।

১১। আদৰ্শবাদী হ'ল এনে এগৰাকী ব্যক্তি যিয়ে তেওঁৰ সংস্পৰ্শলৈ অহা প্ৰতিগৰাকী ব্যক্তিকে ঐশ্বৰ্যশালী হোৱাত সহায় কৰে।
— হেনৰী ফ'ৰ্ড।

১২। পৃথিৱীৰ আটাইতকৈ বেয়া কাম হৈছে আনৰ সুনাম নষ্ট কৰা।
— ৰামকৃষ্ণ পৰমহংস।

১৩। তুমি বৰফৰ দৰে শুভ্ৰ আৰু নিষ্কলংক হ'লেও নিন্দাৰ পৰা হাত সাৰিব নোৱাৰা।
— উইলিয়াম ছেক্সপীয়েৰ।

১৪। তুমি চিন্তা কৰা প্ৰতিটো সৎ চিন্তাই তোমাৰ জীৱনৰ অন্তিম পৰিণতিলৈ অলপ নহয় অলপ বৰঙণি যোগায়।
— এলফ্ৰেড নৰ্থ হোৱাইটহেড।

১৫। মানুহৰ প্ৰিয় হোৱাতকৈ বিশ্বাসৰ পাত্ৰ হোৱাটো বেছি গুৰুত্বপূৰ্ণ।
—মেক উইল্ড।

১৬। পৰিস্থিতি যিমানেই ভয় লগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ নিশ্চিত।
— পিয়েৰ টেলহাৰ্ড।





১৭। ভগৱানে আমাক দুখন কাণ দিছে আৰু এখন মুখ দিছে যাতে আমি কোৱাতকৈ বেছিকৈ শুনিব পাৰোঁ।
— মাৰ্কনি।

১৮। এগৰাকী সফল আৰু আনগৰাকী অসফল ব্যক্তিৰ মাজত থকা মূল পাৰ্থক্যটো হ'ল- সফল ব্যক্তিগৰাকীয়ে তেওঁৰ ভুল-ক্ৰটিবোৰৰ পৰা সদায়েই শিক্ষা লৈ আগ বাঢ়ে।
— ডেল কাৰ্নেগী।

১৯। মই মোৰ জীৱনত ব্যৰ্থতাৰ পিছত ব্যৰ্থতাৰ মুখামুখি হৈছোঁ বাৰম্বাৰ, আৰু ইয়েই মোৰ সফলতাৰ কাৰণ।
— মাইকেল জৰ্ডান।

২০। মানৱসৃষ্ট ভুলৰ প্ৰায়শ্চিত্ত বিজ্ঞানে কৰাৰ দৰকাৰ নাই। অন্ততঃ নাগাছাকিৰ দৰে ঘটনাৰ বাবে বিজ্ঞান কোনোপধ্যেই দায়ী নহয়। নিজকে সভ্য বুলি জহাই থকা এচাম বোধশক্তিসম্পন্ন মানুহেই শীতল মস্তিষ্কৰে নাগাছাকিত বিজ্ঞানৰ কবৰ খান্দিছিল।
— জেকব ব্ৰোনোস্কি।

২১। যিসকলে এখন উজ্জ্বল, সুন্দৰ আৰু ভাবোদ্দীপ্ত মুখৰ অধিকাৰী হ'ব বিচাৰে তেওঁলোকৰ প্ৰধান কৰ্তব্য হৈছে নিয়মিতভাৱে গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলা।
— স্বামী বিবেকানন্দ।

২২। মূৰ্খৰ স্বৰ্গ হ'ল জ্ঞানীৰ নৰক।
— টমাছ মুলাৰ।

২৩। চকুৰে নেদেখাজনক অন্ধ আখ্যা দিয়া হয়, কিন্তু নিজৰ দোষ নেদেখাজনহে প্ৰকৃতাৰ্থত অন্ধ।
— মহাত্মা গান্ধী।

২৪। এটা কুৎসিত মনতকৈ এখন কুৎসিত মুখ বেছি ভাল।
— জেমছ্ এলিচ।

২৫। আনৰ চৰিত্ৰক সমালোচনা কৰিবলৈ গৈ মানুহে বহুত সময়ত নিজৰ চৰিত্ৰ উদঙাই দিয়ে।
— এমাৰছন।

২৬। আজি আমাৰ মাজত প্ৰেম আৰু ভাতৃত্ববোধৰ অভাৱ ঘটিছে, কাৰণ আমি প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতি থকা দায়িত্ব আৰু সমৰ্পণৰ ভাব পৰিহাৰ কৰিছোঁ।
— মাদাৰ টেৰেছা।

২৭। যদি এজন মানুহৰ নেতা হ'বৰ জোখেৰে স্বাভাৱিক প্ৰতিভা নাথাকে, তেন্তে কলেজ আৰু বিশ্ববিদ্যালয়ৰ উচ্চতম শিক্ষায়ো তেওঁক প্ৰকৃত অৰ্থত নেতা কৰিব নোৱাৰে।
— জেনেৰেল ৱাভেল।

২৮। গণতান্ত্ৰিক ব্যৱস্থাটোৰ হাস্যকৰ কথা হৈছে ইয়াত এচাম দুৰ্নীতিপৰায়ণ লোকক নিয়োগ কৰিবলৈ বহুসংখ্যক অপৈণত লোকে অংশগ্ৰহণ কৰে।
— জৰ্জ বাৰ্নাড শ্ব'।

২৯। জীয়াই থকাটো ডাঙৰ কথা নহয়, ডাঙৰ কথাটো হ'ল তুমি আঁতৰি যোৱাৰ পিছতো মানুহৰ মনত তোমাৰ কৰ্মৰাজি, আদৰ্শ জীপাল হৈ থকাটোহে। কাল-বলুকাত খোজ ৰাখি থৈ যোৱা সম্ভৱ কেৱল মাথোঁ সুকৰ্মৰাজিৰ দ্বাৰাহে।
— বেঞ্জামিন ফ্ৰেংকলিন।

৩০। মোৰ মৃত্যু যদি অসমৰ বাহিৰত হয়, তোমালোকক কৈছোঁ ৰে'লৰ তৃতীয় শ্ৰেণীৰ ডবাত হ'লেও মোৰ মৰাশটো তোমালোকে যেনে-তেনে আনি গোলকগঞ্জৰ ইপাৰে অসমৰ মাটিলৈ দলিয়াই দিবাহঁক। মই যেন অসমৰ ধূলিৰ লগত মিলি থাকিব পাৰোঁ।
— বাগ্মীবৰ নীলমণি ফুকন।■

## কুইজ




# কুইজ

সংগ্ৰাহক - হাসিবুৰ ৰহমান
চতুৰ্থ ষাণ্মাসিক (কলা)

১। উৰাজাহাজ কিমান চনত উদ্ভাৱন হয়?
২। ষ্টিম শক্তিচালিত ৰে'লৰ ইঞ্জিনৰ উদ্ভাৱক কোন?
৩। ভাৰত আক্ৰমণকাৰী ইউৰোপৰ প্ৰথম ব্যক্তিজনৰ নাম কি?
৪। প্ৰথম ভাৰতীয় টেষ্ট টিউব শিশুটোৰ নাম কি?
৫। 'বজ্ৰপাতৰ দেশ' বুলিলে কাক বুজায়?
৬। ভাৰতে কিমান চনত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰৰ তালিকাভুক্ত হয়?
৭। পৃথিৱীৰ ক্ষুদ্ৰতম দেশখনৰ নাম কি?
৮। লৌহ মানৱ কোন?
৯। অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰীয় প্ৰতীক কি?
১০। লিলিফুলৰ দেশখনৰ নাম কি?
১১। ভাৰতত সৰ্বমুঠ কিমানটা ৰাষ্ট্ৰীয় ঘাইপথ আছে?
১২। 'ইনকিলাব জিন্দাবাদ' শ্লোগান দিয়া প্ৰথম ভাৰতীয়জনৰ নাম কি?
১৩। মাখিয়ে কিমান দিন জীয়াই থাকে?
১৪। কোনবিধ প্ৰাণীয়ে জিভাখন বাহিৰলৈ উলিয়াব নোৱাৰে?
১৫। টি.ভি. ৰ আৱিস্কাৰক কোন?
১৬। ' The old man and the sea' উপন্যাসখনৰ লিখক কোন?
১৭। ভূপেন হাজৰিকাৰ কিমান চনৰ কিমান তাৰিখে মৃত্যু হৈছিল?
১৮। অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন কিমান চনত হৈছিল?
১৯। 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোৰ ৰচক কোন?
২০। 'কথাকলি' ভাৰতৰ কোনখন ৰাজ্যৰ প্ৰসিদ্ধ নৃত্য?
২১। ব্ৰিটিছৰ আমোলত জালিয়ানৱালাবাগৰ হত্যাকাণ্ড সংঘটিত কৰা ব্যক্তিজনৰ নাম কি?
২২। কলিকতাৰ পৰা ভাৰতৰ ৰাজধানী দিল্লীলৈ স্থানান্তৰ কৰা ব্ৰিটিছ আমোলাজনৰ নাম কি?
২৩। কিমান চনত দিল্লী ভাৰতৰ ৰাজধানী হিচাপে ঘোষিত হয়?





২৪। 'Beauty is truth, truth is beauty' -এই জনপ্ৰিয় উদ্ধৃতিটোৰ বক্তা কোন?
২৫। 'Eureka! Eureka'- কথাষাৰৰ বক্তা কোন?
২৬। ডাছ কেপিটেল গ্ৰন্থৰ ৰচক কোন?
২৭। মহাত্মাগান্ধীৰ সমাধি স্থলৰ নাম কি?
২৮। ভাৰতৰ মানচেষ্টাৰ কাক কোৱা হয়?
২৯। পূব ভাৰতৰ মানচেষ্টাৰ কাক কোৱা হয়?
৩০। ক্ৰিকেটৰ বলিং ক্ৰিজৰ জোখ কিমান?
৩১। ক্ৰিকেটৰ ষ্টাম্পৰ জোখ কিমান?
৩২। কোৰিয়াৰ ৰাষ্ট্ৰীয় খেল কি?
৩৩। ইৰাণৰ ৰাষ্ট্ৰীয় খেল কি?
৩৪। বিষ্ণুৰাভাক কোনে কলাগুৰু উপাধি প্ৰদান কৰিছিল?
৩৫। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'নাছা'লৈ শিক্ষামূলক ভ্ৰমণৰ বাবে যোৱা আঁচনিখন কাৰ নামত উৎসৰ্গা কৰা হৈছে?
৩৬। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ. পি. জে আব্দুল কালামৰ কিমান চনত জন্ম হৈছিল?
৩৭। অকলেণ্ড ইউনিভাৰ্ছিটিৰ পৰা আব্দুল কালামে কি সন্মান লাভ কৰিছিল?
৩৮। খ্বিলঙৰ যিটো অনুষ্ঠানত পাঠদান কৰি থাকোঁতে আব্দুল কালামৰ মৃত্যু হৈছিল সেই অনুষ্ঠানটোৰ নাম কি?
৩৯। পৃথিৱীৰ দ্ৰুতবেগী স্থলচৰ জন্তু কি?
৪০। এটা মাত্ৰ চৰিত্ৰৰে নিৰ্মিত প্ৰথমখন ভাৰতীয় ছবিৰ নাম কি? ■

### কুইজৰ উত্তৰ

১।১৯০৩ চনত, ২।ৰিচাৰ্ড ট্ৰেভিথিক, ৩।আলেকজেণ্ডাৰ দ্য গ্ৰেট, ৪।বেবী হৰ্ষ, ৫।ভূটানক, ৬।১৯৪৫ চনত, ৭।ভেটিকান চিটি, ৮।চৰ্দাৰ বল্লভ ভাই পেটেল, ৯।কেংগেৰু, ১০।কানাডা ১১।৫৬ টা, ১২।ভগত সিং, ১৩।১৪ দিন, ১৪।ঘঁৰিয়ালে, ১৫।জন ল'গী বেয়াৰ্ড, ১৬।আৰ্ণেষ্ট হেমিংওৱে, ১৭।৫ নৱেম্বৰ, ২০১১ চন, ১৮।১৯১৭ চনত, ১৯।দেৱকান্ত বৰুৱা, ২০।কেৰেলাৰ, ২১।লৰ্ড মাউণ্ট বেটেন, ২২।লৰ্ড হাৰ্দিংচ, দ্বিতীয়, ২৩।১৯১১ চনত, ২৪।কীট্‌ছ, ২৫।আৰ্কিমিডিছ, ২৬।কাৰ্ল মাৰ্ক্স, ২৭।ৰাজঘাট, ২৮।লুধিয়ানাক, ২৯।শুৱালকুছিক, ৩০।৮ ফুট ৮ ইঞ্চি দীঘল, ৩১।মাটিৰ পৰা ২৭ ইঞ্চি ওখ, ৩২।টাইকোৱাণ্ডো, ৩৩।মল্লযুদ্ধ, ৩৪।ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে, ৩৫।দেৱকুমাৰ বৰাৰ নামত, ৩৬।১৯৩১ চনত, ৩৭।অনাৰেৰি ডক্টৰেট, ৩৮। Indian Institute of Management, ৩৯।চিতাবাঘ, ৪০।য়াদে (১৯৬৪)।

# কৌতুক



সংগ্ৰাহক - দ্বীপ কুমাৰ ঘোষ
চতুৰ্থ ষাণ্মাসিক (কলা)

১। প্ৰথম ব্যক্তি ঃ কামৰূপ এক্সপ্ৰেছ কেতিয়া আহিব?
দ্বিতীয় ব্যক্তি ঃ ৯ বজাত।
প্ৰথম ব্যক্তি ঃ ৰাজধানী এক্সপ্ৰেছ কেতিয়া আহিব?
দ্বিতীয় ব্যক্তি ঃ ৮ বজাত।

প্ৰথম ব্যক্তি ঃ চিফুং পেছেঞ্জাৰ কেতিয়া আহিব?
দ্বিতীয় ব্যক্তি ঃ ৮.৩০ বজাত। আপুনি কোনখন ট্ৰেইনত যাব?
প্ৰথম ব্যক্তি ঃ এখনতো নাযাওঁ। মই ৰে'ল লাইনটো পাৰ হ'ম। সাৱধানৰ মৰণ নাই।

২। দেউতাক ঃ তুমি ডাঙৰ হ'লে কি হ'বা?
পুত্ৰ ঃ এগৰাকী পশু চিকিৎসক হ'ব খোজো?
দেউতাক ঃ কিয় পশু চিকিৎসক হ'ব খোজা?
পুত্ৰ ঃ কিয়নো পশুৱে ভুল চিকিৎসাৰ বাবে কেতিয়াও অভিযোগ আনি চিকিৎসালয় লণ্ড-ভণ্ড কৰিব নোৱাৰে।

৩। এজন ভিক্ষাৰীয়ে এগৰাকী বৰ ধনী মানুহৰ দুৱাৰত টুকুৰিয়ালে আৰু 'ঘৰত কোন আছে, ভিক্ষা দিয়ক' বুলি ক'লে। ভিতৰৰ পৰা উত্তৰ আহিল ঃ ঘৰৰ মালিকনী বাহিৰলৈ ওলাই গৈছে।
ভিক্ষাৰী ঃ মই ভিক্ষাহে বিচাৰিছোঁ, ঘৰৰ মালিকনীক নহয়। মালিকনীক মই কেনেকৈ লৈ যাম?

৪। বাপেকে পুতেকক ভূগোল শিকাই আছিল—
বাপেক ঃ বাৰু পঙ্কজ, আমাৰ পৰা চীন নে সূৰ্যৰ দূৰত্ব বেছি?
পুতেক ঃ চীন (কোনো চিন্তা নকৰাকৈ)।
বাপেক ঃ (খঙেৰে) বাৰু, এতিয়া তুমি ব্যাখ্যা কৰিব পাৰিবানে সেইটো কেনেকৈ হ'ল?
পুতেক ঃ কাৰণ আমি সূৰ্যক দেখা পাওঁ আৰু চীনক ইয়াৰ পৰা দেখা নাপাওঁ।

৫। দেউতাক ঃ তুমি কিয় বয়সিয়াল আৰু ধনী মানুহবোৰক জন্মদিনলৈ নিমন্ত্ৰণ কৰিছা। তোমাৰ বয়সৰ ল'ৰাবোৰকহে মাতিব লাগিছিল?
পুতেক ঃ অৱশ্যে মই মাতিব লাগিছিল। কিন্তু বয়সিয়াল আৰু ধনী লোকৰহে টকা থাকে আৰু টকা থকা বোৰেহে দামী উপহাৰ আনিব পাৰে। মোৰ দৰে বেকাৰবোৰে আনিব ক'ৰ পৰা?

৬। শিক্ষক ঃ পঙ্কজ, গ্ৰীষ্ম কালত দিনটো দীঘল আৰু ৰাতিটো চুটি হয় কিয়?
পঙ্কজ ঃ কাৰণ গৰমত সম্প্ৰসাৰণ ঘটে আৰু শীতত সংকোচন হয়।

৭। চাকৰ ঃ আপুনি মোক বিশ্বাস নকৰে।
মালিক ঃ ভোলা, তুমি কিয় তেনেকৈ ক'লা? তুমি জানানে মই ক'ৰবালৈ গ'লে চাবিকোচা এৰি থৈ যাওঁ।
চাকৰ ঃ সেইটো সঁচা। কিন্তু যিকেইপাত চাবি থৈ যায়, সেই কেইপাতেৰে আলমাৰিৰ তলা খুলিব নোৱাৰি। ■





# অসমীয়া শব্দাৰ্থ-জ্ঞান



সংগ্ৰাহক - পূজা ভট্ট
চতুৰ্থ ষাণ্মাসিক (কলা)

অঋণী (বিণঃ) - নিধৰুৱা।
অংকিত, অঙ্কিত (বিণঃ) - চিহ্নিত, শোভিত, খোদিত।
অংগন, অঙ্গন (বিঃ) - চোতাল।
অংগনা, অঙ্গনা (বিঃ) - ৰূপৱতী নাৰী।
অংগীকাৰ, অঙ্গীকাৰ (বিঃ) - প্ৰতিজ্ঞা, স্বীকাৰ।
অংগুষ্ঠ, অঙ্গুষ্ঠ (বিঃ) - বুঢ়া-আঙুলি।
অকণ্টক (বিণঃ) - [১] কাঁইট নথকা। [২] নিষ্কন্টক, শত্ৰুহীন, নিৰাপদ।
অকপট (বিণঃ) - কপটতাহীন, সৰল।
অকস্মাৎ, অকস্মাতে (ক্ৰি-বিণঃ) - আচম্বিতৰূপে, আগেয়ে নজনাকৈ, হঠাৎ।
অকিঞ্চন (বিণঃ) - দুখীয়া, নিৰ্ধনী, সম্বলহীন।
অকীৰ্তি (বিণঃ) - দুৰ্নাম, দুৰ্যশ, অখ্যাতি।
অকুমাৰ (বিঃ) - নাবালক।
অকৃতজ্ঞ (বিণঃ) - অশলাগী।
অকৃপণ (বিণঃ) - কৃপণ নোহোৱা, উদাৰ, বদান্য।
অখ্যাত (বিণঃ) - খ্যাতিহীন, অপ্ৰসিদ্ধ।
অগ্ৰং-বগ্ৰং (বিঃ) - অৰ্থহীন কথা বা কাম।
অজলা, আজলা (বিণঃ) - একো নজনা, হোজা, মুৰ্খ।
অজুহাত (বিঃ) - চেলু, ওজৰ-আপত্তি।
অতিসম্প্ৰতি (ক্ৰি-বিণঃ) - ঠিক এই মুহূৰ্তত।
অত্যুক্তি (বিঃ) - বঢ়াই কোৱা কথা, অতিৰঞ্জন।
অথাই-সাগৰ (বিঃ) - ঘোৰ বিপদ।
অদৃষ্ট (বিণঃ) - [১] কপাল, ভাগ্য, দশা। [২] (বিণঃ) - যিহক দেখা হোৱা নাই, তেনে।
অদ্বিতীয় (বিণঃ) - একমাত্ৰ, অতুলনীয়।
অধীৰ (বিণঃ) - অস্থিৰ, উদ্বিগ্ন, ব্যাকুল।
অধোগতি, অধোগমন (বিঃ) - তললৈ যোৱা কাৰ্য, পতন।
অনৰ্গল (ক্ৰি-বিণঃ) - সলসলীয়াকৈ, অবিৰামভাৱে।
অনুক্ৰমণিকা (বিঃ) - কিতাপৰ ভূমিকা বা সূচী।
অনুজ্জ্বল (বিণঃ) - উজ্জ্বল নোহোৱা, নিষ্প্ৰভ।
অনুশোচনা (বিঃ) - কৃত কৰ্মৰ কাৰণে কৰা খেদ, অনুতাপ।
অন্তৰীক্ষ (বিঃ) - গভীৰ আকাশ, মহাকাশ।
অপদস্থ (বিণঃ) - অপমানিত, লাঞ্ছিত।
অপেস্বৰী (বিঃ) - [১] সৰগৰ নাচনী, অপেচৰী। [২] সুন্দৰী নাৰী।
অভিনৱ (বিঃ) - একেবাৰে নতুন, অভূতপূৰ্ব।
অভ্যুদয় (বিঃ) - [১] জাগৰণ, উদয়। [২] বিকাশ
অৰ্পণ (বিঃ) - শোধোৱা কাৰ্য, ভক্তিভাৱে কৰা নিৱেদন।
অৰ্বাচীন (বিণঃ) - [১] এই কালৰ, আধুনিক। [২] বিবেচনাহীন।
অলগৰ্ধ (বিণঃ) - মূৰ্খ আৰু এলেহুৱা।
অশালীন (বিণঃ) - অশ্লীল, অভদ্ৰ।
অসাৰুৱা (বিণঃ) - [১] য'ত সাৰ নাই, তেনে। [২] মূল্যহীন।
অক্ষুণ্ণ (বিণঃ) - অলপো নকমা, পূৰ্ণ, অটুট।
আউল (বিঃ) - বিশৃংখল, জঁট।
আকলুৱা (বিণঃ) - [১] যি আকালত পৰিছে, তেনে। [২] বৰকৈ হাবিয়াস কৰা।
আগে-ভাগে (ক্ৰি-বিণঃ) - সকলোতকৈ আগেয়ে।
আচ্ছন্ন (বিণঃ) - আবৃত, ঢাক খাই থকা।
আজে-বাজে (বিণঃ) - বাহিৰা, অমূলক, অবান্তৰ।
আথে-বেথে (ক্ৰি-বিণঃ) - বৰ আদৰ-সাদৰকৈ, অতি চেনেহেৰে।
আনুবংশিক (বিণঃ) - বংশগত, বংশানুক্ৰমিক।
আপাততঃ (ক্ৰি-বিণঃ) - বৰ্তমান, সম্প্ৰতি, এতিয়া।
আমন-জিমন (বিণঃ) - মন-মৰা, বিমৰ্ষ, চিন্তিত।
আয়ুষ্মন্ত, আয়ুষ্মান (বিণঃ) - দীৰ্ঘজীৱী।
আলম (বিণঃ) - অৱলম্বন, আশ্ৰয়, সহায়, গইনা।

আসুৰিক (বিণঃ) - অসুৰ-সম্বন্ধীয়, দয়া-মমতাশূন্য, ভীষণ প্ৰকৃতিৰ।
আস্বাদ (বিঃ) - জুতি, সোৱাদ, ৰুচি।
আ !াদ (বিঃ) - আনন্দ, সন্তোষ, ৰং।
ইচ্ছুক (বিণঃ) - ইচ্ছাকাৰী, অভিলাষী, আগ্ৰহান্বিত।
ইন্দু (বিঃ) - জোন, চন্দ্ৰ।
ইস্তাহাৰ (বিঃ) - জাননী, ঘোষণা-পত্ৰ।
ঈদৃশ (বিণঃ) - এনেকুৱা, এই প্ৰকাৰৰ।
ঈৰ্ষা (বিঃ) - আনৰ ভাল হোৱা দেখি দুখ পোৱা স্বভাৱ, খিয়াল, পৰশ্ৰীকাতৰতা।
ঈশিৰ (বিঃ) - অগ্নি, জুই।
ঈষৎ (বিণঃ) - অলপ, কিঞ্চিৎ।
ঈক্ষণ (বিঃ) - দৃষ্টি, দৰ্শন।
উঃ (অব্যঃ) - দুখ পালে ওলোৱা মাত, উস্।
উখল-মাখল (বিঃ) - মানুহৰ সমাগমৰ বাবে হোৱা হুলস্থূল, উদুলি-মুদুলি।
উচ্‌পিচ্ (বিঃ) - উগুল-থুগুল, অস্থিৰতা।
উচ্ছন্ন (বিণঃ) সমূলি বিনষ্ট, নিৰ্মূল, উৎসন্ন।
উচ্ছিষ্ট (বিঃ) - খাই এৰা বস্তু, এৰেহা, অৱশিষ্ট খাদ্য।
উছৰ্গা (বিঃ) - অৰ্পণ, উৎসৰ্গ।
উৎকীৰ্ণ (বিণঃ) - খোদিত, চিত্ৰিত।
উৎকৃষ্ট (বিণঃ) - শ্ৰেষ্ঠ, উত্তম।
উৎকোচ (বিঃ) - ঘোচ, ভেটী।
উত্থাপন (বিঃ) - প্ৰসংগৰ অৱতাৰণা, প্ৰস্তাৱনা।
উৎপীড়ন (বিঃ) - উপদ্ৰৱ, অত্যাচাৰ।
উথপ্‌থপ্ (বিঃ) - লৰা-ধপৰা, খৰখেদা. উদুলি-মুদুলি।
উদ্‌গ্ৰীৱ (বিণঃ) - অতিশয় আগ্ৰহান্বিত, ব্যগ্ৰ, উৎকণ্ঠিত।
উদ্দাম (বিণঃ) - মুকলি, বন্ধনহীন, উচ্ছৃংখল।
উদ্ধত (বিণঃ) - উচ্ছৃংখল, উতনুৱা, অশিষ্ট, অবিনীত।
উদ্যম (বিঃ) - উৎসাহ, কৰ্ম-প্ৰেৰণা, উদ্যোগ, প্ৰচেষ্টা।
উদ্‌যাপন (বিঃ) - পালন, সম্পাদন।
উন্মাদ (বিণঃ) - বলিয়া, উন্মত্ত।
উন্মুক্ত (বিণঃ) - মুকলি, বন্ধনহীন, বাধাহীন, আৱৰণশূন্য।
উন্মুখ (বিণঃ) - [১] উদ্যত, প্ৰস্তুত, উৎসুক। [২] আসক্ত।
উপজি-পুৱা (বিঃ) - নিচেই পুৱা।
উপলা (বিঃ) - [১] শিল, প্ৰস্তৰ। [২] ৰত্ন।
উপবিষ্ট (বিণঃ) - আসন গ্ৰহণ কৰা, উপৱেশন হোৱা, বহি থকা।
উপায়ান্তৰ (বিঃ) - আন উপায়।
উপোদ্‌ঘাট (বিঃ) - আৰম্ভ।
উমৈহতীয়া (বিণঃ) - সমূহীয়া।
উৰাই-ঘূৰাই (ক্ৰি-বিণঃ) - উধাই-মুধাই, বৰকৈ আৰু ঘনে ঘনে।
উলংঘা, উলঙঘা (বিঃ) - অৱজ্ঞা, আওহেলা, অমান্য।
উলহৰ মাদলি (বিঃ) - ধেমেলীয়া মানুহ, আনন্দত উত্ৰাৱল হৈ থকা মানুহ।
উৱাদিহ (বিঃ) - সন্দেহ, আঁতি-গুৰি।
ঊনৈশ-বিশ (বিঃ) - সামান্য তাৰতম্য, কিঞ্চিৎ প্ৰভেদ।
ঊৰ্দ্ধগতি (বিঃ) - ওপৰলৈ গমন, আৰোহণ।
ঊষা (বিঃ) - নিচেই পুৱাৰ সময়, ধলপুৱা, দোকমোকালি।
ঋত্বিক, ঋত্বিজ (বিঃ) - বৈদিক যজ্ঞৰ পুৰোহিত, হোতা।
ঋদ্ধি (বিঃ) - উন্নতি, সৌভাগ্য।
ঋক্ষ (বিঃ) - [১] ভালুক। [২] নক্ষত্ৰ।
একবাক্যে (ক্ৰি-বিণঃ) - একাধিক লোক একমত হৈ।
একমুখে (ক্ৰি-বিণঃ) - একবাক্যে।
একাত্ম, একাত্মা (বিণঃ) - অভিন্ন, অতি আপোন।
একো নাই (বিণঃ) - একো নমনা, হিতাহিত জ্ঞানশূন্য।
এতদৰ্থে (ক্ৰি-বিণঃ) - এই কাৰণে, এই উদ্দেশ্যে।
এলাহ (বিঃ) - আলস্য, সোৰোপালি, কাম কৰিবলৈ অনিচ্ছা।
এশ-এটা, এশ-এবুৰি (বিণঃ) - অসংখ্য।
ঐচ্ছিক (বিণঃ) - [১] ইচ্ছানুযায়ী, ইচ্ছাধীন। [২] ইচ্ছা সম্পৰ্কীয়।
ঐতিহাসিক (বিণঃ) - ইতিহাস-সংক্ৰান্ত, ইতিহাসত স্থান পোৱা। (বিঃ) - ইতিহাসবিদ, ইতিহাস-লেখক।
ঐশ্বৰিক (বিণঃ) - ঈশ্বৰ-সম্বন্ধীয়, ঈশ্বৰে দিয়া, ঈশ্বৰৰ।
ঐশ্বৰ্য (বিঃ) - ধন-সম্পত্তি, বিভূতি-বৈভৱ।
ঐহিক (বিণঃ) - ইহলোক বা ইহকাল-সম্বন্ধীয়।
ওজস্বী (বিণঃ) - বলৱান, শক্তিশালী, তেজস্বী।
ওতপ্ৰোত (বিণঃ) - [১] সকলো ফালে বিয়পি পৰা। [২] ঘনিষ্ঠ।
ওপৰৱালা (বিঃ) - [১] ওপৰৰ কৰ্মচাৰী, গৰাকী। [২] ঈশ্বৰ।
ওপৰে ওপৰে (ক্ৰি-বিণঃ) - কোনো বিষয়ৰ ভিতৰলৈ নোসোমোৱাকৈ, দকৈ নভবাকৈ।
ওফাইদাং (বিঃ) - দাংকোপ, গণ্ডপ।
ওমা-গোমা (বিণঃ) - ফৰকাল নোহোৱা, মেঘাচ্ছন্ন।
ওৰফে (বিঃ) - [১] অন্য নাম, উপনাম, মতা নাম। (ক্ৰি-






বিণঃ) [২] নামান্তৰে।
ওস্তাদ (বিঃ) - [১] ওজা। (বিণঃ) [২] পাৰ্গত।
ঔৎসুক্য (বিঃ) - কৌতূহল, আগ্ৰহ, উৎকণ্ঠা।
ঔদাৰ্য (বিঃ) - উদাৰতা, বদান্যতা।
ঔদ্যোগিক (বিণঃ) - উদ্যোগ-সম্বন্ধীয়।
ঔৰস্য (বিঃ) - সন্তান।
কটকটীয়া (বিণঃ) - টানকৈ বন্ধা, কঠোৰ।
কট্‌মটীয়া (বিণঃ) - টান, কঠিন।
কঢ়া-আঁজোৰা (বিঃ) - আঁজোৰা-আঁজুৰি।
কথঞ্চিৎ (অব্যঃ) - কিঞ্চিৎ, অলপীয়া।
কথমপি (ক্ৰি-বিণঃ) - কোনোমতে, কাণে কাণ মাৰি।
কথোপকথন (বিঃ) - কথা-বতৰা, আলাপ-আলোচনা।
কদভ্যাস (বিঃ) - বেয়া অভ্যাস।
কদাচ (ক্ৰি-বিণঃ) - কেতিয়াও, কদাপি, কোনো কালেও।
কদুক্তি (বিঃ) - বেয়া কথা, নিন্দা, গালি।
কপ্‌কপীয়া (বিণঃ) - টানকৈ লাগি ধৰা, দৃঢ়, লৰচৰ হ'ব নোৱৰা।
কপালী (বিণঃ) - ভাগ্যৱান।
কমনীয় (বিণঃ) - মনোৰম, আকৰ্ষণীয়, সুন্দৰ।
কমলিনী (বিঃ) - [১] পদুম। [২] সুন্দৰী নাৰী।
কৰতালি (বিঃ) - হাত-চাপৰি।
কৰায়ত্ত (বিণঃ) - অধীন, বশ।
কৰ্ণগোচৰ (বিণঃ) - যিটো কাণত পৰিছে, তেনে, শুনা।
কৰ্ণধাৰ (বিঃ) - নাৱৰ গুৰিয়াল, গুৰিধৰোঁতা।
কৰ্তৃত্ব (বিঃ) - কৰ্তাৰ অধিকাৰ, প্ৰভুত্ব।
কলংক, কলঙ্ক (বিঃ) - [১] চেকা, দাগ। [২] দুৰ্নাম, অপবাদ, কুখ্যাতি।
কলৰৱ, কলৰোল (বিঃ) - কোলাহক, বহুত মানুহে একেলগে কৰা অস্পষ্ট শব্দ।
কলাঘুমটি (বিঃ) - চিলমিলীয়া টোপনি।
ক'লা-ম'লা (বিণঃ) - বিবৰ্ণ, দুখত ক'লা পৰা, মলিন।
কল্পিত (বিণঃ) - মনে-গঢ়া, অমূলক, উদ্ভাৱিত।
কষ্টাৰ্জিত, কষ্টোপাৰ্জিত (বিণঃ) - বহু কষ্টৰদ্বাৰা অৰ্জন কৰা।
কস্মিন, কস্মিনকালে (ক্ৰি-বিণঃ) - কোনো কালে, কেতিয়াও।
কাউ-বাউ (বিঃ) - আকুল হৈ কৰা অনুৰোধ, সেও হৈ কৰা প্ৰাৰ্থনা।
কাকতী-ফৰিং (বিঃ) - জাক পাতি আহি শস্য নষ্ট কৰা এবিধ ডাঙৰ জাতৰ ফৰিং।
কাঠচিতীয়া (বিণঃ) - নিষ্ঠুৰ, নিৰ্দয়।
কাণ-কটা (বিণঃ) - অতি নিলাজ।
কাণ-গধুৰ (বিণঃ) - কাণেৰে কম শুনা।
কাতৰোক্তি (বিঃ) - কাতৰ বা আতুৰ হৈ কোৱা কথা।
কান্তি (বিঃ) - লাৱণ্য, সৌন্দৰ্য, দীপ্তি, শোভা।
কামাতুৰ (বিণঃ) - কাম-ভাবত আতুৰ, কামাৰ্ত।
কামান্ধ (বিণঃ) - কামুক।
কামোদ্দীপক (বিণঃ) - যি কাম-ভাব জগাই তোলে, তেনে।
কাৰচাজি (বিঃ) - কৌশল, প্ৰৱঞ্চনা, টেতৰালি।
কালান্তক (বিণঃ) - যি জীৱন নাশ কৰে, তেনে, ভয়ংকৰ, ভীষণ।
কিংকৰ্তব্যবিমূঢ় (বিণঃ) - কি কৰিব লাগে থিৰ কৰিব নোৱৰা হোৱা, বিবুদ্ধি, বিচূৰ্তি।
কুটিৰ, কুটীৰ (বিঃ) - অতি সৰু ঘৰ, পঁজা।
কুৎসিত (বিণঃ) - [১] কুশ্ৰী, কুৰূপ, দেখিবলৈ আপচু। [২] নিন্দনীয়।
কুদৃষ্টি (বিঃ) - অশুভ দৃষ্টি।
কুমন্ত্ৰণা (বিঃ) - অসৎ পৰামৰ্শ, ষড়যন্ত্ৰ।
কুশাগ্ৰ বুদ্ধি (বিণঃ) - অতিশয় তীক্ষ্ণ বুদ্ধিসম্পন্ন।
কৃতজ্ঞ (বিণঃ) - উপকাৰীৰ উপকাৰ স্বীকাৰ কৰা বা মনত ৰখা, শলাগ লোৱা।
কৃতাৰ্থ (বিণঃ) - সফল, কৃতকাৰ্য, চৰিতাৰ্থ।
কৃতি (বিঃ) - কাৰ্য, নিৰ্মাণ, ৰচনা, সম্পাদিত কৰ্ম।
কৃতিত্ব (বিঃ) - কৰ্মদক্ষতা, নিপুণতা।
কৃতী (বিণঃ) - কৰ্মকুশল, যি কামত সফল হৈ খ্যাতি লাভ কৰিছে, তেনে।
কেঁকো-জেঁকোকৈ (ক্ৰি-বিণঃ) - গধুৰ বস্তুৰ ভৰত কুঁজা হৈ, হেলাই-হেঁপাই।
কেলঢোপ্ কেলঢোপকৈ (ক্ৰি-বিণঃ) - কোনোমতে প্ৰাণটো ধৰি।
কৈফিয়ৎ (বিঃ) - কাৰণ দৰ্শোৱা কাৰ্য, জবাব, ব্যাখ্যা।
কোৰ্হাল (বিঃ) - হাই-উৰুমি, কোলাহল।
ক্ৰূৰ (বিণঃ) - নিৰ্দয়, নিষ্ঠুৰ, মমতাশূন্য।
ক্ৰোধ (বিঃ) - খং।
ক্লেশ (বিঃ) - কষ্ট, নিকাৰ, যন্ত্ৰণা, দুখ।
ক্বচিৎ (অব্যঃ) - কোনো ঠাইত, কেতিয়াবা।
খচিত (বিণঃ) খটোৱা, যুক্ত, অলংকৃত, শোভিত।
খতম (বিঃ) - শেষ, অন্ত।
খন্তেক (বিঃ) - এক মুহূৰ্ত বা ক্ষণ, অলপ সময়।

খপ্ কৰে, খপৰাই (ক্ৰি-বিণঃ) - বেগাই, অতৰ্কিতে, তৎক্ষণাৎ।
খবৰদাৰ (বিণঃ) - সাৱধান, হুচিয়াৰ।
খৰ-খেদা (বিঃ) - লৰালৰি, ততাতৈয়া।
খৰ-ধৰ (বিঃ) - লৰালৰি।
খৰস্ৰোতা (বিণঃ) - কোবাল সোঁত থকা।
খৰিয়াল (বিঃ) - দন্দ, হাই, কাজিয়া।
খলা-বমা (বিণঃ) - অসমান।
খাই-গাহৰি (বিণঃ) - নিষ্কৰ্মা, অকামিলা।
খাটাং (বিণঃ) - একেবাৰে নিশ্চিত, চূড়ান্ত।
খাণ্ডৱ-দাহ (বিঃ) - ডাঙৰ অগ্নিকাণ্ড, প্ৰলয়ংকৰী ঘটনা।
খাৰাংখাচ (বিণঃ) - পোণপটীয়া, অকপট।
খালী (বিণঃ) - [১] শূন্য, উদং। [২] শুদা, কেৱল, একমাত্ৰ।
খাস্তাং (বিণঃ) - সমূলি নষ্ট, উচ্ছন্ন।
খিকিন্দালি (বিঃ) - হাঁহি-মাতি কৰা ৰং-ধেমালি।
খুটি-নাটি (বিঃ) - [১] কোনো বিষয়ৰ সৰু-সুৰা দোষ-ত্ৰুটি। [২] সূক্ষ্ম বিষয় বা কথা।
খেদ (বিঃ) - অনুশোচনা, আক্ষেপ।
খোচামতি, খোচামুদি (বিঃ) - কাবৌ-কোকালি, তোষামোদ।
খোজেপতি (ক্ৰি-বিণঃ) - প্ৰতি খোজতে, প্ৰতিটো কথাতে।
খোলাকটি, খোলাকুটি (বিঃ) - ভগা মাটিৰ পাত্ৰৰ সৰু সৰু খণ্ড।
খোলাখুলিকৈ (ক্ৰি-বিণঃ) - স্পষ্টকৈ, খোলাচাকৈ, লুক-ঢাক নথকাকৈ।
খোৱাৰ (বিঃ) - গৰু-ম'হৰ ফাটেক।
খ্যাতি (বিঃ) - সুনাম, যশস্যা।
গইনা (বিঃ) - আলম, আশ্ৰয়।
গজমূৰ্খ (বিণঃ) - অতিশয় মূৰ্খ।
গঞ্জনা (বিঃ) - লাঞ্ছনা, তিৰস্কাৰ, নিন্দা।
গড়-মিল (বিঃ) - অমিল।
গণনায়ক (বিঃ) - জনসাধাৰণৰ নেতা।
গণ্ডগোল (বিঃ) - গোলমাল, হুলস্থূল, বহুত মানুহে একেলগে কৰা চিঞৰ-বাখৰ।
গতানুগতিক (বিণঃ) - নতুনত্ববিহীন।
গতি-গোত্ৰ (বিঃ) - ৰেহ-ৰূপ, ধৰণ-কৰণ।
গত্যন্তৰ (বিঃ) - অন্যগতি, অন্য উপায়।
গৰিহণা (বিঃ) - ভৰ্ৎসনা, নিন্দা।
গৰ্ব (বিঃ) - অহংকাৰ, গপ।

গহীন (বিণঃ) - ধীৰ, গম্ভীৰ, প্ৰশান্ত।
গাইগুটীয়াকৈ (ক্ৰি-বিণঃ) - এজনে অকলে।
গাম্ভীৰ্য (বিঃ) - গভীৰ স্বভাৱ, ধৈৰ্য।
গিৰী (বিঃ) - [১] গৰাকী। [২] গৃহস্থ, ঘৰৰ মালিক।
গুণী (বিণঃ) - গুণসম্পন্ন, বিদ্যা-বুদ্ধিসম্পন্ন।
গুৰীয়াল (বিঃ) - [১] গুৰি-ব'ঠা ধৰি নাৱৰ গতি নিয়ন্ত্ৰণ কৰোঁতা। [২] নেতৃস্থানীয় ব্যক্তি।
গূঢ়াৰ্থ (বিঃ) - গুপ্ত অৰ্থ, সকলোৱে সহজে বুজিব নোৱৰা অৰ্থ।
গেল্‌গেলীয়া (বিণঃ) - বেছিকৈ পকি গেলাৰ দৰে হোৱা, ঘেল্‌ঘেলীয়া।
গোজামিল (বিঃ) - জোৰা-টাপলি মাৰি কৰা মিল।
গোটাচেৰেক (বিণঃ) - চাৰিটামান, চাৰিটাতকৈ অলপ কম বা বেছি।
গোটাদিয়েক (বিণঃ) - দুটা বা এটা, অলপ সংখ্যক।
গোমোঠা (বিণঃ) - অনুজ্জ্বল, মলিন, বিবৰ্ণ, গোমা।
গৌণ (বিণঃ) - অপ্ৰধান, উপৰুৱা, যিটো মুখ্য নহয়, তেনে।
গ্ৰাহ্য (বিণঃ) - গ্ৰহণৰ যোগ্য, গ্ৰহণ কৰিব পৰা।
গ্লানি (বিঃ) - [১] অপযশ, দুৰ্নাম। [২] ভাগৰ, ক্লান্তি।
ঘঁটিয়া (বিণঃ) - টেঙৰ, চতুৰ।
ঘনে ঘনে, ঘনেপতি (ক্ৰি-বিণঃ) - বাৰে বাৰে, সঘনাই।
ঘৰা-ঘৰি (ক্ৰি-বিণঃ) - আপোন আপোন ঘৰলৈ, নিজ নিজ ঠাইলৈ।
ঘাইকৈ (ক্ৰি-বিণঃ) - প্ৰধানকৈ, বিশেষকৈ।
ঘাতক (বিঃ) - নাশ কৰোঁতা, বধ কৰোঁতা।
ঘিট্‌মিটীয়া (বিণঃ) - অতিশয় এন্ধাৰ।
ঘুটমুটীয়া (বিণঃ) - চুটি-চাপৰ, কিন্তু গা শকত আৰু তজবজীয়া।
ঘূৰা-ঘূৰি (বিঃ) - অহা-যোৱা।
ঘোষক (বিঃ) - ঘোষণা কৰোঁতা, জাননী দিওঁতা।
ঘোষিত (বিণঃ) - প্ৰচাৰিত, যিটো ঘোষণা কৰা হৈছে, তেনে।
চক্ৰান্ত (বিঃ) - কুট-কৌশল, অভিসন্ধি।
চতুৰ্পাশে (ক্ৰি-বিণঃ) - চাৰিওফালে, চৌকাষে।
চতুৰ্বৰ্গ (বিঃ) - মনুষ্য জীৱনৰ চাৰি পুৰুষাৰ্থ ক্ৰমে ধৰ্ম, অৰ্থ, কাম, মোক্ষ।
চতুৰ্বৰ্ণ (বিঃ) - হিন্দু সমাজৰ চাৰি জাতি ক্ৰমে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ।
চতুৰ্বেদ (বিঃ) - ঋক, যজুঃ, সাম আৰু অথৰ্ব।





চতুষ্পাঠী (বিঃ) - ব্যাকৰণ, কাব্য, স্মৃতি আৰু দৰ্শন - এই চাৰি শাস্ত্ৰ পঢ়োৱা বিদ্যালয়, টোল।
চন্দ্ৰমুখী (বিঃ) - চন্দ্ৰৰ নিচিনা শুৱনি মুখৰ নাৰী।
চন্দ্ৰাৱলী (বিঃ) - জোনাক।
চন্দ্ৰিমা (বিঃ) - [১] চন্দ্ৰ। [২] জোনাক।
চফৰ (বিঃ) - ভ্ৰমণ।
চৰ্চা (বিঃ) - [১] আলোচনা। [২] অভ্যাস, অনুশীলন।
চাটু (বিঃ) - মিছা প্ৰশংসা, তোষামোদ।
চাতুৰী (বিঃ) - [১] নিপুণতা, চতুৰতা। [২] শঠতা, ছলনা, দুষ্টালি।
চিৎকাৰ (বিঃ) - চিঞৰ, আৰ্তনাদ।
চিৰবিচ্ছেদ (বিঃ) - চিৰজীৱনৰ কাৰণে এৰা-এৰি।
চুপাৰিছ (বিঃ) - [১] অনুৰোধ। [২] অনুমোদন।
চুলিয়াচুলি (বিঃ) - পৰস্পৰে চুলি টানি কৰা কাজিয়া।
চেলেং-পেতেং (বিণঃ) - কথা আৰু কামত মন নিদিয়া, অনিচ্ছাৰে কৰা।
চৈতন্য (বিঃ) - [১] চেতনা, জ্ঞান। [২] সাৰ পোৱা অৱস্থা। [৩] যি সকলোকে চেতন কৰে, পৰমাত্মা।
চোৰাং (বিণঃ) - আনে নেদেখাকৈ কৰা, লুকুওৱা, গুপ্ত।
চৌপাশ (বিঃ) - চাৰিওফাল।
ছট্‌বটীয়া (বিণঃ) - [১] অস্থিৰ, চঞ্চল। [২] ছটৰ বটৰ।
ছন্দোবদ্ধ (বিণঃ) - ছন্দত ৰচিত।
ছন্ন (বিণঃ) - [১] ঢাক খাই থকা, আচ্ছাদিত। [২] লুপ্ত, নষ্ট।
ছলাহী (বিণঃ) - প্ৰৱঞ্চনাকাৰী।
ছলে-বলে (ক্ৰি-বিণঃ) - যিকোনো উপায়েৰে, যেনে-তেনে।
ছাটি-ফুটি (বিঃ) - গা বা মনৰ দুখত হোৱা অস্থিৰতা, ছট্‌ফটনি।
ছাৰখাৰ (বিণঃ) - সমূলি নষ্ট, উচ্ছন্ন।
ছিদ্ৰ (বিঃ) - [১] বিন্ধা, ফুটা। [২] দায়, দোষ, জগৰ।
ছেগা-চোৰোকা (বিণঃ) - এঠাইত হোৱা এঠাইত নোহোৱা, মাজে সময়ে হোৱা।
জংকট, জঞ্জট (বিঃ) - জঞ্জাল, সংকট।
জক্‌মক্ (বিঃ) - পোহৰৰ বা ৰঙৰ জিলিকনি, ৰঙৰ শোভা বা কান্তি।
জগত, জগৎ (বিঃ) - [১] বিশ্ব, ভুৱন। [২] সমাজ।
জঘন্য (বিণঃ) - নীচ, নিন্দনীয়, বৰ বেয়া।
জঞ্জাল (বিঃ) - আহুকাল, বিপদ।

জধা-মূৰ্খ (বিঃ) - অতি মূৰ্খ মানুহ।
জধে-মধে (ক্ৰি-বিণঃ) - ভাল-বেয়া অথবা উচিত-অনুচিত বিচাৰ নকৰাকৈ, যেনেকৈ পায় তেনেকৈ।
জলজল্-পট্‌পট্ (বিণঃ) - স্পষ্ট, ফট্‌ফটীয়া।
জাজ্বল্যমান (বিণঃ) - ৰবকৈ জিলিকি থকা, অতিশয় দীপ্তিমান।
জাতিষ্কাৰ (বিণঃ) - উত্তমৰূপে সজোৱা, জকমকীয়া।
জাতিস্মৰ (বিণঃ) - যি নিজৰ পূৰ্ব-জন্মৰ কথা ক'ব পাৰে, তেনে।
জিঘাংসা (বিঃ) - হত্যা কৰিবৰ ইচ্ছা।
জিজ্ঞাসা (বিঃ) - [১] জানিবৰ ইচ্ছা। [২] প্ৰশ্ন। [৩] সোধা কাৰ্য।
জীয়াতু (বিঃ) - মৃত্যুৰ নিচিনা দুখ, অসহ্য যন্ত্ৰণা, নিকাৰ।
জুগুপ্সা (বিঃ) - ঘৃণা।
জেলজেলীয়া (বিণঃ) - জালৰ নিচিনা পাতল, সেৰেঙা।
জোখাই, জোখাৰে (ক্ৰি-বিণঃ) - উপযুক্ত পৰিমাণে, উপযুক্ত মতে।
জ্ঞাতব্য (বিণঃ) - জানিবলগীয়া।
জ্ঞাতসাৰে (ক্ৰি-বিণঃ) - সজ্ঞানে, জানি-শুনি।
জ্যোতিৰ্ময় (বিণঃ) - দীপ্তিযুক্ত, দীপ্তিমান।
জ্যোতিষ্মান (বিণঃ) - জ্যোতিৰ্ময়, দীপ্তিযুক্ত, দীপ্তিমান।
ঝংকাৰ, ঝঙ্কাৰ (বিঃ) - শব্দ, ধ্বনি।
টকলা (বিণঃ) - [১] চুলি নথকা, তপা। [২] গছ-গছনি বা ঘাঁহ-বন আদি নথকা, উদং।
টঙালি (বিঃ) - কঁকালত আঁটি বন্ধা ঠেক দীঘল কাপোৰ, কঁকালী।
টলৌ টলৌকৈ (ক্ৰি-বিণঃ) - অস্থিৰভাৱে ঘূৰি ফুৰি, এঠাইৰ পৰা আন ঠাইলৈ গৈ।
টানি-টুনি (ক্ৰি-বিণঃ) - [১] বহুত টনাটনিকৈ, আঁজুৰি-পিঁজুৰি। [২] বহু কষ্টেৰে, কোনোমতে।
টুক্‌টাক্‌কৈ (ক্ৰি-বিণঃ) - নিচেই কমকৈ খৰচ কৰি।
টেটোন, টেটন (বিঃ) - ঠগ, দুষ্ট স্বভাৱৰ মানুহ।
ঠাট্টা (বিঃ) - বিদ্ৰূপ, উপহাস।
ঠিক (বিণঃ) - [১] অনিশ্চিত, সঁচা, প্ৰকৃত, উপযুক্ত। [১] (বিঃ) - নিশ্চয়তা।
ঠিকঠাক (বিণঃ) - [১] সৰ্বতোপ্ৰকাৰে সাজু। [২] (বিঃ) - বন্দৱস্ত।
ঠেহ (বিঃ) - ৰোহ, বেজাৰ পাই মনে মনে কৰা খং।
ডংকা, ডঙ্কা (বিঃ) - দুন্দুভি, বৰঢোল।
ডাংকা, ডাঙ্কা (বিঃ) - বদনাম, দুৰ্নাম।

ডাংকোপ, ডাঙ্কোপ (বিঃ) - বৰ কথা, ফিতাহি মৰা কথা, গগুপ।
ডিম্ব (বিঃ) - [১] ডিমা, কণী। [২] ঘূৰণীয়া বা প্ৰায় ঘূৰণীয়া বস্তু।
ডেমাক, ডেমাকি (বিঃ) - কথা নুশুনা স্বভাৱ, আঁকোৰ-গোজালি।
ডোক্‌মোকালি, দোক্‌মোকালি (বিঃ) - পুৱাৰ অলপ এন্ধাৰ অলপ পোহৰ অৱস্থা।
ঢাঁহি-ঢুঁহি (ক্ৰি-বিণঃ) - টানি-আঁজুৰি।
ঢাঁহি-মুহি (ক্ৰি-বিণঃ) - একেবাৰে নাইকিয়া কৰি, ভাঙি-ছিঙি।
ঢুলঢুলীয়া (বিণঃ) - কান্দো কান্দো বা চকুৰ পানী ওলাওঁ ওলাওঁ হৈ থকা।
ততা-তৈয়া (বিঃ) - খৰখেদা, লৰালৰি।
ততালিকে (ক্ৰি-বিণঃ) - তৎক্ষণাৎ, লগে লগে।
তৎকালিক, তৎকালীন (বিণঃ) - সেই সময়ৰ, তদানীন্তন।
তদনুযায়ী (ক্ৰি-বিণঃ) - সেইদৰে, তেনেকৈ।
তদনুসৰি, তদনুসাৰে (ক্ৰি-বিণঃ) - তদনুযায়ী।
তন্ময় (বিণঃ) - একাগ্ৰ, একান্তৰূপে নিমগ্ন।
তিতিক্ষা (বিঃ) - সহিষ্ণুতা, ক্ষমা, ধৈৰ্য্য।
তিৰোভাৱ (বিঃ) - মৃত্যু।
তীব্ৰ (বিণঃ) - প্ৰবল, চোকা, সহিব নোৱৰা, উগ্ৰ।
তুংগ, তুঙ্গ (বিণঃ) - ওখ, উন্নত।
তেজোময় (বিণঃ) - দীপ্তিমন্ত, উজ্জ্বল।
তেতিক্ষণে (ক্ৰি-বিণঃ) - তেতিয়াই, সেই সময়তে।
তোলপাৰ (বিঃ) - তল-ওপৰ, হুলস্থূল।
ত্যাজ্য (বিণঃ) - এৰিব লগীয়া, ত্যাগ কৰিবৰ যোগ্য।
থকা-সৰকা (বিণঃ) - [১] বহুত বিন্ধা থকা। [২] ক্ষত-বিক্ষত।
থমথম্ কৰে (ক্ৰি-বিণঃ) - স্থিৰভাৱে, লৰচৰ নকৰাকৈ।
থিতাতে (ক্ৰি-বণঃ) - ঠাইতে, ততালিকে।
থিৰাং (বিণঃ) - নিশ্চিত, ঠিক।
থুপ, থূপ (বিঃ) - স্তূপ, থোপা, একেলগে হোৱা বহুত বস্তু।
থূলন্তৰ (বিণঃ) - ডাঙৰ বা মঙহাল শৰীৰ থকা, হৃষ্ট-পুষ্ট।
থৈয়া-নথৈয়া (বিণঃ) - তুমুল, ভয়ংকৰ, গাত তত্ নথকা।
দণ্ডায়মান (বিণঃ) - থিয় হৈ থকা।
দন্দ (বিঃ) - কন্দল, বিবাদ, কাজিয়া।
দফে দফে ক্ৰি-বিণঃ) - বাৰে বাৰে।
দবৰা-দবৰি (বিঃ) - এটাই আনটোক ধৰি বগৰাই পেলাই ঠেলা ঠেলি, টনা টনি কৰা কাৰ্য।
দৰাচলতে (ক্ৰি-বিণঃ) - প্ৰকৃততে, আচলতে।

দাৰিদ্র্য, দাৰিদ্ৰ (বিঃ) - দুখীয়া অৱস্থা, দৰিদ্ৰতা।
দিঠক (বিঃ) - সাৰে থকা অৱস্থা।
দুঃখ (বিঃ) - কষ্ট, বেদনা, পীড়া, বেজাৰ, দুখ।
দুৰূহ (বিণঃ) - [১] বুজিবলৈ টান, কঠিন অৰ্থযুক্ত। [২] দুঃসাধ্য।
দুৰ্ব্যৱহাৰ (বিঃ) - বেয়া ব্যৱহাৰ, অসৎ আচৰণ।
দুন্দুভি (বিঃ) - এবিধ ডাঙৰ নাগেৰা।
দুৰভিসন্ধি (বিঃ) - অসৎ উদ্দেশ্য।
দুৰ্ধৰ্ষ (বিণঃ) - অতি পৰাক্ৰমী।
দুশ্চৰিত্ৰ (বিঃ) - [১] বেয়া চৰিত্ৰ, স্বভাৱ বা আচৰণ। [২] (বিণঃ) - বেয়া স্বভাৱযুক্ত, অসৎ আচৰণকাৰী।
দৃঢ় (বিণঃ) - [১] কঠিন, টান। [২] লৰচৰ নকৰা, অটল।
দেশাত্মবোধ (বিঃ) - দেশপ্ৰেম।
দৈৱক্ৰমে, দৈৱযোগে (ক্ৰি-বিণঃ) - ভাগ্যক্ৰমে, দৈৱাৎ।
দোদুল্যমান (বিণঃ) - উগুল-থুগুল, অনিশ্চিত।
দোধোৰ-মোধোৰ (বিঃ) - কি কৰা উচিত, কি কৰা অনুচিত তাক স্থিৰ কৰিব নোৱৰা অৱস্থা, দুই-নাও-দুই-ভৰি অৱস্থা।
দৌৰাত্ম্য (বিঃ) - অত্যাচাৰ, উৎপীড়ন, অতপালি।
ধঁপতুৰা (বিণঃ) - ধঁপাত খোৱাৰ অভ্যাস থকা।
ধাৰাসাৰ (বিণঃ) - ছেদ-ভেদ নথকা, নেৰা-নেপেৰা।
ধুমধাম (বিঃ) - বৰ আড়ম্বৰ, সমাৰোহ।
ধূসৰ (বিঃ) - [১] ছাই-বৰণ, ধোঁৱা-বৰণ। [২] (বিণঃ) - ছাই বৰণীয়া।
ধোঁৱা-চাং (বিঃ) - জুহালৰ ওপৰত ওলমাই ৰখা চাং।
ধোঁৱাখুলীয়া, ধুৱা-খুলীয়া (বিণঃ) - অতিশয় খৰচী, অমিতব্যয়ী।
ধ্বজাধাৰী, ধ্বজাবাহী (বিণঃ) - বংশ বা দেশৰ গৌৰৱ-স্বৰূপ।
নগণ্য (বিণঃ) - তুচ্ছ, সামান্য, লেখত ল'ব নলগীয়া।
নথৈ (ক্ৰি-বিণঃ) - বাকী নৰখাকৈ, অতিশয়, অন্তঃকৰণেৰে।
নপতা-ফুকন (বিঃ) - ক্ষমতা নথকাকৈ মিছা ক্ষমতা দেখুওৱা মানুহ, লোকে নিদিয়াকৈ বাব লোৱা মানুহ।
নমস্য (বিণঃ) - সেৱাৰ যোগ্য, পূজ্য, প্ৰণম্য।
নাতিদীৰ্ঘ (বিণঃ) - চুটি, যিটো অতি দীঘল নহয়, তেনে।
নিখুঁত (বিণঃ) - খুঁত বা দোষ নথকা।
নিগূঢ় (বিণঃ) - গভীৰ, সহজে বুজিব নোৱৰা, গুপ্ত, ৰহস্যময়।
নিৰৱচ্ছিন্ন (বিণঃ) - অবিৰাম, নিৰন্তৰ, বিৰতিবিহীন।
নিশ্ছিদ্ৰ, নিছিদ্ৰ (বিণঃ) - ছিদ্ৰ নথকা, দোষমুক্ত।





নীচাত্মিকা (বিঃ) - নিজকে নীচ জ্ঞান কৰা মনোবৃত্তি, হীনম্মন্যতা।
নৈৰ্ব্যক্তিক (বিণঃ) - ব্যক্তি নিৰপেক্ষ, ব্যক্তি-বিশেষৰ ওপৰত নিৰ্ভৰ নকৰা, ব্যক্তিগত ধ্যান-ধাৰণাৰদ্বাৰা প্ৰভাৱিত নোহোৱা।
ন্যূন (বিণঃ) - কম, তাকৰ।
ন্যূনাধিক (বিণঃ) - কম-বেচি।
পছোৱা (বিঃ) - পশ্চিমৰপৰা পূবলৈ বোৱা বেগী বতাহ।
পটন্তৰ (বিঃ) - উদাহৰণ, জঁতুৱা ঠাঁচত ৰচিত দৃষ্টান্ত, যোজোনা।
পথিকৃৎ (বিঃ) - বাটকটীয়া, কোনো কৰ্ম-পথৰ প্ৰথম কৰ্মী।
পৰমুখাপেক্ষী (বিণঃ) - আনৰ মুখলৈ চাই থকা, আনৰ সহায়লৈ আশা কৰি থকা।
পৰিগৃহীত (বিণঃ) - গ্ৰহণ কৰা, গৃহীত।
পৰিচৰ্যা (বিঃ) - শুশ্ৰূষা, সেৱা।
পৰিচ্ছদ (বিঃ) - সাজ-পাৰ, আভৰণ।
পাণ্ডিত্য (বিঃ) - পণ্ডিতৰ গুণ, পণ্ডিতালি, বিচক্ষণতা, জ্ঞান।
পাৰিতোষিক (বিঃ) - বঁটা, উপঢৌকন, বানচ।
পুংখানুপুংখ, পুঙ্খানুপুঙ্খ (বিণঃ) - তন্ন তন্ন, অতি সূক্ষ্ম।
পুলুঙা-পুলুঙি (বিঃ) - ইফালে সিফালে চাই থকা কাৰ্য।
পূৰ্তি (বিঃ) - পূৰণ, পূৰ্ণ কৰা বা হোৱা কাৰ্য।
পেন্দুকনা (বিঃ) - নিচেই সৰু।
পৈতৃক (বিণঃ) - পিতৃ বা পূৰ্বপুৰুষৰ।
পৈশাচিক (বিণঃ) - পিশাচৰ নিচিনা, পিশাচৰ যোগ্য, নৃশংস।
পৌৰোহিত্য (বিঃ) - [১] পুৰোহিতৰ বৃত্তি, পুৰোহিতালি। [২] অধ্যক্ষতা, সভাপতিত্ব।
প্ৰগতি (বিঃ) - অগ্ৰগতি, উন্নতি, ক্ৰমোন্নতি।
প্ৰত্যাখ্যান (বিঃ) - গ্ৰহণ বা স্বীকাৰ নকৰা, অগ্ৰাহ্যকৰণ, অস্বীকাৰ।
প্ৰত্যুত্তৰ (বিঃ) - উত্তৰৰ উত্তৰ।
প্ৰলুব্ধ (বিণঃ) - অতিশয় লোভী।
প্ৰশস্ত (বিণঃ) - [১] উৎকৃষ্ট, শ্ৰেষ্ঠ। [২] উপযুক্ত। [৩] আহল-বহল।
প্ৰস্ফুটিত (বিণঃ) - পূৰ্ণ-বিকশিত, সম্পূৰ্ণকৈ ফুলি উঠা।
প্ৰোজ্জ্বল (বিণঃ) - অতি উজ্জ্বল।
প্ৰৌঢ় (বিণঃ) - আদহীয়া, ডেকা আৰু বুঢ়া কালৰ মাজৰ অৱস্থাৰ।
ফট্‌ফটীয়া (বিণঃ) - স্পষ্ট, পৰিষ্কাৰ, ফৰকাল।
ফাংফুং (বিঃ) - মিছা-মিছি, একো হৈ নুঠা অৱস্থা।
ফিট্-ফাট্ (বিণঃ) - সাজি-কাচি ওলোৱা, অত্যন্ত পৰিপাটি।
ফিৰিঙতি (বিঃ) - জুইৰ কণা, স্ফুলিংগ।
ফুট-গধূলি (বিঃ) - গধূলিৰ আৰম্ভণি, সন্ধ্যা।

ফেঁহুজালি (বিঃ) - ফেঁচু চৰায়ে প্ৰথমে মতা সময়, নিচেই পুৱা।
ফেচ্‌ফেচ্ (বিঃ) - অনৰ্থক কথা পতা কাৰ্য।
বক্‌চিচ (বিঃ) - পুৰস্কাৰ, কাম কৰি দিয়াৰ বিনিময়ত পোৱা সামান্য ধন।
বঢ়িয়া (বিণঃ) - অতি উত্তম, বৰ ভাল।
বনাম (অব্যঃ) - বিৰুদ্ধে, বিপক্ষে।
বয়ঃপ্ৰাপ্ত (বিণঃ) - উপযুক্ত বয়সত উপনীত হোৱা, প্ৰাপ্তবয়স্ক।
বৰ্ণসংকৰ, বৰ্ণসঙ্কৰ (বিঃ) - বেলেগ বেলেগ জাতিৰ পিতৃ-মাতৃৰ সন্তান।
বহিৰ্ভূত (বিঃ) - বাহিৰ কৰা, বাহিৰত থকা।
বাগ্মী (বিণঃ) - কথা কোৱাত পটু, বক্তৃতা দিয়াত নিপুণ।
বিকট (বিণঃ) - ভয়ংকৰ, ভীষণ।
বিনশ্বৰ (বিণঃ) - বিনাশশীল, সদায় নথকা।
বিয়াগোম (বিণঃ) - প্ৰকাণ্ড।
বীভৎস (বিণঃ) - ঘিণ লগা, অতিশয় কুৰূপ।
বুভুক্ষা (বিঃ) - ভোক, খাবৰ ইচ্ছা।
বৃহৎ (বিণঃ) - [১] ডাঙৰ, আহল-বহল। [২] মহৎ, উদাৰ।
বেমেজালি (বিঃ) - খেলিমেলি, বিশৃংখল, কাম বা বস্তুৰ বাহুল্যৰ কাৰণে হোৱা অসুবিধা।
বৈপৰীত্য (বিঃ) - [১] বিপৰীত অৱস্থা, বিৰুদ্ধ অৱস্থা। [২] বিপৰ্যয়।
বৈসাদৃশ্য (বিঃ) - প্ৰাৰ্থক্য, অমিল।
ব্যতিব্যস্ত (বিণঃ) - [১] অতিশয় ব্যস্ত। [২] বিব্ৰত।
ব্যাকুল (বিণঃ) - অতিশয় আকুল, উৎকণ্ঠিত, কাতৰ।
ব্যাপী (বিণঃ) - ব্যাপ্ত, বহু ঠাই জুৰি থকা।
ভতুৱা (বিণঃ) - কেৱল খোৱাত পাকৈত কিন্তু কামত অযোগ্য, ভোদা।
ভৰ্ৎসনা, ভৰ্ছনা (বিঃ) - নিন্দা, তিৰস্কাৰ।
ভলভলীয়া (বিণঃ) - পেটত কথা নথকা, কথকি।
ভৱদীয় (সৰ্বঃ) - আপোনাৰ।
ভাঙি-পাতি (ক্ৰি-বিণঃ) - বহলাই, সবিশেষ।
ভাবোচ্ছাস (বিঃ) - আৱেগ বা ভাবৰ বহিৰ্প্ৰকাশ।
ভীত (বিণঃ) - ভয় খোৱা, ত্ৰস্ত, শংকিত।
ভীষ্ম-প্ৰতিজ্ঞা (বিঃ) - দৃঢ় প্ৰতিজ্ঞা।
ভেকেটো-ভেকেট (বিণঃ) - দুৰ্গন্ধ।
ভেদাভেদ (বিঃ) - [১] মতভেদ, অনৈক্য। [২] পাৰ্থক্য।

ভোলা (বিণঃ) - [১] অকপট, সৰল, শান্ত। [২] শকত আৰু ডাঙৰ।

ভ্ৰষ্টাচাৰ (বিঃ) - অনাচাৰ, দুৰ্নীতি।

মচনদ (বিঃ) - ৰাজ-দৰবাৰ।

মতলব (বিঃ) - [১] উদ্দেশ্য। [২] অসৎ অভিপ্ৰায়।

মতানৈক্য (বিঃ) - মতৰ অমিল, মতান্তৰ।

মনস্কামনা (বিঃ) - মনৰ ইচ্ছা, অভিলাষ, বাসনা।

মাজে-মধ্যে (ক্ৰি-বিণঃ) - [১] কেতিয়াবা, মাজে-সময়ে। [২] সোঁমাজেদি।

মিলনান্ত, মিলনান্তক (বিণঃ) - নায়ক-নায়িকাৰ মিলনেৰে সমাপ্ত।

মুখাৱয়ব (বিঃ) - মুখৰ আকৃতি বা ৰূপ, চেহেৰা।

মূছকঁছ (বিঃ) - মূৰ্ছা, অচেতন হৈ পৰা অৱস্থা।

মূঢ় (বিণঃ) - নিৰ্বোধ, অজ্ঞ, মূৰ্খ।

মৃন্ময়, মৃণ্ময় (বিণঃ) - মাটিৰে নিৰ্মিত, মাটিৰ।

মেহনতী (বিণঃ) - দৈহিক শ্ৰম কৰা, শ্ৰমজীৱী।

মোক্ষম (বিণঃ) - [১] নিৰ্ঘাত। [২] ভীষণ।

ম্যাদ (বিঃ) - কোনো নিৰ্দিষ্ট কাল।

ম্ৰিয়মান (বিণঃ) [১] মৰাৰ তুল্য, মুমূৰ্ষু। [২] বিষণ্ণ।

যঁজা (বিণঃ) - [১] একেলগে জন্মা [২] গাত গা লাগি উৎপন্ন হোৱা।

যৎকিঞ্চিৎ (বিণঃ) - অলপমান, যৎসামান্য।

যথেচ্ছ (বিণঃ) - যেনে ইচ্ছা তেনে, ইচ্ছানুৰূপ।

যদ্যপি (অব্যঃ) - যদিও।

যাদৃশ (বিণঃ) - যেনেকুৱা, যেনে।

যুগান্তৰ (বিঃ) - [১] নতুন যুগ। [২] অন্য যুগ। [৩] নতুন যুগৰ সূচনা কৰা ঘটনা।

যেনে-তেনে (ক্ৰি-বিণঃ) - যিকোনো প্ৰকাৰে।

যোগে (অব্যঃ) - জৰিয়তে, দ্বাৰা, মাৰফৎ।

যোৰা-থোৰা (বিঃ) - মৃতপ্ৰায় অৱস্থা।

যৌথ (বিণঃ) - যুটীয়া, সমূহীয়া, বহুত মানুহ লগ হৈ কৰা।

ৰক্তাক্ত (বিণঃ) - তেজেৰে লুতুৰি-পুতুৰি।

ৰঙিয়াল (বিণঃ) - আমোদপ্ৰিয়, ধেমেলীয়া স্বভাৱযুক্ত।

ৰমণীয় (বিণঃ) - সুন্দৰ, আনন্দদায়ক, ৰম্য।

ৰক্ষণাবেক্ষণ (বিঃ) - সযতনে ৰক্ষা কৰা কাৰ্য।

ৰাজকীয় (বিণঃ) - [১] ৰজা-সম্বন্ধীয়, ৰজাঘৰীয়া। [২] আড়ম্বৰপূৰ্ণ।

ৰাজী (বিণঃ) - সন্মত, মান্তি, প্ৰস্তুত।

ৰিজনি (বিঃ) - তুলনা।

ৰিণি ৰিণি, ৰিণিকি ৰিণিকি (ক্ৰি-বিণঃ) - অস্পষ্টকৈ, অলপ অলপকৈ।

ৰুষ্ট (বিণঃ) - ক্ৰুদ্ধ, অসন্তুষ্ট।

ৰূঢ় (বিণঃ) - কৰ্কশ, কঠোৰ, অপ্ৰিয়।

ৰোগাক্ৰান্ত (বিণঃ) - ৰোগাগ্ৰস্ত, ৰুগীয়া।

ৰোমহৰ্ষক (বিণঃ) - গাৰ নোম শিয়ৰি উঠা, ভয়াবহ।

লগে-ভাগে (ক্ৰি-বিণঃ) - একেলগ হৈ, সমূহীয়াকৈ।

লজ্জিত (বিণঃ) - [১] লাজ পোৱা। [২] অপমানিত।

লণ্ডভণ্ড (বিণঃ) - বিশৃংখল, ওলট-পালট, ছেদেলি-ভেদেলি।

লৰি-ঢাপৰি (ক্ৰি-বিণঃ) - খৰখেদাকৈ, লৰা-ঢপৰা কৰি।

লাও-লোৱা (বিণঃ) - বৰ দুখীয়া।

লাঞ্ছনা (বিঃ) - অপমান, তিৰস্কাৰ, নিন্দা।

লিপ্সা (বিঃ) - বাসনা, পাবৰ হেঁপাহ, লোভ।

লুণ্ঠন (বিঃ) - [১] লুট কৰা কাৰ্য, ডকাইতি। [২] মাটিত বাগৰা কাৰ্য।

লেখীয়া (অব্যঃ) - নিচিনা, দৰে।

লোতক (বিঃ) - অশ্ৰু, চকুপানী।

লৌকিক (বিণঃ) - [১] জনসাধাৰণ, সমাজ বা পৃথিৱী সম্বন্ধীয়। [২] মানৱিক।

শংকা, শঙ্কা (বিঃ) - ভয়, সংশয়।

শতায়ু (বিণঃ) - এশ বছৰ জীয়াই থকা, পূৰ্ণায়ু।

শাৰীৰিক (বিণঃ) - শৰীৰ সম্বন্ধীয়, দৈহিক।

শিল্পায়ন (বিঃ) - শিল্প বা উদ্যোগ স্থাপন, ঔদ্যোগীকৰণ।

শীঘ্ৰে (ক্ৰি-বিণঃ) - বেগাই, দ্ৰুত গতিৰে।

শীৰ্ষক (বিণঃ) - শিৰোনামযুক্ত।

শুশ্ৰূষা (বিঃ) - আলপৈচান, সেৱা, পৰিচৰ্যা।

শোচনীয়, শোচ্য (বিণঃ) - শোক কৰাৰ যোগ্য, অতিশয় দুঃখজনক।

শ্ৰান্ত (বিণঃ) - ক্লান্ত, ভাগৰুৱা।

ষড়যন্ত্ৰ (বিঃ) - চক্ৰান্ত, অভিসন্ধি, অপকাৰৰ অৰ্থে কৰা গুপ্ত মন্ত্ৰণা।

সংকল্প, সঙ্কল্প (বিঃ) - [১] কোনো কাম কৰিবলৈ দৃঢ়ভাৱে লোৱা সিদ্ধান্ত, প্ৰতিজ্ঞা। [২] পূজা আদি ধৰ্ম-কাৰ্যৰ পূৰ্বে কৰা প্ৰতিজ্ঞা।

সংক্ৰান্ত (বিণঃ) - সম্বন্ধীয়, বিষয়ৰ।

সংবেদন, সংবেদনা (বিঃ) - জ্ঞান, অনুভৱ, বোধ।

সংবেদনশীল (বিণঃ) অনুভূতিসম্পন্ন।

সংশ্লিষ্ট (বিণঃ) - সংযুক্ত, সম্বন্ধযুক্ত, জড়িত।





সতকাই (ক্ৰি-বিণঃ) - শীঘ্ৰে, বেগতে।

সততে (ক্ৰি-বিণঃ) - [১] সাধাৰণতে। [২] সদায়।

সত্বে, সত্বেও (অব্যঃ) - তেও, তথাপি।

সদা-সৰ্বদা (ক্ৰি-বিণঃ) - সদায় আৰু সকলো সময়তে।

সদিচ্ছা (বিঃ) - সজ ইচ্ছা, শুভেচ্ছা।

সন্নিৱিষ্ট (বিণঃ) - [১] অন্তৰ্ভুক্ত, সুমোৱা। [২] বিন্যস্ত, শ্ৰেণীবদ্ধ।

সম্পৃক্ত, সংপৃক্ত (বিণঃ) - সমন্ধযুক্ত।

সাধ্যাতীত (বিণঃ) - অসাধ্য, যিটো সাধন কৰা অসম্ভৱ।

সুকলমে (ক্ৰি-বিণঃ) - নিৰাপদে, বাধা বিঘিনি নোহোৱাকৈ।

সুনিশ্চিত (বিণঃ) - সম্পূৰ্ণভাৱে নিশ্চিত, সন্দেহাতীত।

সূচীপত্ৰ (বিঃ) - কিতাপ, আলোচনী আদিৰ বিষয় তালিকা, নিৰ্ঘণ্ট।

সূক্ষ্মাতিসূক্ষ্ম (বিণঃ) - অত্যন্ত সূক্ষ্ম।

সেমেনা-সেমেনি (বিঃ) - লাজত বা অপৰাধ-বোধত মুখ ইফাল-সিফাল কৰা কাৰ্য।

সৈমান (বিণঃ) - [১] মান্তি, ৰাজী, সন্মত। [২] সহিষ্ণু, সহনশীল।

সোদৰ (বিণঃ) - সহোদৰ, একে গৰ্ভজাত।

সৌভাগ্য (বিঃ) - [১] ভাল ভাগ্য। [২] সমৃদ্ধি, শ্ৰীবৃদ্ধি।

সৌষ্ঠৱ (বিঃ) - [১] সৌন্দৰ্য্য। [২] সুস্থতা। [৩] উৎকৰ্ষ। [৪] সুগঠন।

সৌহাৰ্দ, সৌহাৰ্দ্য, সৌহৃদ্য (বিঃ) - বন্ধুত্ব, আন্তৰিকতা।

স্থানান্তৰ (বিঃ) - অন্য স্থান।

স্পৰ্ধা (বিঃ) - অহংকাৰপূৰ্ণ দুঃসাহস, দৰ্প, বৰাই।

স্বচক্ষে (ক্ৰি-বিণঃ) - নিজ চকুৰে।

স্বচ্ছন্দ (বিণঃ) - অবাধ, স্বাধীন, নিজৰ ইচ্ছামতে চলিব পৰা।

স্বেচ্ছাই (ক্ৰি-বিণঃ) - নিজ ইচ্ছাৰে।

স্বোপাৰ্জিত (বিণঃ) - নিজে ঘটা বা উপাৰ্জন কৰা।

হঁহা-কন্দা (বিঃ) - [১] দুখ-শোকত বিচলতি অৱস্থা। [২] সুখ আৰু দুখ।

হকে (ক্ৰি-বিণঃ) - হৈ, পক্ষে।

হকে-বিহকে (ক্ৰি-বিণঃ) - হোৱাই-নোহোৱাই, অযথা।

হঠকাৰী (বিণঃ) - নভবা-নিচিন্তাকৈ কিবা এটা কৰি পেলোৱা, অবিবেচক।

হঠাৎ, হঠাতে, হঠাৎকাৰে (ক্ৰি-বিণঃ) - অকস্মাৎ, অতৰ্কিতে, আগতে গম নোপোৱাকৈ।

হতবুদ্ধি (বিণঃ) - বিবুদ্ধি, বিমোৰ, বুদ্ধি নাশ হোৱা।

হৰদম (ক্ৰি-বিণঃ) - [১] প্ৰায়েই, সদায়। [২] অনবৰত, একেৰাহে।

হৰেক (বিণঃ) - নানা প্ৰকাৰৰ, অনেক ৰকমৰ।

হলহলীয়া (বিণঃ) - অকপট, পোনপটীয়া, পেটত কথা নৰখা।

হলি-গলি (বিঃ) - অতিমাত্ৰা মিলাপ্ৰীতি।

হাইৰাণ (বিণঃ) - হাৰাশাস্তি, বৰ দুখ-কষ্ট পোৱা।

হাওহাওকৈ (ক্ৰি-বিণঃ) - ডাঙৰকৈ শব্দ কৰি।

হাচিল (বিণঃ) - [১] সম্পন্ন। [২] সম্পূৰ্ণ হোৱা, পূৰণ হোৱা।

হাড়িয়া (বিঃ) - লাওপানী।

হাত-খৰচ (বিঃ) - সৰু-সুৰা কামৰ কাৰণে হাতত ৰখা ধন।

হাত-দীঘল (বিণঃ) - ক্ষমতাশালী, প্ৰভাৱশালী।

হাবাথুৰি (বিঃ) - কোনো কামত বাৰে বাৰে ব্যৰ্থ হৈ অনুভৱ কৰা মানসিক ক্লান্তি।

হাবিলাষ, হাবিয়াহ (বিঃ) - হেঁপাহ, অভিলাষ।

হাৰ্দিক (বিণঃ) - [১] হৃদয় সম্বন্ধীয়। [২] আন্তৰিক।

হালে-হালে (ক্ৰি-বিণঃ) - দুটা দুটাকৈ, যোৰে যোৰে।

হাস্যাস্পদ (বিণঃ) - উপহাসৰ যোগ্য।

হিংসুক, হিংসুকীয়া (বিণঃ) - হিংসাযুক্ত, ঈৰ্ষাপৰায়ণ।

হিতাধিকাৰী (বিঃ) - কোনো চৰকাৰী কল্যাণমূলক আঁচনিৰ সুফল লাভ কৰোঁতা।

হীন (বিণঃ) - [১] নীচ, অধম, নিকৃষ্ট। [২] নথকা, শূন্য। [৩] দুৰ্দশাগ্ৰস্ত (হীনাৱস্থা)।

হুতাশন (বিঃ) - [১] জুই। [২] অগ্নিদেৱতা। [৩] হোমৰ জুই।

হুতাশনীয়া (বিণঃ) - [১] প্ৰখৰ। [২] অতিশয় খৰচী, ধোঁৱাখুলীয়া।

হুল (বিঃ) - সৰু জোঙা বস্তু, কাঁইট।

হুৱাদুৱা (বিঃ) - বিপদ উপস্থিত হোৱাত কৰা কন্দা-কটা বা চিঞৰ-বাখৰ।

হৃদয়গ্ৰাহী (বিণঃ) - মনোৰম, চিত্তাকৰ্ষক।

হৃদয়বিদাৰক (বিণঃ) - অত্যন্ত শোকজনক, মৰ্মভেদী।

হেতা-ওপৰা (বিঃ) - কঢ়া-আঁজোৰা, একেটা কামকে কৰিবলৈ বা একেটা বস্তুকে পাবলৈ বহুতে একেলগে কৰা চেষ্টা।

হেৰফেৰ (বিঃ) - অলপ কম-বেছি হোৱা অৱস্থা।

হোতা (বিঃ) - [১] যজ্ঞকাৰী, পুৰোহিত। [২] কোনো বৃহৎ কাৰ্যৰ প্ৰধান কৰ্তা।

হ্ৰাস (বিঃ) - ক্ষয়, কমি যোৱা অৱস্থা।

হ্লাদ (বিঃ) - আনন্দ, আহ্লাদ।

ক্ষণজন্মা (বিণঃ) - [১] অতি শুভ ক্ষণত জন্ম লাভ কৰা। [২] অতি ভাগ্যৱান।

ক্ষণভংগুৰ, ক্ষণভঙ্গুৰ (বিণঃ) - অলপ সময়ৰ ভিতৰতে ভাগি বা নষ্ট হৈ যোৱা, খন্তেকীয়া।

ক্ষান্ত (বিণঃ) - [১] বিৰত, নিবৃত্ত। [২] সহিষ্ণু, ক্ষমাশীল।

ক্ষিপ্ৰ (বিণঃ) - বেগী, খৰতকীয়া, দ্ৰুত।

ক্ষুধা (বিঃ) - [১] ভোক, খাবৰ ইচ্ছা। [২] ইচ্ছা, বাসনা।

ক্ষুব্ধ বিণঃ) - [১] বিচলিত, মন আলোড়িত হৈ থকা। [২] বিতুষ্ট, ৰুষ্ট।

ক্ষুৰধাৰ (বিণঃ) - ক্ষুৰৰ নিচিনা বৰ চোকা, সুতীক্ষ্ণ।

ক্ষেপণাস্ত্ৰ (বিঃ) - দূৰলৈ নিক্ষেপ কৰা অস্ত্ৰ।

ক্ষোভ (বিঃ) - [১] মানসিক চাঞ্চল্য বা অশান্তি। [২] আলোড়ন। [৩] ৰোষ, অসন্তুষ্টি।

ক্ষৌৰকাৰ, ক্ষৌৰিক (বিঃ) - নাপিত। ■

**সাংকেতিক শব্দৰ অৰ্থ ঃ** বিঃ (বিশেষ্য), বিণঃ (বিশেষণ) ক্ৰি-বিণঃ (ক্ৰিয়া বিশেষণ), অব্যঃ (অব্যয়), সৰ্বঃ (সৰ্বনাম)

**বিঃদ্ৰঃ** *কেবাখনো অভিধানৰপৰা শব্দবোৰ সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত আলোচনীখনৰ তত্ত্বাৱধায়ক ছাৰে বিশেষভাৱে সহায় কৰিছে।*









# বিভিন্ন বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

